
# প্ৰান্তিক

১২শ বছৰ ১ম সংখ্যা ১—১৫ ডিচেম্বৰ '৯২



## কোঠাৰ ভিতৰত মুগা খেতি

## আমেৰিকা আৱিষ্কাৰ

## বিত্ত আয়োগ আৰু অসমৰ আৰ্থিক দশা

OKDISCD





# প্ৰান্তিক

নবগিৰি পথ, চানমাৰি, ডাকঘৰ—শিলপুখুৰী, গুৱাহাটী—৭৮১০০৩ ফোন—৪৬২১৩

১২শ বছৰৰ ১ম সংখ্যা ১—১৫ ডিচেম্বৰ '৯২

মূল্য সাত টকা


## এই সংখ্যাত

সংৰক্ষণৰ ক্ষেত্ৰত দেখা গৈছে যে যিসকল লোকে সংৰক্ষণৰ সহায়ত উচ্চ শিক্ষা লাভ কৰিছে বা ভাল চাকৰিত সোমাইছে, তেওঁলোকৰ পুত্ৰ-পৌত্ৰাদি সকলোৱে এই সুবিধাৰ ফল ভোগ কৰি আছে। অথচ একে সম্প্ৰদায়ৰে প্ৰকৃত পিছপৰা লোকসকল সুবিধাৰ অভাৱত পিছ পৰিয়েই আছে। এতিয়া নতুনকৈ আকৌ ২৭ শতাংশ সংৰক্ষণৰ দ্বাৰা নতুন এক শ্ৰেণী 'অভিজাত'ৰ সৃষ্টি কৰিবলৈ ওলোৱাৰ দৰে হৈছে। ... আনহাতে শ্ৰীনৰসিংহ ৰাও চৰকাৰে লোৱা সিদ্ধান্ত অনুসৰি আৰ্থিক দিশত পিছপৰাসকলৰ বাবে শতকৰা ১০ ভাগ সংৰক্ষণৰ ব্যৱস্থা বাতিল হোৱাত বহুতৰে ক্ষোভ থাকি যাব।

**ৰবীন্দ্ৰ নাথ বৰুৱাৰ নিৰীক্ষণ ঃ সংৰক্ষণ সম্পৰ্কে উচ্চতম ন্যায়ালয়ৰ ৰায় ।১১।**

'দ্বিতীয় মহাযুদ্ধৰ মাজত আৰু যুদ্ধৰ পূৰ্বে জাপানী সেনা-বাহিনীয়ে চলোৱা নিৰ্যাতনৰ বাবে জাপানৰ সম্ৰাটে চীনা জনসাধাৰণৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰাটো বিজিঙে আশা কৰে ; কিন্তু সংখ্যাগৰিষ্ঠ জাপানী জনসাধাৰণে অতীতত জাপানী সৈন্যই কৰা অপকৰ্মৰ বাবে তেওঁলোকৰ সম্ৰাট চীনৰ ওচৰত লঘু হোৱাটো নিবিচাৰে।'

**জাপানী সম্ৰাটৰ চীন ভ্ৰমণ ঃ দূৰপ্ৰাচ্যত কূটনৈতিক বিপ্লৱ ঃ ড. সুনীল পৱন বৰুৱা ।২৪।**

গোলাঘাট জিলাৰ বৰুৱা বামুণগাঁৱত অৱস্থিত অসমৰ আটাইতকৈ পুৰণি সমবায় চেনিকলটো ৰাজ্য চৰকাৰে ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ সিদ্ধান্ত লোৱাত সচেতন ৰাইজৰ প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। ... ৰাজ্য চৰকাৰে কিমান আন্তৰিকতাৰে বা কি পৰিস্থিতিৰ মাজেৰে কলটোক ব্যক্তিগতখণ্ডলৈ হস্তান্তৰ কৰিবলৈ বিচাৰিছে, আৰু ইয়াৰ পৰা প্ৰকৃততে কাৰ স্বাৰ্থ ৰক্ষা পৰিব ইত্যাদি বৰ্তমানে একোটা বিতৰ্কৰ বিষয়। ভাৰতৰ আন সকলো প্ৰদেশৰ চেনিকলবোৰে দেখুউৱা বৃহৎ পৰিমাণৰ বাৰ্ষিক লাভৰ পৰিবৰ্তে আজি অসমৰ এই কম ক্ষমতা সম্পন্ন সমবায় প্ৰতিষ্ঠানটোৱে কি কাৰণতনো বৃহৎ লোকচানৰ সম্মুখীন হৈছে আৰু এইবোৰৰ নিৰাময়ৰ বাবে কেনে ধৰণৰ বৈজ্ঞানিক প্ৰচেষ্টা হাতত লব পাৰি সেই সম্পৰ্কে গভীৰ আলোচনাৰ প্ৰয়োজন আছে।

**অসমৰ প্ৰথম সমবায় চেনিকলটোৰ সন্দৰ্ভত সুশান্তজ্যোতি শৰ্মাৰ প্ৰতিবেদন ঃ বৰুৱা বামুণগাঁৱৰ সমবায় চেনিকলটোৰ সাম্প্ৰতিক অৱস্থা আৰু সম্ভাৱনা ।১৩।**

বিভিন্ন ৰেচম খেতি,—যেনে এৰী আৰু পাট ঘৰৰ ভিতৰতে কৰিব পাৰি। কিন্তু মুগা খেতি যি কেৱল অসমতে হয়, সেয়া পৰম্পৰাগতভাৱে ঘৰৰ বাহিৰত কৰা হয়। ঘৰৰ ভিতৰত সঁচাকৈয়ে মুগা খেতি কৰিব নোৱাৰিনে ? এই সম্পৰ্কত গৱেষণা চলাই ড. যোগেন্দ্ৰ নাথ তালুকদাৰে ঘৰৰ ভিতৰত মুগা খেতি কৰাৰ এক পদ্ধতি আবিষ্কাৰ কৰিছে।

**এই বিষয়ে পংকজ নেওগৰ নিবন্ধ ঃ কোঠাৰ ভিতৰত মুগা খেতি ।৩৯।**

কলম্বাছ আৰু আমেৰিকা,—শব্দ দুটা যেন এৰাব নোৱৰা ধৰণে জড়িত। সেই সময়ৰ পুৰণি পৃথিৱীৰ মানুহৰ বাবে এখন মহাদেশৰ আবিষ্কাৰ হয়তো নতুন খবৰ। আৰু ইউৰোপৰ পৰা আমেৰিকালৈ গৈ নতুন প্ৰাচুৰ্যৰ মুখ দেখা মানুহৰ বাবে কলম্বাছৰ যাত্ৰা আছিল 'ভয়েজ অৱ ডিছক'ভাৰি', কিন্তু ই সঁচাকৈয়ে 'আবিষ্কাৰৰ যাত্ৰা', নতুন যুগৰ সূচনা বা তেনে কিবা আছিল, নে প্ৰকৃততে দুটা সভ্যতাৰ মাজত ঘটিব লগীয়া সংঘাতৰ সূচক আছিল ?

আমেৰিকাবাসীৰ কাৰণে খ্ৰিষ্টফাৰ কলম্বাছ এক চিৰস্মৰণীয় নাম। এই দুঃসাহসিক নাবিক গৰাকীয়ে ১৪৯২ খৃষ্টাব্দৰ ১২ অক্টোবৰৰ দিনা আমেৰিকালৈ পথ উলিয়াই দিয়া কাৰণে তেওঁক সকলো আমেৰিকাবাসীয়ে সোঁৱৰে। পিছে দুয়োখন আমেৰিকাত বাস কৰা আদিম অধিবাসীসকলে কলম্বাছৰ আবিষ্কাৰক সমানেই গুৰুত্ব দিয়েনে ?

**কলম্বাছৰ আমেৰিকা আবিস্কাৰৰ পঞ্চ শতবাৰ্ষিকী উপলক্ষে ড. কুলেন্দু পাঠক আৰু ড. দিলীপ দত্তৰ দুটা নিবন্ধ ঃ আমেৰিকা আবিস্কাৰৰ(?) পঞ্চ শতবাৰ্ষিকী আৰু অভিশপ্ত কলম্বাছ ।২৬।**


পত্ৰালাপ ।৪। সম্পাদকীয় ।৫। ঘটনা-প্ৰবাহ ।৯। নিৰীক্ষণ ।১১। বৰুৱা বামুণগাঁৱৰ সমবায় চেনিকলটোৰ সাম্প্ৰতিক অৱস্থা ।১৩। ৰঞ্জন ।১৭। চিন্তন ।১৮। অৰ্থনীতি ।২০। বিশ্বপৰিক্ৰমা ।২৪। আমেৰিকা আবিষ্কাৰৰ (?) পঞ্চ শতবাৰ্ষিকী ।২৬। অভিশপ্ত কলম্বাছ ।৩০। তেজদান ।৩৫। কোঠাৰ ভিতৰত মুগা খেতি ।৩৯। গল্প ।৪২। কবিতা ।৪৫। ধাৰাবাহিক উপন্যাস ।৪৬। কলাসংস্কৃতি ।৫০। ক্ৰীড়াংগন ।৫১। শ্ৰীকৃষ্ণৰ কালীয় দমন ।৫৩। শেষপৃষ্ঠা ।৫৪।


## অহা সংখ্যাত

ভাৰতৰ এটা বৃহৎ উদ্যোগ হ'ল কয়লা উদ্যোগ। অসমৰ বাহিৰতেই হওক বা ভিতৰতেই হওক,—এই উদ্যোগৰ লগত জড়িত অসমীয়া লোকৰ সংখ্যা তেনেই তাকৰ। ইয়াৰ মুখ্য কাৰণ হ'ল,—এই উদ্যোগ সম্বন্ধে অসমৰ মানুহৰ অজ্ঞতা, আৰু এই অঞ্চলটোত এই উদ্যোগ সংক্ৰান্ত কোনো শিক্ষাৰ ব্যৱস্থা নথকা।

**ভাৰতৰ কয়লা উদ্যোগৰ বিষয়ে লিখিছে ধানবাদৰ স্কুল অৱ মাইনছৰ শিক্ষক খনীন্দ্ৰ পাঠকে**

তেহৰি জলবিদ্যুৎ প্ৰকল্পই উত্তৰ-প্ৰদেশক, বিশেষকৈ তাৰ পৰ্বতীয়া জিলা কেইখনক শস্যশ্যামলা কৰিব ; ২৪০০ মেগাৱাট বিদ্যুৎ-শক্তি উৎপন্ন কৰিব ; দিল্লী মহানগৰীক যথেষ্ট পৰিমাণে খোৱাপানীৰ যোগান ধৰিব। তেনেস্থলতো তেহৰি প্ৰকল্পৰ তীব্ৰ বিৰোধিতা কৰা হৈছে কিয় ?

**হেমন্ত বিজয় মহন্তৰ প্ৰবন্ধ ঃ প্ৰগতি বনাম পাৰিপাৰ্শ্বিকতা**

অধ্যাপক সুদৰ্শন কোন ? ইলিছ কাউন্টিৰ ত্বৰকটোৰ নিৰ্মাণকাৰ্য কিয় জৰ্জ বুশ্বে নিজে পৰিদৰ্শন কৰিছিল ? ত্বৰকনো কি ? হিগ্‌ছ কণা কি ? তাত্বিক পদাৰ্থবিজ্ঞানে শেহতীয়াভাৱে কি বৰঙণি আগবঢ়াইছে ? এনে ধৰণৰ নানান প্ৰশ্নৰ আলোচনা-সম্বলিত ভ্ৰমণ-কাহিনী ঃ

**আমেৰিকাৰ বিজ্ঞান-সমাজত এসপ্তাহ ঃ ড. দিলীপ কুমাৰ চৌধুৰী**

অসমৰ বহু নৈৰ বালিত কম-বেছি পৰিমাণে সোণ পোৱা গৈছিল। ৰাজেশ্বৰ সিংহই (১৭৫১-১৭৬৮ চন) উজনি অসমৰ সোণোৱালৰ হতুৱাই ৰাজকোষত প্ৰায় ৭০০০ তোলা সোণ জমা কৰাইছিল। এতিয়াও অসমৰ নৈৰ বালিত সোণ পোৱা যাবনে ?

**অসমৰ সোৱণশিৰি নৈত সোণৰ অনুসন্ধান সম্পৰ্কে বিপুল চন্দ্ৰ বৰুৱাৰ এটা সমীক্ষা**

আলিবাটত গৰু, কুকুৰ; মেকুৰী, ৰিক্সা, ঠেলা, স্কুটাৰ, ছাইকেল, ধূলি-ধোঁৱা আদিয়ে সৃষ্টি কৰা বিশৃংখল পৰিবেশটোৰ মাজত থাকি আমি বহুতে এই একেখন পৃথিৱীতে মানুহ কিমান উন্নত পৰিবেশত থাকিব পাৰে সেই বিষয়ে কল্পনাও কৰিব নোৱাৰোঁ।

**আমেৰিকাৰ আলিবাটৰ কথা লিখিছে আৰতি দাসে**


Prantik

The Assamese Fortnightly
Rs. 7.00

Vol XII No 1 1 – 15 December '92

Navagiri Road, Chanmari,
P. O. Silpukhuri, Guwahati—781003
Phone 46213

## যতীন দুৱৰা কিয় বনফুলৰ কবি ?

কবি যতীন্দ্ৰনাথ দুৱৰাৰ জন্মশতবাৰ্ষিকী উপলক্ষে বিভিন্ন ঠাইত সভা-সমিতি পতা দেখা গৈছে। আমাৰ কবি-সাহিত্যিকসকলৰ নামত কেৱল আৰাৱ নকৰি তেওঁলোকৰ সাহিত্য কৰ্ম সম্পৰ্কে সুচিন্তিত, ফলপ্ৰসূ আলোচনা হোৱাটো অতি লাগতিয়াল কথা।

কবি দুৱৰাক 'বনফুলৰ কবি' বুলি আখ্যা দিয়া দেখা গৈছে। এইটো তেওঁৰ 'Permanent Epithet'—অৰ্থাৎ এৰুৱাব নোৱৰা বিশেষণ (উপাধি) হ'লেই যেন পাইছোঁ। বনফুলৰ কবি উপাধিটো তেওঁক কোনে কেনেকৈ দিলে জানো ! বোধহয় তেওঁৰ বনফুল বোলা সংগ্ৰহটোৱে সাহিত্য একাডেমি বঁটা পোৱাৰ বাবে নেকি ? বনফুল শব্দটোৱে দুৱৰাৰ কবিতাৰ বৈশিষ্ট্যৰ আভাস নিদিয়ে। বনফুলে বৰং গাঁৱলীয়া লোকগীতৰহে ইংগিত দিয়ে। 'বনফুল' সংগ্ৰহটিত কেইবাটাও অনুবাদ-কবিতাও আছে। 'আপোনাৰ সুৰ' বোলা কবিতা-সংগ্ৰহত দুৱৰাৰ কবিতাৰ প্ৰধান গুণ প্ৰকাশ পাইছে। দুৱৰাক 'আপোনাৰ সুৰ'ৰ কবি বোলা হ'লেও বেয়া নাছিল। দুৱৰাৰ কবিতাৰ প্ৰধান সুৰ হ'ল কবিৰ মনৰ কোমল কৰুণ সুৰৰ প্ৰকাশ। তেওঁৰ কবিতাবিলাক চালি-জাৰি চালে যুক্তাক্ষৰ থকা শব্দ অতি কমেইহে ওলাব। দুৱৰাৰ ভাষা অতি কোমল। তেওঁক 'কোমল কবি' যতীন দুৱৰা বুলিলেও মোৰ মনেৰে বেয়া নহয়। সি যি নহওক, 'Vox populi' অৰ্থাৎ ৰাইজৰ মাতেই, দেৱতাৰো মাত। তথাপি দেৱতাৰ ভাষাও কেতিয়াবা কাণত বাজে। আজিকালি গণভোটৰ যুগ। ৰাইজে যি মত দিয়ে, সেয়ে মত। মই নিজে ভবা কথাটোহে জনালো।

—যজ্ঞেশ্বৰ শৰ্মা,
নগাঁও

## লুপ্তপ্ৰায় বন্যপ্ৰাণী

শ্ৰীজীৱন দাসৰ 'অসমৰ লুপ্তপ্ৰায় বন্যপ্ৰাণী দেওহাঁহ' নামৰ লেখাটো পঢ়ি মোৰ এটা কথা মনত পৰিছে। তেতিয়া মোৰ বয়স আঠ কি ন বছৰ হ'ব। এদিন আমি অন্য এখন গাঁৱৰ পৰা আমাৰ পথাৰৰ মাজেদি আহি আছিলো। লগত আছিল দাদা আৰু ভিনদেউ। আমাৰ পথাৰখন আকৌ ওখ মেটেকাৰে ভৰি থাকে। তেতিয়া খেতিৰ সময় নাছিল। সেই মেটেকানিৰ মাজতে এঠাইত অলপ মুকলি দ পানী আছিল। তাতে আমি এটা হাঁহ দেখা পাইছিলো। হাঁহটোক আমি প্ৰথমতে ঘৰচীয়া বুলি ভাবিছিলো। ভালকৈ মন কৰাত দেখিলো সেইটো বনৰীয়া হাঁহহে। হাঁহটোৰ মূৰটো আছিল সেন্দুৰ যেন ৰঙা। গাৰ ৰং কেনেকুৱা আছিল পাহৰিলো। সম্ভৱ ক'লা-ধোঁৱা বৰণীয়া আছিল। সেই হাঁহটোক দাদাহঁতে মাৰি পেলাইছিল। তাৰ পাছৰ পৰা মই আজিলৈকে তেনেকুৱা হাঁহ দুনাই দেখা নাই।

সৌ সিদিনা মোৰ বন্ধু এজনে ঘৰৰ ওচৰতে এটা বনবৌ পালে। (বন্ধুজনৰ ঘৰ অলপ ঘন জনবসতিৰ মাজতেই) মই বন্ধুজনক বনবৌটোক বন বিভাগৰ কাৰ্যালয়ত দি দিবলৈ ক'লো। বনবৌ এটা আপুৰুগীয়া বন্যপ্ৰাণী। তাক আমি মৰিবলৈ দিব নোৱাৰোঁ। ৰাইজে দেখিলে তাক খাবলৈ মাৰি পেলাব। বন বিভাগে কিজানি প্ৰাণীটোক ৰক্ষণাবেক্ষণ দিব পাৰিব। এইবোৰ ভাবিহে মই তেনেকৈ কৈছিলো। কিন্তু বন্ধুজনে মোৰ কথা নুশুনিলে। বনবৌটো কাটি খাই পেলালে। ছালখন হেনো তেখেতে ড্ৰইংৰুমৰ সৌন্দৰ্য বৰ্ধন কৰিবলৈ ব্যৱহাৰ কৰিব। কথাটো শুনি মনত বৰ দুখ পালো। মোৰ সেই বন্ধুজন এজন শিক্ষিত ব্যক্তি।

আমি সৰু থাকোঁতে আমাৰ পথাৰত ক'ৰবাৰ পৰা আহি বৰটোকোলা পৰেহি। আমি চাওঁ। চাই ভাল লাগে। এতিয়া সেইবোৰ দেখা নাপাওঁ। পৃথিৱীখন এতিয়া নিৰস যেন লাগে। এই সুন্দৰ পৃথিৱীখন কুৎসিৎ দেখা হৈ পৰিছে। এই সকলো আমিয়েই কৰিছোঁ। আমিয়েই দায়ী। চৰকাৰে লুপ্তপ্ৰায় বন্যপ্ৰাণী সংৰক্ষণৰ কাৰণে আঁচনি প্ৰস্তুত কৰে। কিন্তু আমি সচেতন নহ'লে সেই আঁচনিসমূহ বাস্তৱত ৰূপায়ণ কৰিব পৰা যাব জানো ? আমি চকুৰ আগতে দেখিছোঁ,—'বন্য-প্ৰাণী সংৰক্ষণ বিষয়া'সকলেই বন্দুকেৰে গুলীয়াই গুলীয়াই কত পশু-পক্ষী বধ কৰে। বন্য-প্ৰাণী সংৰক্ষণ বিষয়া হিচাপে তেখেতসকল কেতিয়াকৈ এনে ধ্বংসকাৰ্যৰ পৰা বিৰত হ'ব ? অৱশ্যে চৰকাৰৰ বিভিন্ন প্ৰকল্পৰ আঁচনিসমূহো কাৰ্যকৰী কৰা প্ৰায় নহয়েই।

এতিয়া সময় আহিল আমি সচেতন হোৱাৰ। লুপ্তপ্ৰায় বন্যপ্ৰাণীক সংৰক্ষণ কৰিব লাগিব। তেহে সুন্দৰ পৃথিৱী সুন্দৰ হৈ থাকিব। তেতিয়াহে পৃথিৱীত আমি সুখে-সন্তোষে বাস কৰিব পাৰিম।

—ডাও মহেন্দ্ৰ কেম্প্ৰাইছা,
কাৰবি আংলং

## খৃষ্টান সংস্কৃতি

শ্ৰীতোষেশ্বৰ তামুলীফুকনৰ 'বেটে জনগোষ্ঠী' নামৰ নিবন্ধটি (১৬।১০।৯২) পঢ়ি উপকৃত হ'লো। কিন্তু তেখেতে 'বেটে সমাজ-জনৰ সামাজিক অনুষ্ঠান আদি'ৰ শেষ অংশত লিখিছে, "কিন্তু আনফালে খৃষ্টান সংস্কৃতিয়ে তেওঁলোকৰ জনজাতীয় সংস্কৃতি একেবাৰে গিলি পেলাইছে।" তেখেতে ইয়াত খৃষ্টান সংস্কৃতি বুলি কি বুজাইছে বুজি নাপালো। কাৰণ ধৰ্ম কেতিয়াও সংস্কৃতি হ'ব নোৱাৰে। সংস্কৃতি হ'ল এক বিশেষ সমাজ-ব্যৱস্থাত বাস কৰা মানুহখিনিৰ সামগ্ৰিক বৌদ্ধিক ফচলৰ প্ৰকাশ। এই বৌদ্ধিক ফচলে কলা, সাহিত্য, গীত-মাত-নৃত্য, চিত্ৰশিল্প, ধৰ্ম, জীৱনধাৰণৰ ৰীতি-নীতি আদি সকলো দিশকে সামৰি লয় যদিও ধৰ্ম সংস্কৃতিৰ এটা উপাদানহে মাথোঁ। দ্বিতীয়তে, প্ৰাচ্যৰ দেশসমূহত খৃষ্টান ধৰ্মই বহু পাছতহে প্ৰসাৰ লাভ কৰে। গতিকে তেখেতে কোনখিনি খৃষ্টান লোকৰ সংস্কৃতিৰ কথা উল্লেখ কৰিছে ? অঞ্চল আৰু জাতি অনুসৰি খৃষ্টান ধৰ্মাৱলম্বী লোকৰ সংস্কৃতি বেলেগ-বেলেগ হ'বও পাৰে। লেখকে খৃষ্টান সংস্কৃতিৰ ঠাইত পাশ্চাত্য সংস্কৃতি বুলি উল্লেখ কৰা হ'লে অধিক শুদ্ধ হ'লহেঁতেন। কাৰণ খৃষ্টানধৰ্ম আৰু পাশ্চাত্য সংস্কৃতি দুটা ভিন্ন অৰ্থৰ শব্দ। অকল খৃষ্টান সকলকহে যে পশ্চিমীয়া সংস্কৃতিয়ে গ্ৰাস কৰিছে এনে নহয় ; আজি অখৃষ্টান লোকৰ মাজতো পাশ্চাত্য সংস্কৃতিয়ে বিশেষভাৱে খোপনি পাতিছে। গতিকে আমি সকলো সচেতন হ'বৰ হ'ল।

—দেবাশীষ ভোৱৰা,
ওদালগুৰি

## ৰূপালী জয়ন্তী বনাম বানপানী

ডুমডুমা মহাবিদ্যালয়ে সদ্যহতে ৰূপালী জয়ন্তী উৎসৱৰ আয়োজন কৰিছে। এয়া দেশৰ বাবেই গৌৰৱৰ কথা। এই মহাবিদ্যালয় কেনেকুৱা অভাৱ-অভিযোগৰ মাজত স্থাপিত হৈছিল মই দেখা নাই ; কিন্তু বিভিন্ন ব্যক্তিৰ (স্থাপনৰ লগত জড়িত) মুখে, মহাবিদ্যালয়ৰ আলোচনী, সাক্ষাৎকাৰ আদি পঢ়ি জানো যে ডুমডুমা মহাবিদ্যালয়ে পাবত গজি ৰূপালী জয়ন্তী উৎসৱ আয়োজন কৰিবলৈ বিচৰা নাই।

অহা ডিচেম্বৰ মাহত উলাহ-উদ্দীপনা, ৰং-ৰহইচেৰে ৰূপালী জয়ন্তী উদযাপনৰ আয়োজন কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ইতিমধ্যে এখন সমিতিও গঠন কৰা হৈছে। সমিতি এতিয়া নানা কামত ব্যস্ত হৈ পৰিছে। জয়ন্তীৰ বাবে অৰ্থও সংগ্ৰহ কৰা হৈছে। ডুমডুমা প্ৰধানতঃ ব্যৱসায়িক অঞ্চল। ইয়াত সহজে অৰ্থ সংগ্ৰহ কৰিব পাৰি। গতিকে এই উৎসৱ ব্যয়বহুল হ'ব বুলিয়েই ঠাৱৰ কৰিব পাৰি। কিন্তু এটা বিষয় যদি পাহৰি যাওঁ তেন্তে ডুমডুমা মহাবিদ্যালয় এক ক্ষতিৰ সম্মুখীন হ'ব। ডিৰাক, চুমনি, ধলা, ডাঙৰী আদি অঞ্চল আজি বানপানীৰ কবলত। এশতকৈও অধিক প্লাৱিত গাঁৱৰ ছাত্ৰ-ছাত্ৰীয়ে এতিয়া অধ্যয়নৰ কথা পাহৰিবলৈ লৈছে। কেইবাটাও বানত আক্ৰান্ত ৰাইজে এতিয়াও নিজকে থিতাপি লগাব পৰা নাই। চৰকাৰৰ সীমিত সাহায্যই ৰাইজক মাত্ৰ অন্ন-বস্ত্ৰৰ ক্ষেত্ৰতহে কিঞ্চিৎ সকাহ দিছে। এনে পৰিস্থিতিত বান-আক্ৰান্ত ছাত্ৰ-ছাত্ৰীক আকৌ অধ্যয়নমুখী কৰি তোলাৰ ক্ষেত্ৰত ডুমডুমা মহাবিদ্যালয়ৰ নিশ্চয় এটা ভূমিকা আছে। এয়াই উপযুক্ত সময়। ৰাইজৰ আশীৰ্বাদেই ডুমডুমা মহাবিদ্যালয়ৰ সোণালী ভৱিষ্যতৰ পথ নিৰ্মাণ কৰিব। মহাবিদ্যালয়ৰ ৰূপালী-জয়ন্তী উৎসৱৰ উদযাপন সমিতিলৈ মোৰ কাতৰ অনুৰোধ, উৎসৱৰ আয়োজনৰ লগতে বান-আক্ৰান্ত ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতিও যেন তেওঁলোক সহানুভূতিশীল হয়। পঁচিছ বছৰীয়া ডুমডুমা মহাবিদ্যালয় আৰু সোণালী হৈ উঠক, এয়াই মোৰ প্ৰাৰ্থনা।

—নৃপেন সোণোৱাল,
ৰূপাই ছাইডিং, ডুমডুমা





# প্ৰান্তিক

দ্বাদশ বছৰ, প্ৰথম সংখ্যা। ১—১৫ ডিচেম্বৰ, ১৯৯২ চন।

## পৰিকল্পনাৰ অ, আ, ক, খ

দেশৰ বা জনগণৰ উন্নয়নৰ বাবে আঁচনি বা পৰিকল্পনাবোৰ যিমান বেছি সম্ভৱ গঢ়োতাই, যিমান গভীৰভাৱে চিন্তা কৰি, যিমান নিৰপেক্ষভাৱে, যিমান দূৰদৰ্শিভাৱে কৰিব পৰা যায়, সিমানেই মংগল। যিসকল ৰাজনৈতিক নেতা আৰু বিষয়াই এই আঁচনি আৰু পৰিকল্পনাৰ কামবোৰ কৰে, তেওঁলোকে উক্ত কথাখিনি যিমান বেছিকৈ বুজে সিমানেই মংগল। স্কুল পৰ্যায়ৰ পাঠ্যপুথি এখন সলনি কৰিবলৈ হ'লেও কিয় সলনি কৰা হ'ব, কেনেকুৱা পাঠ্যপুথি নতুনকৈ প্ৰবৰ্তন কৰা উচিত এইবোৰ কথা গভীৰভাৱে বিবেচনা কৰি শেষত ঠিক কৰিব লাগে,—এই পৰিবৰ্তনৰ বাবে মাজত কিমান সময় লাগিব। তাৰ পাছত ঘোষণা কৰিব লাগে যে অমুক চনৰ শিক্ষাবৰ্ষৰ পৰা অমুক কিতাপখনৰ ঠাইত অইন কিতাপ চলোৱা হ'ব, আৰু লগে-লগে এই পৰিবৰ্তনৰ বাবে প্ৰয়োজনীয় কাম কৰিবলৈ লব লাগে। এনেকৈ কাম কৰিলে জনসাধাৰণে আঁচনি, পৰিবৰ্তন আদি শান্তিৰে গ্ৰহণ কৰে। দেশৰ বা জনগণৰ মংগলৰ বাবে কৰা কামে যাৰ স্বাৰ্থত আঘাত কৰে, তেনে লোকৰ আপত্তি থাকিবই, কিন্তু সেই আপত্তিলৈ জনগণে ভ্ৰূক্ষেপ নকৰে।

অসমক যিমান ডাক্তৰ লাগে, সিমান ডাক্তৰ কলেজ কেইখনৰ পৰা ওলাই আছেনে ? যদি নাই ওলোৱা তেনেহ'লে কি কৰা যায় ? কলেজ কেইখনত ছিটৰ সংখ্যা বঢ়ালেই হ'ব নে নতুন কলেজ খুলিব লাগিব ? টকা-পইচাৰ অভাৱৰ কাৰণে নতুন কলেজ খোলাটো এতিয়া সম্ভৱ নহয় ; গতিকে ছিটৰ সংখ্যাই বঢ়োৱা হওক। কিমান বঢ়ালে হ'ব ? পোন্ধৰখন ? বিছখন ? পাচপন্নখন ? সিদ্ধান্ত কৰা হ'ল পাচপন্নখন। (পোন্ধৰখন কিয় নহয় বা ষাঠিখন কিয় নহয় তাৰো যুক্তি থাকিব লাগিব।) এতিয়া এই পাচপন্নখন আসন বঢ়োৱাৰ বাবে প্ৰয়োজনীয় কামখিনি,—সংশ্লিষ্ট কৰ্তৃপক্ষৰ অনুমতি-অনুমোদন, টকা-পইচা, শিক্ষক, যন্ত্ৰ-পাতি, ঘৰ, চকী-মেজ ইত্যাদিৰ যোগাৰ,—এইবোৰ কাম হাতত লব লাগে। এইবোৰ কাম শেষ কৰি কেতিয়ামানে এই আসনবোৰত ছাত্ৰ-ছাত্ৰী ভৰ্তি কৰিব পৰা যাব ? ১৯৯৪ চনত ? হওক তেনেহ'লে, সেইটোৱেই সিদ্ধান্ত হওক। তাৰ পাছত, এই পাচপন্নখন আসনত কেনেকুৱা ছাত্ৰ-ছাত্ৰী ভৰ্তি কৰা হ'ব ? মেডিকেল কলেজত ছাত্ৰ-ছাত্ৰী ভৰ্তি কৰাৰ এলানি নিয়ম বহুদিনৰে পৰা মানি অহা হৈছেই ; তেনেক্ষেত্ৰত এতিয়া, এই নতুনকৈ সৃষ্টি কৰা আসনখিনিৰ ক্ষেত্ৰত নতুনকৈ কিবা কথা বিবেচনা কৰিব লগীয়া আছে নে কি ? যদি আছে, তেনেহ'লে নিস্বাৰ্থভাৱে, ৰাইজৰ স্বাস্থ্যৰ খাতিৰত, চিকিৎসা-বিজ্ঞানৰ খাতিৰত, সমাজৰ বিভিন্ন স্তৰৰ ৰাইজৰ উন্নতিৰ খাতিৰত কথাবোৰ বিবেচনা কৰি সুচিন্তিত সিদ্ধান্ত গ্ৰহণ কৰিলে কোনে আপত্তি কৰিব ? হাজং, ৰিয়াং, কাৰবি, বড়ো, মেচ, মিচিং আদি সম্প্ৰদায়ৰ যোগ্য ছাত্ৰ-ছাত্ৰীয়ে মেডিকেল কলেজত পঢ়া-শুনা কৰি ডাক্তৰ হৈ ওলালে আপত্তি কৰা কোনোবা সুস্থ মানুহ আছেনে ?

কিন্তু মানুহে আপত্তি কৰে কেতিয়া ? যেতিয়া—

(১) কোনো আয়োজন আৰু ব্যৱস্থা নকৰাকৈ হঠাতে, কেৱল কাগজতে ছিট বঢ়াই দিয়া হয় ; (যদি এনেকৈয়ে ছিট বঢ়াব পাৰি তেনেহ'লে দেখোন মেডিকেল কলেজৰ ছিটৰ কোনো সমস্যাই থকা উচিত নহয় !) (২) আগতে (আচম্বিতে) পোন্ধৰটা ছিটৰ সৃষ্টি কৰি, পাছত 'প্ৰতিনিধিত্বহীন শ্ৰেণী'ৰ নাম লোৱা হয়, আৰু তাৰো পাছত (বাধ্যত পৰি ?) হাজং, ৰিয়াং, কাৰবি, বড়ো, মেচ, মিচিং আদিৰ নাম লোৱা হয়, (৩) হাজং, ৰিয়াং আদি জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ পাঠশালাৰ শিক্ষাৰ পৰা আৰম্ভ কৰি বিভিন্ন স্তৰৰ শিক্ষাৰ কাৰণে আজিলৈকে কি ব্যৱস্থা কৰা হৈছে সেই বিষয়ে উদাসীন হৈ থকাৰ পাছত হঠাতে তেওঁলোকৰ মেডিকেল শিক্ষাৰ কাৰণে চৰকাৰক আগ্ৰহী হোৱা দেখা যায়, (৪) মেডিকেল শিক্ষাৰ বাহিৰে ইঞ্জিনিয়াৰিং, সাধাৰণ শিক্ষাৰ স্নাতক, স্নাতকোত্তৰ মহলা, কৃষি, পশু-চিকিৎসা আদিৰ শিক্ষাৰ ক্ষেত্ৰত এনেকৈ ছিটৰ সৃষ্টি কিয় কৰা নহ'ব, সেই বিষয়ে চিন্তা-চৰ্চা কৰা দেখা নাযায় ; (৫) সংৰক্ষণ আৰু সংৰক্ষণৰ সুবিধা পোৱা জনগোষ্ঠীসমূহৰ তালিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত গোটেই দেশতে বহুদিন ধৰি বহু চিন্তাশীল লোকে নানান আলোচনা-বিলোচনা কৰি থকা সময়ত আমাৰ ইয়াত ইমান সহজে তেনে ধৰণৰ এটা কাম সম্পন্ন কৰা হয় ; —

যেতিয়া তেওঁলোকে আপত্তি কৰে।

মুখ্য সম্পাদক : ড. ভবেন্দ্ৰ নাথ শইকীয়া
সহকাৰী সম্পাদক : [illegible]
অংগসজ্জা : নবীন বৰুৱা
ব্যৱস্থাপনা : [illegible] (এডভাৰটাইজমেন্ট), [illegible] (ছাৰকুলেচন), [illegible] (একাউণ্টছ),
ফ'টোটাইপছেটিং : [illegible], মুদ্ৰাংকন : [illegible] প্ৰেছ, [illegible] ফ'টোটাইপছ
[illegible] দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত।



## মহিলা চাকৰিয়াল

মই এজন নিবনুৱা যুবক। চাকৰিৰ বাবে যোৱা তিনিমাহত কেইবাটাও ইণ্টাৰভিউ দিলো। মই প্ৰত্যক্ষ কৰা উল্লেখযোগ্য কথাটো হ'ল—এই আটাইকেইটাতে ল'ৰা বা পুৰুষতকৈ মহিলা বা ছোৱালী প্ৰাৰ্থী বেছি। তাৰ মানে এতিয়া আগতকৈ মহিলাসকলৰ মাজত স্বাৱলম্বিতাৰ প্ৰৱণতা বৃদ্ধি পাইছে। কিন্তু কথা হ'ল, মহিলাসকল স্বাৱলম্বী হোৱাটো একেবাৰে প্ৰয়োজনীয় নে ? যিসকলে একেবাৰে বিয়া নহওঁ বুলি ঠিক কৰিছে, তেখেতসকলৰ কথা বেলেগ। সৰহ সংখ্যকে বিয়া হ'বই বুলি আমি ধৰি লব পাৰোঁ। সাধাৰণতে প্ৰেম সম্পৰ্কীয় ঘটনা নঘটিলে চাকৰিয়াল ছোৱালী এজনীয়ে কৰ্মসংস্থানহীন যুবক এজনক বিয়া কৰাব বুলি মই বিশ্বাস নকৰোঁ। গতিকে, চাকৰিয়াল ছোৱালী এজনীৰ বিয়া হোৱাৰ পাছত স্বামী-স্ত্ৰী দুয়োজনেই চাকৰিয়াল হোৱাত তেখেতসকলৰ পৰিয়ালৰ আয় বাঢ়িল। আৰু ছোৱালীজনীয়ে পোৱা চাকৰিটো দুখীয়া ঘৰ এখনৰ ল'ৰাজনে নোপোৱাত ঘৰখনৰ হাহাকাৰ অৱস্থা হ'ল। (বৰ্তমান সময়ত যোগ্যতাৰ কথাটো একাষৰীয়া কৰি থোৱাৰ যুক্তি আছে বুলি মই ভাবোঁ।) এই যে স্বামী-স্ত্ৰী উভয়ে চাকৰিয়াল হোৱাত তেওঁলোকৰ পৰিয়ালৰ আয় বাঢ়িল, তেওঁলোকৰ মাটি-ঘৰ-গাড়ী হ'ল, এইটোৱে চাকৰি নথকা আন এজন পত্নীৰ চাকৰিয়াল স্বামীক চিন্তাত পেলালে। আৰু তেখেতে পত্নীক চাকৰি এটা যোগাৰ কৰি দি পৰিয়ালৰ আয় বঢ়োৱাৰ চেষ্টাত লাগি গ'ল। যিহেতু এওঁ এজন কৰ্মসংস্থান থকা ব্যক্তি, গতিকে এওঁ ঘোচ-ঘাচ দি হ'লেও পত্নীক চাকৰি এটা যোগাৰ কৰি দিয়াত বেছি সমস্যাত পৰিব লগা নহ'ল।

আনহাতে বৰ্তমান সময়ত আন এটা সমস্যা হৈছে,—অবিবাহিত পুৰুষসকলে (যিসকলৰ এটা ভাল চাকৰি আছে) বিয়াৰ বাবে চাকৰি কৰা ছোৱালী বিচাৰে। উদ্দেশ্য একেটাই। পৰিয়ালৰ আয় বঢ়োৱা। ফলত ছোৱালীবোৰে চাকৰি বিচাৰিবলৈ বাধ্য হৈছে।

এতিয়া মূল কথাটো হ'ল, এখন ঘৰৰ বা এটা পৰিয়ালৰ পিতৃ-মাতৃৰ ভৰণ-পোষণকে আদি কৰি সমস্ত দায়িত্ব সাধাৰণতে পুত্ৰসকলে গ্ৰহণ কৰে। ছোৱালীয়ে পিতৃ-গৃহৰ ভৰণ-পোষণৰ দায়িত্ব লব লগা হ'লেও সি সাময়িক। কাৰণ বিয়াৰ পাছত ছোৱালীজনীৰ উপাৰ্জনৰ ওপৰত স্বামীগৃহৰ অধিকাৰ আহি পৰে।

মই ছোৱালীয়ে চাকৰি কৰিব নালাগে বুলি ক'ব খোজা নাই। মোৰ কথা হ'ল, পৰিয়ালৰ মূল দায়িত্ব বহন কৰা জনে চাকৰি এটা পাব লাগে। তেওঁ ল'ৰাই হওক বা ছোৱালীয়েই হওক। কিন্তু একেটা পৰিয়ালৰে স্বামী-স্ত্ৰী উভয়ে চাকৰি কৰিব পাব নালাগে। এই সম্বন্ধে চৰকাৰে আইন পাছ কৰিব লাগে। চাকৰিয়াল ছোৱালী এজনীয়ে চাকৰিয়াল পুৰুষ এজনক বিয়া কৰোৱাৰ পাছত তেখেতক

চাকৰিৰ পৰা অব্যাহতি দিব লাগে। দুৰ্ঘটনাজনিত কাৰণত স্বামীৰ মৃত্যু হ'লে বেলেগ ব্যৱস্থা থাকিব লাগে।

—ৰাতুল ডেকা,
নলবাৰী

## 'প্ৰত্যায়িত নকল'

(পূৰ্বপ্ৰসংগ ঃ 'পত্ৰালাপ' আৰু 'শেষপৃষ্ঠা', ১।৯।৯২)।

অসম লোক সেৱা আয়োগৰ চাকৰিৰ বিজ্ঞাপনবোৰত শিক্ষাসম্পৰ্কীয় সকলো নথি-পত্ৰৰ লগতে বিচৰা অন্যতম বস্তু এপদ হ'ল প্ৰাৰ্থীৰ ভাল চৰিত্ৰ সম্পৰ্কে এজন ৰাজপত্ৰিত বিষয়া আৰু এজন সমাজৰ নাম থকা ব্যক্তিৰ ৰায় থকা দুখন শেহতীয়া প্ৰমাণপত্ৰ,—মানে Character Certificate. ইয়াৰ 'শেহতীয়া' শব্দটোত বিশেষত্ব আছে। শেহতীয়া প্ৰমাণপত্ৰ বিচৰাটো যুক্তিযুক্ত ; কাৰণ মানুহ এজনৰ আজিৰ ভাল চৰিত্ৰটো কিবা কাৰকে কাইলৈতো বেয়া কৰি পেলাব পাৰে! ৰাইজৰ, দেশৰ কল্যাণৰ বাবে প্ৰতিষ্ঠিত একোটা বিভাগৰ সক্ৰিয়তাৰ বাবে তাৰ সামগ্ৰিক চৰিত্ৰ সৎ হ'ব লাগিব আৰু বিভাগটোৰ ভাল চৰিত্ৰৰ বাবে তাত নিযুক্ত কৰ্মীসকলৰ চৰিত্ৰ ভাল হোৱাটো অপৰিহাৰ্য। গতিকে প্ৰাৰ্থীৰ পৰা চৰিত্ৰসম্পৰ্কীয় প্ৰমাণপত্ৰ বিচৰাটোৰ তত্ত্বগতভাৱে গুৰুত্ব আছে। ভাৰতীয় তেল নিগম, তেল আৰু প্ৰাকৃতিক গেছ আয়োগ আদিৰ দৰে উৰ্ধ্বমুখী প্ৰতিষ্ঠানতো নথকা এনে এটা ভাল ব্যৱস্থা ৰখাৰ বাবে অসম লোক সেৱা আয়োগ শলাগৰ পাত্ৰ হোৱা উচিত আছিল।

কিন্তু আয়োগৰ দ্বাৰা মনোনীত প্ৰাৰ্থীৰে সমৃদ্ধ ৰাজ্যখনৰ বিভিন্ন বিভাগবোৰৰ পাইকাৰী হাৰৰ দুৰ্নীতিৰ হিচাপবোৰে বিদ্ৰূপাত্মকভাৱে এই বিভাগবোৰৰ লেতেৰা চৰিত্ৰকে উদঙাই নেদেখুৱায়নে ?

মই লোক সেৱা আয়োগক সুধিব খোজোঁ,—এই যে ৰাজ্যৰ বিভিন্ন চাকৰিয়ালসকলক মকৰলৰ সময়ত তেওঁলোকৰ পৰা নিৰ্মল চৰিত্ৰৰ প্ৰমাণপত্ৰ বিচৰা হয়, চাকৰিত অন্তৰ্ভুক্তিৰ পাছত নিৰ্দিষ্ট সময়ৰ অন্তৰে-অন্তৰে তেওঁলোকৰ চাৰিত্ৰিক নিৰ্মলতাৰ, সততাৰ প্ৰমাণৰ ব্যৱস্থা কিয় কৰা হোৱা নাই ? নে আৰ্থিক স্বচ্ছলতাই তেওঁলোকৰ চৰিত্ৰ বেয়া হোৱাৰ সম্ভাৱনাটোকে নাইকিয়া কৰি পেলায় ? সেইটো সূত্ৰমতে চলিছে যদি লোকসেৱা আয়োগে হীনতম চৰিত্ৰৰ চাকৰি প্ৰাৰ্থীজনৰ পৰাও চৰিত্ৰৰ প্ৰমাণপত্ৰ বিচৰাৰ প্ৰয়োজন নাই ; কাৰণ আয়োগৰ নীতি অনুসৰি প্ৰাৰ্থীজনৰ চাকৰি হোৱাৰ পাছত আৰ্থিক স্বচ্ছলতাই তেওঁৰ লেতেৰা চৰিত্ৰ আপোনা আপুনি ভাল কৰি আনিব!

সাম্প্ৰতিক সামাজিক দৃশ্যপটত হয়তো মোৰ এই উদ্ভট চিন্তাৰ (?) প্ৰাসংগিকতা নাই। আজি জীৱনৰ প্ৰতিটো দিশতে অস্বাভাৱিকতাবোৰেই বৰ নিষ্ঠুৰভাৱে স্বাভাৱিক হৈ পৰিছে। মোৰ সন্দেহ হয় উক্ত মৰ্মস্পৰ্শী শেষপৃষ্ঠাৰ ('দুখীয়াৰ সুখ') নিৰ্মম সত্যখিনি কেইজন দুৰ্নীতিগ্ৰস্ত ব্যক্তিৰ বুকুত শেল হৈ সোমাইছে! আমি জীৱশ্ৰেষ্ঠ মানুহবোৰে নিজৰ বিবেকবুদ্ধিৰে ভুল বুলি জানিও, নীতিবিৰুদ্ধ বুলি জানিও, সেন্দুৰীয়া বিকল্প থকা বুলি জানিও সেইবোৰ কামতে নিৰ্লজ্জ ভাৱে লুতুৰি-পুতুৰি হৈ পৰোঁ ; —মানৱ-জীৱনৰ বোধহয় এইটোৱেই সৰ্বকালৰ আটাইতকৈ ডাঙৰ ট্ৰেজেডি। কিন্তু দুৰ্নীতিৰ এই জয়যাত্ৰাৰ গতি আমাৰ ভৱিষ্যত বংশধৰসকলৰ স্বাৰ্থতে মন্থৰ কৰিবলৈ উল্লিখিত উক্ত শেষপৃষ্ঠাৰ পৰামৰ্শৰ লগতে সামগ্ৰিক পৰিস্থিতিটো চম্ভালিবলৈ কিছু প্ৰতিৰক্ষামূলক কাৰ্যসূচী লোৱাৰ সময়ো আহি পৰিছে। অসম লোক সেৱা আয়োগে যিহেতু মকৰলৰ সময়ত চাকৰি প্ৰাৰ্থীৰ চাৰিত্ৰিক নিৰ্মলতাৰ প্ৰমাণ বিচাৰেই, গতিকে মোৰ অনুৰোধ—আয়োগে আৰু এখোজ আগুৱাই এতিয়াৰ পৰা সকলো চাকৰিয়ালৰ নিৰ্দিষ্ট সময়ৰ অন্তৰে-অন্তৰে তেওঁলোকৰ চাৰিত্ৰিক নিৰ্মলতাৰ পুনঃপ্ৰমাণৰ ব্যৱস্থা কৰক। যিসকল কৰ্মচাৰীয়ে চৰিত্ৰৰ নবীকৃত প্ৰমাণপত্ৰ (কোনে দিব সেইটো পাছৰ পৰ্যায়ৰ চিন্তা।) পোৱাত বিফল হয় অৰ্থাৎ যিসকল দুৰ্নীতিৰ প্ৰতি অত্যাধিক আসক্ত (addicted) সেইসকলক চাকৰিৰ পৰা পেনছনসহ বাধ্যতামূলক অব্যাহতি দিব লাগে। সৎ কৰ্মচাৰী সংগঠনবোৰ এইক্ষেত্ৰত উৰ্ধ্বতন কৰ্তৃপক্ষৰ মূল চালিকা শক্তি হ'বই লাগিব।

তেৰ লক্ষ অব্যৱহৃত মানৱ সম্পদেৰে (নিবনুৱা) পূৰ্ণ ৰাজ্যখনৰ অসংস্থাপনৰ সমস্যাটোৰো এই প্ৰক্ৰিয়াই আংশিক সমাধানত সহায় কৰিব। তদুপৰি ইয়াৰ মূল ধনাত্মক অৰিহনাটো হ'ব—মানুহৰ মাজত বিৰাজ কৰা দুৰ্নীতিলৈ ভয়ৰ সৃষ্টি কৰা। ই এক সুস্থ সামাজিক তথা মানৱীয় পৰম্পৰা সৃষ্টিৰ ক্ষেত্ৰত সহায়ক হ'ব।

—জ্যোতি ৰঞ্জন শইকীয়া,
পটিয়া গাঁও, যোৰহাট

## কটন কলেজৰ উ. মা. বিজ্ঞান শাখাৰ পৰীক্ষাৰ ফলাফল

১৯৯২ চনৰ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ পৰীক্ষাত কটন কলেজৰ পৰা পৰীক্ষা দিয়া ছাত্ৰ-ছাত্ৰীসকলে দেখুউৱা ফলাফলে আমাক হতাশ কৰিছে। এই পৰীক্ষাত প্ৰথম দহটা স্থান লাভ কৰা সৰহ সংখ্যক পৰীক্ষাৰ্থী এই কলেজৰে যদিও আমি ইয়াত সন্তুষ্টি লভাৰ কাৰণ দেখা নাই। এইসকল ছাত্ৰ-ছাত্ৰীয়ে অন্য কলেজত পঢ়িও হয়তো তেনে ধৰণৰ সন্তোষজনক ফলাফল দেখুৱাবলৈ সমৰ্থ হ'লহেঁতেন। আমি জনা মতে কটনৰ মুঠ পৰীক্ষাৰ্থীৰ ২০৩ জনে প্ৰথম বিভাগ আৰু ২০১ জনে দ্বিতীয় বিভাগ পাইছে। বাকীবোৰৰ কোনোৱে হয়তো তৃতীয় বিভাগ পাইছে আৰু কোনো-কোনো অসফল হৈছে। দ্বিতীয় আৰু তৃতীয় বিভাগ পোৱা এইসকল ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭০ শতাংশৰো অধিক নম্বৰ লাভ কৰাৰ কাৰণেহে কটন কলেজত ভৰ্তি হোৱাৰ সুবিধা পাইছিল। বাতৰি-কাকতত পঢ়া মতে ৭০০শৰো অধিক ছাত্ৰ-ছাত্ৰীক প্ৰথম বাৰ্ষিকত নাম ভৰ্তি কৰোৱা হয়। তেওঁলোকৰ ভিতৰত ৭৫ শতাংশৰ অধিক নম্বৰ পোৱাসকলে ছাত্ৰাবাসত থকাৰ সুবিধা পায়। আমি লক্ষ্য কৰিছোঁ,— ৭০ শতাংশৰ কম নম্বৰ পোৱা অন্য কলেজত অধ্যয়ন কৰা বহুতেই এই পৰীক্ষাত প্ৰথম বিভাগ লাভ কৰিছে। আনহাতে কটনৰ ৭৫ শতাংশৰ পৰা ৯০ শতাংশৰ ওপৰলৈকে (হাইস্কুল শিক্ষান্ত পৰীক্ষাত) নম্বৰ পোৱা ছশ বা সাতশ পৰীক্ষাৰ্থীৰ ভিতৰত মাত্ৰ ২০৩ জনেহে প্ৰথম বিভাগ লাভ কৰিছে। বাকীবোৰে দ্বিতীয় বা তৃতীয় বিভাগ পাইছে। এইটো এটা চিন্তনীয় বিষয়। ইয়াকে প্ৰতিভাৰ অপচয় বুলিব নোৱাৰি জানো ? বিষয়টো আমাৰ বাবে ৰহস্যজনকো হৈছে। কাৰ বাবে এনে হ'ল ? ছাত্ৰ-ছাত্ৰীৰ দোষত, নে শিক্ষকৰ দোষত, নে পৰীক্ষক বা পৰীক্ষা ব্যৱস্থাৰ দোষত ? এই দ্বিতীয় আৰু তৃতীয় বিভাগ পোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ কথা ভাবি দুখ অনুভৱ কৰিছোঁ। এওঁলোকে কটন কলেজত বি. এছ. ছি. পঢ়াৰ সুবিধাও নাপাব আৰু অন্য পছন্দৰ লাইন লবও হয়তো নোৱাৰিব। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা কটন কলেজলৈ বুলি ঢপলিয়াই অহা এইসকল ছাত্ৰ-ছাত্ৰীয়ে এতিয়া কি কৰিব ?

—ললিত চন্দ্ৰ সভাপণ্ডিত,
গোসাঁইবাৰী, লক্ষীমপুৰ

## 'ডিব্ৰুগড় আৰু গড়কাপ্তানি'

বিষয়টোৰ মূল আলোচক ড. লীলা গগৈ দেৱৰ চিঠিখন (১৬।১০।৯২) পঢ়িলো। আমাৰ বাবে অতি আনন্দৰ কথা হ'লহেঁতেন যদিহে ড. গগৈদেৱে বিষয়টোৰ সন্দৰ্ভত এক সিদ্ধান্তমূলক প্ৰামাণিক ব্যাখ্যা দাঙি ধৰি আলোচনা সামৰিলেহেঁতেন। পিছে তেখেতে বিষয়টো অধিক বিতৰ্কৰ মাজলৈ ঠেলি দিয়াতহে বিমোৰত পৰিলো। চিঠিখনত তেখেতে মোৰ লগতে আমেৰিকাৰ শ্ৰীঅৱনী কুমাৰ শৰ্মাদেৱৰ চিঠিখনো সাঙুৰিছে। আমাৰ দুয়োজন শৰ্মাৰে ব্যাখ্যাৰো যিহেতু গড়মিল আছে, সেয়ে মোৰ এই চিঠিখনত কেৱল মোৰ মতামতহে লিখিম।

প্ৰথমতে মই প্ৰান্তিকৰ পঢ়ুৱৈ সমাজৰ লগতে ড. গগৈদেৱৰ ওচৰতো লেখনীৰ বাহুল্যতাৰ বাবে ক্ষমা বিচাৰিছোঁ। মই ভাষা-সাহিত্যৰ ছাত্ৰ নহওঁ। এই দিশত মোৰ জ্ঞান দশম শ্ৰেণীৰ পাঠ্যপুথিতে সীমাবদ্ধ। এইখিনি সীমাবদ্ধতাৰেই মই অসমীয়া ভাষাত 'গড়' শব্দটো আছে বুলি জানো। 'গড়' বুলিলে আমি সচৰাচৰ ইংৰাজীৰ "rampart"-অকে বুজোঁ যদিও ইয়াৰ অন্যান্য অৰ্থও আছে। তাৰে এটা হৈছে ইংৰাজীত non বুজোৱা অৰ্থ। সেয়ে গড়খাৱৈ, গড়ৰখীয়া আদিৰ গড়টো অন্য ভাষাৰ বুলি কৈ জাতিদ্ৰোহ আচৰাৰ দুঃসাহস আমাৰ নাই। গড়ৰখীয়া, গড়খাৱৈ আদিৰ সৈতে যিদৰে rampart শব্দৰ সম্পৰ্ক আছে, সেইদৰে গড়মিল, গড়লায়ক, গড়হাজিৰ আদিৰ সৈতে non অৰ্থ জড়িত হৈ আছে। তদুপৰি পৃথিৱীৰ আধুনিক সকলো ভাষালৈকে যুগে-যুগে অইন ভাষাৰ পৰা শব্দৰ প্ৰব্ৰজন হৈ আছে। এই কথাটো জানিবৰ বাবে ভাষা-সাহিত্যৰ পি. এইচ. ডি. হোৱাৰ দৰকাৰ নিশ্চয় নাই। সেয়ে অসমীয়া ভাষাত কেতিয়াবা উৰ্দু বা পাৰ্চী শব্দৰ ব্যৱহাৰ দেখিলেও 'উচাপ' নাখাবৰ বাবে আমাৰ পঢ়াশলীয়া জ্ঞানেই পৰ্যাপ্ত।

'গড়' শব্দটো প্ৰব্ৰজনকাৰী শব্দ নহয় বুলি ধৰি লৈয়ো মই ক'ব খোজোঁ যে, গড়কাপ্তানি শব্দ গড়খাৱৈ, গড়ৰখীয়া আদিৰ সমগোত্ৰীয় নহয়। গড়খাৱৈ, গড়ৰখীয়া আদি যুগ্ম শব্দৰ সৃষ্টি হওঁতে মধ্যৱৰ্তী 'ৰ' একোটাইত লুপ্ত হৈছে। (উদাহৰণ—গড়ৰ খাৱৈ—গড়খাৱৈ, গড়ৰ ৰখীয়া—গড়ৰখীয়া আদি।) কিন্তু গড়মিল, গড়হাজিৰ, গড়লায়ক, গড়আবাদী আদিৰ লগতে গড়কাপ্তানি শব্দও তেনেদৰে সৃষ্ট যুগ্ম শব্দ যেন নালাগে। বৰ্ণসংকৰ (hybrid) শব্দৰ জ্ঞান মোৰ নাই। মাত্ৰ পেচাগত জ্ঞানেৰে ক'ব পাৰোঁ যে, বৰ্ণসংকৰ বস্তুৰ পিতৃপুৰুষ আৰু মাতৃপুৰুষ সমগোত্ৰীয় নহয়। তদুপৰি বৰ্ণসংকৰ বস্তু কেতিয়াও মৌলিক নহয়। সেয়ে গড়কাপ্তানি যদিহে বৰ্ণসংকৰ শব্দ হয়, তেনেহ'লে ই গড়খাৱৈ আদিৰ দৰে মৌলিক শব্দ হ'ব নোৱাৰে।

ড. গগৈদেৱে কোৱা মতে গড়লায়ক, গড়হাজিৰ গড় আবাদী আদি শব্দ ১৯০০ চনৰ মূল হেমকোষত নাই। কিন্তু 'গড়কাপ্তানি' সেইখন হেমকোষত আছে নে নাই সেইটো নিলিখাতহে সমস্যা হ'ল। আমাৰ বিতৰ্কৰ মূল 'গড়কাপ্তানি' যদি ১৯০০ চনৰ হেমকোষত আছে, তেনেহ'লে সেই কথা উল্লেখ কৰা হ'লে আমি এইখিনি লিখাৰ পৰা সকাহ পালোহেঁতেন। (মূল হেমকোষ মেলাৰ সৌভাগ্য আমাৰ হোৱা নাই)। তেখেতে আৰু লিখামতে গড়লায়ক আদি শব্দবোৰ (non অৰ্থবাহক) মূল হেমকোষ প্ৰকাশ হোৱাৰ দুকুৰি বছৰৰ পাছৰ নতুন হেমকোষতহে অন্তৰ্ভুক্ত হৈছে। সেইটো যদি সঁচা, তেনেহ'লে মূল হেমকোষ প্ৰকাশ হোৱাৰ সময়ত এই শব্দবোৰে অসমীয়া ভাষাত নিশ্চয় প্ৰবেশ কৰিবলৈ লৈছিল। কিয়নো প্ৰব্ৰজনকাৰী (বা আমদানিকৃত) শব্দবোৰ ভাষাটোত বেছ কিছুকাল ব্যৱহাৰ নোহোৱাকৈ নিশ্চয় অভিধানত অন্তৰ্ভুক্ত হোৱা নাছিল। সেয়ে 'গড়কাপ্তানি' শব্দটো ১৯০০ চনৰ হেমকোষত আছে বুলি জানিলে গড়আবাদী আদিৰ সৈতে ইয়াৰ সম্পৰ্ক নাই বুলি ভাবিব পৰা যাব।

ড. গগৈদেৱে গড়কাপ্তানি বিভাগৰ নামকৰণ সম্পৰ্কত লিখা কথাখিনিৰ সত্যতা সম্পৰ্কে মই সন্দেহ প্ৰকাশ কৰা বাবে মোৰ কথাখিনিনো কি মৌলিক তথ্যৰ গইনা লৈ লিখিছোঁ—তাকে সুধিছে। মই বিনম্ৰভাৱে তেখেতক জনাব খুজিছোঁ,—তেখেতে সম্ভৱতঃ মোৰ চিঠিখনৰ শেষৰ কথাখিনি নপঢ়িলে। তাত মই লিখিছিলো,—"মোৰ ব্যাখ্যাটোৰো মই কোনো তথ্যগত প্ৰমাণ দিব নোৱাৰিম। সেয়ে ড. গগৈদেৱৰ লগতে মোৰো ব্যাখ্যাৰ সত্যতা বা যুক্তিযুক্ততা বিজ্ঞজনৰ পৰা জনাৰ আশাত ৰ'লো।"

শেষত ড. গগৈদেৱে সম্ভৱ তেখেতৰ লেখনীৰ তথ্যগত প্ৰমাণ হিচাপে ডিব্ৰুগড়ৰ বয়োজ্যেষ্ঠ ব্যক্তি, নাট্যকাৰ স্বৰ্গীয় লক্ষীকান্ত দত্ত দেৱৰ কথাখিনি উল্লেখ কৰিছে। অকল এই কথাখিনিকে সম্বল কৰি যদি তেখেতে এই প্ৰসংগৰ পাতনি মেলিছে, তেতিয়া হ'লে আমি মুঠেই সন্তুষ্ট নহ'লো। মই দিয়া ব্যাখ্যাটো নিতান্ত 'কেজুৱেল' কথা-বতৰাৰ সময়ত এজন অভিজ্ঞ অভিযন্তাৰ মুখে শুনিছিলো। গড়কাপ্তানি শব্দৰ সেই সূত্ৰটো মোৰ মনঃপূত হৈছিল—আৰু তাকে লিখি মই সত্যাসত্য বিচাৰি বিজ্ঞজনলৈ আগবঢ়াইছিলো। গড়কাপ্তানি বিভাগৰ নামকৰণ যদি ডিব্ৰুগড়তে হৈছিল,—আমি আপত্তি কৰিবলৈ নাযাওঁ ; কেৱল বিষয়টোৰ সত্যতাখিনি সেই সময়ৰ চৰকাৰী নথিপত্ৰ বা গড়কাপ্তানি বিভাগৰ বুৰঞ্জী (যদিহে আছে) আদিৰ দ্বাৰা প্ৰমাণিত হ'লে সন্তোষ পাম। ১৯৬৬ চনত লিখা "ডিবৰুৰ পাৰে পাৰে"—এই বিষয়ৰ সন্তোষজনক প্ৰামাণিক তথ্য নিশ্চয় হ'ব নোৱাৰে।

শেষত মই পুনৰ এই সমগ্ৰ বিষয়টো বিজ্ঞজনৰ পৰা জনাৰ বাবে আগবঢ়ালো।

—দেবেন্দ্ৰ কুমাৰ শৰ্মা,
মঙলদৈ

## তেজপুৰত TABES

১৪।১০।৯২ তাৰিখৰ পৰা তেজপুৰৰ দৰং মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত অসম নাট্য সম্মিলনৰ অধিবেশনৰ প্ৰদৰ্শনী মণ্ডপৰ এখন বিপণীত তেজপুৰৰে এচাম শিক্ষাৰ্থী কিশোৰ-কিশোৰীৰ প্ৰচেষ্টাত গঢ় লৈ উঠা অনুষ্ঠান TABES-এ (Towards A Better Environment Society) পতা প্ৰদৰ্শনীখন চালো। বৰ্তমান বিশ্বৰ জীৱজগতৰ (প্ৰাণী আৰু উদ্ভিদ দুয়োৰে) বাবে ভয়াবহ হৈ পৰা প্ৰাকৃতিক ভাৰসাম্যহীনতা, পৰিবেশ-প্ৰদূষণ আদিৰ বিষয়ে জনসাধাৰণক সজাগ কৰি তুলিবৰ বাবে, আৰু সেই ভয়াবহ সমস্যাসমূহ কিদৰে আঁতৰাব পাৰি সেইবিষয়েও কিছু জ্ঞানৰ আভাস দিব পৰাকৈ আয়োজন কৰা প্ৰদৰ্শনীখন সৰু হ'লেও যিকোনো মানৱতাবাদী, প্ৰকৃতিপ্ৰেমী লোকৰে চাবলগীয়া। প্ৰদৰ্শনীখনত উদ্যোক্তাসকলে দৰ্শকসকলৰ পৰা পোনপটীয়া মন্তব্য নিবিচাৰি, এখন নিৰ্দিষ্ট ফৰ্মৰ জৰিয়তে দৰ্শকৰ প্ৰতিক্ৰিয়া, সচেতনতা আৰু পৰামৰ্শসমূহ সংগ্ৰহ কৰা প্ৰচেষ্টা চলোৱাটোও ভাল কাম হৈছে। কোনো চৰকাৰী নাইবা বিত্তীয় প্ৰতিষ্ঠানৰ দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ, সম্পূৰ্ণ নিজৰ প্ৰচেষ্টাৰে এচাম শিক্ষিত ছাত্ৰ-ছাত্ৰীয়ে জনসাধাৰণক পৰিবেশ প্ৰদূষণৰ সমস্যাবোৰৰ বিষয়ে সজাগ কৰি তুলিবলৈ যি প্ৰচেষ্টা হাতত লৈছে, সেয়া সকলো অঞ্চলৰে, বিশেষকৈ উদ্যোগপ্ৰধান অঞ্চলসমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অনুকৰণীয়।

তেজপুৰৰ এই অনুষ্ঠানটিৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি তেওঁলোকৰ উদ্দেশ্যৰ প্ৰতি সঁহাৰি জনোৱাৰ প্ৰতিশ্ৰুতিও দি থলো।

—পল্লৱ কুমাৰ নেওগ,
কালুগাঁও, শিৱসাগৰ

## 'শদিয়াৰ বুৰঞ্জী ঃ বিভ্ৰান্তি আদি'

শ্ৰীজিতেন্দ্ৰ দাসে লিখা কথাখিনি (১।১১।৯২) আমাৰ দৃষ্টিগোচৰ হৈছে। দাসে সন্দেহ কৰাৰ দৰে মই ভবানন্দ বুঢ়াগোহাঁইৰ সৈতে লিমিটেড কোম্পানি খুলি শদিয়াৰ বুৰঞ্জীত বিভ্ৰান্তি সৃষ্টি কৰিবলৈ কোনো পৰিকল্পনা কৰা নাছিলো। কিতাপ লিখিছিল ভবানন্দ বুঢ়াগোহাঁয়ে। পুনৰীক্ষণ কৰিবলৈ দিছিল প্ৰকাশন পৰিষদে। কিতাপৰ ৰূপ আৰু ৰীতি পুনৰীক্ষণ কৰি মই আনুষ্ঠানিক অনুমোদন জনাইছিলো। সূক্ষ্ম তথ্য বা ভুল-শুদ্ধৰ বাবে দায়ী লেখক। মই ভবানন্দ বুঢ়াগোহাঁইৰ সহায় লৈ মোৰ প্ৰবন্ধ লিখা নাই অথবা ক'ৰবাত কিবা এটা তথ্য পায়েই শ্ৰীদাসৰ দৰে জাপ মাৰি উঠা নাই।

মোৰ বক্তব্য তলৰ দৰে ঃ (১) এলেকজেণ্ডাৰ মেকেঞ্জিয়ে The North-East Frontier of India ত শদিয়াৰ খামতি বিদ্ৰোহ ১৮৩৯ চনৰ ১৯ জানুৱাৰিত হোৱা বুলিহে লিখিছে। (পৃ. ৫৯)।

At length in January 1839, the long meditated plot developed itself in action. (5). On the evening of the 19th of January, Colonel White, the officer in command at Sadiya, had held a durbar at which the Khampti Chiefs attended, to all appearances as friendly and loyal as they had hitherto outwardly shown themselves. That very night, a body of 500 Khamptis under their Sadiya Chiefs advanced upon the post from four different directions, surprised the sentries, and made for Colonel White's quarters and the sepoy lines, firing the station as they rushed through. The surprise was complete, and their enterprise was fatally successful. Colonel White was butchered, eighty others were killed or wounded, and all the lines but two were burnt to the ground.

বি. ছি এলেনেও ১৯০৫ চনৰ লক্ষীমপুৰ জিলা গেজেটিয়াৰত দেখোন তলৰ দৰে কৈছে আৰু (খামতি বিদ্ৰোহৰ তাৰিখ) ১৯৩৯ চনৰ ১৯ ফেব্ৰুৱাৰি বুলি লিখিছে।

'In 1839 the plot bore fruit, and on the night of January 19th, a party of 500 Khamtis raided the station, murdered Col. White the political officer, and killed and wounded eighty

of his men. But their courage failed them after delivering this attack, and they at once retreated into the Mishmi Hills. The Singphos, Mataks, and Abors all offered their assistance in quelling the revolt.'

(২) শদিয়াৰ খামতি ৰজাজন চৌচানল গোহাঁয়েই। ড. সূৰ্যকুমাৰ ভূঞাৰ কিতাপত দেখি মোৰ অন্য ৰচনাত চৌচালান গোহাঁই বুলি লিখিছিলো। চৌখামৰ খামতি গাঁৱত অনুসন্ধান কৰি চৌচানলটোৱেঁই শুদ্ধ বুলি জানিছিলো।

(৩) বিষ্ণু ৰাভাই যি নিলিখক, ১৯০৫ চনৰ জিলা গেজেটিয়াৰত কিন্তু চিংফৌ, মটক, আবৰ আটাইৰে নাম উল্লেখ আছে।

(৪) স্থানান্তৰত দাসে লিখিছে, শদিয়াত পোৱা গুৱাহাটীৰ মিউজিয়ামত থকা সৰ্পস্তম্ভটোৰ পাঠ উদ্ধাৰ কৰিছিল বিষ্ণুপ্ৰসাদ ৰাভাই। প্ৰকৃততে ইয়াৰ পাঠ উদ্ধাৰ কৰিছিল এই শতিকাৰ ত্ৰিছৰ দশকত সৰ্বেশ্বৰ কটকী ডাঙৰীয়াই। তেতিয়াই ই 'আৱাহন'ৰ পাতত প্ৰকাশিত হৈছিল।

(৫) সৰ্পস্তম্ভটো কোনে, কেতিয়া নিৰ্মাণ কৰিছিল, তাৰ প্ৰামাণ্য তথ্য নাই। গাৰ বলেৰে বা মুখেৰে দূৰ অতীতৰ ইতিহাস বা তথ্য নিৰূপণ কৰিব নোৱাৰি। স্থানান্তৰত চুতীয়াই নিৰ্মাণ কৰা আৰু এইখন চিঠিত মিচিমিয়ে নিৰ্মাণ কৰা বুলি কোৱা এই সৰ্পস্তম্ভটোত দিহিঙীয়া বৰগোহাঁয়ে সন্ধিৰ চৰ্ত আহোম ভাষাত লিখিবলৈ কি চুটখৰে খাইছিল?

—ড. লীলা গগৈ,

## ৰাজহুৱা শাস্তি

সিদিনা হঠাতে আমাৰ অঞ্চলত আবেলি এটা শোভাযাত্ৰা ওলাল। চাৰিওফালে দৌৰা দৌৰি লাগিল। যোৰহাট-নিমাতী পথটো লোকে লোকাৰণ্য হ'ল। পাছত ভু লৈ গম পোৱা গ'ল,—এয়া কোনো ৰাজহুৱা অনুষ্ঠানৰ মেল মিটিঙৰ শোভাযাত্ৰা নহয়; 'ৰাজহুৱা শাস্তি'ৰ শোভাযাত্ৰাহে। ৰাজহুৱা শাস্তি মানে,—আমাৰ অঞ্চলৰ চাৰিজন ২০-২২ বছৰীয়া যুবকে আলফাৰ নামত টকা সংগ্ৰহ কৰিবলৈ গৈ ধৰা পৰি পোৱা শাস্তি। শাস্তি মানে অভিনৱ শাস্তি। চুলি খুৰাই, গাত চূণৰ দাগ দিয়া যুবককেইজনক প্ৰায় উলংগ কৰি, হাতত একোডাল জ্বলন্ত মম দি (তেতিয়া সন্ধ্যা লাগিছিল) যাৰ যেনেদৰে ইচ্ছা চৰিয়াই-গুৰিয়াই শোভাযাত্ৰাৰ আগে-আগে লৈ যোৱা দৃশ্যটো সঁচাকৈয়ে অতি বেদনাদায়ক। অপৰাধ কৰিলে শাস্তি পোৱাটো আমিও বিচাৰোঁ। যুবক কেইজনে অপৰাধ কৰিছে তাৰ বাবে উচিত শাস্তি পাব লাগে। কিন্তু শাস্তি দিয়াৰ নিয়ম জানো এনেকুৱা হ'ব লাগে? আমাৰ বেদনা সেইখিনিতেই। যুবক কেইজনক ধৰি আৰক্ষী বিভাগত চমজাই দিয়া হ'লে আমাৰ ক'বলগীয়া নাছিল। তাকে নকৰি ৰাজহুৱা শোভাযাত্ৰাৰে শাস্তি প্ৰদান কৰিহে আৰক্ষীক চমজাই দিয়া হ'ল। কিয় যুবক কেইজনক দুটা শাস্তি প্ৰদান কৰা হ'ল?

এতিয়া আমাৰ কথা হ'ল আলফাৰ নামত লাখ-লাখ টকা সংগ্ৰহ কৰি, তাৰ হিচাপ দিব নোৱৰা বহুতো ২০-২৫ বছৰীয়া যুবক আমাৰ সমাজত বীৰদৰ্পে ঘূৰি ফুৰিছে। দুৰ্নীতিৰ বিৰুদ্ধে যুঁজিবলৈ গৈ নিজেই দুৰ্নীতিৰ গাঁতত পোত যোৱা যুবক আমি দেখিছোঁ। এইবোৰৰ বিপক্ষে আমি কি কৰিছোঁ? এইসকলক আমি 'ৰাজহুৱা শাস্তি' প্ৰদান কৰিব পাৰিমনে? উল্লেখ কৰা যুবককেইজনৰ অপৰাধ এইচাম যুবকতকৈ বেছি গুৰুনে? এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰিবলৈ গ'লে এষাৰ কথা মনলৈ আহে ঃ "খাই কাৰশলা ডালত উঠিল, কাঠী-চেলেকাৰ মৰণ মিলিল।"

——অনুপ কলিতা,
কমাৰমাটি গাঁও, যোৰহাট

## শিক্ষানুষ্ঠানসমূহৰ নামত ব্যক্তিৰ নাম

অসমৰ বিভিন্ন অঞ্চলত পূৰ্বে প্ৰতিষ্ঠিত আৰু নকৈ প্ৰতিষ্ঠিত হ'বলগীয়া শিক্ষানুষ্ঠান-সমূহলৈ গৃহ নিৰ্মাণ নতুবা অন্যান্য দিশৰ উন্নতিৰ হকে কোনো পৰিয়ালে আৰ্থিক সাহায্য আগবঢ়ালে তেনে পৰিয়ালৰ অনুমতি সাপেক্ষে শিক্ষানুষ্ঠানটোৰ নাম পৰিয়ালটোৰ কোনো এজনৰ নামেৰে নামকৰণ কৰা হয়। যিগৰাকী ব্যক্তিৰ নামেৰে নামকৰণ কৰা হয়, তেখেতৰ স্মৃতি ৰক্ষাৰ্থে আৰু সন্মানৰ অৰ্থে শিক্ষানুষ্ঠান-কতৃপক্ষই শিক্ষানুষ্ঠানখনৰ নাম হিচাপে তেখেতৰ সম্পূৰ্ণ নাম ব্যৱহাৰ কৰা উচিত। পিছে দেখা গৈছে যে কেইবছৰমানৰ পাছত শিক্ষানুষ্ঠানবিলাকৰ নামবোৰত ব্যক্তিগৰাকীৰ নাম আৰু উপাধিৰ আগৰ আখৰকেইটাহে ব্যৱহাৰ কৰা হয়। উদাহৰণ স্বৰূপে গুৱাহাটীৰ বি. বৰুৱা, যোৰহাটৰ জে. বি., গোলাঘাটৰ ডি. আৰ., শিলচৰৰ জি. ছি. ইত্যাদি। কেৱল সেয়ে নহয়; দান দিওঁতাসকল অসমীয়া লোক যদিও তেখেতসকলৰ নামটো ব্যৱহাৰ কৰোঁতে ইংৰাজী আখৰৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হয়।

—নিৰোদ কুমাৰ গোস্বামী,
গোলাঘাট

## কেঁচা তেজৰ তিলক

মানুহ হেনো শ্ৰেষ্ঠ জীৱ। 'মানুহে দেৱ মানুহে সেৱ, মানুহ বিনে নাই কেৱ ...।' কথাষাৰৰ মূল্য উলাই কৰিব নোৱাৰি। মানুহৰ আবিষ্কাৰে সৃষ্টিকৰ্তা ঈশ্বৰকো যেন চেৰ পেলাইছে। কিন্তু মানুহৰ মনৰ আদিম প্ৰবৃত্তিৰ যি কদৰ্য ৰূপ, সেয়া আজিও লোপ পোৱা নাই। বিজ্ঞানৰ আশ্চৰ্য আবিষ্কাৰেও সেই কাৰ্য আদিম প্ৰবৃত্তি আঁতৰাব পৰা নাই। আজিও গোসাঁনীৰ থানত গোসাঁনীৰ নামত নিতৌ শ-শ প্ৰাণীক বলি দি হত্যা কৰা হৈ আছে। নৱমী পূজাৰ দিনা বঙাইগাঁৱৰ বাগেশ্বৰী মন্দিৰত দেখিলো,—অসংখ্য হাঁহ, পাৰ, ছাগলী গোসাঁনীৰ নামত বলি দিয়া হৈছে। এটা ৪-৫ বছৰীয়া ম'হ। চাৰিঠেং, ডিঙিত ৰছীৰে বান্ধি মানুহবোৰে ঠেলি-হেঁচি নি বলিশালত গোসাঁনীৰ নামত বলি দিলে। ধৰ্মপ্ৰাণ (?) মানুহবোৰে বেৰি ধৰি সেই মৰ্মান্তিক দৃশ্যৰ আনন্দ উপভোগ কৰাই নহয়, সেই নিৰীহ জীৱটোৰ কেঁচা তেজৰ তিলক ললে। হায় শ্ৰেষ্ঠ মানুহ! সেই বলি দিয়া প্ৰাণীসমূহক যদি মানুহ বুলি ধৰি লওঁ? সিহঁতে যদি আমাৰ দৰে কথা ক'ব পাৰিলেহেঁতেন? কান্দিব জানিলেহেঁতেন? গোসাঁনীয়েতো কোনো দিনে প্ৰাণী বলি দি পূজা কৰিবলৈ কোৱা নাই। মানুহেহে এই নিয়মৰ সৃষ্টি কৰিছে। তেনেহ'লে মানুহে সেই নিয়ম ভাঙিব নোৱাৰেনে?

—উপধন ৰায় (ছাত্ৰ),
নিটিং ছেণ্টাৰ,
ঢালিগাঁও, বঙাইগাঁও

## গৱেষক আৰু জনসাধাৰণ

দিনক-দিনে গৱেষণা কৰি 'ডক্টৰেট' উপাধি লোৱা লোকৰ সংখ্যা বাঢ়ি গৈছে। এয়া শুভ লক্ষণ। কোনো এজন মুৰব্বী বা জ্যেষ্ঠ অধ্যাপকৰ তত্ত্বাৱধানত, একোজন গৱেষকে এটা বিষয় বাছি লৈ সেই বিষয়টো সম্পৰ্কে গভীৰভাৱে অধ্যয়ন কৰি, নতুন-নতুন কেতবোৰ সমাধান-বিশ্লেষণ কৰি এখন থেছিছ প্ৰস্তুত কৰে আৰু অৱশেষত পি. এইচ. ডি. উপাধি লাভ কৰে। অৱশেষত, সাধাৰণতে থেছিছখনে আলমাৰিতহে স্থান পায়গৈ। এতিয়া কথা হ'ল,—নতুন-নতুন কথা জানিবলৈ বা শিকিবলৈ সকলোৰে ইচ্ছা হয়। তদুপৰি আজিকালি এনে কিছুমান বিষয় লৈ গৱেষকসকলে গৱেষণা কৰিবলৈ লৈছে যিবোৰ বিষয়ে সাধাৰণ ৰাইজৰো ভালকৈ জানিবলৈ ইচ্ছা হয়। সেয়ে থেছিছখন আলমাৰি বা বাকছত সাঁচি ৰখাতকৈ সেইখনৰ কেতবোৰ তথ্য জনসাধাৰণৰ জ্ঞাতাৰ্থে বাতৰি-কাকত, আলোচনী আদিত ডক্টৰেট উপাধিধাৰী গৱেষকসকলে প্ৰকাশ কৰাৰ দিহা কৰিব নোৱাৰেনে?

—অৰূপ কুমাৰ দত্ত,
ৰজামৈদাম, যোৰহাট

## সম্পাদকৰ কোঠালিত

বন্ধু ঃ তুমি আন্দোলন কৰাৰ নানান উপায়ৰ কথা নিশ্চয় শুনিছা। ঘেৰাও, ষ্ট্ৰাইক, অনশন, প্ৰছেছন, পে'ন ডাউন,—মানে অফিছলৈ গৈ কলম নোচোৱা ইত্যাদি। কিন্তু ৱৰ্ক টু ৰুল,—মানে ৰুল মতে কাম কৰাটো আন্দোলনৰ উপায় কেনেকৈ হয়হে? ৰুল মতে কাম কৰাইতো নিয়ম! এটা অফিছলৈ গৈ দেখিলো—কোনেও একো কাম কৰা নাই। সোধোঁতে এজনে ক'লে বোলে,—ৱৰ্ক টু ৰুল চলি আছে। যিটো ৰুল মতে চলিলে কোনেও কাম কৰিব নালাগে, সেইটো কেনেকুৱা ৰুলহে?





# অসমত কেইবাটাও বোমা বিস্ফোৰণ

২১ নৱেম্বৰ। তেতিয়া সন্ধিয়া ৬ বাজোঁ-বাজোঁ হৈছিল। প্ৰায় একে সময়তে পল্টন বজাৰৰ ট্ৰেভেল ইণ্ডিয়াৰ বাছৰ কাউণ্টাৰৰ সমুখত ৰৈ থকা চিলাপথাৰ অভিমুখী বাছখন আৰু দিছপুৰৰ পুৰণি বিধায়ক আবাসৰ চৌহদত ঘটা দুটা প্ৰচণ্ড বোমা বিস্ফোৰণে গুৱাহাটী মহানগৰীৰ বহু অঞ্চল কঁপাই তুলিছিল। বাছখনৰ চালক বাদল দাসে দুৱাৰ খুলি উঠিবলৈ লৈছিলহে, তেনেতে—"সময় হোৱা সত্ত্বেও বাছখন নচলাই প্ৰধান ৰাস্তাত কিয় ৰখাই থৈছে" বুলি পুলিছ কনিষ্টবল এজনে তেওঁক অলপ আঁতৰাবলৈ মাতি নিলে। আনহাতে চালকে কিয় ইমান পলম কৰিছে বুলি বাছখনৰ কণ্ডাক্টৰজনো নামি গ'ল। এওঁলোক দুজন এনেকৈয়ে বাচি গ'ল। কিন্তু বাছখনৰ প্ৰায় ত্ৰিছজন যাত্ৰী আৰু হেণ্ডিমেনজনৰ প্ৰতি ভাগ্য সুপ্ৰসন্ন নাছিল। লগতে ওচৰে-পাজৰে ৰৈ থকা কেইবাজনো সৰু-সুৰা দোকানী আৰু পথচাৰীয়েও প্ৰাণ দিব লগা হৈছিল পল্টন বজাৰৰ এই বিস্ফোৰণত। বিস্ফোৰণৰ লগে-লগে বাছখনৰ ওপৰ অংশ সম্পূৰ্ণ উৰি গৈছিল। বিস্ফোৰণৰ পাছত বাছখন প্ৰায় ২৫ মিনিট সময় ধৰি জ্বলি আছিল। তাৰ পাছত অগ্নি নিৰ্বাপক বাহিনীৰ লোক আহি জুই নুমুৱায়। বিস্ফোৰণৰ লগে-লগে কাষতে থকা এটা বিদ্যুতৰ ট্ৰেন্সফৰ্মাৰো জ্বলি যায়। ফলত সমগ্ৰ পল্টন বজাৰ অঞ্চল অন্ধকাৰ হৈ পৰে।


পল্টন বজাৰৰ বিস্ফোৰণৰ প্ৰায় একে সময়তে দিছপুৰৰ পুৰণি বিধায়ক আবাসৰ প্ৰবেশদ্বাৰৰ কাষত হোৱা বিস্ফোৰণটোত অসম পুলিছ বেটেলিয়নৰ দুজন চিপাহীকে ধৰি তিনিজন লোক নিহত হয়। বোমাটো এখন স্কুটাৰত থোৱা হৈছিল। বিস্ফোৰণত স্কুটাৰখন ছিন্নভিন্ন হৈ পৰে। পুলিছে স্কুটাৰখনৰ নম্বৰটো নাপালেও ছেছিছ নম্বৰটো সংগ্ৰহ কৰিব পাৰিছে। বৰ্তমান তাৰ ভিত্তিতে গৰাকীৰ সন্ধান কৰি ইতিমধ্যে তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে বুলি পুলিছৰ তৰফৰ পৰা কোৱা হৈছে।

উল্লেখযোগ্য যে বোমা বিস্ফোৰণৰ ঘটনা দুটাৰ আগদিনাহে মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই ৰাজ্যখনৰ আইন-শৃংখলাৰ পৰিস্থিতি উন্নত হৈছে বুলি প্ৰকাশ কৰিছিল। তাৰ ঠিক পাছদিনাই হোৱা এই ঘটনা দুটাই প্ৰশাসনৰ ব্যৰ্থতাহে প্ৰমাণিত কৰিলে বুলি অনেকে মত প্ৰকাশ কৰিছে। কাৰণ বড়ো উগ্ৰপন্থীহঁতৰ প্ৰধান লক্ষ্য গুৱাহাটী মহানগৰীৰ জনপূৰ্ণ অঞ্চলবোৰ হ'ব পাৰে বুলি চোৰাংচোৱা সূত্ৰই হেনো কিছুদিনৰ আগতেই সকীয়াই থৈছিল।


আনহাতে গুৱাহাটীৰ ঘটনা দুটাৰ পাছদিনাই (২১ নৱেম্বৰত) বিলাসীপাৰাৰ ওচৰত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত থকা গৌৰাংগ নৈৰ দলংখনতো এটা বোমা বিস্ফোৰিত হয়। বিস্ফোৰণত দলংখনৰ এটা অংশ ধ্বংস হয়। ফলত ধুবুৰীৰ সৈতে ৰাজ্যৰ আন অংশৰ পথ যোগাযোগ বিচ্ছিন্ন হৈ পৰে। বৰ্তমান সেনাবাহিনীৰ সহায়ত পথ যোগাযোগ পুনৰ স্থাপিত কৰিব পৰা হৈছে।

২১ নৱেম্বৰতে যোৰহাটৰ ওচৰৰ পুলিবৰত আন এটা বোমা পথৰ ওপৰত উদ্ধাৰ হয়। পুলিছে প্ৰথমতে বোমাটো সেনাবাহিনীৰ গাড়ীৰ পৰা পৰি যোৱা (?) বুলি ভাবিছিল যদিও সেনাবাহিনীৰ তৰফৰ পৰা সেইটো তেওঁলোকৰ নহয় বুলি জনোৱা হয়।

২৩ নৱেম্বৰত নলবাৰী জিলাৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথৰে পাগলাদিয়া নৈৰ দলঙৰ তলৰ পৰা পুলিছে তিনিটা শক্তিশালী বোমা উদ্ধাৰ কৰে। ঘটনাৰ বিৱৰণী মতে সেইদিনা দিনৰ প্ৰায় ১০ বজাত গৰু বিচাৰি যোৱা এজন স্থানীয় যুবকে দলংখনৰ কাষত নৈৰ বালিত



দুৰ্ভগীয়া বাছখন




এটা আধা পোত গৈ থকা বস্তা দেখি নলবাৰী থানাত খবৰ দিয়েহি। লগে-লগে পুলিছৰ দল গৈ বালিখিনি খান্দি চোৱাত এটা বাকচ, আৰু অলপ আঁতৰত খান্দি চোৱাত আন দুটা বাকচ, আৰু দহটা গেলনত ৮০ লিটাৰ ছুপাৰ ডায়িং উদ্ধাৰ কৰে। বোমাকেইটা উদ্ধাৰ হোৱাৰ লগে-লগে সেনাবাহিনীৰ লোক আহি সেইকেইটা নিষ্ক্ৰিয় কৰে।

ইয়াৰ মাজতে ২২ তাৰিখে চৰকাৰে বড়ো উগ্ৰবাদীৰ সংগঠন বড়ো ছিকিউৰিটি ফ'ৰ্ছ (BSF) নিষিদ্ধ ঘোষণা কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ ঘোষণাটোত আইন-বিৰোধী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ (১৯৬৭ চনৰ) ৩ ধাৰাৰ ১ নম্বৰ উপধাৰাৰ অধীনত সংগঠনটোক নিষিদ্ধ কৰা হৈছে বুলি কোৱা হৈছে।

ইফালে অসমৰ মুখ্য মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই ৰাজ্যখনৰ যোৱা কেইদিনৰ বোমা বিস্ফোৰণৰ ঘটনাবোৰৰ বাবে বড়োলেণ্ডৰ আন্দোলনকাৰীসকলকে দোষাৰোপ কৰিছে। শ্ৰীশইকীয়াই সাংবাদিকৰ আগত কোৱা মতে গুৱাহাটীত যে বোমা বিস্ফোৰণ হ'ব পাৰে তাৰ আগতীয়া খবৰ পুলিছে পাইছিল। আৰু সেইমতে নিৰাপত্তা ব্যৱস্থা শক্তিশালীও কৰা হৈছিল। উগ্ৰপন্থীসকলে ৰাজধানী দিল্লীতো



পৰমেশ্বৰ ব্ৰহ্ম  প্ৰমিলাৰাণী ব্ৰহ্ম  টজেন্দ্ৰ নাজাৰী

বোমা বিস্ফোৰণ ঘটাব পাৰে বুলি পুলিছে বাতৰি পাইছে। সেইমতে দিল্লীক সতৰ্ক কৰি দিয়া হৈছে বুলিও তেওঁ জনায়।

শেহতীয়া বাতৰি মতে গুৱাহাটীৰ ঘটনাবোৰৰ সংক্ৰান্তত বড়োলেণ্ড বিধায়িনী দলৰ তিনিজন বিধায়কক পুলিছে গ্ৰেপ্তাৰ কৰিছে। তেওঁলোকৰ ঘৰৰ পৰা বহু পৰিমাণৰ বিস্ফোৰক সামগ্ৰীও জব্দ কৰা হয় বুলি পুলিছ সূত্ৰত প্ৰকাশ। এই বিধায়ক কেইজন হ'ল— পৰমেশ্বৰ ব্ৰহ্ম, প্ৰমিলাৰাণী ব্ৰহ্ম আৰু শ্ৰীটজেন্দ্ৰ নাজাৰী।

## পৰিচয়-পত্ৰ

বোম্বাইৰ ভাবা আণৱিক গৱেষণা কেন্দ্ৰই লেজাৰ-ভিত্তিক কাৰিকৰী কৌশলেৰে পৰিচয়-পত্ৰ প্ৰস্তুত কৰাৰ যি পদ্ধতি আৱিষ্কাৰ কৰিছে সেই পদ্ধতি বৰ্তমান দেশৰ স্পৰ্শকাতৰ সীমান্ত অঞ্চলবোৰৰ লোকসকলৰ পৰিচয়-পত্ৰ যুগুতোৱাৰ কামত ব্যৱহাৰ কৰা হ'ব। উল্লেখযোগ্য যে চৰকাৰে দেশৰ সীমান্ত অঞ্চলৰ লোকসকলক পৰিচয় দিয়াৰ বাবে ইতিমধ্যে নীতিগতভাৱে সিদ্ধান্ত লৈছে। লেজাৰ পদ্ধতিৰ এই পৰিচয়-পত্ৰই সীমান্তৰ সিপাৰৰ বিশেষকৈ বাংলাদেশৰ পৰা হোৱা অবৈধ প্ৰব্ৰজন ৰোধ কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

চৰকাৰে ইতিমধ্যে অনুমোদন জনোৱা এই আঁচনিখনলৈ ন্যায়িক বৈধতা প্ৰদান কৰাৰ উদ্দেশ্যে সংসদৰ চলিত শীতকালীন অধিবেশনতে এখন বিধেয়ক উত্থাপন কৰা হ'ব। প্ৰস্তাৱিত এই আঁচনিমতে দেশৰ নখন ৰাজ্যৰ ৩৬খন জিলাৰ ৫ কোটি ২৮ লাখ লোক সামৰি লব। প্ৰায় ৬৭ কোটি টকা ব্যয় হ'ব লগীয়া এই আঁচনিখন পাঁচ বছৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

কম্পিউটাৰাইজড লেজাৰ পৰিচয়-পত্ৰ ছপা পদ্ধতি (CLIPS) নামৰ এই পদ্ধতিটোৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল ঃ

(১) ইয়াক ফটোগ্ৰাফিৰ জ্ঞান নথকা লোকেও চলাব পাৰে।

(২) এই পদ্ধতিত যুগুতাই উলিওৱা এখন পৰিচয়-পত্ৰ জাল কৰিব নোৱাৰি।

(৩) এই পৰিচয়-পত্ৰৰ ফটোবোৰ উপগ্ৰহৰ মাধ্যমেৰে দেশৰ যিকোনো ঠাইলৈকে প্ৰেৰণ কৰিব পৰা হ'ব। ফলত এনে পৰিচয়-পত্ৰৰ গৰাকীক দেশৰ যিকোনো ঠাইতে চিনাক্ত কৰিব পৰা হ'ব।

ইতিমধ্যে হায়দৰাবাদৰ ইলেক্ট্ৰনিক কৰপ'ৰেশ্যন অব ইণ্ডিয়া লিমিটেডে এনে যন্ত্ৰ উৎপাদনৰ কাম আৰম্ভ কৰিছে। এই যন্ত্ৰত এটা ক'লা-বগা ভিডিঅ' কেমেৰা, প্ৰতিচ্ছবি মনিটৰ, লেজাৰ প্ৰিণ্টাৰ, ফ্ৰেম গ্ৰেবাৰ আদি থাকিব।

* উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যবোৰত পাক চোৰাংচোৱা এজেন্সি ইণ্টাৰ ছাৰ্ভিছেজ ইণ্টেলিজেন্সৰ কাৰ্যকলাপ বৃদ্ধি পাইছে বুলি বৰ্তমান কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়েও স্বীকাৰ কৰিবলৈ বাধ্য হৈছে। এই সংস্থাটোৱে বাংলাদেশক মূল ঘাটি হিচাপে লৈ ভাৰতবিৰোধী কাৰ্যকলাপ চলাই আছে বুলি বাতৰিটোত প্ৰকাশ। এই উদ্দেশ্যে শেহতীয়াভাৱে পাক সেনাৰ জেনেৰেল আৰু আই. এছ. আইৰ লোকে সঘনে বাংলাদেশ ভ্ৰমণ কৰি আছে বুলি কোৱা হৈছে। আনফালে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ উগ্ৰপন্থী সংগঠনবোৰৰ কেইবাজনো নেতাই বাংলাদেশত পাক আই. এছ. আইৰ লোকক সাক্ষাৎ কৰাৰ কথা ইতিমধ্যে প্ৰকাশ পাইছে।

* গুৱাহাটীৰ কিছুসংখ্যক বিশিষ্ট নাগৰিকক লৈ গঠিত নাগৰিক সমিতি আৰু মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াৰ মাজত যোৱা ২৬ নৱেম্বৰত দিছপুৰত হোৱা আলোচনাত চিকিৎসা মহাবিদ্যালয়ৰ নামভৰ্তিৰ ক্ষেত্ৰত "মুখ্যমন্ত্ৰীৰ বিবেচনাধীন কোটা" বাতিল কৰাৰ লগতে "প্ৰতিনিধিত্বহীন সম্প্ৰদায়"ৰ বাবে কৰা সংৰক্ষণ-ব্যৱস্থা আইনসিদ্ধ আৰু বিধিসন্মত কৰিবলৈ সিদ্ধান্ত লোৱা হয়। আন এক সিদ্ধান্ত অনুসৰি প্ৰতিনিধিত্বহীন সম্প্ৰদায়ৰ নামভৰ্তিৰ বাবে পতা চৰকাৰী কমিটি ভংগ কৰি তাৰ পৰিবৰ্তে অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ ক্ষেত্ৰত কৰাৰ দৰে উক্ত সম্প্ৰদায়ৰ সংৰক্ষিত আসনত নামভৰ্তিৰ দায়িত্বও সংশ্লিষ্ট কলেজৰ নামভৰ্তি কৰা কমিটিক দিব খোজা হৈছে। আনহাতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ঘটনাৱলী সম্পৰ্কে চৰকাৰে যি দণ্ডাধীশ পৰ্যায়ৰ তদন্তৰ ব্যৱস্থা কৰিছিল, তাৰ পৰিবৰ্তে এতিয়া অতিৰিক্ত মুখ্য সচিব পৰ্যায়ৰ এজন বিষয়াৰ দায়িত্বত এই তদন্তৰ ব্যৱস্থা কৰা হ'ব। চৰকাৰে আলোচনাত গৃহীত এই সিদ্ধান্তবোৰ গ্ৰহণ কৰিছে বুলি অবিলম্বে জাননী জাৰি কৰিব।

মুখ্যমন্ত্ৰীৰ সৈতে হোৱা এই আলোচনাত নাগৰিক সমিতিৰ হৈ ড. হীৰেন গোহাঁই, শৰৎ চন্দ্ৰ সিংহ, পাচুগোপাল বৰুৱা, ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, প্ৰবোধ শৰ্মা, ড. প্ৰবীণ শৰ্মা, ড. বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, ড. অমলেন্দু গুহ, বিশ্বেশ্বৰ হাজৰিকা, বিনয় তামুলী আদিয়ে ভাগ লৈছিল।

* ড. ভূপেন হাজৰিকা অসম সাহিত্য সভাৰ আগন্তুক শিৱসাগৰ অধিবেশনৰ সভাপতি নিৰ্বাচিত হৈছে। উল্লেখযোগ্য সাহিত্য সভাৰ নিয়মাৱলী অনুসৰি এইবাৰ সভাপতি পদৰ বাবে পাঁচজন বিশিষ্ট সাহিত্যিকৰ নাম প্ৰস্তাৱ কৰা হৈছিল। তেওঁলোক হ'ল— ড. ভূপেন হাজৰিকা, ড. লীলা গগৈ, চন্দ্ৰ প্ৰসাদ শইকীয়া, হিতেশ ডেকা আৰু ড. প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য। তেওঁলোকৰ ভিতৰত ড. ভূপেন হাজৰিকাই সৰ্বোচ্চ ১২৭৫টা মত লাভ কৰি সভাপতি নিৰ্বাচিত হয়। ড. লীলা গগৈয়ে এহেজাৰৰ সামান্য কম মত পাই দ্বিতীয় স্থানত থাকে।

* 'জন গণ মন' আৰু 'বন্দে মাতৰম'ৰ মাজৰ কাজিয়াখনৰ অৱশেষত ওৰ পৰিল। বিজেপি শাসিত ৰাজ্যসমূহৰ বিধান সভাবোৰৰ অধিবেশন আৰম্ভ হোৱাৰ আগতে 'বন্দে মাতৰম' গোৱা বা বজোৱাটো বাধ্যতামূলক কৰাৰ পাছত বিজেপিয়ে সংসদৰ অধিবেশনৰ আৰম্ভণিতেও বন্দে মাতৰম গোৱাৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছিল। সংসদৰ যোৱা অধিবেশনত এই দাবী মানি লোৱা হৈছিল। লোকসভাৰ অধ্যক্ষ শিৱৰাজ পাটিলো এই কথাত মান্তি হৈছিল। কিন্তু পাছত জনতা দলৰ কেইজনমান সংসদ সদস্য আৰু ছি. পি. আইৰ ইন্দ্ৰজিত গুপ্তই আপত্তি কৰাত অৱশেষত আটাইবোৰ দলৰ সন্মতি সাপেক্ষে বৰ্তমান সংসদৰ অধিবেশনৰ আৰম্ভণিতে 'জন গণ' গোৱা বা বজোৱাৰ ব্যৱস্থা কৰা হয়।

## আকৌ বাঁহ ফুলিছে

বাঁহ ফুলিলে দুৰ্ভিক্ষ আৰু অপায়-অমংগল হয় বুলি উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায়বোৰ ৰাজ্যৰ জনসাধাৰণৰ মাজত এটা জন বিশ্বাস আছে। বৰ্তমান অৰুণাচল প্ৰদেশ, নগালেণ্ড, মেঘালয় আৰু উজনি অসমৰ কোনো-কোনো ঠাইত বাঁহ গছৰ ফুল ফুলাৰ বাতৰি পোৱা গৈছে। অৱশ্যে মিজোৰামত বাঁহ ফুল ফুলাটো আচৰিত কথা নহয়। সেই ৰাজ্যত নিয়মিত ব্যৱধানত বাঁহ গছত ফুল ফুলে। বাঁহ গুটি হেনো এন্দুৰৰ প্ৰিয় খাদ্য। এই গুটি খালে হেনো এন্দুৰৰ অতিপাত বংশবৃদ্ধি হয়। তাৰ পাছত জাক-জাক এন্দুৰে শস্যৰ পথাৰ তহিলং কৰে। এন্দুৰে এনেদৰে শস্য ধ্বংস কৰাত পাহাৰীয়া অঞ্চলত আকালে দেখা দিয়ে। মিজোৰাম আৰু অৰুণাচল প্ৰদেশত আগতে এনে অৱস্থাৰ সৃষ্টি হৈ গৈছে বুলি কোৱা হৈছে।

অৱশ্যে বিজ্ঞানীসকলে বাঁহ ফুলাৰ সৈতে দুৰ্ভিক্ষৰ সম্পৰ্ক থকাৰ কথা দৃঢ়তাৰে অস্বীকাৰ কৰিছে। শ্বিলঙৰ উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ দুজন উদ্ভিদ বিদ্যাৰ অধ্যাপকৰ মতে বাঁহ ফুলাৰ সৈতে এন্দুৰৰ বংশ বৃদ্ধিৰ কোনো সম্পৰ্ক নাই। দুৰ্ভিক্ষ, এন্দুৰ আৰু বাঁহফুলাৰ সম্পৰ্কৰ বিষয়ে গৱেষণা কৰা বোম্বাইৰ এজন গৱেষকেও একে মতে পোষণ কৰিছে। তেওঁৰ মতে অতি কম পৰিমাণৰ বৰষুণ আৰু উৎকট গৰমে বাঁহ ফুল ফুলাত সহায় কৰে। একেটা কাৰণেই ৰাইজৰ মাজত অন্ধবিশ্বাসৰ জন্ম দিয়ে বুলি তেওঁ কয়।





# সংৰক্ষণ সম্পৰ্কে উচ্চতম ন্যায়ালয়ৰ ৰায়

ৰবীন্দ্ৰ নাথ বৰুৱা

যোৱা ১৬ নৱেম্বৰত উচ্চতম ন্যায়ালয়ে পিছপৰা শ্ৰেণীৰ বাবে ২৭ শতাংশ চৰকাৰী চাকৰি সংৰক্ষণৰ যি গুৰুত্বপূৰ্ণ ৰায় দিলে, সেই লৈ সমগ্ৰ দেশতে, বিশেষকৈ উত্তৰ ভাৰতৰ ঠায়ে-ঠায়ে বিক্ষোভ-প্ৰদৰ্শন আৰম্ভ হ'লেই। ১৯৯০ চনৰ ১৩ আগষ্টত তেতিয়াৰ বিশ্বনাথ প্ৰতাপ সিং চৰকাৰে এখন অধিসূচনা জাৰি কৰি কেন্দ্ৰীয় চৰকাৰত আৰু বিভিন্ন চৰকাৰীখণ্ডত ২৭ শতাংশ চাকৰি অনুসূচিত জাতি আৰু জনজাতিৰ বাহিৰেও অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষিত কৰে। তাৰ বিৰোধিতা কৰি সমগ্ৰ দেশতে বিৰাট বিক্ষোভ প্ৰদৰ্শন কৰা হয় আৰু কোনো-কোনো ঠাইত ছাত্ৰ বা যুবকে নিজৰ গাত অগ্নি সংযোগ কৰি আত্মবলিদানো দিছিল। উচ্চতম ন্যায়ালয়ৰ ৰায়ে তেনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি কৰে বুলি বহুতৰে মনত সংশয় হৈছে। উচ্চতম ন্যায়ালয়ৰ নজনীয়া বেঞ্চে ৫-৪ ব্যৱধানত উক্ত অধিসূচনাৰ মূল নীতিটো সমৰ্থন কৰে আৰু আগতে ৰখা অনুসূচিত জাতি-জনজাতিৰ বাবে সংৰক্ষিত ২৫ শতাংশ চাকৰিৰ উপৰিও অন্যান্য পিছপৰা সম্প্ৰদায়ৰ বাবে ২৭ শতাংশ চাকৰিৰ সংৰক্ষণৰ পোষকতা কৰে। কেৱল এনে ধৰণৰ সংৰক্ষণ যাতে ৫০ শতাংশৰ সীমা চেৰাই নাযায় সেইটোত জোৰ দিয়া হৈছে। উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ মূল বক্তব্য এনে ধৰণৰ ঃ

(১) অন্যান্য পিছপৰা সম্প্ৰদায়ৰ বাবে ২৭ শতাংশ চাকৰি সংৰক্ষণ।

(২) মুঠ সংৰক্ষণ ৫০ শতাংশৰ বেছি হ'ব নোৱাৰিব।

(৩) বৰ্তমান চৰকাৰে সিদ্ধান্ত লোৱা সংৰক্ষণে সামৰি নোলোৱা দুখীয়াসকলৰ বাবে ৰখা ১০ শতাংশ সংৰক্ষণৰ অধিসূচনাখন বাতিল।

(৪) পদোন্নতিৰ (promotion) ক্ষেত্ৰত থকা সংৰক্ষণ বাতিল।

(৫) পিছপৰাসকলৰ ভিতৰৰ সামাজিকভাৱে উন্নতসকলক এই সুবিধাৰ পৰা বাদ দিয়াৰ ব্যৱস্থা লবলৈ কেন্দ্ৰক চাৰি মাহ সময়।

(৬) পিছ পৰা সম্প্ৰদায়ৰ তালিকাৰ পৰা সম্প্ৰদায় বাদ দিবলৈ বা নতুন সম্প্ৰদায়ৰ নাম ভুক্ত কৰিবলৈ ৰাজ্যসমূহক চাৰিমাহ সময় প্ৰদান।

(৭) সামাজিকভাৱে পিছপৰা অ-হিন্দু, যেনে—শিখ, খৃষ্টানসকলৰ বাবেও সংৰক্ষণৰ ব্যৱস্থা।

(৮) চৰকাৰে সংৰক্ষণৰ ওপৰত যি নীতি অৱলম্বন কৰে তাক কেৱল উচ্চতম ন্যায়ালয়হে বিচাৰ কৰিব পাৰিব।

উক্ত আঠটা মূল কথা সুকীয়াকৈ আলোচনা কৰি তাৰ তাৎপৰ্য আৰু সম্ভাব্য ফলাফল বিবেচনা কৰা প্ৰয়োজন। ইয়াৰ প্ৰথম দুটা কথা, অৰ্থাৎ ২৭ শতাংশ চাকৰি সংৰক্ষণ আৰু মুঠ সংৰক্ষণ ৫০ শতাংশত সীমাবদ্ধ কৰাটো একেলগে আলোচনা কৰা হওক।

চৰকাৰী চাকৰিত সংবিধানৰ ১৬ (৪) আৰু ৩৩৫ ধাৰা মতে অনুসূচিত জাতি-জনজাতিৰ বাবে চাকৰিৰ বিশেষ সুবিধাৰ কথা উল্লেখ কৰা আছে। প্ৰথমতে ৩০ বছৰৰ বাবে নিৰ্ধাৰণ কৰাৰ পাছত প্ৰতি দহ বছৰৰ অন্তৰত এই সুবিধা বা আসন সংৰক্ষণ ম্যাদ বৃদ্ধি কৰি

●●

**শ্ৰীনৰসিংহ ৰাও চৰকাৰে লোৱা সিদ্ধান্ত অনুসৰি আৰ্থিক দিশত পিছপৰি থকা সকলৰ বাবে ১০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা বাতিল হোৱাত বহুতৰে ক্ষোভ থাকি যাব। বিশেষকৈ দৰিদ্ৰতাক উচ্চতম ন্যায়ালয়ে এনেদৰে উপেক্ষা কৰাত বহুতো আচৰিত হৈছে। কিন্তু ন্যায়ালয় কেৱল সংবিধানৰ ভিত্তিতহে এই সিদ্ধান্তলৈ আহিছে আৰু সংবিধানত সংৰক্ষণৰ কথা কেৱল অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিছ পৰা শ্ৰেণীৰ বাবেহে আছে।**

থকা হৈছে। দহ বছৰৰ অন্তৰত আয়োগ গঠন কৰি পিছপৰা জাতিসমূহৰ অৱস্থা নিৰূপণ কৰাৰ ব্যৱস্থা ৰখা হৈছে ৩৪০ ধাৰামতে। সেইমতে ভাৰত চৰকাৰে মণ্ডল আয়োগ গঠন কৰে আৰু এই আয়োগে ১৯৮১ চনত দিয়া পৰামৰ্শ মতে ১৯৯১ চনত অনুসূচিত জাতি আৰু জনজাতিৰ বাহিৰেও অন্যান্য পিছপৰা সম্প্ৰদায়ৰ বাবে ২৭ শতাংশ সংৰক্ষণৰ ব্যৱস্থাৰ পৰামৰ্শ আগবঢ়ায়। কিন্তু এই পৰামৰ্শ চৰকাৰে গ্ৰহণ নকৰিলে আৰু প্ৰায় দহ বছৰৰ পাছতহে শ্ৰীভি. পি. সিঙৰ নেতৃত্বত শাসন চলোৱা ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰে ১৯৯০ চনৰ ১৩ আগষ্টৰ অধিসূচনামতে এই পৰামৰ্শ গ্ৰহণ কৰি তাক কাৰ্যকৰী কৰাৰ কথা ঘোষণা কৰে। এই অধিসূচনা মতে অনুসূচিত জাতি-জনজাতিৰ বাবে ২৫ শতাংশ আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ বাবে ২৭ শতাংশ, মুঠ ৫২ শতাংশ চাকৰি সংৰক্ষিত হ'লে মাত্ৰ ৪৮ শতাংশহে এই তালিকাত নথকা আন সাধাৰণ সকলৰ বাবে উপযুক্ততা থাকিব। উচ্চতম ন্যায়ালয়ত এই বিষয়ে আবেদন কৰাত সংৰক্ষণৰ সীমা ৫০ শতাংশত বান্ধি দিয়া হৈছিল। ১৬ নৱেম্বৰৰ ৰায়তো সেই উৰ্ধ্বতম সীমা বাহাল ৰখা হৈছে। কিন্তু এই সীমাই সংৰক্ষণৰ বাহিৰৰ লোকসকলক, বিশেষকৈ ছাত্ৰসকলক সন্তুষ্ট কৰিব পৰা নাই। ইয়াৰ কাৰণ কেইবাটাও।

প্ৰথমতে দেখা গ'ল যে চাকৰিৰ শতকৰা ৫০ ভাগ বিভিন্ন পিছপৰা সম্প্ৰদায়ৰ বাবে সংৰক্ষিত থাকিলে অসংৰক্ষিত সম্প্ৰদায়ৰ বাবে মাত্ৰ ৫০ শতাংশ চাকৰিহে থাকিব আৰু সেইখিনি চাকৰিৰ কাৰণে প্ৰাৰ্থীসকল তীষণ প্ৰতিযোগিতাৰ সন্মুখীন হ'ব লাগিব।

দ্বিতীয়তে, দেখা গৈছে যে সংৰক্ষণ (চাকৰিতে হওক বা শিক্ষানুষ্ঠানৰ আসনতে হওক) পিছপৰা সম্প্ৰদায়ৰ কেইজনমান মাতব্বৰ মানুহেহে উপভোগ কৰি আছে। সংৰক্ষণৰ মুখ্য উদ্দেশ্য আছিল পিছপৰা শ্ৰেণীক সামাজিক, অৰ্থনৈতিকভাৱে ওপৰলৈ তুলি আনলোকৰ সমপৰ্যায়ৰ কৰি তোলা। কিন্তু সদায় কেইটামান সম্প্ৰদায়ৰ লোকক সংৰক্ষণৰ সুবিধা দি থাকিলে এই শ্ৰেণীৰ লোকৰ প্ৰতিযোগিতামূলক ভাব নোহোৱা হৈ পৰাৰ আশংকা আছে। সংৰক্ষণৰ ক্ষেত্ৰত দেখা গৈছে যে যিসকল লোকে সংৰক্ষণৰ সহায়ত উচ্চশিক্ষা লাভ কৰিছে বা ভাল চাকৰিত সোমাইছে, তেওঁলোকৰ পুত্ৰ-পৌত্ৰাদি সকলোৱে এই সুবিধাৰ ফল ভোগ কৰি আছে। অথচ একে সম্প্ৰদায়ৰে প্ৰকৃততে পিছপৰা লোকসকল সুবিধাৰ অভাৱত পিছ পৰিয়েই আছে। এতিয়া নতুনকৈ আকৌ ২৭ শতাংশ সংৰক্ষণৰ দ্বাৰা নতুন একশ্ৰেণী 'অভিজাত্য'ৰ সৃষ্টি কৰিবলৈ ওলোৱাৰ দৰে হৈছে। যিহেতু সংৰক্ষণৰ বাহিৰৰ সম্প্ৰদায়ৰ দুখীয়া লোকসকলে সা-সুবিধাৰ অভাৱত পিছ পৰি আছে আৰু সংৰক্ষিতসকলৰ বহুতো ভালেখিনি আগবাঢ়ি গ'ল, গতিকে বহুতেই মত প্ৰকাশ কৰে যে সংৰক্ষণ প্ৰকৃততে সম্প্ৰদায়ৰ ভিত্তিত নহৈ অৰ্থনৈতিক ভিত্তিতহে হ'ব লাগে। অৰ্থাৎ জাতি বা সম্প্ৰদায়তকৈ এটা পৰিয়ালৰ অৰ্থনৈতিক অৱস্থাৰ ওপৰত ভিত্তি কৰিয়েই এই সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে।

এই বিবেচনাতে মণ্ডল আয়োগৰ বিৰুদ্ধে হোৱা বিক্ষোভ, হিংসাত্মক কাৰ্যৰ পাছত নৰসিংহ ৰাওৰ নেতৃত্বত ই-কংগ্ৰেছ চৰকাৰে ১৯৯১ চনৰ ২৫ ছেপ্টেম্বৰত বিজ্ঞপ্তি যোগে সংৰক্ষণৰ বাহিৰৰ দুখীয়া লোকসকলৰ বাবে ১০ শতাংশ অতিৰিক্ত চাকৰি সংৰক্ষণৰ কথা ঘোষণা কৰিছিল। কিন্তু উচ্চতম ন্যায়ালয়ে সেই প্ৰস্তাৱ নাকচ কৰে। ন্যায়াধীশসকলৰ মতে যিহেতু বিত্তীয় দিশত পিছপৰা লোকৰ বাবে সংবিধান জন্ম দিয়া পিতৃসকলে কোনো ব্যৱস্থা ৰখা নাই, গতিকে এতিয়া সেইটো কৰিব

পৰা নাযাব। এই যুক্তি বহুতৰে মনঃপূত নহ'ব ; কিয়নো চহকীসকলে চাকৰি বা শিক্ষাৰ সকলো ৰকমৰ সা-সুবিধা পাব অথচ দুখীয়াসকল সদায় বঞ্চিত হৈ থাকিব সেই কথা এখন সমাজবাদী বা সাম্যবাদী ৰাষ্ট্ৰত খাপ নাখায়। এই বিষয়টো কেৱল ন্যায়পালিকাৰ হাততে এৰি নিদি ৰাইজৰ প্ৰতিনিধিত্ব কৰা সংসদীসকলকো ইয়াৰ লগত জড়িত কৰা আৱশ্যক,—যাতে ভৱিষ্যতে এই সম্পৰ্কে সংবিধানৰ সংশোধনী প্ৰস্তাৱ আনিব পৰা যায়।

চতুৰ্থ দফাত উল্লেখ কৰা পদোন্নতিৰ ক্ষেত্ৰত সংৰক্ষণৰ ব্যৱস্থা বাতিল কৰাটো এটা অতি সজ নিৰ্দেশ হৈছে। এই বিষয়ত আগতেও বহুতো বাদানুবাদ হৈছে আৰু একে কাৰ্যালয়তে সংৰক্ষণৰ বলত তলতীয়া কৰ্মচাৰী বা বিষয়াই উচ্চপদস্থ কৰ্মচাৰী বা বিষয়াক চেৰাই যোৱাটো (supersession) যে কিমান অন্যায় আৰু বিপদজনক তাক সকলোৱে স্বীকাৰ কৰিব। এই লৈ বহুতো বিষয়া বিক্ষুব্ধ হৈ চাকৰিৰ পৰা আগতীয়াকৈ অৱসৰ লোৱাৰ উদাহৰণো নোহোৱা নহয়। সংৰক্ষণৰ জৰিয়তে চাকৰিত ভৰ্তি হোৱা বেলেগ কথা ; কিন্তু পদোন্নতিৰ ক্ষেত্ৰত সংৰক্ষণৰ ব্যৱস্থা ৰাখিলে কাৰ্যালয়ৰ কামৰ ক্ষতি হোৱাটো স্বাভাৱিক। তদুপৰি বিনাদোষত কাৰ্যক্ষম বিষয়া এজনক তলতীয়া এজনে চেৰাই গ'লে কেৱল ভুক্তভোগী বিষয়াজনেই নহয়, গোটেই কাৰ্যালয়তে অনাহকত এটা বেয়া প্ৰক্ৰিয়াৰ সৃষ্টি হোৱাটো আচৰিত নহয়। এই নীতি সংবিধানৰ ৩৩৫ ধাৰাৰো পৰিপন্থী।

পঞ্চম আৰু ষষ্ঠ দফা কেইটাও একেলগে সাঙুৰি লব পৰা যায়। এই দুটা ৰায়ৰ দ্বাৰা উচ্চতম ন্যায়ালয়ে কেন্দ্ৰ তথা ৰাজ্য চৰকাৰসমূহৰ ওপৰতো এটা দায়িত্ব অৰ্পণ কৰিছে। এই দায়িত্ব হৈছে চাৰিমাহৰ ভিতৰত কেন্দ্ৰ, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত একোটাকৈ স্থায়ী আয়োগ বা অনুষ্ঠান গঠন কৰা। এই আয়োগে অন্যান্য পিছপৰা শ্ৰেণীৰ তালিকাৰ বিষয়ে আবেদন, ওজৰ-আপত্তি আদি বিবেচনা কৰিব (যেনে—নতুনকৈ কোনোবা সম্প্ৰদায় তাত সোমাব নেকি বা কোনোবা তাৰ পৰা বাদ পৰিব পাৰে নেকি,—এনেকুৱা বিষয়ৰ)। ন্যায়ালয়ে এই নিৰ্দেশো দিছে যে এই আয়োগে আৱশ্যকীয় ভেটি আৰু আৰ্থিক-সামাজিক অৱস্থা পৰীক্ষা কৰি অন্যান্য পিছপৰা শ্ৰেণীৰ কোন-কোন ব্যক্তি বা খণ্ডক সংৰক্ষণৰ পৰা বঞ্চিত কৰিব পাৰি সেইটো নিৰ্ণয় কৰিব। শ্ৰীভি. পি. সিঙৰ চৰকাৰৰ আদেশ কাৰ্যকৰী কৰাৰ সময়ত সেই শ্ৰেণীৰ ভিতৰতে সামাজিকভাৱে উন্নতসকলক (মাখনৰ অংশটো ঃ creamy layer) বাদ দিয়াৰ কথা ছুপ্ৰিম ক'ৰ্টে উনুকিয়াইছে। এই কাম যে সহজ নহ'ব সেইটো জনা কথা। অন্যান্য পিছ পৰা জাতি বা সম্প্ৰদায় বুলি বহুতেই ইতিমধ্যে সুবিধা আদায় কৰি আছে। তেওঁলোকৰ বহুতেই বা বেছি ভাগেই সমাজত উচ্চ আসন পাই আহিছে। তেনে লোকে হঠাতে তেওঁলোকৰ সা-সুবিধাবোৰ কৰ্তন কৰা কথাটো পচন্দ নকৰিব আৰু সেই কামত বাধা দিব। এই কামত তদন্ত আদিও কৰা হ'ব পাৰে আৰু সেইবাবে ভ্ৰষ্টাচাৰৰ (corruption) সুবিধাও নথকা নহয়।

অসমৰ ক্ষেত্ৰত অন্যান্য পিছ পৰা শ্ৰেণীৰ বাবে সংৰক্ষণ আগৰ পৰাই চলি আছে। আহোম, কোচ, ৰাজবংশী আদি ভালেমান জাতি-উপজাতিয়ে এই সংৰক্ষণৰ সুবিধা লৈ আছে। তেওঁলোকৰ মাজত আৰ্থিক-সামাজিকভাৱে প্ৰতিপত্তি লাভ কৰা ব্যক্তি আৰু পৰিয়াল বহুতো আছে। তেওঁলোকে নিজেই আগবাঢ়ি আহি এই সংৰক্ষণৰ সুবিধাসমূহ ত্যাগ কৰা হ'লে কামটো উজু হ'লহেঁতেন। কিন্তু তেনে আশা কৰাটো ভুল হ'ব যেন পাওঁ। সামাজিকভাৱে নিম্ন অৱস্থাত আৰু দুখীয়া লোকসকলে সংৰক্ষণৰ জৰিয়তে সমাজত উন্নতি কৰাটো সকলোৱে বিচাৰে ; ইয়াত কোনেও আপত্তি কৰাৰ থল নাই। কিন্তু সংৰক্ষণৰ নামত কোনো-কোনো সম্প্ৰদায়ৰ

> যিসকল লোকে সংৰক্ষণৰ সহায়ত উচ্চশিক্ষা লাভ কৰিছে বা ভাল চাকৰিত সোমাইছে, তেওঁলোকৰ পুত্ৰ-পৌত্ৰাদি সকলোৱে এই সুবিধাৰ ফল ভোগ কৰি আছে। অথচ একে সম্প্ৰদায়ৰে প্ৰকৃততে পিছপৰা লোকসকল সুবিধাৰ অভাৱত পিছ পৰিয়েই আছে।

চহকীলোকে আৰু সমাজত প্ৰতিপত্তি থকাসকলেও ক্ষীৰ খাই থকাটো কোনেও নিবিচাৰে। আমি আশা ৰাখিছোঁ কেন্দ্ৰ, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত শীঘ্ৰেই একোটাকৈ স্থায়ী আয়োগ স্থাপন কৰা হ'ব আৰু এই আয়োগে সকলো আৱশ্যকীয় তথ্য-পাতি পৰীক্ষা কৰি কোন-কোন সম্প্ৰদায় আৰু কেনে ধৰণৰ মানুহে সংৰক্ষণৰ লাভ উপভোগ কৰা উচিত সেই কথা নিৰ্ণয় কৰিব।

৭ নং দফাত কোৱা মতে পিছপৰা জাতি-উপজাতি কেৱল হিন্দুৰ বাহিৰেও শিখ আৰু খৃষ্টানসকলৰ মাজতো আছে বাবে এনে শ্ৰেণীকো চিনাক্ত কৰাৰ কথা উচ্চতম ন্যায়ালয়ৰ ৰায়ত কোৱা হৈছে। এই কাম কেন্দ্ৰীয় বা ৰাজ্য পৰ্যায়ৰ আয়োগেই কৰিব পাৰিব। কেৱল হিন্দুৰ পিছপৰা শ্ৰেণীৰ সকলেহে সংৰক্ষণৰ সুবিধা পাব,—সেই কথা কেনেকৈ হ'ব ? এই ৰায়টোতো আপত্তি উঠাৰ বিশেষ কাৰণ থাকিব নোৱাৰে।

৮ নং দফাত কোৱা দৰে সংৰক্ষণ সম্পৰ্কীয় সকলো নীতি বা অধিসূচনাৰ যুক্তিযুক্ততা সম্বন্ধে বিচাৰৰ ক্ষমতা কেৱল উচ্চতম ন্যায়ালয়ৰহে থাকিব। এই কথাতো আপত্তি উঠাৰ থল নাই। কিয়নো সংৰক্ষণৰ প্ৰশ্নটোত ১১০খন আবেদন-পত্ৰৰ ক্ষেত্ৰত ন-জনীয়া বেঞ্চে যি সিদ্ধান্ত লৈছে, সেইটো ভাবি-চিন্তিয়েই লৈছে আৰু তাৰ ওপৰত উচ্চ ন্যায়ালয় নাইবা তাতকৈ নিম্ন খাপৰ ন্যায়ালয়ে ৰায় দিয়াৰ প্ৰশ্ন নুঠে।

উচ্চতম ন্যায়ালয়ৰ ১৬ নৱেম্বৰৰ ৰায় যে দেশৰ বহুত অঞ্চলৰ লোকৰ বাবে মনঃপূত হোৱা নাই সেইকথা নকলেও হ'ব। ভি. পি. সিং চৰকাৰৰ সময়ৰ অধিসূচনাত যিসকলে দুবছৰৰ আগতে বিৰোধিতা কৰি আন্দোলন কৰিছিল, এতিয়াও সেই একে শ্ৰেণীৰ লোকেই তেনে আন্দোলন আৰম্ভ কৰিছে। এতিয়ালৈকে উত্তৰ প্ৰদেশ, অন্ধ্ৰ প্ৰদেশ, হাৰিয়ানা, হিমাচল প্ৰদেশ, পঞ্জাব, ৰাজস্থান, মধ্যপ্ৰদেশ, বিহাৰ আৰু উৰিষ্যাৰ বাহিৰেও দিল্লী, চণ্ডীগড় আৰু জাম্মু অঞ্চললৈ এই আন্দোলন বিয়পিছে। গৃহমন্ত্ৰী চৱনে উচ্চতম ন্যায়ালয়ৰ ৰায়টো ভালকৈ অধ্যয়ন কৰি চাবলৈ আন্দোলনকাৰীসকললৈ আবেদন জনাইছে। কোনো-কোনো ঠাইত বাছ, ট্ৰেইন আদিলৈ শিল দলিওৱা আৰু সেইবোৰত অগ্নি সংযোগ কৰাৰ বাতৰি আহিছে আৰু কোনো-কোনো ঠাইত ছাত্ৰনেতাই আত্মহুতিৰ ভাবুকি দিয়াও কাগজত পঢ়িবলৈ পাইছোঁ।

উচ্চতম ন্যায়ালয়ত অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে ২৭ শতাংশ সংৰক্ষণৰ ব্যৱস্থাটো ৫-৪ গৰিষ্ঠতাত গৃহীত হোৱা বাবে বহুতৰে ধাৰণা,—এই ৰায় প্ৰযোজ্য কৰা উচিত নহ'বও পাৰে। যিহেতু মণ্ডল আয়োগৰ পৰামৰ্শৱলী দহ বছৰে ধুলিত পোত খাই থকাৰ পাছত শ্ৰীভি. পি. সিঙে সেইবোৰ কাৰ্যকৰী কৰাৰ সিদ্ধান্ত লয়, গতিকে উচ্চতম ন্যায়ালয়ে সেই হুকুম বাহাল ৰখাত প্ৰাক্তন প্ৰধানমন্ত্ৰীজন উল্লসিত হৈ পৰাটো স্বাভাৱিক। কিন্তু শ্ৰীনৰসিংহ ৰাও চৰকাৰে লোৱা সিদ্ধান্ত অনুসৰি আৰ্থিক দিশত পিছপৰি থকা সকলৰ বাবে ১০ শতাংশ সংৰক্ষণৰ ব্যৱস্থা বাতিল হোৱাত বহুতৰে ক্ষোভ থাকি যাব। বিশেষকৈ দৰিদ্ৰতাক উচ্চতম ন্যায়ালয়ে এনেদৰে উপেক্ষা কৰাত বহুতো আচৰিত হৈছে। কিন্তু ন্যায়ালয় কেৱল সংবিধানৰ ভিত্তিতহে এই সিদ্ধান্তলৈ আহিছে আৰু সংবিধানত সংৰক্ষণৰ কথা কেৱল অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিছ পৰা শ্ৰেণীৰ বাবেহে আছে। সংবিধানৰ ৩৩৫ ধাৰামতে অনুসূচিত জাতি-জনজাতিৰ লোকক চাকৰিত লওঁতে যাতে প্ৰশাসনৰ কাৰ্যদক্ষতাৰ ক্ষতিসাধন নহয় সেই বিষয়ে দৃষ্টি দিব লাগে। একে বিবেচনা অন্যান্য পিছপৰা শ্ৰেণীৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব বুলি ধৰি লোৱা আৱশ্যক। সকলো দিশৰ পৰা সমস্যাটো অধ্যয়ন কৰি, আৰু বৰ্তমান সমাজ ব্যৱস্থা বা গাঁথনি পৰীক্ষা কৰি, সংৰক্ষণৰ প্ৰশ্নটো বহল ভিত্তিত আলোচনা কৰাটো অতি আৱশ্যকীয়। দৰকাৰ হ'লে সংবিধানৰ সংশোধনো কৰিব লগা হ'ব পাৰে। বিষয়টোৰ জোৰা-তাপলি মৰা বিধৰ সমাধান বিচৰা উচিত নহ'ব ; —কিয়নো, প্ৰশ্নটো কেতিয়াবা বৰ স্পৰ্শকাতৰ হৈ পৰে আৰু কেতিয়াবা উত্তেজনামূলক হৈও পৰে। অতি পৰিতাপৰ কথা যে উচ্চতম ন্যায়ালয়ে এটা বিপজ্জনক সমস্যাৰ সমাধান কৰাৰ পৰিবৰ্তে সমস্যাটো আকৌ সঞ্জীৱিত কৰিহে তুলিলে।

২৩।১১।৯২




# বৰুৱা বামুণগাঁৱৰ সমবায় চেনিকলটোৰ সাম্প্ৰতিক অৱস্থা আৰু সম্ভাৱনা

**সুশান্ত জ্যোতি শৰ্মা**

গোলাঘাট জিলাৰ বৰুৱা বামুণগাঁৱত অৱস্থিত অসমৰ আটাইতকৈ পুৰণি সমবায় চেনিকলটো ৰাজ্য চৰকাৰে ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ সিদ্ধান্ত লোৱাৰ পাছৰে পৰা সচেতন ৰাইজৰ প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। চেনিকলটোৰ লগত জড়িত বেংকটোৱে ঋণ দিবলৈ অস্বীকাৰ কৰা, কৰ্মচাৰীসকলে তিনি মাহ ধৰি বেতন নোপোৱা, পৰিচালনাৰ খেলিমেলি, কলটোৱে দেখুউৱা লোকচানৰ পৰিমাণ আৰু চেনিকলটোক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা আদি সকলো কথা এতিয়া নিৰপেক্ষভাৱে বিচাৰ কৰাৰ প্ৰয়োজন হৈছে। ৰাজ্য চৰকাৰে কিমান আন্তৰিকতাৰে বা কি পৰিস্থিতিৰ মাজেৰে কলটোক ব্যক্তিগতখণ্ডলৈ হস্তান্তৰ কৰিবলৈ বিচাৰিছে, আৰু ইয়াৰ পৰা প্ৰকৃততে কাৰ স্বাৰ্থ ৰক্ষা পৰিব ইত্যাদি বৰ্তমানে একোটা বিতৰ্কৰ বিষয়। ভাৰতৰ আন সকলো প্ৰদেশৰ চেনিকলবোৰে দেখুউৱা বৃহৎ পৰিমাণৰ বাৰ্ষিক লাভৰ পৰিবৰ্তে আজি অসমৰ এই কম ক্ষমতা সম্পন্ন সমবায় প্ৰতিষ্ঠানটোৱে কি কাৰণতনো বৃহৎ লোকচানৰ সম্মুখীন হৈছে আৰু এইবোৰৰ নিৰাময়ৰ বাবে কেনে ধৰণৰ বৈজ্ঞানিক প্ৰচেষ্টা হাতত লব পাৰি সেই সম্পৰ্কে গভীৰ আলোচনাৰ প্ৰয়োজন আছে। কিন্তু সদ্যহতে প্ৰথম প্ৰশ্নটো হ'ল,—আমি চেনিকলটোৰ বিষয়ে জানোৱেই বা কিমান ? সেয়ে পোনপ্ৰথমে চেনিকলটোৰ অতীতলৈ উভতি যোৱাটো ভাল হ'ব।

অসম সমবায় চেনিকলটো স্থাপিত হয় ১৯৫৫ চনৰ এপ্ৰিল মাহৰ ১৯ তাৰিখে। ইয়াৰ উৎপাদন প্ৰক্ৰিয়া আৰম্ভ হয় ১৯৫৮ চনৰ ডিছেম্বৰ মাহৰ ২২ তাৰিখে। কলটোৰ উৎপাদন-ক্ষমতা প্ৰতি দিনে ৮১৩ মেট্ৰিক টন। কলটোৰ সৰ্বমুঠ অংশীদাৰ ২৩৬৪৬ জন। সাধাৰণ অংশসমূহ ২০ টকা আৰু ৪০ টকা মূল্যৰ আছিল। বিভিন্ন সমবায় অনুষ্ঠানসমূহৰো বহুসংখ্যক অংশ আছিল যদিও বৰ্তমানে কেইবাটাও সমবায় অনুষ্ঠান লুপ্ত হৈ গৈছে। কলটোৰ প্ৰতিষ্ঠাৰ দিনৰে পৰা ১৯৮০ চনৰ জানুৱাৰি মাহলৈকে অংশীদাৰ বা কৰ্মচাৰীৰ মাজৰ পৰা নিৰ্বাচিত প্ৰতিনিধিয়ে ইয়াৰ পৰিচালনাৰ দায়িত্ব লৈছিল আৰু সেই কালছোৱাত অংশীদাৰসকলে উৎপাদনৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা পালন কৰিছিল। ইয়াৰ পাছত ৰাজ্য চৰকাৰৰ দ্বাৰা মনোনীত প্ৰতিনিধিৰে গঠিত পৰিচালনা কমিটিয়ে ১৯৮১ চনৰ জানুৱাৰি মাহৰ ১২ তাৰিখৰ পৰা চেনিকলটোৰ পৰিচালনাৰ দাযিত্ব লয়। তাৰ পাছৰ পৰা ক্ৰমাৎ অংশীদাৰসকলৰ সক্ৰিয়তা হ্ৰাস পায়। আজি বহু বছৰ ধৰি চেনিকলটোত প্ৰতি বছৰে অনুষ্ঠিত হ'ব লগা সাধাৰণ সভাখন অনুষ্ঠিত হোৱা নাই। ১৯৭৮ চনৰ জুন মাহতে শেষৰখন সাধাৰণ সভা অনুষ্ঠিত হৈছিল।

আজি বহু বছৰ ধৰি চেনিকলটো একেৰাহে লোকচানৰ সম্মুখীন হৈ আছে। বৰ্তমানে কলটোৱে ৭.৫ কোটি টকা দিব লগা হৈ আছে। তাৰে ৬.১৩ কোটি টকা অসম ক'-অপাৰেটিভ এপেক্স বেংকক দিব লগা আছে ; আৰু বেতন, ভৱিষ্যনিধি, ব'নাছ, অভাৰটাইম আদিৰ বাবদ ১.৩৭ কোটি টকা দিব লগা আছে। কলটোৰ মুঠ কৰ্মচাৰী হ'ল



৮৩৩ জন। তাৰে ৪৪৩ জনে উৎপাদন আৰম্ভ হ'লেহে চাকৰিত যোগদান কৰে ; বাকী ৩৯০ জন স্থায়ী কৰ্মচাৰী আৰু তেওঁলোকৰ কাৰ্যকাল বছৰেকীয়া। সাধাৰণতে ডিছেম্বৰৰ আৰম্ভণিৰে পৰা এপ্ৰিল মাহ মানলৈকে কুঁহিয়াৰ পেৰা হয়। কেতিয়াবা বতৰবিশেষে এই সময়সীমা বৃদ্ধি বা হ্ৰাস পায়।

চেনিকলটোৰ চৌপাশে কুঁহিয়াৰ পৰ্যাপ্ত পৰিমাণে আছে যদিও সেই অনুপাতে কলটোৱে কুঁহিয়াৰৰ যোগান নাপায়। তাৰ প্ৰধান কাৰণ হ'ল,—স্থানীয় ৰাইজৰ বেছিভাগেই চেনিকললৈ কুঁহিয়াৰৰ যোগান ধৰাৰ পৰিবৰ্তে ঘৰতে কুঁহিয়াৰ পেৰি গুড় উৎপন্ন কৰে। বজাৰত সেইমতে এই অঞ্চলৰ গুড়ৰ চাহিদাও আছে। ইয়াৰ ফলস্বৰূপে চেনিকলটোৱে আন অঞ্চলৰ (শতাংশ হিচাপে কম চেনি থকা) কুঁহিয়াৰ কিনিব লগা হয়। ঘাইকৈ গোলাঘাট, কাৰবি আংলং জিলা আৰু নগালেণ্ডৰ কোনো-কোনো অঞ্চলৰ কুঁহিয়াৰ চেনিকলটোলৈ আহে। ইয়াৰ ভিতৰত খটখটি, জামুগুৰি, বৰপথাৰ, সৰুপথাৰ, নাওজান, বোকাজান, গেলাবিল, টেমেৰা, মাহৰা, মেৰাপানী আদি অঞ্চলেই কুঁহিয়াৰৰ প্ৰধান যোগান ধৰোঁতা। এই অঞ্চলসমূহৰ পৰা বছৰি ৭-অৰ পৰা ৮ লাখ কুইণ্টল কুঁহিয়াৰ কলটোৱে উৎপাদনৰ বাবে পায়। চেনিকলটোৰ নিজা মাটিটো অলপ-অচৰপ কুঁহিয়াৰ খেতি কৰা হয়।

উৎপাদন আৰম্ভ হোৱাৰ পাছৰে পৰা একেৰাহে ৭ বছৰ লোকচান দেখুউৱাৰ পাছত কলটোৱে পোন প্ৰথমবাৰৰ বাবে ১৯৬৫-৬৬ চনত ২৬৭ লাখ টকাৰ লাভ দেখুৱায়। তাৰ পাছৰে পৰা ১৯৭৯-৮০ চনলৈকে কলটোৱে প্ৰায়েই লাভ দেখুৱাবলৈ ধৰে। এই সময়ছোৱাত, ১৯৭৬-৭৭ চনত কলটোৱে সৰ্বোচ্চ ২৩·২৮ লাখ টকা লাভ দেখুৱায়। ১৯৭৯-৮০ চনৰ বছৰটোত চেনিকলটো সকলো ফালৰ পৰা ঋণমুক্ত হোৱাৰ উপৰি ই ১০ লাখ টকা ৰাহি কৰিবলৈ সমৰ্থ হয়। সেই বছৰত এই লাভৰ অংশৰ পৰা মিলৰ শ্ৰমিক-কৰ্মচাৰীক ২০% ব'নাছ দিয়াৰ লগতে কুঁহিয়াৰ খেতিয়কসকলকো কলটোক যোগান ধৰা প্ৰতি কুইণ্টল কুঁহিয়াৰৰ মূল্যৰ লগত ওপৰঞ্চি দুটকাকৈ লাভ বিতৰণ কৰে। ১৯৮১-৮২ চনৰ




পৰা চেনিকলটোৱে কেৱল লোকচানহে দেখুৱাবলৈ ধৰে। ইয়াৰ প্ৰধান কাৰণ হ'ল ৰাজ্যজুৰি হোৱা ছাত্ৰ-আন্দোলনটো। এই আন্দোলনৰ ফলত সঘনাই হোৱা বন্ধই কলটোৰ উৎপাদনত বিস্তৰ ক্ষতি সাধন কৰে। উৎপাদনকালীন অৱস্থাত এদিন কলটো বন্ধ থাকিলে প্ৰায় ৭ লাখ টকা লোকচান ভৰিব লগা হয়। আনহাতে চেনিকলটোলৈ শতকৰা ৮০ ভাগ কুঁহিয়াৰৰ যোগান ধৰোঁতা গোলাঘাট জিলাৰ অধিকাংশ খেতিয়ক নেপালী সম্প্ৰদায়ৰ হোৱাত আন্দোলনৰ সময়ত তেওঁলোকৰ মাজত কেইবাটাও সমস্যাই দেখা দিয়ে। ফলস্বৰূপে কুঁহিয়াৰৰ উৎপাদন অস্বাভাৱিকৰূপে হ্ৰাস পায়। বছৰি আৱশ্যক হোৱা আঠৰ পৰা দহ লাখ কুইণ্টলৰ পৰিবৰ্তে ১৯৮৫-৮৬ চনত কলটোৱে মাত্ৰ ২·৭৮ লাখ কুইণ্টল কুঁহিয়াৰহে পাবলৈ সক্ষম হৈছিল।

আন্দোলনৰ পৰা উদ্ভৱ হোৱা সমস্যাৰ উপৰিও ১৯৮২-৮৩ চনত হঠাতে চেনিকলৰ গেছ টাৰবাইনটো নষ্ট হোৱাত চেনিকলটোৰ কঁকাল ভাগি পৰে। উৎপাদনৰ মাত্ৰা অভাৱনীয়ভাৱে কমি যোৱাৰ উপৰিও ৩০ লাখ টকা দি নতুন টাৰবাইন বহুৱাব লগা হয়। তদুপৰি প্ৰশাসনীয় খেলিমেলিৰ বাবে টাৰবাইনটো পুনৰ স্থাপন কৰাত বহু পলম হয় আৰু সেই বছৰ বহু কুঁহিয়াৰ লোকচান হয়। ইয়াৰ পাছৰে পৰা কুঁহিয়াৰ যোগান আৰু উৎপাদনৰ গতি লেহেম হয় যদিও শেহতীয়াকৈ ১৯৮৯-৯০ বছৰ চেনিকলটোৱে পুনৰ ৫·৭৬ লাখ টকা লাভ কৰে।

চেনিকলটোৰ উৎপাদন ক্ষমতা আৰু কেঁচামাল যোগানৰ পৰিমাণৰ পৰা এই কথা অতি স্পষ্ট হৈ পৰে যে এই সমবায় চেনিকলটোৰ কেৱল চেনি উৎপাদনৰ পৰা লাভ কৰিব পৰাৰ সম্ভাৱনা তেনেই কম। ইয়াৰ উৎপাদন ক্ষমতা মাত্ৰ ৮১৩ মেট্ৰিক টন আৰু সেয়েহে সাধাৰণতে ই লাভ দেখুৱাব নোৱাৰে। ভাৰতৰ আন প্ৰদেশবোৰৰ চেনিকলবোৰৰ উৎপাদন ক্ষমতা ৭০০০ মেট্ৰিক টনলৈকে আছে। তদুপৰি অসম সমবায় চেনিকলটো বছৰৰ কেইটামান মাহহে কাৰ্যক্ষম হৈ থাকে। যদি চেনিকলটোৱে নিম্নতম শতকৰা ৮ ভাগ চেনিযুক্ত ১০ লাখ কুইণ্টল কুঁহিয়াৰৰ যোগান পায়, তেনেহ'লে মুঠ চেনি উৎপন্ন হ'ব ৮০,০০০ কুইণ্টল। চৰকাৰী নীতি অনুযায়ী মুঠ উৎপাদনৰ শতকৰা ৪৫ ভাগ (৩৬০০০ কুইণ্টল) চেনি চৰকাৰৰ লেভি ৰূপে যোগান

তালিকা—১ ঃ চেনিকলটোৰ কেইটামান তথ্য

১। সৰ্বমুঠ কৰ্মচাৰী—৮৩৩ জন
- (ক) স্থায়ী—(Permenant)—৩৯০ জন
- (খ) অস্থায়ী—(Seasonal)—৪৪৩ জন

২। সৰ্বমুঠ অংশীদাৰ—২৩৬৪৬
- (ক) উৎপাদনকাৰী অংশীদাৰ (Producer/ Grower Share) — ২০০৪৫
- (খ) অনুৎপাদক অংশীদাৰ (Non-producer Share)— ২৬০৬
- (গ) সমবায় অনুষ্ঠান (Co-operative Society Share)—৯৯৪
- (ঘ) অসম চৰকাৰ (Govt. Share) — ১

৩। উৎপাদন ক্ষমতা দিনে ৮১৩ মেট্ৰিক টন।




ধৰিব লগা হয়। বাকী শতকৰা ৫৫ ভাগ (৪৪,০০০ কুইণ্টল) চেনিহে মুকলি বজাৰত বিক্ৰি কৰিব পৰা যায়। যোৱা বছৰ বিক্ৰিৰ হিচাপৰ লগত নিম্নতম বৃদ্ধিৰ পৰিমাণ যোগ কৰি লেভি চেনিৰ পৰা সৰ্বমুঠ আয় হ'ব— প্ৰতি কুইণ্টলত ৬৮০ টকা হিচাপত ৩৬,০০০ কুইণ্টলৰ দাম হ'ব—২৪৪,৮০,০০০ টকা। তেনেদৰে মুকলি বজাৰত প্ৰতি কুইণ্টলত ৮৫৫ টকা হিচাপত ৪৪,০০০ কুইণ্টলৰ দাম হ'ব— ৩৭৬,২০,০০০ টকা। গতিকে সৰ্বমুঠ আয় হ'ব= ৬২১,০০ ০০০ টকা। বৰ্তমানে বজাৰত প্ৰতি কুইণ্টল কুঁহিয়াৰ বাবদ ৩৬ টকা দিব লগা হ'লে, ১০ লাখ কুইণ্টল কুঁহিয়াৰৰ বাবে মুঠ ব্যয় হ'ব× (৩৬০০)= ৩৬০ লাখ টকা।

সমুদায় বেতনত ব্যয়—১৭০ লাখ টকা,
ইন্ধনত ব্যয়—৪০ লাখ টকা, যান্ত্ৰিক মেৰামতি ব্যয়—২০ লাখ টকা, পৰিবহন, বস্তাৰ দাম আৰু অন্যান্য—৩০ লাখ টকা।

সৰ্বমুঠ ৬,২০ লাখ টকা।

এই হিচাপ মতে যদি বছৰি ১০ লাখ কুইণ্টল কুঁহিয়াৰ চেনিকলটোৱে পেৰিব পাৰে, তেন্তে চেনি উৎপাদন অংশটোৰ পৰা কলটো 'লাভো নাই লোকচানো নাই' অৱস্থাত থাকিব। অৱশ্যে এনে অৱস্থাত থাকিলেও ইয়াৰ উৎপাদনৰ পৰা বৈ যোৱা লালী-গুড় (molasses) কাষতে থকা ভাটিখানা (distillery)টোত কেঁচামাল হিচাপে ব্যৱহাৰ কৰি বছৰি ৫০ লাখতকৈ অধিক টকা লাভ দেখুৱাব পাৰি। গোটেই চেনিকলটোৰ বাৰ্ষিক লাভ-লোকচানৰ হিচাপত এই ভাটিখানাটোৱে চেনিৰ পৰা হোৱা লোকচানৰ পৰিমাণক বহু পৰিমাণে লাঘৱ কৰে। গতিকে গোটেই লাভ-লোকচানৰ অংকটো ভাটিখানাটোৰ উৎপাদনৰ ওপৰত বাৰুকৈয়ে নিৰ্ভৰ কৰে। সেয়েহে চেনিকলটোৰ অৰ্থনীতিৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলোৱা এই ভাটিখানাটোৰ বিষয়ে আলোচনা কৰা ভাল হ'ব।

অসম সমবায় চেনিকলটোৰ লগতে থকা ভাটিখানাটোৱে ১৯৬৯ চনৰ পৰা উৎপাদন আৰম্ভ কৰে। এই প্ৰকল্পটোৰ নিৰ্মাণ-ব্যয় আছিল প্ৰায় ২০ লাখ টকা। ইয়াৰ উৎপাদন ক্ষমতা ৭৬০০ এল. পি. এল (London Proof Litre ; —প্ৰায় ৫০০০ লিটাৰ। ইয়াত কেৱল ৰেকটিফাইড স্পিৰিট প্ৰস্তুত কৰা হয়। এই স্পিৰিট বিভিন্ন ঔষধত ব্যৱহাৰ হয় যদিও দেশীয় সুৰাৰ পণ্যাগাৰবিলাকেই ইয়াৰ প্ৰধান ক্ৰেতা। এই প্ৰকল্পটোৱে ৰাজ্যখনৰ প্ৰয়োজনীয় সৰ্বমুঠ স্পিৰিটৰ মাত্ৰ ২৫ % স্পিৰিটহে যোগান ধৰিব পাৰে। ইয়াৰ ৫টা প্ৰধান বিক্ৰি অঞ্চল হ'ল—তিনিচুকীয়া, নামৰূপ, যোৰহাট, উত্তৰ লক্ষীমপুৰ আৰু শিলচৰৰ দেশীয় সুৰাৰ পণ্যাগাৰবিলাক। উদ্যোগটোৰ বাবে প্ৰয়োজনীয় কেঁচামাল প্ৰধানকৈ চেনিকলটোৰ পৰাই পোৱা হয় যদিও আজি দুবছৰমানৰ পৰা লালী বাহিৰৰ পৰা অনা হৈছে। যোৱা ৫ বছৰৰ বাৰ্ষিক হিচাপৰ পৰা দেখা গৈছে যে এই ভাটিখানাটোৱে অতি কমেও ৫০ লাখ টকা বছৰি লাভ দেখুৱায় যদিও সমুদায় ধন চেনিকলটোৱে লোৱা ঋণৰ বাবে বেংকক




টোকা ঃ
১। সকলো সংখ্যা লাখ টকা হিচাপত
২। ৮০৩৯ লাখ টকা ১।৭।৮৭ চনৰ পৰা ৩১।৩।৮৯ চনলৈ সৰ্বমুঠ লোকচানৰ পৰিমাণ।

CKDISCD

পৰিশোধ কৰিব লাগে। এই ভাটিখানাটোত মুঠ ৫০ জন কৰ্মচাৰী আছে। তেওঁলোকে ৩ বেলা তিনিটা ভাগত কাম কৰিব লাগে। যদিহে উপযুক্ত পৰিমাণৰ কেঁচামালৰ যোগান ধৰা হয়, তেনেহ'লে এই ভাটিখানাটোৱে প্ৰায় ১:৪ কোটি টকা লাভ কৰিব বুলি আশা কৰিব পাৰি। এই ভাটিখানাটোৰ উৎপাদন-ব্যয় তেনেই কম। গতিকে নগাঁৱৰ চেনিকলটোত উৎপাদিত লালীও এই ভাটিখানালৈ আনি ব্যৱহাৰ কৰিব পাৰিলে গোটেই চেনিকলটোৰ বাৰ্ষিক লাভ যে অধিক হ'ব ই ধ্ৰুৱপ।

অৱশ্যে কেৱল ভাটিখানাটোৰ লাভেৰে চেনিকলটোৰ বাৰ্ষিক লাভ দেখুৱাবলৈ বিচাৰিলে ভুল কৰা হ'ব। চেনি উৎপাদনৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ জৰিয়তে লোকচানৰ পৰিমাণ কমাব পাৰি। ওপৰত উল্লেখ কৰা ব্যয়লৈ লক্ষ্য কৰিলে দেখা যাব যে


তালিকা ২

চেনিকল প্ৰতিষ্ঠানটোত বিনিয়োগ (Invesment in fixed assets)

| | |
|---|---|
| (ক) ভৱন (Building) | — ৩০·০০ লাখ |
| (খ) যন্ত্ৰপাতি (Plants and Machinery) | — ১৬২·০০ লাখ |
| (গ) অন্যান্য (Others) | — ৫২·০০ লাখ |
| | মুঠ ২৪৩·০০ লাখ |
| বৰ্তমানৰ মূল্য | ৭৫·০০ লাখ |
| ১৯৯০-৯১ চনলৈকে মূল্যহ্ৰাস (Depreciation charged till 1990-91) | ১৬৮·০০ লাখ। |

দৰমহাৰ শিতানত ব্যয় অত্যধিক হৈছে। ইয়াৰ প্ৰধান কাৰণ হ'ল চেনিকলটোৰ কৰ্মচাৰীৰ সংখ্যা প্ৰয়োজনতকৈ অধিক। প্ৰশাসনীয় খেলিমেলি আৰু ৰাজনৈতিক উদ্দেশ্যেৰে বহু কৰ্মচাৰী প্ৰয়োজন নোহোৱা সত্বেও মকৰল কৰা হৈছিল আৰু ই বৰ্তমানে এটা স্থায়ী ব্যয় হিচাপে মুঠ লাভ-লোকচানৰ হিচাপত অসুবিধাৰ সৃষ্টি কৰি আছে। গতিকে চেনিকলটোৰ লোকচানৰ পৰিমাণ কমাবলৈ হ'লে এই ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত মকৰল বন্ধ কৰিব লাগিব। তদুপৰি 'অসমীয়া মানুহে কাম নকৰে' বুলি যি বদনাম আছে, চেনিকলটোৰ বাহিৰ-ভিতৰ অধ্যয়ন কৰি ই যে বহু পৰিমাণে সত্য তাৰ প্ৰমাণ পোৱা গৈছে। গতিকে এই দিশটোৰ বিষয়ে প্ৰশাসনে বা কৰ্মচাৰীসকলে বিচাৰ কৰিলে নিশ্চয় সুফল পোৱা যাব।

লোকচানৰ মুখ্য তথা গুৰুত্বপূৰ্ণ বিষয়টো হৈছে যে কুঁহিয়াৰৰ যোগান ধৰোঁতাসকলে কুঁহিয়াৰত চেনিৰ শতাংশ বৃদ্ধিৰ ওপৰত একেবাৰে গুৰুত্ব নিদিয়ে। খেতিয়কসকলৰ কৃষি-পদ্ধতি একেবাৰে পুৰণিকলীয়া। বৈজ্ঞানিক পদ্ধতিৰে কৃষি একেবাৰেই কৰা নহয়। ভাৰতৰ আন-আন প্ৰদেশত কুঁহিয়াৰত চেনিৰ শতাংশ ১০-অৰ ওপৰলৈ গৈছে ; কিন্তু আমাৰ ৰাজ্যত ইয়াৰ পৰিমাণ হ'ল মাত্ৰ ৮ শতাংশ। যদি উন্নত প্ৰক্ৰিয়াৰে এই পৰিমাণ ১০ পৰ্যন্ত বৃদ্ধি কৰিব পাৰি, তেনেহ'লে চেনিকলটোৱে অকল চেনিৰ উৎপাদনেৰেই লাভ কৰিব পাৰিব। মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ আদি ৰাজ্যবোৰৰ কুঁহিয়াৰত চেনিৰ শতাংশ ১০-অতকৈ বেছি। সেই ৰাজ্যবোৰে চেনি উৎপাদনত লাভ দেখুৱাব পৰাৰ ইও এটা কাৰণ। প্ৰতিপালনত গুৰুত্ব দিলে, ৰাসায়নিক সাৰ প্ৰয়োগ কৰিলে আৰু মাজে-মাজে নিৰাই দিলে এই ৰাজ্যৰ মাটিতে ১০% চেনিযুক্ত কুঁহিয়াৰ পোৱাৰ প্ৰচুৰ সম্ভাৱনা আছে। তদুপৰি চেনিকলটোৰ চৌপাশে যি কেইখন চাহ-বাগিচা আছে তাত ব্যৱহাৰ নকৰা মাটি বহু আছে। সেই মাটিত বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰিলে কুঁহিয়াৰৰ উৎপাদন বৃদ্ধি পাব আৰু চেনিকলটোৱে লাভ দেখুৱাব পাৰিব। অৱশ্যে লাভ দেখুৱাবলৈ হ'লে যথোপযুক্ত পৰিমাণৰ কেঁচামালৰ লগতে সুচিন্তিত পৰিকল্পনাও লাগিব আৰু প্ৰশাসনীয় বেমেজালি আঁতৰ হ'ব লাগিব।








# দিল্লীত এৰাতি

## ড° বিকাশ বৰুৱা

—হেৰি, শুনিছে ?

—নুশুনিলে হ'ব জানো ? কৈ যোৱা ...

—আমি যে আচলতে কামাখ্যা মন্দিৰত পূজা দিবলৈহে গৈছিলো,—কথাটো গোটেইখনতে চিচিংফাক হৈ গ'ল।

—কিন্তু তুমি কেনেকৈ জানিলা ?

—এইবিলাক ভিতৰুৱা খবৰ সদায় আমিহে ৰাখোঁ। আপোনাৰতো সময়েই নাই। এই বোলে বিদেশ ভ্ৰমণ, এই বোলে এয়াৰপ'ৰ্ট,—অতিথি আপ্যায়ন, এই বোলে জন্মদিন উদযাপন, উৎসৱে-পৰ্বই ৰাষ্ট্ৰৰ উদ্দেশ্যে অনাতাঁৰ ভাষণ ...

—আ হ, আচল কথাটো কোৱাচোন।

—তাৰ কাগজে-পত্ৰই কথাটো খুবকৈ ওলাইছে। মানুহবোৰেও মুখে-মুখে কৈ ফুৰিছে।

—আচ্ছা ?

—ওঁ। তেওঁ যে কামাখ্যাৰ পাণ্ডাক সুধি-পুছি শুভ দিন-বাৰ পৰ্যন্ত চাই দিছিল,— আৰু সেইমতেই আমি গৈছিলো,—গৈ শ্ৰীদেৱীৰ শ্ৰীচৰণত লাং খাই পৰি নতুন চাকৰি-প্ৰাপ্তিৰ বাবে কৃতজ্ঞতা জনাই আহিলো,—এই আটাইবোৰ খবৰ তাত জনাজনি হৈ গৈছে। এখন আলোচনীত লিখিছে,—আপোনাৰ অন্তৰখন হেনো কেৱল মা কামাখ্যাৰ কথাৰেই খুন্দ খাই আছিল, সেইবাবে মুখেৰে একো ক'বই নোৱাৰিলে। কথাষাৰ মোৰ ভালকৈ মনত নাই,—কিবা হেনো নিবোকা ওঁঠ, ছুলন্থ লীয়া হৃদয়,—অলপ এনেকুৱা ধৰণৰ !

—অ' বুজিছোঁ। হোৱেন ডা হাৰ্ট ইজ ফুল, ৱৰ্ডছ আৰ্ লে'ছ।

—হয় হয়। অৰ্থ সেইটোৱেই।

—কিন্তু... কামাখ্যাৰ কথা সঁচাকৈয়ে মই একো নকলোনেকি ?

—ওঁহো। একো নক'লে। কামাখ্যাৰ 'ক'টোকে উচ্চাৰণ নকৰিলে।

—তেন্তে মইনো কি ক'লো ?-

—ছেক্ৰেটেৰিয়ে যি লিখি দিলে,— তাকে ক'লে। শংকৰদেৱ বৰ ডাঙৰ মানুহ আছিল বুলি ক'লে, শান্তি-সম্প্ৰীতিৰ পৰিৱেশ বজাই ৰাখিব লাগে বুলি ক'লে ...

—সেইবিলাক দেখোন বৰ ডাঙৰ-ডাঙৰ কথাই কৈ আহিলো।

—ইঃ থৈ দিয়ক। শান্তিৰ পৰিৱেশ লাগে বুলি কেঁচুৱা ল'ৰা-ছোৱালীয়েও জানে। এনেকুৱা ডায়লগ শুনি-শুনি মানুহ ব'ৰ হৈ গৈছেগৈ। যেয়ে যায় সেয়ে কয়। এতিয়া আপুনি ক'লে বাবেই কাগজৰ ফ্ৰণ্ট পেইজত মস্ত-মস্ত হে'ডলাইন হৈ ওলাল। নহ'লে কোনো পাত্তা দিয়ে ?

—এৰাহে। কথাটো মিছা নহয়। কিন্তু বেলেগ কিবা এটা ক'বলৈ একো বিচাৰিকে নাপাওঁ দেখোন ! উপায় নাই,—ৰেডিমে'ড ডায়লগকে মাৰি থাকিব লাগিব,—বুইছা ?

—যি কৰে কৰক। ৰাজনীতিৰ কথাই বেলেগ। মইনো কি ক'ম ?

—পিছে যিয়ে নহওক, আমি যোৱা কাৰণে চবেই খুব ভাল পাইছে।

—কেনেকৈ জানিলে ?

—তেওঁ কৈয়ে আছে। আৰু নহয়নো কি ! আজিকালিৰ দিনত ইমান আদৰ-সাদৰ, মৰম-চেনেহ পাবলৈ টান। তুমি মন কৰিলানে,— মানুহবোৰৰ কিমান হেঁপাহ !

—পিছে হেঁপাহবোৰ হেঁপাহ হৈয়ে থাকিল। বন্ধ গাড়ীখনৰ ভিতৰত ভৰাই লৈ আপোনাক যিটো কোবেৰে আনি টাউন পোৱালেহি, ৰাইজে কাৰো টিকনিডালকে নেদেখিলে।

—এঃ মোক দেখক নেদেখক, মই দেখিলো নহয়,—হ'ব আৰু !

—সেই যে নদীৰ পাৰৰ ধুনীয়া ৰাস্তাটো,—মন কৰিলেনে ?

—এৰা। বৰ চাফ-চিকুণ দেই। ভাল লাগিল।

—তাত আগদিনালৈকে শ-শ জ-পুৰী ঘৰ, দোকান, ভিক্ষাৰী,—এনেকুৱা বস্তুবোৰহে আছিল। আপোনাৰ বাবেই চব চাফা কৰি পেলোৱা হৈছিল।

—আয়ৈ দেহি ! মানুহবোৰ বা কলৈ গ'ল !

—নাই, সিহঁতে বেয়া পোৱা নাই। আপোনাৰ দৰ্শনে পুণ্যং বুলি ধৰি লৈ সকলোৱে এসপ্তাহ উপবাসে থকাটোকে ঠিক কৰিলে। মুকলি আকাশৰ তলত।

—ভাল কথা। স্বাস্থ্যৰ বাবে উপবাস, লঘোন খুব ভাল বস্তু বুইছা। দেহ-মন ফৰকাল, আৰু চিত্ত শুদ্ধ হৈ থাকে।

—ল'ৰা-ছোৱালী আৰু মাইকী মানুহবোৰেহে খালী অলপ ভয় খালে।

—ভয় খালে ? কিয় ?

—সেই যে আমি শ্বোলে' নামৰ ছিনেমা এখন চাইছিলো,—মনত আছে ? গব্বৰ সিং বুলিয়েই যে মানুহে ভয় খায়। লঘোনে থকা কেঁচুৱাবোৰক আপোনাৰ নাম কৈ কৈয়ে হেনো সেই কেইদিন মাক-বাপেকে শুৱাই থলে। চবেই ভয়তে কঁপে ...

—হয় নেকি ! এইটো মোৰ বাবে বৰ গৌৰৱৰ কথা। বেচেৰা গব্বৰ সিংটোতো মৰিলেই !

—সেই যে নদীখনত কেইবাহাজাৰ টকাৰ ফুল উটি ফুৰিছিল,—আমি যে কৈছিলো,— বাঃ কি সুন্দৰ, মাটিতো ফুল, পানীতো ফুল,— সেই ফুলবোৰ হেনো ফুল বেচা মানুহবোৰে ফুটপাথত বিকিবলৈহে আনিছিল।

—এঃ এনেয়ে উটাই দিয়াতকৈ আমাকে পিন্ধাব পাৰিলেহেঁতেন। আমি অতবোৰ মানুহ আছিলো ...

—সেইখিনিতে হেনো পঞ্চাছ-ষাঠিখনমান ফুলৰ দোকান আছিল। চব ভাঙি গুড়ি কৰি দিলে। লৰচৰ কৰিব নোৱৰা ভিক্ষাৰীকেইটাক চোঁচোৰাই নি কৰবাৰ কলীয়াপানীত মেলিলেগৈ।

—ভাল, ভাল। মানুহজনৰ এডমিনিষ্ট্ৰেশ্যন খুব ভাল। মই আগতেও তেওঁৰ বহুত প্ৰশংসা শুনিছিলো। এনেয়ে ইমানবিলাক পুৰস্কাৰ পোৱা নাই নহয় ! সিদিনা হেনো আকৌ কিবা এটা পালে ...

—আটাইতকৈ ডাঙৰ কথা—তেওঁৰ আন্তৰিকতাটো। বেচেৰাৰ এনেই তলি উদং,— দৰমহা দিবলৈকে পইচা নাই,—তথাপিও আপোনাৰ নামত লাখ-লাখ টকা উৰাই দিলে। সেই যে ৰাস্তাৰ কাষে-কাষে বাঁহবোৰ, আৰু জাকজমকীয়া ৰভা-পৰলাবিলাক দেখিলে, তাতে হেনো কেইলাখমান গ'ল। ঠিকাদাৰ-চিকাদাৰবোৰৰো উপকাৰ এটা হ'ল। কোনোবা সাংবাদিকে হেনো সুধিছিল,— ইমান খৰচ কৰিছে কেলেই ? তেওঁ চিধা কৈ দিলে,— "এইবোৰ প্ৰ'ট'কলৰ কথা। আপোনালোকে একো মাতেই নামাতিব,—খবৰদাৰ।" একে আষাৰ কথাতে চব ঠাণ্ডা হৈ গ'ল !

—আও গোসাঁই ! তুমি বহুত খবৰ ৰাখা দেই ! কম নোহোৱা !

—পিছে সেই যে হুইল-চেয়াৰত উঠি আহিছিল মানুহজন,—মোৰ তেওঁলৈহে বেয়া লাগিল। বেচেৰাৰ বৰ নগুৰ-নাগতিখন হ'ল। এবাৰ হেনো কোনোবা বিধায়ক এজনকে তেনেকৈ বিছনাই-চিছনাই দাঙি আনিছিল,— আপুনি জানেনে কথাটো ?

—অঁ, শুনিছিলো। পিছে লাচিতৰ দেশৰ কথাতো,—তাত কথাই বেলেগ। মানুহে নৰীয়া গাৰে যুদ্ধও কৰিব পাৰে।

—আচ্ছা, ৰ'বচোন, আপোনাক যে স্মাৰকপত্ৰ এগাল দিছিল,—কি কৰিলে ?

—এঃ কিটো কৰিম আৰু' ! আছে চাগে' কৰবাত পৰি। কাইলৈ মানুহ এটা চাবাচোন। গোটেইসোপা বিকিলে কমেও পোন্ধৰশ টকা ওলাব ...


শ্ৰমিক প্ৰাণ সৰ্বেশ্বৰ বৰদলৈৰ

অগতানুগতিক আত্মকথা

'মোৰ জীৱন-সংগ্ৰামৰ সোঁৱৰণ'

প্ৰকাশ পালে।

কিতাপ পোৱা ঠাই

জ্যোতি প্ৰকাশন, গুৱাহাটী
বিদ্যা মন্দিৰ, যোৰহাট
মূল্য—৫৫ টকা

# অসমীয়া পেটিবুৰ্জোৱা জাতীয়তাবাদৰ চমু ইতিহাস

**অনুভৱ দত্ত**

আঞ্চলিক বৈষম্য অথবা অনগ্ৰসৰতাৰ বিপক্ষে অসমত মাজে-মাজে আঞ্চলিকতাবাদে গা কৰি উঠে। ১৯৬০ চনৰ দশকত থলুৱা অসমীয়া ৰাইজ আৰু প্ৰব্ৰজনকাৰী হিন্দু বাঙালীসকলৰ মাজত থকা আৰ্থসামাজিক আৰু সাংস্কৃতিক দ্বন্দ্বই ভাষা আন্দোলনৰ সৃষ্টি কৰিছিল। অসমৰ নগৰে-চহৰে সাম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। যি কাৰণেই নহওক, তেতিয়াৰ দিনত জনসাধাৰণৰ মানসিকতা আজিৰ দৰে হিংস্ৰ নাছিল আৰু বন্দুক বাৰুদৰো তেনে ধৰণৰ প্ৰচলন নাছিল বাবে সেই সাম্প্ৰদায়িক সংঘৰ্ষবোৰ চৰ-থাপৰতেই সীমিত আছিল। সম্পত্তিৰ লুট আৰু অগ্নি সংযোগৰ ঘটনা-সংঘটিত হৈছিল যদিও আজিৰ তুলনাত ইয়াৰ পৰিণতিত হোৱা জীৱন নাশৰ ঘটনা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ আছিল। অসমীয়া ভাষা-সংস্কৃতিক বাঙালী কলা সংস্কৃতিয়ে গ্ৰাস কৰিব বুলি থকা সংশয় বাহ্যিক ৰূপত এই সংঘৰ্ষৰ কাৰণ আছিল বুলি ক'লেও প্ৰব্ৰজনকাৰী বাঙালীৰ ভূমি দখলৰ পৰিণতিৰ চাপ, সৰুসুৰা বেহা-বেপাৰত বাঙালীৰ সাফল্য আদি অৰ্থনৈতিক কাৰণহে এই সংঘৰ্ষৰ পিছত আছিল। কিন্তু এই সংঘৰ্ষবোৰৰ উৎস উদঘাটন কৰিলে আমি দেখিবলৈ পাওঁ যে মূলতে পেটিবুৰ্জোৱা অসমীয়া শ্ৰেণীটোৱেই নোপোৱাৰ ক্ষোভ আৰু আক্ৰোশৰ জ্বালাত এই সংঘৰ্ষবোৰৰ নেতৃত্বত আগভাগ লৈছিল। ১৯৬০ চনৰ দশকৰ ভাষা-সংঘৰ্ষৰ পাছত অসমীয়া সমাজত কোনো গুণাত্মক পৰিবৰ্তন পৰিলক্ষিত হোৱা নাছিল; অথবা কোনো ৰাজনৈতিক পৰিবৰ্তনো নহ'ল। কিন্তু পৰবৰ্তী কালৰ ঘটনাসমূহ পৰ্যবেক্ষণ কৰিলে আমি দেখিবলৈ পাওঁ যে শাসকগোষ্ঠীৰ পৃষ্ঠপোষকতাত সুবিধাবাদী ছাত্ৰনেতাই হওক অথবা যুবনেতাই হওক খাদীমাৰ্কা কোম্পানিত নাম ভৰ্তি কৰি নিজস্ব সমস্যাৰ সমাধান কৰিছিল। কিন্তু দেশৰ সমস্যা সমস্যা হৈয়েই থাকিল; ভাষা-সংস্কৃতিৰো একো উন্নতি নহ'ল। মাথোঁ শাসকগোষ্ঠীৰ লোকসকলে সমাজৰ এই 'খঙাল ডেকাসকলক' দেশ গঢ়াৰ বাবে পাৰ্টিত মকৰল কৰি আন্দোলনবোৰৰ পৰিসমাপ্তি ঘটাইছিল। সমস্যাৰাজিৰ উজু সমাধান উলিয়াইছিল। বৰ্তমান কংগ্ৰেছী নেতা-পালিনেতাৰ কথা বাদেই, আগৰ চাম কংগ্ৰেছীৰ মাজতো এক বুজন সংখ্যক নেতা-পালিনেতাৰ এই আন্দোলনৰ ফলতে জন্ম হৈছিল।

১৯৬৬ চনৰ পাছত অসমত আকৌ এক জাতীয়তাবাদী আন্দোলন গঢ়ি উঠিছিল। হঠাৎ অসমৰ মুখ্য চহৰ গুৱাহাটীত 'লাচিত সেনা' নামৰ এটা সংগঠনে জন্ম লৈ উঠিছিল। ইতিমধ্যে দেশত খাদ্য সমস্যাৰ সৃষ্টি হোৱাত ইয়াৰ প্ৰভাৱ অসমতো পৰিছিল। সেইবাবে ১৯৬৬ চনত ছাত্ৰসকলে খাদ্য আন্দোলন আৰম্ভ কৰিছিল। মানুহৰ মাজত অৰ্থনৈতিক সমস্যাৰাজিৰ বৰ্তমানত মাৰোৱাৰী সম্প্ৰদায়ৰ লোকেই খাদ্য সামগ্ৰী মজুত কৰি দেশত খাদ্য সমস্যাৰ সৃষ্টি কৰিছে বুলি এটা জনৰৱ উঠাত এই সময়ছোৱাত মাৰোৱাৰী ব্যৱসায়ী গোষ্ঠীৰ লোকসকল ৰাইজৰ খং আৰু হতাশাৰ বলি হ'ব লগা হৈছিল। 'লাচিত সেনা'ৰ প'ষ্টাৰ গুৱাহাটীৰ লগত অন্য মফচল চহৰবোৰতো ওলাইছিল। ঠায়ে-ঠায়ে অসমীয়া জাতীয়তাবাদৰ ঢৌৱে উটুৱাই নিয়া ডেকা ল'ৰাই অনা-অসমীয়া ঠেলাৱালা, ৰিক্সাৱালাক উত্তম-মধ্যম দি এই বিপ্লৱৰ ৰণহুংকাৰ তুলিছিল। তেতিয়াৰ এনেচাম পেটিবুৰ্জোৱা বিপ্লৱীৰ কোনো-কোনোৱে বৰ্তমান হিতেশ্বৰ শইকীয়াৰ মন্ত্ৰীসভাৰ কেবিনেট পৰ্যায়ৰ আগশাৰী পাইছেগৈ। সুযোগসন্ধানী নেতাসকলৰ কোনো-কোনোৱে চৰকাৰী পৃষ্ঠপোষকতাত এই আন্দোলনৰ পৰবৰ্তী কালছোৱাত ব্যৱসায়ত সুপ্ৰতিষ্ঠিত হ'লগৈ। কিন্তু অসমীয়া জাতীয়তাবাদৰ কোনো গুণাত্মক পৰিবৰ্তন নহ'ল। সৰ্বসাধাৰণ জনতাৰ একো উন্নতি নহ'ল। আন্দোলনবোৰ কেৱল পেটিবুৰ্জোৱা নেতাসকলৰ আত্ম প্ৰতিষ্ঠাৰ বাবে কৰা হৈছিল।

●●

**কাৰোবাৰ শৈশৱকাল নাজিৰাৰ সামন্তবাদী পৰিবেশৰ মাজত অতিবাহিত হৈছে, কাৰোবাৰ অতিবাহিত হৈছে কলিয়াবৰৰ নোপোৱাৰ হতাশাৰ মাজত; শৈশৱৰ নোপোৱাৰ ক্ষোভ আৰু আক্ৰোশে কাৰোবাক বন্দুক হাতত লোৱাইছে। কিন্তু প্ৰত্যেকজনেই শ্ৰেণীগতভাৱে অসমীয়া পেটিবুৰ্জোৱা জাতীয়তাবাদৰ ধ্বজাবাহী লোক। এওঁলোকে সময় সাপেক্ষে অসম দেশৰ বাবে বিয়াকুল হৈ আন্দোলন কৰে, সময়সাপেক্ষে দুৰ্নীতিৰে টকা-পইচা কৰে, কেতিয়াবা ৰাইজক 'বেলবুং' কৰি দিছপুৰত শাসন-ক্ষমতা দখল কৰে; কোনোবাই ৰাজনৈতিক ক্ষমতা দখল কৰাত ব্যৰ্থ হৈ লুটমাৰ কৰি পোৱা ধনৰ সুৰক্ষাৰ বাবে পেটিবুৰ্জোৱাৰ দিছপুৰীয়া গুৰুৰ ওচৰত শৰণাপন্ন হয়।**

১৯৭১ চনত শিক্ষাৰ মাধ্যম লৈ অসমত অন্য এক জাতীয়তাবাদী আন্দোলনে গঢ় লৈ উঠিছিল। অসমৰ চুকে-কোণে থকা শিক্ষানুষ্ঠানৰ সকলো ছাত্ৰই এই আন্দোলনত আগভাগ লৈছিল। এই আন্দোলনৰ নেতৃত্বও পেটিবুৰ্জোৱা গোষ্ঠীৰ হাতত সীমিত আছিল। কিন্তু বিগত আন্দোলনকাৰীসকলে যি হাৰত শাসকগোষ্ঠীৰ লগত হাত মিলাই সমাজত প্ৰতিষ্ঠিত হৈ পৰিল, তাৰ বিপৰীতে এতিয়া নতুন আন্দোলনকাৰীসকলে হাত মিলাই বিশেষ কিবা পোৱাৰ আশাতকৈ অসমত এক জাতীয়তাবাদী আন্দোলনৰ জৰিয়তে ৰাজনৈতিক ক্ষমতা দখল কৰাহে বেছি শ্ৰেয় হ'ব বুলি বিবেচনা কৰিলে। সেয়েহে এই আন্দোলনৰ নেতৃবৃন্দৰ বেছি সংখ্যকে ১৯৭৯ চনৰ পৰা সুদীৰ্ঘ ছবছৰ কাল চলা অসম আন্দোলনৰ নেতৃবৃন্দৰ মাজত থাকি অগপ চৰকাৰ গঠন কৰিলে।

ইমানদিনে জাতীয়তাবাদী আন্দোলনৰ নেতৃবৃন্দই স্বাভাৱিক পেটিবুৰ্জোৱা মানসিকতাৰে শাসকগোষ্ঠীৰ মাধ্যমেৰেহে মধু স্পৰ্শ কৰিবলৈ সক্ষম হৈছিল; কিন্তু অগপই ৰাজ ক্ষমতা দখল কৰাৰ পাছত, ৰাজনৈতিক ক্ষমতাৰ জৰিয়তে পাব পৰা মধু স্পৰ্শ কৰা বেছি সংখ্যক লোকৰ বাবেই সহজ হৈ পৰিল। এইবাৰ পেটিবুৰ্জোৱা, নেতা-পালিনেতা, বুধিয়ক সুযোগসন্ধানী আন্দোলনকাৰী সকলোৱে এই মধুৰ সোৱাদ বিচাৰি হেতা-ওপৰা লগালে। ফলত এটা ভয়ংকৰ ভ্ৰষ্টাচাৰী পৰিস্থিতিৰ জন্ম হ'ল। অসমৰ সমস্যাৱলীৰ কিন্তু সমাধান নহ'ল।

ইয়াৰ আগলৈকে ক্ষমতাৰ বাঘজৰী ছাত্ৰনেতাসকলে পোৱা নাছিল। এইবাৰ তেওঁলোকে হাতেৰেই স্বৰ্গ ঢুকি পাই পূৰ্ণমাত্ৰাত লুণ্ঠন কৰি গ'ল।

আলফা ক্ৰান্তিকাৰীসকলো এই একে পেটিবুৰ্জোৱা মানসিকতাৰে পৰিপুষ্ট মস্তিষ্কৰ লোক। তেওঁলোকৰ নেতৃবৃন্দই স্বাধীন, দুৰ্নীতিবিহীন অসমৰ স্ল'গান দিবলৈ ধৰিলে। ৰাইজে এইবাৰৰ জাতীয়তাবাদী ৰণহুংকাৰত সঁচাই কিবা হ'ব বুলি ভাবিছিল; কিন্তু এইবাৰৰ বিপ্লৱে সকলোকে চেৰাই গ'ল। এইবাৰৰ পেটিবুৰ্জোৱা বিপ্লৱীসকলে বন্দুক-বাৰুদ দেখুৱাই মানুহক ডকা-হকা দি প্ৰচুৰ পৰিমাণৰ ধন গোটোৱাত ব্যস্ত হৈ পৰিল। এওঁলোকৰ বাবে দিছপুৰী ক্ষমতা দখল কৰি ধনী হোৱাতকৈ এই সহজ ধন অৰ্জনৰ পথ বেছি সুবিধাজনক বুলি প্ৰমাণিত হ'ল। গতিকে এইবাৰ ডেকা আন্দোলনকাৰীৰ মুখত লাখ টকাৰ তলত কথা নুফুটাই হ'ল। কথা-বতৰাত লাখ আৰু কোটিয়েই প্ৰাধান্য পোৱা হ'ল। শেষত এই বিপ্লৱীকাৰীসকলো শান্ত হৈ আলোচনাত বহাটো বেছি উচিত বিবেচনা কৰিলে। চৰকাৰেও এই ক্ৰান্তিকাৰীৰ সুবিধাৰ বাবে তেওঁলোকৰ হাতত থকা লুটমাৰৰ ধনৰ সুৰক্ষা দিয়াৰ উপৰি কেন্দ্ৰীয় চৰকাৰৰ পৰা আৰু কিছু ধন প্ৰদান কৰি তেওঁলোকৰ পেটিবুৰ্জোৱা বিপ্লৱ সাৰ্থক কৰাতহে সহায় কৰিলে।

এতেকে দেখা যায় যে অসমৰ প্ৰত্যেকজন জাতীয়তাবাদী নেতাই কিবা নহয় কিবাকৈ মধুপুৰীৰ মধুস্পৰ্শ কৰিবলৈ সক্ষম হৈছে আৰু সময়ৰ গতিত তেওঁলোকৰ জাতীয়তাবাদী স্ল'গানবোৰৰ ধ্বনি বিশ্বব্ৰহ্মাণ্ডত বিলীন হৈ গৈছে। কিন্তু পেটিবুৰ্জোৱা জাতীয়তাবাদৰ ধ্বনি অসমত সদায় জী আছে। অসমৰ জাতীয়তাবাদৰ ইতিহাসৰ লগত পেটিবুৰ্জোৱা শ্ৰেণী ওতপ্ৰোতভাৱে জড়িত। হিতেশ্বৰ শইকীয়াই হওক অথবা প্ৰফুল্ল মহন্তই হওক অথবা সিদ্ধাৰ্থ ফুকনেই হওক অথবা ডেভিড লেজাৰেই হওক, শ্ৰেণীগতভাৱে এওঁলোক একে শ্ৰেণীৰ লোক। কাৰোবাৰ শৈশৱকাল নাজিৰাৰ সামন্তবাদী পৰিবেশৰ মাজত অতিবাহিত হৈছে, কাৰোবাৰ অতিবাহিত হৈছে কলিয়াবৰৰ নোপোৱাৰ হতাশাৰ মাজত; শৈশৱৰ নোপোৱাৰ ক্ষোভ আৰু আক্ৰোশে কাৰোবাক বন্দুক হাতত লোৱাইছে। কিন্তু প্ৰত্যেকজনেই শ্ৰেণীগতভাৱে অসমীয়া পেটিবুৰ্জোৱা জাতীয়তাবাদৰ ধ্বজাবাহী লোক। এওঁলোকে সময় সাপেক্ষে অসম দেশৰ বাবে বিয়াকুল হৈ আন্দোলন কৰে, সময়সাপেক্ষে দুৰ্নীতিৰে টকা-পইচা কৰে, কেতিয়াবা ৰাইজক 'বেলবুং' কৰি দিছপুৰত শাসন-ক্ষমতা দখল কৰে; কোনোবাই ৰাজনৈতিক ক্ষমতা দখল কৰাত ব্যৰ্থ হৈ লুটমাৰ কৰি পোৱা ধনৰ সুৰক্ষাৰ বাবে পেটিবুৰ্জোৱাৰ দিছপুৰীয়া গুৰুৰ ওচৰত শৰণাপন্ন হয়। এয়াই হ'ল অসমৰ পেটিবুৰ্জোৱাৰ জাতীয়তাবাদৰ ইতিহাস,— যাৰ পৰিণতিত আন্দোলনকাৰী অসমীয়া ৰাইজ সদায় প্ৰতাৰিত হৈ আহিছে। অথচ অসমত আন্দোলনৰ বাবে আৰ্থসামাজিক কাৰণ অজস্ৰ আছে; কিন্তু কাহানিও ৰাইজৰ জাতীয়তাবাদী আন্দোলন লক্ষ্যস্থলত উপনীত হ'ব পৰা নাই।

চৰকাৰৰ সামন্তবাদী শাসন-ব্যৱস্থা বাহাল ৰাখি সামাজিক সন্তোলন অক্ষুণ্ণ ৰাখিবৰ বাবে এই পেটিবুৰ্জোৱা শ্ৰেণী অপৰিহাৰ্য; সামন্তবাদৰ জীৱন্ত প্ৰতীক মহানায়কে এই গুপ্তসত্য তাহানিৰ দিনৰ পৰাই উপলব্ধি কৰি তাৰ সঠিক প্ৰয়োগ কৰাত সদায় সফল হৈ আহিছে। কলেজ শিক্ষকৰ ধৰ্মঘট বিফল কৰাৰ পৰা আৰম্ভ কৰি আলফা পেটিবুৰ্জোৱাৰ মাজত বিভাজনৰ ৰাজনীতি সেইবাবেই অসমত সফল হৈ আহিছে। অসমত সুদূৰ ভৱিষ্যতে জাতীয়তাবাদী আন্দোলনৰ আঞ্চলিকতাবাদৰ হৈ এখন উমৈহতীয়া মঞ্চ তৈয়াৰ কৰিবৰ বাবে ৰণনীতি নিৰ্ধাৰণ কৰাৰ আগতে ইয়াৰ বিপৰ্যয়ৰ মূল কাৰণ সঠিকভাৱে জানিব লাগিব। সেয়েহে ৰাইজে জনা উচিত যে ষাঠিৰ দশকত বাঙালী খেদা আন্দোলনৰ নেতা এটা সময়ত শাসক গোষ্ঠীৰ নেতা হিচাপে গাদীত বহিছিল; —অনা-অসমীয়া ঠেলাৱালা-ৰিক্সাৱালাক মাৰি ৰণহুংকাৰ দিয়া নেতা-পালিনেতাই সমবায় কৰি কোটি-কোটি টকাৰ মালিক হৈছে, অথবা শাসক গোষ্ঠীৰ গাদীত উদ্যোগ বিভাগৰ দায়িত্বত আছে। বিদেশী খেদাৰ আন্দোলনৰ ধ্বজাধাৰীসকলে নিজেই অসমীয়াৰ পৰিত্ৰাণৰ পাৰ্টি খুলি শাসন আৰু গাদী দখল কৰিছিল আৰু সদ্যহতে স্বাধীন অসমৰ প্ৰতিষ্ঠা কৰাৰ সপোন দেখাসকলে টকাৰ মায়াত ক্ষত্ৰিয়ৰ পৰা বণিক সম্প্ৰদায়লৈ ৰূপান্তৰিত হৈ অসমীয়াক প্ৰতাৰিত কৰিলে। অসমৰ সৰ্বসাধাৰণ ৰাইজে এই কথাষাৰ বুজি নাপায়, কিন্তু মহানায়কে অসমৰ ৰাজনীতিত প্ৰবেশ কৰাৰ পাছতেই তেওঁৰ শ্ৰেণীগত বৈশিষ্ট্য আৰু অসমদেশ শাসন কৰাৰ বাবে সামন্তবাদী পদ্ধতিত এই শ্ৰেণীৰ অপৰিহাৰ্যতাৰ কথা সদায় উপলব্ধি কৰি আহিছে। সেয়েহে এই শ্ৰেণীক সদায় জীয়াই ৰখা হ'ব। আনহে নালাগে প্ৰগতিবাদীৰ মুখা পিন্ধা মহানায়কজনে এতিয়াও এই পুৰণি খেলখনেই ৰাজনীতিত খেলি আহিছে। সেয়েহে অসমৰ ৰাজনীতিত এনে মহানায়ক সদায় প্ৰাসংগিক, সদায় তেওঁ মহান নেতা বুলি প্ৰমাণিত হৈ আহিছে। বাৰিষাত বুঢ়া লুইতত অহা প্ৰবল বানৰ দৰে সময়ে-সময়ে পেটিবুৰ্জোৱা জাতীয়তাবাদৰ নেতৃত্বত এই দেশত অৰ্থনৈতিক কাৰণৰ সুবিধা লৈ একো-একোটা জনবিপ্লৱ ঘটোৱা হয়, আৰু প্ৰত্যেকটো বানপানীৰ পাছত বাননিয়ন্ত্ৰণ বিভাগৰ ঠিকাদাৰসকলে যথেষ্ট পইচা ঘটাৰ দৰে এই আন্দোলনবোৰে নতুন-নতুন পেটিবুৰ্জোৱা নেতৃবৃন্দক ধনে-জনে প্ৰতিষ্ঠাপিত কৰে। অসমীয়া পেটিবুৰ্জোৱা জাতীয়তাবাদৰ এয়াই চমু বৃত্তান্ত অথবা ইতিহাস; —এক প্ৰতাৰণাৰ ইতিহাস।




LINTAS MIL PCNO 5 1220 AS

# বিত্ত আয়োগৰ দশম অৱতাৰ আৰু অসমৰ আৰ্থিক দশা

ড অজিৎ নেওগ

বিত্ত আয়োগ ভাৰতীয় সংবিধানৰ এক বিশিষ্ট নিকায়। পৰিকল্পনা আয়োগৰ দৰে ই স্থায়ী নহয় কাৰণে প্ৰতি পাঁচ বছৰে ইয়াৰ সৃষ্টি হয়। যোৱা পোষ্কৰ জুনত ৰাষ্ট্ৰপতিয়ে শ্ৰীকে. ছি. পন্তৰ অধ্যক্ষতাত দশম বিত্ত আয়োগ গঠন কৰাৰ অধিসূচনা জাৰি কৰে। বিত্তীয় বৰ্ষ ১৯৯৫-২০০০ চনৰ পাঁচ বছৰীয়া কালছোৱাৰ বাবে বিত্তীয় অনুমোদনৰ চুপাৰিচ আগবঢ়াই, ১৯৯৩ চনৰ ৩০ নৱেম্বৰৰ ভিতৰতে চৰকাৰক প্ৰতিবেদন দাখিল কৰিবলৈ আয়োগক কোৱা হৈছে। এই আয়োগৰ ঘাই বিচাৰ্য বিষয়সমূহ হৈছে কেন্দ্ৰ তথা ৰাজ্যসমূহৰ মাজত কৰ-কাটলৰ ধন বণ্টন, সহায়ক অনুদান নিৰ্ধাৰণ, উত্তম সম্পদ আহৰণৰ ব্যৱস্থা, বিত্তৰ সুপৰিচালনা, বিত্তীয় ঘাটি হ্ৰাস আৰু প্ৰশাসন আধুনিকীকৰণ।

বিত্ত আয়োগ আৰু পৰিকল্পনা আয়োগ ৰাষ্ট্ৰীয় অৰ্থনীতিৰ দুটা মুধ-খুটা। আয়োগদ্বয়ৰ জৰিয়তে কেন্দ্ৰৰ পৰা ৰাজ্যলৈ বুজন মাত্ৰাৰ বিত্তীয় সাহায্য আহে। সেয়ে ৰাষ্ট্ৰৰ বিত্ত-হস্তান্তৰ প্ৰক্ৰিয়াত দ্বিবিভাজন (dichotomy) প্ৰথা স্পষ্ট। বিত্ত আয়োগে, ৰাজ্যৰ অনা-পৰিকল্পনা ৰাজহ ব্যয়ৰ সাহায্যাৰ্থে সাধাৰণতে পাঁচ বছৰৰ বাবে, কেন্দ্ৰ চৰকাৰলৈ পৰামৰ্শ আগবঢ়ায়। ৰাজ্যসমূহৰ চালিত হিচাপৰ বাজেট শিতানৰ বাবে এনে আয়োগে সাহায্য নিৰ্ণয় কৰে। উক্ত ব্যয় উন্নয়নমুখী তথা অনা-উন্নয়নমুখীও হ'ব পাৰে। আনহাতে পৰিকল্পনা আয়োগৰ সাহায্য বিনিয়োগধৰ্মী। ৰাজ্যক পৰিকল্পনা ৰূপায়ণত লগা ধন এই আয়োগে নিৰ্ণয় কৰে। পৰিকল্পনা আয়োগৰ এজন সদস্যক বিত্ত আয়োগৰ সদস্য কৰা প্ৰথা ষষ্ঠ বিত্ত আয়োগৰ পৰাই চলি আহিছে। এই যোগসূত্ৰে বিত্ত আয়োগে পৰিকল্পনা ব্যয়ৰ আনুমানিক পৰিমাণ, কেন্দ্ৰ তথা ৰাজ্যক পৰিকল্পনা শিতানত লগা প্ৰয়োজনীয় ধনৰাশিৰ বিষয়ে জানিব পাৰে।

চৰকাৰ চলিবলৈ ধনৰ প্ৰয়োজন। কেন্দ্ৰই সংগ্ৰহ কৰা কৰ-কাটল আৰু অন্যান্য সম্পদৰাজি ৰাজ্যসমূহলৈ হস্তান্তৰ কৰাৰ প্ৰয়োজনীয়তা দেশৰ সংবিধানৰ এক বিশিষ্ট দিশ। বিভাজ্য কৰৰাশিক কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত বণ্টন কৰা হয় বিত্ত আয়োগৰ চুপাৰিচ সাপেক্ষে ; ইয়াৰ ভাগ প্ৰত্যেকখন ৰাজ্যই পায়। কিন্তু সহায়ক অনুদান কেৱল ঘাটিগ্ৰস্ত ৰাজ্যসমূহেহে পায়। বিত্ত আয়োগৰ প্ৰদান (award) দৰাচলতে এক প্ৰকাৰ চুপাৰিচহে, ৰাষ্ট্ৰপতিয়ে (কেন্দ্ৰ চৰকাৰে) ইয়াক সম্পূৰ্ণ বা আংশিকভাৱে গ্ৰহণ কৰিব পাৰে।

এফালে কেন্দ্ৰ চৰকাৰ আৰু আনফালে ৰাজ্যসমষ্টিৰ মাজত, বিত্ত আয়োগে বিত্তসম্পদৰ যি হস্তান্তৰকৰণ নিৰ্ণয় কৰে তাক উল্লম্ব হস্তান্তৰকৰণ (vertical transfer) বোলা হয়। ৰাজ্যৰ কৰ-আৰোপ ক্ষমতা আৰু ব্যয়বহন দায়িত্বৰ মাজত থকা অসমমিতিৰ কাৰণে ব্যয়ৰ পৰিমাণ ৰাজ্যৰ নিজাববীয়া আয়তকৈ অনেক গুণে অধিক। ফলত দেশৰ অৰ্থনীতিত উল্লম্ব বিত্তীয় অসমতাৰ উদ্ভৱ অনিবাৰ্য। গাইগুটীয়া ৰাজ্যৰ মাজত নিৰ্ধাৰণ কৰা বিত্ত হস্তান্তৰকৰণক অনুভূমিক হস্তান্তৰকৰণ (horizontal transfer) আখ্যা দিয়া হয়। ইয়াক নিৰ্ণয় কৰোঁতে বিত্ত আয়োগে সচৰাচৰ নিৰ্দিষ্ট ৰাজ্যৰ জনসংখ্যা, জনমূৰি আয়, দৰিদ্ৰতা অনুপাত প্ৰভৃতিৰ হিচাপ লয়।

অনুভূমিক বিত্ত হস্তান্তৰৰ লক্ষ্য হৈছে আৰ্থিক পৰিস্থিতিক আন্তঃৰাজ্যিক সমতাৰ ফালে গতি কৰোৱা। এনেকুৱা হস্তান্তৰে হ্ৰস্বকালত ঘাটিগ্ৰস্ত ৰাজ্যক উপকাৰ কৰিলেও দীৰ্ঘকালত নিম্ন লিখিত সমস্যাৰ সৃষ্টি কৰিব পাৰে ঃ ঘাটিগ্ৰস্ত ৰাজ্যই প্ৰয়োজনীয় নিজা সমল আহৰণ কৰিবলৈ চেষ্টা নকৰি কেন্দ্ৰীয় বাজেটৰ মাধ্যমেৰে, ৰাহিসম্পন্ন ৰাজ্যলৈ ঘাটিৰ বোজা ঠেলা মাৰি 'লোকৰ পিঠাগুড়িৰে সকাম পতা' কাৰ্যত ৰত থাকিব পাৰে। উত্তৰ-পূৰ্বীয় ৰাজ্যসমূহত এনে দৃশ্য পৰিলক্ষিত হয়। এনে ধৰণৰ 'দক্ষক দমন দুৰ্বলক পালন' কৌশলে ৰাহিসম্পন্ন ৰাজ্যৰ উৎপাদিকা শক্তিত প্ৰান্তিক ব্যাঘাত জন্মাব পাৰে। স্থিতিশীল পৰিস্থিতিত এখন ৰাজ্যৰ লাভ আন এখন ৰাজ্যৰ ব্যয় বা লোকচান ; গতিকে লাভ-ব্যয়ৰ সমষ্টি শূন্য মানত (zero sum) পৰিণত হয়।

যি কি নহওক, আঞ্চলিক অৰ্থ-ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত অনুভূমিক বিত্ত হস্তান্তৰ অধিক গুৰুত্বপূৰ্ণ। ইয়াৰ সোঁত কি দৰে বলিছে, তাক, ৰাজ্যিক পুনৰ্গঠনলৈ লক্ষ্য ৰাখি (পঞ্চম বিত্ত আয়োগৰ পৰা নৱম বিত্ত আয়োগলৈ ঘটা হস্তান্তৰ) কেইখনমান ৰাজ্যৰ ক্ষেত্ৰত ১ নং তালিকাত দাঙি ধৰা হৈছে। বিভিন্ন বিত্ত আয়োগৰ কাল বন্ধনীত দিয়াৰ দৰে ঃ পঞ্চম বিত্ত আয়োগ (১৯৬৯-৭৪), ষষ্ঠ আয়োগ (১৯৭৪-৭৯), সপ্তম আয়োগ (১৯৭৯-৮৪) আৰু অষ্টম আয়োগ (১৯৮৪-৮৯)। নৱম বিত্ত আয়োগৰ প্ৰতিবেদন দুখলপীয়া আছিল ; —প্ৰথমটো প্ৰদান আছিল ১৯৮৯-৯০ বিত্তীয় বৰ্ষ আৰু দ্বিতীয়টো আছিল ১৯৯০-৯১ চনৰ পৰা ১৯৯৪-৯৫ চনৰ বিত্তীয় বৰ্ষৰ বাবে। জনমূৰি বিত্ত হস্তান্তৰ নিৰ্ণয় কৰোঁতে (তালিকাত) পঞ্চমৰ পৰা অষ্টম আয়োগলৈ লগতে ১৯৮৯-৯০ চনৰ ক্ষেত্ৰত ১৯৭১ চনৰ জনসংখ্যা প্ৰযুক্ত কৰা হৈছে। আনহাতে নৱম আয়োগৰ দ্বিতীয় ছোৱা (১৯৯০-৯৫) কালত ১৯৮১ চনৰ জনসংখ্যা লোৱা হৈছে।

**১ নং তালিকা ঃ পঞ্চমৰ পৰা নৱম বিত্ত আয়োগৰ কালত ৰাজ্যলৈ জনমূৰি বিত্ত হস্তান্তৰ (টকা হিচাপত)**

| ৰাজ্য | পঞ্চম আয়োগ | ষষ্ঠ আয়োগ | সপ্তম আয়োগ | অষ্টম আয়োগ | নৱম আয়োগ (১৯৮৯-৯০) | (১৯৯০-৯৫) |
|---|---|---|---|---|---|---|
| অসম | ১৩৩ | ৩০০ | ৩৫৫ | ১০৯২ | ৩৮৫ | ১৯৩২ |
| মণিপুৰ | ৪৫০ | ৮৭০ | ১৮০৮ | ৪৩৪৩ | ১৩৭৯ | ৭৬১২ |
| মেঘালয় | ১৮৬ | ৩৮৩০ | ১৩২৬ | ৩৭৪৪ | ১০৯৫ | ৬০৯৬ |
| নগালেণ্ড | ১৫৮২ | ২৭০০ | ৪৬৬৩ | ১০১৪৩ | ৩২৯১ | ১৬০০৭ |
| ত্ৰিপুৰা | ২১৭ | ৮৮০ | ১২৮৪ | ৩৫৭৪ | ১১৬৬ | ৬৯৩০ |
| উৰিষ্যা | ১৩১ | ২৬৩ | ৪৪৯ | ৮৬৫ | ২৮০ | ২০২৮ |
| উত্তৰ প্ৰদেশ | ৮৭ | ১৫২ | ৩৭৫ | ৬৮৭ | ২৪৪ | ১৫৪৪ |
| পঞ্জাব | ৮৪ | ৮০ | ৩১০ | ৪৭৪ | ২০৫ | ৯৩৫ |
| মহাৰাষ্ট্ৰ | ৯৭ | ২৫ | ৩৪০ | ৫২০ | ১৮৯ | ৯৬১ |
| তামিলনাডু | ৯০ | ১৩১ | ৩৬৫ | ৫৯৫ | ২১১ | ১২৫০ |
| পশ্চিমবংগ | ১০১ | ১৮৫ | ৩৬০ | ৭৭৪ | ২১৪ | ১৩৩০ |

মূল ঃ বিত্ত আয়োগৰ প্ৰতিবেদনসমূহ






বিত্তমন্ত্ৰীসকলৰ সভাত বিত্ত আয়োগৰ অধ্যক্ষ শ্ৰীকে. ছি. পন্ত

তালিকাৰ পৰা দেখা যায় যে ৰাজ্যসমূহৰ ভিতৰত নগালেণ্ডে একেৰাহে অধিক মাত্ৰাৰ জনমূৰি বিত্ত হস্তান্তৰ লাভ কৰি আহিছে ; পঞ্চম আয়োগৰ কালত ১৫৮২ টকাৰ পৰা নৱম আয়োগৰ ১৯৯০-৯৫ কালত ১৬,০০৭ টকালৈকে। অৱশ্যে নৱম আয়োগৰ উক্ত কালছোৱাত দেশৰ ভিতৰত মিজোৰামে সৰ্বোচ্চ বিত্ত (২০,৫৯২ টকা) পাইছিল। এই কালছোৱাত অৰুণাচল প্ৰদেশৰ ক্ষেত্ৰত আছিল ১৩,০৯১ টকা। বিভিন্ন বিত্ত আয়োগৰ প্ৰতিবেদন বিচাৰ কৰিলে দেখা যায় যে বিশেষ শ্ৰেণী ৰাজ্য কেইখনলৈ অবিশেষ ৰাজ্যবোৰতকৈ অধিক মাত্ৰাৰ জনমূৰি বিত্ত হস্তান্তৰ ঘটে। মন কৰিব লগীয়া যে, অসম বিশেষ শ্ৰেণী ৰাজ্যৰ অন্তৰ্ভুক্ত যদিও এই শ্ৰেণীৰ ভিতৰত অসমলৈ ঘটা বিত্ত হস্তান্তৰ নিম্ন মানৰ। পঞ্চম আৰু নৱম বিত্তৰ কালত অসমৰ জনমূৰি বিত্ত হস্তান্তৰ ১৩৩ টকাৰ পৰা ১৯৩২ টকালৈ ক্ৰমাৎ বৃদ্ধি পায়। নৱম বিত্ত কালত অসমৰ জনমূৰি হস্তান্তৰ অবিশেষ উৰিষ্যাৰ জনমূৰি বিত্ত হস্তান্তৰতকৈ (২০২৮ টকা) নিম্ন আছিল। নৱম আয়োগে অসমলৈ ১৯৮৯-৯০ বৰ্ষৰ বাবে মুঠ ৫৬২৮০ কোটি আৰু ১৯৯০-৯৫ কালৰ বাবে মুঠ ৩৯৫৬৩০ কোটি টকাৰ প্ৰদান আগবঢ়ায়।

কেন্দ্ৰই ৰাজ্যসমূহলৈ আগবঢ়োৱা বিত্ত হস্তান্তৰ নিৰ্ভৰ কৰে কেন্দ্ৰৰ আৰ্থিক অৱস্থা আৰু ৰাজ্যসমূহৰ আৰ্থিক স্বচ্ছলতাৰ ওপৰত। ১৯৮০-৮১ বৰ্ষৰ পৰৱৰ্তী কালছোৱাত কেন্দ্ৰৰ বিত্তীয় অৱস্থাত নিম্ন লিখিত দিশসমূহ পৰিলক্ষিত হৈছে ঃ (১) কেন্দ্ৰৰ ৰাজহ আয় লেখত লবলগীয়াকৈ বৃদ্ধি পাইছে ; (২) কিন্তু চৰকাৰী ব্যয় আৰু ৰাজ্যলৈ আগবঢ়োৱা অনুদান বৃদ্ধিৰ কাৰণে ৰাজহ ব্যয় অতিমাত্ৰাত বৃদ্ধি পাইছে ; (৩) ৰাজ্যসমূহৰ নিজা ৰাজহ বৃদ্ধি কেন্দ্ৰৰ ৰাজহ বৃদ্ধিৰ সমানুপাতিক নহয় যদিও বিত্ত হস্তান্তৰ সংযোগ কৰিলে ৰাজ্যই মুঠতে পোৱা ৰাজহৰ পৰিমাণ যথেষ্ট বৃদ্ধি পাইছে ; (৪) কেন্দ্ৰৰ ব্যয়বৃদ্ধিৰ দৰে অতিপাত নহ'লেও ৰাজ্যসমূহৰ ৰাজহ ব্যয় আয়তকৈ অধিক মাত্ৰাত বৃদ্ধি পাইছে।

ৰাজ্যৰ ক্ষেত্ৰত দেখা গৈছে যে কেন্দ্ৰৰ পৰা বলা অনুদানৰ সোঁতে আৰু ঋণৰ বোজাই ৰাজ্যিক অৰ্থনীতিক কেন্দ্ৰ চৰকাৰৰ ওপৰত অধিক নিৰ্ভৰশীল কৰি তুলিছে। এই পৰিপ্ৰেক্ষিতত দুটা প্ৰতিক্ৰিয়া দেখা গৈছে ঃ (১) কেন্দ্ৰ চৰকাৰৰ প্ৰতি ঢাল খোৱা ৰাজ্যসমূহৰ এই নিৰ্ভৰশীলতাত শুভদৃষ্টি নিক্ষেপ, আৰু (২) কেন্দ্ৰ-বিৰোধী ৰাজ্যসমূহে ধনৰ বাবে কেন্দ্ৰৰ ওচৰত হাত পাতি লঘুলাঞ্ছিত হোৱাৰ অভিযোগ। কেন্দ্ৰ-ৰাজ্য বিত্তীয় সম্পৰ্কটো বিতৰ্কাধীন। প্ৰায়বোৰ ৰাজ্যই অভিযোগ তোলে যে ৰাজ্যিক কৰৰ মূল সীমিত আৰু স্থিতিস্থাপকতাহীন, কিন্তু কেন্দ্ৰীয় কৰ স্থিতিস্থাপকশীল। ৰাজ্যৰ ৰাজহ সমল প্ৰসাৰণ কৰিবলৈ অতিৰিক্ত আয় কৰ, 'কৰ্পৰেশ্যন' কৰৰ ধনৰ ভাগ ৰাজ্যসমূহে বিচাৰি আহিছে। যিবোৰ ৰাজ্যত বেংকৰ ঋণ-জমা অনুপাত সৰ্বভাৰতীয় গড় অনুপাততকৈ নিম্ন খাপৰ তেনে ৰাজ্যক অধিক বজাৰ-ঋণ সংগ্ৰহ কৰাৰ ক্ষমতা দিব লাগে বুলি কোনো-কোনো ৰাজ্যই দাবী কৰে। এয়ে হ'লে মুদ্ৰাস্ফীতি নোহোৱাকৈ চৰকাৰে নিজ ৰাজ্যতে বেংকৰ বিত্ত সংগ্ৰহ কৰিব পাৰিব। এইখিনিতে ইয়াকো উল্লেখ কৰিব পাৰি যে যিহেতু বেংকৰ বিত্তসমল ৰাজ্য চৰকাৰৰ মাজত বণ্টন কৰা সুনিৰ্দিষ্ট ব্যৱস্থা নাই, গতিকে বিত্ত আয়োগৰ দৰে এক 'বেংক বিত্ত আয়োগ' সৃষ্টি কৰি ৰাজ্যৰ মাজত এনে বিত্ত বণ্টন কৰা ব্যৱস্থা চৰকাৰে বিবেচনা কৰা উচিত।

বিত্ত আয়োগৰ এটা কৰ্তব্য হৈছে ৰাজ্যিক অৰ্থনীতিৰ ৰাজহ আয়, ব্যয়, কৰ কাটল, ঋণ প্ৰভৃতিৰ হিচাপ লোৱা। এই পৰিপ্ৰেক্ষিতত অসমৰ অৰ্থনীতিয়ে কি ৰূপ ধাৰণ কৰিছে তাক ১৯৮০-৮১ বৰ্ষৰ পৰৱৰ্তী কালছোৱাৰ বাবে ৰাজহ আয়, ব্যয় আৰু বাজেট ঘাটিৰ পৰিমাণেৰে ২ নং তালিকাত দাঙি ধৰা হৈছে।

২ নং তালিকাত দেখা যায় যে ১৯৮০-৮১ বৰ্ষত অসম চৰকাৰৰ ৰাজহ আয় পাছৰ দুবছৰতকৈ অধিক আৰু বাজেটত ৰাহি আছিল। ইয়াৰ পাছত ১৯৮৪-৮৫ চনলৈকে ঘাটি বৃদ্ধি পায় ; ১৯৮৫-৮৬ চনত প্ৰান্তিক ঘাটি আৰু ১৯৮৬-৮৭ চনত ৰাহি আছিল। ১৯৮৭-৮৮ আৰু ১৯৯০-৯১ কালত ঘাটি পুনৰ বৃদ্ধি পায়। ১৯৯১-৯২ চনৰ ৰাজহ বাজেটত ৰাহি দেখুউৱা হয়। কিন্তু বাজেট ঘাটিৰ পূৰ্ণ প্ৰতিচ্ছবি দিয়ে ৰাজহ বাজেট আৰু মূলধন বাজেটৰ সমষ্টিয়ে। দুয়োকে সংযোগ কৰি ১৯৯১-৯২ বৰ্ষৰ বাজেটত ২৭৫·২ কোটি টকা ঘাটি পোৱা যায়। মূলধন বাজেটৰ অত্যধিক ঘাটিয়েই ইয়াৰ কাৰণ। ঘাটি বাজেটৰ ক্ষেত্ৰত সৰ্বভাৰতীয় পৰ্যায়ত উক্ত বছৰত অসমে দ্বিতীয় স্থান অধিকাৰ কৰিছিল ; জম্মু আৰু কাশ্মীৰৰ (২৮০ কোটি টকা ঘাটি) স্থান আছিল প্ৰথম।

**অসমৰ মুঠ আয়, ব্যয় আৰু ঘাটি (কোটি টকাত)**

| বিত্তীয় বৰ্ষ | ৰাজহ আয় | ৰাজহ ব্যয় | ঘাটিৰ পৰিমাণ |
|---|---|---|---|
| ১৯৮০-৮১ | ৫২২·২০ | ৩৫৭·৪৪ | (+) ১৬৪·৭৬ |
| ১৯৮১-৮২ | ৩৬৫·৪৭ | ৪০২·২৫ | (—) ৩৬·৭৮ |
| ১৯৮২-৮৩ | ৪৩৯·০৪ | ৪৮২·৮৯ | (—) ৪৩·৮৫ |
| ১৯৮৩-৮৪ | ৫৫০·৭২ | ৬৮৭·৯৩ | (—) ১৩৭·২১ |
| ১৯৮৪-৮৫ | ৬৯৯·০৪ | ৮৩৪·৮৫ | (—) ১৩৫·৮১ |
| ১৯৮৫-৮৬ | ৯৩৭·৫২ | ৯৪৩·১০ | (—) ৫·৫৮ |
| ১৯৮৬-৮৭ | ১২০৯·৯৫ | ১১৪৯·৩৬ | (+) ৬০·৫৯ |
| ১৯৮৭-৮৮ | ১২৪১·১০ | ১৩২৫·৫০ | (—) ৮৪·৪০ |
| ১৯৮৮-৮৯ | ১৩৭২·৯০ | ১৪৩৫·৪০ | (—) ৬২·৫০ |
| ১৯৮৯-৯০ | ১৫৩২·১০ | ১৬৬৮·৮০ | (—) ১৩৬·৭০ |
| ১৯৯০-৯১* | ১৯১৪·৯০ | ২০১২·৪০ | (—) ৯৭·৫০ |
| ১৯৯১-৯২** | ২৩৮৯·৯০ | ২২০৫·৯০ | (+) ১৭৬·০০ |

টোকা ঃ ১৯৯০-৯১ চনৰ তথ্য সংশোধিত হিচাপত (*)
১৯৯১-৯২ চনৰ তথ্য বাজেট হিচাপত (**)
মূল ঃ RBI, Report on Currency & Finance.

১৯৮১-৮২ আৰু ১৯৮৯-৯০ চনৰ ন বছৰীয়া কালছোৱাত অসমৰ ৰাজহ আয় প্রতি বছৰে গড়ে ১৭·২৬ চক্রবৃদ্ধি হাৰত বৃদ্ধি পায় ; ৰাজহ ব্যয় বৃদ্ধি পাইছিল ১৭·১৩ হাৰত। মুঠ ব্যয় হৈছে উন্নয়নমুখী আৰু অনা-উন্নয়নমুখী ব্যয়ৰ সমষ্টি ; দুয়োৰে অনুপাতে বিকাশত প্ৰভাৱ পেলায়। ১৯৮০-৮১ বৰ্ষত অসমৰ অনা-উন্নয়নমুখী ব্যয় আছিল ১০০·৯৫ কোটি টকা, অর্থাৎ মুঠ ব্যয়ৰ ২৮·২৪ শতাংশ আৰু শুদ্ধ ৰাজ্যিক আয়ৰ (SDP) ৪·২৮ শতাংশ। ১৯৮৯-৯০ বৰ্ষত উক্ত ব্যয় ৫৩৫·২৯ কোটি টকা হয়, অর্থাৎ মুঠ ব্যয়ৰ ৩২·০৮ শতাংশ আৰু ৰাজ্যিক আয়ৰ ৬·৯৫ শতাংশ। উক্ত কালছোৱাত অনা-উন্নয়নমুখী ব্যয় বছৰি ১৮·১৫ চক্রবৃদ্ধি হাৰত আৰু উন্নয়নমুখী ব্যয় ১৬·০৭ হাৰত বৃদ্ধি পাইছিল। আনহাতে ৰাজ্যিক আয় বৃদ্ধি পাইছিল ১০·৭৯ হাৰত। উচ্চ অনুপাত আৰু হাৰত গতি কৰা অলাগতিয়াল ব্যয় বৃদ্ধি অসমৰ দৰে অনুন্নত অর্থনীতিৰ পক্ষে অশুভ লক্ষণ।

ৰাজহ আয়ত দেখা যায় যে অসমৰ নিজা কৰ-কাটলৰ ৰাজহ ১৯৮০-৮১ চনৰ ৬৫·৭৮ কোটিৰ পৰা ১৯৮৯-৯০ চনৰ ৩৩২·৯০ কোটি টকালৈ, শতকৰা বছৰি ১৭·৬০ চক্রবৃদ্ধি হাৰত, বৃদ্ধি পায়। একে কালতে কেন্দ্ৰীয় কৰ ধনৰাশিত অসমৰ ভাগ ৯৮·৩২ কোটিৰ পৰা ৪৪৮·৭৭ কোটি টকালৈ, বছৰি ১৬·৪০ হাৰত বৃদ্ধি পায়। ১৯৮০-৮১ চনত অসমৰ নিজা কৰধন ৰাজ্যিক আয়ৰ মাথোঁ ২·৭৯ শতাংশ আছিল ; ১৯৮৯-৯০ চনত ই ৪·৩২ শতাংশ হয় যদিও দক্ষিণ ভাৰতীয় ৰাজ্যৰ (১১-১২ শতাংশ) তুলনাত অসমৰ কৰ সংগ্ৰহ প্ৰচেষ্টা নিম্ন খাপৰ। অসমে কেন্দ্ৰ চৰকাৰৰ পৰা পোৱা অনুদান ১৯৮০-৮১ চনৰ ৯৩·৪ কোটিৰ পৰা ১৯৮৯-৯০ চনত ৫৩৩·৫৩ কোটি টকালৈ বছৰি ১৯·০৪ চক্রবৃদ্ধি হাৰত বৃদ্ধি পায়। অন্যান্য অনা-কৰ ৰাজহ—সুদ প্ৰাপ্তি, লাভ আৰু লভ্যাংশ, বন্য ৰাজহ, তেল শুল্ক প্রভৃতি—অসমৰ বাবে এটা অস্থিৰ ৰাশি। ইয়াৰ মাত্ৰা ১৯৮০-৮১ চনৰ ২৬৪·৭০ কোটিৰ পৰা ১৯৮৯-৯০ চনত ২১৬·৮৭ কোটি টকালৈ হ্ৰাস পায়। চৰকাৰী প্ৰতিষ্ঠানসমূহৰ ক্ষতিয়েই ইয়াৰ ঘাই কাৰণ।

ঋণ-ফাগুলৈ আগুৱাই নিয়া বৰ্ধনশীল ঋণৰ বোজা অসমৰ এক আৰ্থিক সমস্যা। ১৯৯০ চনৰ মাৰ্চৰ শেষত চৰকাৰী ঋণৰ পৰিমাণ আছিল ৩৮০৩ কোটি টকা,—ৰাজ্যিক আয়ৰ (SDP) ৪৯·৪০ শতাংশ। এই ঋণৰ ৮০·৬ শতাংশ আছিল কেন্দ্ৰ চৰকাৰৰ ওচৰত, ৫·৫ শতাংশ আছিল অভ্যন্তৰীণ ঋণ আৰু ৩·৯ শতাংশ আছিল ভৱিষ্যনিধিত। বাজেটৰ সংশোধিত হিচাপ মতে ১৯৯১ চনৰ মাৰ্চত অসম চৰকাৰৰ ঋণ ৪৪৭১ কোটি টকালৈ বৃদ্ধি পায়।

দশম বিত্ত আয়োগে নৱম আয়োগৰ তুলনাত উত্তাপ সৃষ্টি কৰিব পৰা নাই যদিও ইয়াৰ সম্পৰ্কে প্ৰতিক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। প্ৰচলিত প্ৰথানুসৰি আয়োগত এজনকৈ স্বাধীনচিতীয়া অর্থনীতিবিদ আৰু ন্যায়িক সদস্য থাকিব লাগে। এনেকুৱা সদস্যৰ অনুপস্থিতিত আয়োগে ৰাজ্যৰ স্বাৰ্থতকৈ কেন্দ্ৰৰ স্বাৰ্থহে ৰক্ষা কৰিব বুলি বিশিষ্ট মহলে সন্দেহ প্ৰকাশ কৰে। আয়োগক বিচাৰ কৰিবলৈ দিয়া কেইটামান বিষয়ো বিতৰ্কমূলক ; যেনে—ৰাজ্যৰ বিত্তীয় ঘাটি হ্ৰাস, ৰাজ্যিক নিগমৰ আৰ্থিক বিচাৰ, কৰ প্ৰচেষ্টা আৰু বিত্ত হস্তান্তৰ সংযোগ প্রভৃতি। হস্তান্তৰকৰণত ১৯৭১ চনৰ লোকসংখ্যা প্ৰযুক্ত কৰিবলৈ আয়োগক দিয়া নিৰ্দেশে সংবিধান চেৰাই গৈছে বুলি অভিহিত কৰা হৈছে। দশম আয়োগক অতি আগতীয়াকৈ স্থাপন কৰাত নৱম আয়োগৰ চুপাৰিচ কাল চৰকাৰে চমু কৰিব পাৰে বুলি কোনো বিশেষজ্ঞই মন্তব্য কৰে।

আৰ্হিমূলক দৃষ্টিকোণ (normative approach) প্ৰযুক্ত কৰি নৱম আয়োগে জোৰ দিছিল ৰাজ্যসমূহে কিমান পৰিমাণৰ নিজা বিত্তসমল যুগুতাব পাৰিব তাৰ ওপৰত। এই দৃষ্টিকোণ আছিল 'সামৰ্থ্য অনুসৰি দিয়া আৰু আৱশ্যক অনুযায়ী লোৱা'। দশম আয়োগত উক্ত দৃষ্টিকোণৰ উল্লেখ নাই। কেনেকৈ বিত্তীয় ঘাটি হ্ৰাস আৰু বিনিয়োগৰ বাবে ৰাহি উৎপত্তি কৰিব পাৰি তাৰ ওপৰত দশম আয়োগে গুৰুত্ব দিয়াৰ কথা।

●●

**উচ্চ অনুপাত আৰু হাৰত গতি কৰা অলাগতিয়াল ব্যয় বৃদ্ধি অসমৰ দৰে অনুন্নত অর্থনীতিৰ পক্ষে অশুভ লক্ষণ।**

যোৱা ২৭ আগষ্টত দিল্লীৰ বিজ্ঞান ভৱনত ৰাজ্যিক বিত্ত মন্ত্ৰীসকলৰ সৈতে দশম বিত্ত আয়োগৰ প্ৰথম বৈঠক বহে। দুদিনীয়া বৈঠকত আয়োগৰ অধ্যক্ষই বিত্তীয় শৃংখলা, ৰাজহ বৃদ্ধি, অলাগতিয়াল ব্যয় হ্ৰাস আৰু ৰাহি উৎপত্তিৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰিবলৈ ৰাজ্য চৰকাৰক দোহাৰে। কৰ ফাকি ৰোধ, সুদক্ষ কৰ সংগ্ৰহ ব্যৱস্থা আৰু চৰকাৰী প্ৰতিষ্ঠানে লাভ আদায় কৰাত জোৰ দিবলৈকো কয়।

ৰাজ্যসমূহক লৈ যিহেতু ৰাষ্ট্ৰ গঠিত, গতিকে ৰাষ্ট্ৰৰ উন্নতি নিৰ্ভৰ কৰে ৰাজ্যৰ উন্নতিৰ ওপৰত, ঘাইকৈ অনুন্নত ৰাজ্যৰ উন্নতিৰ ওপৰত। সেয়ে নিৰ্দিষ্ট ৰাজ্যৰ অনগ্ৰসৰতাক আঞ্চলিক সমস্যা ৰূপে নলৈ ৰাষ্ট্ৰীয় সমস্যা বুলি গণ্য কৰা উচিত। বিত্তৰ অভাৱত অসমৰ নিচিনা অনুন্নত ৰাজ্যৰ উন্নতিৰ জখলা সোলোক-ঢোলোক। নিম্ন মাত্ৰাৰ জনমূৰি আয়ৰ এনে ৰাজ্যই পৰিকল্পনা ৰূপায়ণত স্বচ্ছল কৰ গাঁথনি আগবঢ়াব নোৱাৰে। উদাহৰণ স্বৰূপে, সপ্তম পৰিকল্পনাৰ বিত্তায়নত অসমৰ নিজা অৰিহণা আছিল মাথোঁ ১·৬৬ শতাংশ, ৯৮·৩৪ শতাংশ বিত্ত আহিছিল কেন্দ্ৰীয় সাহায্যৰূপে। এনে ৰাজ্যৰ অৱস্থা 'ঢোকাতে কল, কলতে ঢোকা' সদৃশ।

হ্ৰস্বকালত অনুন্নত ৰাজ্যবোৰলৈ ক্ৰমবৰ্ধমান হাৰত বিত্ত হস্তান্তৰ নঘটিলে গত্যন্তৰ নাই। আয়োগৰ চুপাৰিচে যদি কেইখনমান ৰাজ্যক অধিক মাত্ৰাৰ ৰাহিত আৰু বাকীবোৰক শূন্য ঘাটিত উপনীত কৰে, তেন্তে আঞ্চলিক বৈষম্য বৃদ্ধি পাব। বৈষম্য দূৰীকৰণত বিত্ত আয়োগৰ ভূমিকা আংশিক হ'লেও ৰাজ্যৰ উক্ত মড়ল-ছবিৰ ক্ষেত্ৰত আয়োগ নিৰপেক্ষ হ'ব নোৱাৰে। তেলীৰ মূৰতে তেল নিদি অসমৰ দৰে ৰাজ্যলৈ আয়োগে অধিক মন দিয়া উচিত। অন্যথা ৰাষ্ট্ৰৰ নতুন বজাৰ-মিতালি নীতিয়ে অনুন্নত অঞ্চলক এৰি থৈ যাব। বিত্ত আয়োগৰ সফলতা নিৰ্ভৰ কৰিব ঘাটিগ্ৰস্ত ৰাজ্যবোৰক ৰাহিপুষ্ট কৰাত। ইয়াতে উল্লেখ কৰিব পাৰি যে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মতে ১৯৯১-৯২ বৰ্ষত মাথোঁ ছখন ৰাজ্যইহে (হাৰিয়ানা, মহাৰাষ্ট্ৰ, কেৰালা, ৰাজস্থান, অৰুণাচল আৰু মিজোৰাম) বাজেটত ৰাহি দেখুৱাবলৈ সক্ষম হৈছিল।

বিত্ত আয়োগে সমিধান দিব লগা অসমৰ অর্থসংক্রান্ত সমস্যাবোৰৰ ভিতৰত উল্লেখযোগ্য হৈছে অনগ্ৰসৰতা, অৱসংস্থানিক দুৰ্বলতা, শিক্ষিত নিবনুৱাৰ সংস্থাপন, প্ৰাকৃতিক দুৰ্যোগৰ (বানপানী, ভূমিক্ষয়) ক্ষতিপূৰণ, পাহাৰীয়া অঞ্চলৰ বিত্ত সমস্যা, সীমা বিবাদগ্ৰস্ত এলেকাৰ ৰাজহ-ব্যয়, স্থায়ী ৰাজধানী নিৰ্মাণ, ভৈয়াম জনজাতি অঞ্চলৰ প্ৰশাসন গাঁথনি, ঋণৰ বোজাৰ উপশম ইত্যাদি। আৰ্থিক উন্নতি ঘটাবলৈ ৰাজ্য চৰকাৰে লব পৰা হ্ৰস্বকালীন ব্যৱস্থাৰ ভিতৰত উল্লেখযোগ্য হৈছে অলাগতিয়াল ব্যয় হ্ৰাস, ৰেহাই-সাহায্য সংকোচন, ৰাজ্যিক প্ৰতিষ্ঠান বেচৰকাৰীকৰণ আৰু কৰকাটল সংগ্ৰহত উৎপাদকতা বৃদ্ধি। কৰ-কাটলৰ উৎপাদকতা কেনেকৈ বৃদ্ধি কৰিব পাৰি তাক তলৰ উদাহৰণৰ পৰা জানিব পাৰি। ১৯৮৬-৮৭ চনৰ তথ্য অনুযায়ী পঞ্জাবত কৰ সংগ্ৰহ ব্যয় মুঠ সংগ্ৰহকৃত কৰধনৰ মাথো ১·৯৭ শতাংশ। অসমত এই ব্যয় ৭·৮৬ শতাংশ। অসমৰ বিত্ত অৱস্থা সবল কৰিবলৈ অধ্যাপক পি. ছি গোস্বামীয়ে ১৯৯০ চনতে গুৱাহাটী বিশ্ববিদ্যালয়ে যুগুত কৰা তেখেতৰ পঞ্চম আই. এফ. ছি. আই বক্তৃতাত পৰামৰ্শ আগবঢ়াইছে। এনে পৰামৰ্শ গ্ৰহণ কৰিবলৈ অৱশ্যে চৰকাৰৰ আগ্ৰহ আৰু দৃঢ়তাৰ প্ৰয়োজন। অসমৰ ভৱিষ্যত আৰ্থিক দশা ঘাইকৈ নিৰ্ভৰ কৰিছে দশম বিত্ত আয়োগৰ বিবেচনাৰ ওপৰত ; —যিহেতু অষ্টম পৰিকল্পনা ইতিমধ্যে আৰম্ভ হৈছে। দশম আয়োগৰ চুপাৰিচ-কাল ২০০০ চন পৰ্যন্ত। গতিকে এই শতিকাতে অসমৰ অৰ্থনীতি স্বচ্ছল নহ'লে ৰাজ্যখনে বিশাল ঘাটিৰে একবিংশ শতিকাত অৱতৰণ কৰিব। তেতিয়ালৈ এতিয়াৰ দৰে 'লোকৰ পিঠাগুড়িৰে সকাম পতা' চৰকাৰৰ পক্ষে অধিক জটিল হ'ব।






# জাপানী সম্ৰাটৰ চীন ভ্ৰমণ
# দূৰ প্ৰাচ্যত কূটনৈতিক বিপ্লৱ

ড° সুনীল পৱন বৰুৱা

আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কত বহু পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰিব পৰা মাৰ্কিন প্ৰেছিডেণ্টৰ নিৰ্বাচনী বা-বাতৰিয়ে সংবাদ মাধ্যমসমূহ প্ৰায় দখল কৰি থকা অৱস্থাত যোৱা অক্টোবৰ মাহৰ শেষ সপ্তাহত দূৰপ্ৰাচ্যৰ ৰাজনীতিত সুদূৰপ্ৰসাৰী প্ৰক্ৰিয়াৰ সৃষ্টি কৰিব পৰা অন্য এক অধ্যায়ৰ পাতনি মেল খাইছে। পুব এছিয়াৰ তথা সমগ্ৰ বিশ্বৰে দুখন গুৰুত্বপূৰ্ণ দেশ চীন আৰু জাপানে হাজাৰ বছৰীয়া বৈৰিতা ত্যাগ কৰি ক্ৰমশঃ ওচৰ চাপি আহিছে। দুয়োখন দেশৰ ইতিহাসত এক অভূতপূৰ্ব ঘটনা হিচাপে পৰিগণিত হোৱা খবৰটো আছিল জাপানী সম্ৰাট অকিহিটো আৰু সম্ৰাজ্ঞী মিছিক'ৰ চীনদেশত সপ্তাহযোৰা চৰকাৰী ভ্ৰমণ। প্ৰথমবাৰৰ বাবে চীনদেশত উপস্থিত হোৱা জাপানী সম্ৰাটৰ ঐতিহাসিক ভ্ৰমণৰ অন্তত চীনৰ চৰকাৰী মুখপাত্ৰ এগৰাকীয়ে দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত ই এক গুৰুত্বপূৰ্ণ ঘটনা বুলি বৰ্ণনা কৰি সম্পূৰ্ণ সাফল্য সহকাৰে এই ভ্ৰমণৰ সামৰণি পৰিল বুলি ঘোষণা কৰিছে। তেওঁৰ মতে পাৰস্পৰিক বুজা-পৰা আৰু ভাল চুবুৰীয়াৰ সম্পৰ্ক বৃদ্ধি কৰাত এই ভ্ৰমণে সহায় কৰিলে। শতিকাজোৰা অনাস্থা আৰু অবিশ্বাসৰ মাজেদি গঢ়ি উঠা চীন-জাপানৰ সম্পৰ্কৰ পটভূমিত এই ঘোষণা নিসন্দেহে তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে।


চীন আৰু জাপান প্ৰাচ্যৰ দুই প্ৰধান শক্তি ৰূপে পৰিগণিত হ'লেও প্ৰাচীন কালৰে পৰা আয়তন, জনসংখ্যা, সভ্যতা-সংস্কৃতি তথা সামৰিক দিশত দক্ষিণ-পুব এছিয়াত চীনে এক অবিসম্বাদী শক্তি হিচাপে স্বীকৃতি লাভ কৰি আহিছে। প্ৰকৃতপক্ষে দুয়োখন দেশৰ বুৰঞ্জীত সম্প্ৰীতিতকৈ সংঘৰ্ষৰ প্ৰাধান্য বেছি। অৱশ্যে বিতৰ্কিত সম্পৰ্কৰ মাজেদিয়েই চীন আৰু জাপানৰ মাজত বাণিজ্য আৰু সংস্কৃতিৰ বিনিময়ো চলি আছিল। মেইজি (meiji) যুগৰ পৰা (১৮৬৮-১৯১২) জাপানে এক নতুন অধ্যায়ত ভৰি দিলে। সেইটো আছিল প্ৰাচীনপন্থাৰ পৰা আধুনিক যুগলৈ ৰূপান্তৰৰ সময়। বাস্তৱিকতে উনবিংশ শতিকাত দূৰপ্ৰাচ্যত প্ৰবেশ কৰা পশ্চিমীয়া সাম্ৰাজ্যবাদে চীন আৰু জাপানৰ বিতৰ্কিত সম্পৰ্কত স্থায়ীভাৱে অবিশ্বাস আৰু ঘৃণাৰ বীজ ৰোপণ কৰিলে। জাপান আধুনিকতাৰ মাজেদি এছিয়াত এক প্ৰধান শক্তিলৈ ৰূপান্তৰিত হৈ পৰিল; কিন্তু প্ৰাচীনপন্থাত খামুচি থকা চীন ক্ৰমশঃ পিছুৱাই যাবলৈ ধৰে। উনবিংশ শতিকাৰ মাজভাগত পশ্চিমীয়া ঔপনিবেশিক শক্তিসমূহৰ লগতে জাপানেও চীনক ৰাজনৈতিক, সামৰিক, অৰ্থনৈতিক,— সকলো দিশতে পৰাভূত কৰি চীনা ভূখণ্ডত নিজৰ প্ৰাধান্য বিস্তাৰ কৰিবলৈ আৰম্ভ কৰে। বিখ্যাত ৰুছ-জাপান যুদ্ধত (১৯০৫) জাপানে ৰুছিয়াক পৰাস্ত কৰাত এছিয়াত চলি থকা পশ্চিমীয়া শ্বেতাংগ আধিপত্যৰ অন্ত পেলাবলৈ সমগ্ৰ এছিয়া মহাদেশত এক নৱজাগৰণৰ সৃষ্টি হ'ল। আনহাতে এছিয়াত এক লেখৰ সামৰিক শক্তি হিচাপে জাপানে আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিলে। ইতিমধ্যে চীনত ৰক্ষণশীল ৰাজতন্ত্ৰৰ বিৰুদ্ধে এক জাতীয়তাবাদী আন্দোলন গঢ়ি উঠিছিল। পশ্চিমীয়া শিক্ষাৰে শিক্ষিত জাতীয়তাবাদীসকলে উপলব্ধি কৰিছিল যে সামন্তবাদ তথা ৰক্ষণশীলতাৰ অৱসান নঘটিলে বিদেশী শোষণৰ পৰা চীন মুক্ত হ'ব নোৱাৰিব। ১৯১১ চনত বিখ্যাত কুওমিণ্টাং বিপ্লৱৰ যোগেদি চীনত হাজাৰ বছৰীয়া ৰাজতন্ত্ৰৰ অৱসান ঘটিল। চীনত এক গণৰাজ্য স্থাপন কৰা হ'ল। কিন্তু পশ্চিমীয়া গণতন্ত্ৰৰ লগত খাপ খাব নোৱৰা সামন্তবাদী শক্তিসমূহে নৱপ্ৰতিষ্ঠিত গণৰাজ্যখনৰ ভেটি দুৰ্বল কৰি তুলিলে। গণতান্ত্ৰিক চীনে সন্মুখীন হোৱা দুৰ্যোগৰ জাপানে পূৰ্ণ সুযোগ গ্ৰহণ কৰিলে। বাস্তৱিকতে এই সময়ছোৱাই আছিল চীন-জাপান সম্পৰ্কৰ আটাইতকৈ অন্ধকাৰ যুগ। ১৯১৫ চনত সুবিধা বুজি জাপানে গৃহ-কন্দলত জৰ্জৰিত চীনৰ ওচৰত একৈছ দফা দাবীৰে এক দাবীপত্ৰ উত্থাপন কৰে। প্ৰকৃতপক্ষে সেই দাবীসমূহ মানি ললে চীন জাপানৰ সম্পূৰ্ণ বহতীয়া হৈ পৰিব। অৱশ্যে পশ্চিমীয়া ৰাষ্ট্ৰগোষ্ঠীৰ হস্তক্ষেপত চীন সেই যাত্ৰালৈ ৰক্ষা পৰিল। প্ৰথম বিশ্বযুদ্ধত মিত্ৰপক্ষৰ হৈ চীন আৰু জাপান দুয়োখন ৰাষ্ট্ৰই যুদ্ধত নামিছিল। যুদ্ধৰ অন্তত জাপানে উপলব্ধি কৰিলে যে



চীনা কমিউনিষ্ট দলৰ প্ৰধান জিয়াং জেমিনৰ জাপান ভ্ৰমণ কালত জাপানৰ সম্ৰাট আকিহিটোৰ সৈতে

মিত্ৰপক্ষৰ লগত থাকিলে এছিয়াত তেওঁলোকে নিজৰ প্ৰাধান্য বিস্তাৰ কৰিব নোৱাৰিব। ফলত জাপানত গণতান্ত্ৰিক শক্তিক উচ্ছেদৰ যোগেদি জংগী বাহিনীয়ে ক্ষমতা দখল কৰি ইতিমধ্যে আত্মপ্ৰকাশ কৰা ইউৰোপৰ একনায়কত্ববাদী শক্তিসমূহৰ লগ লাগিল। পুনৰ চীন জাপানী আক্ৰমণৰ লক্ষ্য হৈ পৰিল। মাঞ্চুৰিয়া দখলৰ মাজেদি নতুন অভিযান আৰম্ভ হ'ল। ১৯৩৭ চনত জেনেৰেল চিয়াং কাই শ্বেকৰ নেতৃত্বাধীন চীন গণৰাজ্যৰ ওপৰত এক বৃহৎ আক্ৰমণ আৰম্ভ কৰিলে। চীনৰ অধিকাংশ অঞ্চল জাপানৰ কবলত পৰিল। এই সময়ছোৱাত জাপানী সৈন্যই চীনা জনসাধাৰণৰ ওপৰত চলোৱা নিৰ্যাতন অত্যাচাৰে সকলো অভিলেখ ভংগ কৰিছিল। নানকিঙৰ ধৰ্ষণ (Rape of Nanking) নামৰ কুখ্যাত সামৰিক অভিযানত কেৱল নানকিং চহৰতে তিনি লক্ষ লোকে প্ৰাণ হেৰুৱাইছিল বুলি অভিযোগ কৰা হয়। চীন-জাপানৰ যুদ্ধৰ মাধ্যমতে পুব এছিয়াত দ্বিতীয় মহাযুদ্ধ আৰম্ভ হ'ল। দ্বিতীয় মহাযুদ্ধৰ মাধ্যমত দক্ষিণ-পুব এছিয়াত ইউৰোপীয় উপনিবেশ-শক্তিসমূহক অপসাৰিত কৰি জাপানে যি বৃহৎ সাম্ৰাজ্য গঢ়ি তুলিছিল, ১৯৪৫ চনৰ আগষ্ট মাহত হিৰোছিমা আৰু নাগাছাকিত মাৰ্কিন বিমানে নিক্ষেপ কৰা আণৱিক বোমাই তাৰ ওৰ পেলালে। জাপানে মিত্ৰপক্ষৰ ওচৰত আত্মসমৰ্পণ কৰিলে আৰু সময়ত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰায় আশ্ৰিত ৰাষ্ট্ৰ হিচাপে পৰিচিত হ'ল। দ্বিতীয় মহাযুদ্ধই চীনা ভূখণ্ডতো ব্যাপক পৰিবৰ্তনৰ সূচনা কৰিলে। ১৯৪৯ চনত দীঘলীয়া গৃহযুদ্ধৰ অন্তত ছিয়াং কাই শ্বেকৰ কুওমিণ্টাং চৰকাৰৰ পতন ঘটিল আৰু চীনৰ প্ৰধান ভূখণ্ডত মাও ছে টুঙৰ নেতৃত্বত কমিউনিষ্ট চৰকাৰ প্ৰতিষ্ঠিত হ'ল।

চীনদেশত বৰ্তমান জাপানৰ অৰ্থনৈতিক বিনিয়োগ ক্ৰমে বাঢ়ি আহিব ধৰিছে




দ্বিতীয় মহাযুদ্ধৰ সামৰণি পৰা ৫০ বছৰ নৌহওঁতেই বিশ্ব ৰাজনীতি তথা আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত অভাৱনীয় পৰিবৰ্তনে দেখা দিছে। অষ্টাদশ শতিকাৰ মাজভাগত ইউৰোপীয় ৰাজনীতিত দেখা দিয়া গুণগত পৰিবৰ্তনৰ ফলত ৰাষ্ট্ৰসমূহৰ মাজত চলিত পৰম্পৰাগত সম্পৰ্কত এক ব্যাপক সালসলনি ঘটিছিল। তেতিয়া পূৰ্বৰ শত্ৰু হৈ পৰিছিল বন্ধু আৰু পূৰ্বৰ বন্ধু হৈছিল শত্ৰু। ইতিহাসত এই ঘটনাক "কূটনৈতিক বিপ্লৱ" নামেৰে অভিহিত কৰা হৈছে। বাস্তৱিকতে সম্প্ৰতি সমগ্ৰ বিশ্বব্যাপি অন্য এক কূটনৈতিক বিপ্লৱে দেখা দিছে। কুৰি শতিকাৰ সামৰণিৰ দশকত এই পৰিবৰ্তন পূৰ্ণৰূপত প্ৰকাশিত হৈছে যদিও প্ৰকৃতপক্ষে ভিয়েটনাম যুদ্ধৰ পৰৱৰ্তী যুগৰ পৰাই এই প্ৰক্ৰিয়া আৰম্ভ হৈছিল বুলি ক'ব পাৰি। মাৰ্কিন প্ৰেছিডেণ্ট ৰিচাৰ্ড নিক্সনৰ ঐতিহাসিক চীন-ভ্ৰমণ আছিল এই দিশত এক দৃঢ় পদক্ষেপ। ১৯৭২ চনত জাপানী প্ৰধানমন্ত্ৰী কাকুই টানাকাই লোৱা চীন দেশ ভ্ৰমণ-সূচীয়ে চীন আৰু জাপানৰ মাজত চলি থকা দীৰ্ঘদিনীয়া অবিশ্বাস আৰু ঘৃণাৰ পৰিবেশো কিছু পৰিমাণে দূৰ কৰাত সহায় কৰিলে। অৱশ্যে দুইখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপিত হ'লেও সহৃদয়তাৰ অভাৱত সেইটো আনুষ্ঠানিক পৰ্যায়তে আবদ্ধ থাকিল। অতীত বুৰঞ্জীয়ে দুয়োখন দেশৰ সম্পৰ্ক স্বাভাৱিক কৰাত প্ৰধান হেঙাৰ ৰূপে দেখা দিছিল। একে সময়তে প্ৰেম আৰু ঘৃণাৰ মাজত আবদ্ধ থকা চীন-জাপান সম্পৰ্কৰ বৰ্তমান স্থিতি হ'ল,—জাপানী সংস্কৃতিৰ যে মূলতে মহান চীনা সভ্যতাৰ পৰা জন্ম হৈছে সেই কথা স্বয়ং জাপানী সম্ৰাটেও স্বীকাৰ কৰে। ইফালে চীনে জাপানৰ ঐশ্বৰ্য আৰু কাৰিকৰীজ্ঞানক সমীহ কৰিলেও জাপানীসকলক নৈতিকভাৱে অধঃপতিত আৰু সাংস্কৃতিক দিশত হেয় বুলি বিবেচনা কৰে। তথাপিও শীতল যুদ্ধৰ অৱসানৰ ফলত বিশ্বত দেখা দিয়া নতুন ৰাজনৈতিক পৰিস্থিতিয়ে শতিকা জোৰা সংঘৰ্ষৰ বুৰঞ্জীক আওকাণ কৰি চীন আৰু জাপানক অবিশ্বাস্যভাৱে পৰস্পৰৰ কাষ চপাই আনিছে। জাপানী সম্ৰাটৰ চীনত সামৰণি পৰা শুভইচ্ছামূলক ভ্ৰমণসূচী হ'ল তেনে মনোভাবৰ শেহতীয়া প্ৰকাশ।

টিয়েনমেন স্কোৱাৰত জাপানী ভ্ৰমণকাৰীৰ দল এটা



সম্প্ৰতি চীনৰ বাবে জাপানৰ যিমান প্ৰয়োজন জাপানৰ বাবেও চীনৰ সিমানেই প্ৰয়োজন বুলি পৰ্যবেক্ষকসকলে মত প্ৰকাশ কৰিছে। দুয়োখন দেশৰ মাজত প্ৰচুৰ মতভেদ আছে; পিছে সেই মতভেদ দূৰ কৰিবৰ বাবে থকা আগ্ৰহো কম নহয়।

যোৱা এপ্ৰিল মাহত চীনা কমিউনিষ্ট দলৰ প্ৰধান জিয়াং জেমিনে টকিঅ'ত উপস্থিত হৈ জাপানী সম্ৰাটলৈ আগবঢ়োৱা আমন্ত্ৰণৰ ফল হিচাপে সম্ৰাট আকিহিটো চীনত উপস্থিত হৈছিল। অৱশ্যে চীন চৰকাৰে পূৰ্বেও সম্ৰাটলৈ আগবঢ়োৱা আমন্ত্ৰণ গ্ৰহণ নকৰাৰ এটা প্ৰধান কাৰণ হ'ল: দ্বিতীয় মহাযুদ্ধৰ মাজত আৰু যুদ্ধৰ পূৰ্বে জাপানী সেনা বাহিনীয়ে চলোৱা নিৰ্যাতনৰ বাবে সম্ৰাটে চীনাজনসাধাৰণৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰাটো বিজিঙে আশা কৰে; কিন্তু সংখ্যাগৰিষ্ঠ জাপানী জনসাধাৰণে অতীতত জাপানী সৈন্যই কৰা অপকৰ্মৰ বাবে তেওঁলোকৰ সম্ৰাট চীনৰ ওচৰত লঘু হোৱাটো নিবিচাৰে। এই লৈ যথেষ্ট বাদানুবাদো হৈছে। কোৱা বাহুল্য যে পূৰ্বৰ প্ৰধানমন্ত্ৰী কাকুই টানাকাই চীন ভ্ৰমণ কালত অনুশোচনাৰ ভাবত কুৰি বছৰৰ আগতেই বিষয়টো উত্থাপন কৰোঁতে চীনৰ উৰ্ধ্বতন কৰ্তৃপক্ষই হেনো কথাটো পাতলাই দিছিল। অনেকে এই বুলিও মত পোষণ কৰে যে জাপানী আক্ৰমণে আওপকীয়াভাৱে চীনা কমিউনিষ্টসকলক সহায়হে কৰিছিল। সি যিয়েই নহওক, জাপানে চীনৰ ওপৰত চলোৱা নিৰ্যাতনৰ বাবে যে যথেষ্ট লজ্জিত তাৰ প্ৰমাণ হ'ল জাপানী স্কুলীয়া পাঠ্যপুথিত 'নানকিঙৰ ধৰ্ষণ'ৰ নিচিনা ঘটনাবোৰক এতিয়া আঁৰ-বেৰ দিবলৈ জাপানী কৰ্তৃপক্ষই চেষ্টা কৰে। তথাপি সম্ৰাট আকিহিটোৰ চীন ভ্ৰমণত জাপান চৰকাৰে অনুমোদন জনোৱাৰ আৰত থকা উদ্দেশ্যক কেন্দ্ৰ কৰি অনেক গুণা-গঁথা চলিছে। জাপানে এই ভ্ৰমণক ৰাজনৈতিক বুলি নকৈ শুভইচ্ছামূলক ভ্ৰমণ বুলিহে ক'ব খোজে।

দ্বিতীয় মহাযুদ্ধৰ ধ্বংসস্তুপৰ পৰা নতুন সাজেৰে আবিৰ্ভাৱ হোৱা পৰাজিত দেশসমূহৰ মাজত জাপান অন্যতম। বিশ্ব অৰ্থনীতিত এক আগশাৰীৰ ৰাষ্ট্ৰ হিচাপে জাপান এতিয়া সুপ্ৰতিষ্ঠিত। ভালেমান দিশত জাপান স্বয়ং মাৰ্কিন যুক্তৰাষ্ট্ৰৰো প্ৰতিদ্বন্দ্বী হিচাপে অৱতীৰ্ণ হৈছে। চাৰি দশকৰো অধিক কাল আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত সক্ৰিয় ভূমিকা গ্ৰহণৰ পৰা সাৱধানে আঁতৰি থকা জাপানে এতিয়া অৰ্থনীতিৰ লগতে ৰাজনৈতিক দিশটো নিজৰ উপস্থিতিৰ উমান দিব খোজে। এই কথা প্ৰণিধানযোগ্য যে শীতল যুদ্ধৰ অৱসানে জাপান আৰু জাৰ্মেনিৰ নিচিনা ৰাষ্ট্ৰসমূহৰ শক্তি প্ৰদৰ্শনৰ বাবে বাট মুকলি কৰি দিছে। কাম্পোডিয়াত শান্তি প্ৰতিষ্ঠাৰ বাবে ৰাষ্ট্ৰসংঘই প্ৰেৰণ কৰা শান্তিবাহিনীত জাপানী সৈন্যৰ যোগদান এটা তাৎপৰ্যপূৰ্ণ খবৰ। সম্প্ৰতি জাপানে পালন কৰিবলৈ বিচৰা নতুন ভূমিকাৰ বাবে চীনৰ পৰা লাভ কৰা কূটনৈতিক সমৰ্থনৰ বিশেষ প্ৰয়োজন আছে। তদুপৰি ইয়াৰ বাণিজ্যিক দিশ এটাও আছে। প্ৰকাশিত তথ্য মতে চীনৰ উত্তৰ-পুব অঞ্চলত টয়'টা, কেনন, টছিবা আদি প্ৰায় দুশ জাপানী কোম্পানিয়ে কাম চলাই আছে আৰু চীনত জাপানী বিনিয়োগ ক্ৰমশঃ বৃদ্ধি পাই আহিছে। তথাপি চীনৰ লগত লেনদেনৰ ক্ষেত্ৰত টাইৱান আৰু হংকঙৰ তুলনাত জাপান এতিয়াও ভালেখিনি পিছ পৰি আছে। এনে অৱস্থাত চীনৰ সম্ভাৱ্য বৃহৎ বজাৰখনত জাপানে আধিপত্য বিস্তাৰৰ বাবে চেষ্টাৰ ত্ৰুটি নকৰে। আনহাতে জাপানৰ লগত গঢ়ি তোলা বৰ্ধিত সম্পৰ্কৰ মাজেদি মাও ছে টুঙৰ পৰৱৰ্তী চীনে লাভ কৰিব পৰা প্ৰচুৰ অৰ্থনৈতিক সুবিধা বিজিঙেও আওকাণ কৰিব নোৱাৰে। তদুপৰি টিয়েনমেন স্কোৱাৰত সংঘটিত হত্যাকাণ্ডৰ পাছত, যোৱা তিনি বছৰৰ ভিতৰত চীনত উপস্থিত হোৱা জাপানী সম্ৰাটেই হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ ব্যক্তি। এই ঘটনাক চীনা নেতৃবৃন্দৰ বৰ্তমান নীতিৰ প্ৰতি আওপকীয়াভাৱে আগবঢ়োৱা এক স্বীকৃতি ৰূপে গণ্য কৰা হৈছে। এনে অৱস্থাত দুয়োপক্ষই বৰ্তমানৰ স্বাৰ্থত অতীতক আওকাণ কৰিবলৈ মানসিকভাৱে সাজু হৈ পৰিছে। কিন্তু সাম্প্ৰতিক চীন-জাপান সম্পৰ্কৰ আন এটা দিশো আওকাণ কৰিব নোৱাৰি। উল্লেখযোগ্য যে দুয়োখন দেশৰ মাজত বৃদ্ধি পোৱা হুলিগলিক কেন্দ্ৰ কৰি জাপান আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ মাজত মনোমালিন্যৰ প্ৰচুৰ থল আছে। চীন-ছোভিয়েট বিৰোধৰ গইমা লৈ শক্তিৰ ভাৰসাম্য ৰক্ষাৰ স্বাৰ্থত চীন-মাৰ্কিন বন্ধুত্বৰ জন্ম হৈছিল। বৰ্তমান সেই প্ৰয়োজন শেষ হৈ আহিছে। স্মৰণযোগ্য যে ১৯৮৯ চনৰ টিয়েনমেন স্কোৱাৰৰ ঘটনাৰ প্ৰতিবাদত মাৰ্কিন সামৰিক তথা অৰ্থনৈতিক সাহায্য স্থগিত ৰখা হৈছে। ১৯৯০ চনত জাপানে চীনৰ ওপৰত আৰোপিত অৰ্থনৈতিক নিষেধাজ্ঞা ভংগ কৰিব বুলি ঘোষণা কৰাত পশ্চিমীয়া মহলত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। এনে অৱস্থাত চীনৰ লগত বৰ্ধিত হুলিগলিয়ে জাপানৰ আন দ্বিপাক্ষিক সম্পৰ্কত বিঘিনি ঘটাব পাৰে। বিশেষকৈ আপোচৰ নীতি ত্যাগ কৰি নৱনিযুক্ত মাৰ্কিন প্ৰেছিডেণ্ট বিল ক্লিনটনে চীনৰ প্ৰতি কঠোৰ নীতি গ্ৰহণ কৰিলে স্বাভাৱিকভাৱে জাপান অসুবিধাত পৰিব পাৰে। সম্ভাৱ্য সকলো দিশ চালি জাৰি চোৱাৰ পাছতো এই কথা ঠিক যে চীন-জাপানৰ মৈত্ৰীয়ে বিশেষকৈ এছিয়াৰ দক্ষিণ-পূব অঞ্চলত শক্তিৰ ভাৰসাম্যত সালসলনি ঘটোৱাত প্ৰত্যক্ষভাৱে অৰিহণা যোগোৱাৰ প্ৰচুৰ সম্ভাৱনা আছে।

# আমেৰিকা আৱিষ্কাৰৰ (?) পঞ্চ শতবাৰ্ষিকী

## ১৪৯২ — ১৯৯২

ড় কুলেন্দু পাঠক

কলম্বাছ আৰু আমেৰিকা,—শব্দ দুটা যেন এৰাব নোৱৰা ধৰণে জড়িত। সেই সময়ৰ পুৰণি পৃথিৱীৰ মানুহৰ বাবে এখন মহাদেশৰ আবিষ্কাৰ হয়তো নতুন খবৰ। আৰু ইউৰোপৰ পৰা আমেৰিকালৈ গৈ নতুন প্ৰাচুৰ্যৰ মুখ দেখা মানুহৰ বাবে কলম্বাছৰ যাত্ৰা আছিল 'ভয়েজ অৱ ডিছক'ভাৰি'। কিন্তু ই সঁচাকৈয়ে 'আবিষ্কাৰৰ যাত্ৰা', নতুন যুগৰ সূচনা বা তেনে কিবা আছিল, নে প্ৰকৃততে দুটা সভ্যতাৰ মাজত ঘটিব লগীয়া সংঘাতৰ সূচক আছিল ?

আমেৰিকাৰ প্ৰকৃত আদিবাসী আৰু আবিষ্কাৰক মানৱগোষ্ঠী আছিল বিছৰ পৰা



বাৰ হাজাৰ বছৰ পূৰ্বে বেৰিং প্ৰণালী পাৰ হৈ (এছিয়াৰ ফালৰ পৰা) বিয়পি পৰা লোকসকল। তেওঁলোকে পুৰণি পৃথিৱীৰ পৰা কেইবা হাজাৰ বছৰ বিচ্ছিন্ন হৈ থাকিলেও যথেষ্ট উচ্চ পৰ্যায়ৰ সভ্যতা গঢ়ি তুলিছিল। গতিকে কলম্বাছৰ আবিষ্কাৰৰ বিষয়ে শিক্ষিত ৰে'ড ইণ্ডিয়ান এজনৰ প্ৰতিক্ৰিয়া এনে ধৰণৰ ঃ "We were already here (America). We are here for last 12-20 thousand years, the anthropologists say. I wonder, which was the old word and which was new ?"

আজি সমগ্ৰ আমেৰিকাতে আমেৰিকাৰ আদিবাসী আৰু ইউৰোপীয়সকলৰ সন্ততিৰ মাজত এক শীতলতাৰ সৃষ্টি হৈছে। কানাডাৰ পৰা আৰ্জেণ্টিনালৈ—সকলো অঞ্চলত থকা ৰে'ড-ইণ্ডিয়ান (আদিবাসী)সকলে প্ৰশ্ন সুধিছে—ইউৰোপীয়সকল আমেৰিকালৈ অহাৰ ফলত তেওঁলোকৰ কি লাভ হ'ল ? বহুতো আমেৰিকাৰ আদিবাসীয়ে কলম্বাছক এজন জলদস্যু আৰু মৃত্যুৰ দূত বুলি গণ্য কৰে। আনকি আমেৰিকাৰ নেশ্যনেল কাউন্সিল অৱ চাৰ্চৰ পৰিচালক মণ্ডলীয়ে ঘোষণা কৰিছে যে কলম্বাছৰ পৰবৰ্তী কালত আমেৰিকা মহাদেশত যি নৰহত্যা, দাসত্ব, পৰিবেশ ধ্বংস কৰা কাৰ্য আৰু জঘন্য শোষণৰ আৰম্ভ হৈছিল, সেই কথা স্মৰণ কৰি সমগ্ৰ আমেৰিকাবাসীয়ে এই পঞ্চ শতবাৰ্ষিকী প্ৰাৰ্থনাৰ জৰিয়তে



কলম্বাছৰ সহযাত্ৰী সকল উপকূল অঞ্চলত আদিবাসীসকলৰ আক্ৰমণৰ সমুখীন হোৱাৰ কাল্পনিক ছবি। আঁতৰত নিনা, পিণ্টা আৰু ছাণ্টা মেৰিয়া সংগৰ পেলাই থোৱা অৱস্থাত। (ৰিডাৰ্ছ ডাইজেষ্টৰ সৌজন্যত)

দোষমুক্তি কামনা কৰিব লাগে ; আনন্দ উৎসৱৰ সময় এইটো নহয়। যথেষ্ট বিতৰ্কৰ পাছত সন্মিলিত জাতিসংঘই পঞ্চ শতবাৰ্ষিকী উৎসৱ অনুষ্ঠানৰ আঁচনি পৰিত্যাগ কৰে।

কলম্বাছ সম্পৰ্কে আৰু ইউৰোপীয় সভ্যতাৰ শ্ৰেষ্ঠতা সম্পৰ্কে আমি জনা কথাবোৰ ইউৰোপৰ আগ্ৰাসী প্ৰসাৰণৰ বাহকসকলে সৃষ্টি কৰা। কলম্বাছৰ আমেৰিকা আবিষ্কাৰৰ দ্বিশতবাৰ্ষিকীও ভালদৰে পালন কৰা হোৱা নাছিল। কিন্তু আমেৰিকাৰ স্বাধীনতাৰ পাছত (১৭৭৬ চনত) ত্ৰিশতবাৰ্ষিকী (১৭৯৩ চনত) বেছ ধুমধামেৰে পালিত হয়। নিউয়ৰ্কৰ কিং কলেজৰ নাম হয় কলম্বিয়া। আনকি আমেৰিকা যুক্তৰাষ্ট্ৰৰ নামো কলম্বিয়া হ'ব লাগে বুলি দাবী উঠিছিল। আমেৰিকাৰ নতুন বাসিন্দাসকলৰ বাবে কলম্বাছ এজন বীৰ পুৰুষ—যিজনে আমেৰিকা আবিষ্কাৰ কৰি তেওঁলোকক নতুন প্ৰাচুৰ্যৰ সন্ধান দিলে। গতিকে আৰম্ভ হ'ল কলম্বাছ- মিথৰ। (... "historian cannot control the myth makers, propagandist and popularisers and in post-revolutionary America, the few who studied Columbus were probably not disposed to try to be objective ... there was little information available ... to distinguish the man and the myth." J. N. Wilford.) লেখক ৱাশ্বিংটন আৰভিঙে কলম্বাছক এক জাতীয়, ৰোমাণ্টিক বীৰ হিচাপে ৰূপায়িত কৰিছিল ("a man of great and inventive genius ... his ambition was lofty and noble, inspiring him with high thoughts. ... Instead of ravaging the country ... he sought to colonise and cultivate ... to civilise the natives... ")। আন বহুতো লেখক আৰু সমীক্ষকে কলম্বাছক প্ৰায় দেৱতাৰ শাৰীলৈ তুলি নিয়ে।

১৮৯২ চনতো চতুৰ্থ শতবাৰ্ষিকী ধুমধামেৰে পালন কৰা হৈছিল। এবছৰ জুৰি চলিছিল সেই উৎসৱ। ইতিমধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰ এক বৃহৎ শক্তি হিচাপে পৰিগণিত হৈছিলেই। কলম্বাছক সেই সাফল্যৰ অগ্ৰদূত হিচাপে গণ্য কৰা হৈছিল। 'নিজৰ যুগৰ অগ্ৰণী আৰু বিজ্ঞ লোক' হিচাপে কলম্বাছ বন্দিত হৈছিল। কিন্তু সঁচাকৈয়ে কলম্বাছ মানুহজনৰ অন্ধকাৰ দিশ নাছিল নে ? আছিল। ১৮৯১ চনতে জাষ্টিন উইনছ'ৰ নামৰ জীৱনীকাৰে প্ৰকৃত কলম্বাছৰ জীৱনীৰ ওপৰত ৰেখাপাত কৰে। তেওঁ লিখিছে যে নতুন পৃথিৱীত কলম্বাছ আৰু তেওঁৰ অনুগামীসকলে মৃত্যু, ধ্বংস আৰু অপৰাধৰ মেলা মেলি দিছিল। সোণ, ৰাজ অনুগ্ৰহ আৰু লাভৰ আশাত তেওঁলোক হত্যা কৰিবলৈকো কুণ্ঠিত নহৈছিল।

বিংশ শতিকাত কলম্বাছৰ পুনৰ-মূল্যায়ন হৈছে। আমেৰিকান ইণ্ডিয়ান (বা ৰে'ডইণ্ডিয়ান) সকলৰ দৃষ্টিত কলম্বাছ ধ্বংস আৰু শোষণৰহে অগ্ৰদূত। তেওঁলোকে


কলম্বাছৰ আগমনক গৌৰৱপূৰ্ণ আবিস্কাৰৰ শুভাৰম্ভ.বুলি নকৈ দুটাসভ্যতাৰমাজত হোৱা সংঘাতপূৰ্ণ দুৰ্যোগৰ সূচনা বুলিহে কয়।

সি যি নহওক, কলম্বাছৰ পৰবৰ্তী কালত ইউৰোপৰ বিভিন্ন দেশৰ মানুহ আমেৰিকা পায়গৈ। আমেৰিকা মহাদেশত আদিবাসী মানুহৰ সংখ্যা আছিল কম। কিন্তু বিভিন্ন অঞ্চলত তেওঁলোকে উন্নত ধৰণৰ সংস্কৃতি সৃষ্টি কৰিছিল। দুৰ্ভাগ্যক্ৰমে, ইউৰোপৰ পৰা অহা পমুৱা বগা চামৰাৰ লোকসকলে (বিশেষকৈ তেওঁলোকৰ মাজৰ ক্ষুদ্ৰ লোভী অংশ এটাই) এই সংস্কৃতি বুজিবলৈ যত্ন নকৰিলে; বৰং ধৰ্মান্তৰ, নতুন পাম অধিগ্ৰহণ আৰু প্ৰসাৰণৰ দ্বাৰা এই সৰু জনগোষ্ঠীবোৰক বিপদাপন্ন কৰি তুলিলে।

কেনেকুৱা আছিল প্ৰাগ-ইউৰোপীয় কালৰ আমেৰিকাৰ সভ্যতা? এই শতিকাত এই বিষয়ে যথেষ্ট গৱেষণা কৰা হৈছে। বহুতো গৱেষকৰ মতে পুৰণি পৃথিৱীৰ ১৫০০—১০০০ খৃষ্টপূৰ্বৰ (অৰ্থাৎ তিনি হাজাৰ বছৰ পূৰ্বৰ) সভ্যতাসমূহৰ অৱস্থাতে প্ৰায়বোৰ আদি-আমেৰিকান সভ্যতা থমকি ৰৈছিল। এফালৰ পৰা চালে আমাৰ মহাভাৰত বা বেবিলনৰ হামুৰাবিৰ যুগলৈ আগ বাঢ়ি গৈ এই সভ্যতাবোৰ থমকি ৰৈছিল। তেওঁলোকৰ লৌহাস্ত্ৰ, চকাযুক্ত গাড়ী, ঘোঁৰা আদি নাছিল যদিও মেক্সিকোৰ এজটেক আৰু পেৰুৰ ইনকাসকলে নিজৰ-নিজৰ অঞ্চলত আৰ্থ-সামাজিকভাৱে সফল আৰু সাম্ৰাজ্যভিত্তিক সভ্যতা গঢ়ি তুলিছিল। খৃষ্ট ধৰ্মত দীক্ষিত ইউৰোপীয়সকলৰ দৰে এক ঈশ্বৰ আৰু বাইবেলত বিশ্বাসী নাছিল যদিও, তেওঁলোকেও এক জটিল ধৰ্মীয় বিশ্বাস গঢ়ি তুলিছিল আৰু ধৰ্ম-মন্দিৰ সাজিছিল। তেওঁলোকৰ জ্যোতিৰ্বিজ্ঞানভিত্তিক গণনা, স্থাপত্য আৰু নিৰ্মাণ-ধৰ্মৰ মান আছিল উন্নত। মায়া সভ্যতাৰ অধিকাৰীসকলো উন্নত সংস্কৃতিৰ বাহক আছিল; কিন্তু এজটেক আৰু ইনকাসকলৰ দৰে এওঁলোক যুদ্ধপ্ৰিয় নাছিল।

কলম্বাছৰ 'আবিস্কাৰ'ৰ পাছতে আহক স্পেইন দেশৰ 'কংকুইজটেডৰ'সকল। চিকাৰী কুকুৰৰ দৰে এওঁলোকে আক্ৰমণ চলালে এজটেক আৰু ইনকাসকলৰ ওপৰত। ক'ৰটেজ নামৰ 'বীৰ' জনাৰ কাহিনী স্পেইনত বীৰগাথাত পৰিণত হৈছিল। মাত্ৰ এমুঠি সৈন্য, ঘোঁৰা আৰু বন্দুকেৰে তেওঁ হেনো এজটেক সাম্ৰাজ্য বিজয় কৰিছিল। কিন্তু আচলতে হৈছিল কি? সম্ৰাট ম'নটেজামেই ক'ৰটেজক আদৰিবলৈ ৰাজধানী টেন'খটিটলেন নগৰৰ বাহিৰলৈ ওলাই আহিছিল। ক'ৰটেজে তেওঁক বন্দী কৰি আদৰণিৰ প্ৰত্যুত্তৰ দিছিল (১৫১৯ চন)। এজটেক সাম্ৰাজ্যত থকা অন্তৰ্দ্বন্দৰ সুবিধা পূৰামাত্ৰাই গ্ৰহণ কৰি আৰু সম্ৰাটে তেওঁক দেৱতা জ্ঞান কৰাৰ সুবিধা লৈ, সোণ, ৰূপ আৰু ঐশ্বৰ্যৰ প্ৰতি লালায়িত স্পেইনৰ বীৰ যোদ্ধাসকলে (!) লুণ্ঠনত হাত দিছিল। অৱশেষত আমেৰিকাত নথকা মহামাৰীবোৰে (বিশেষকৈ বসন্ত ৰোগে) এজটেকসকলৰ প্ৰতিৰোধ ধূলিস্যাৎ কৰি দিছিল। একেধৰণৰ দুৰ্ঘটনা ঘটিছিল দক্ষিণ আমেৰিকাৰ বিখ্যাত ইনকাসকলৰ ভাগ্যতো। সেয়া ১৫৩২ চনৰ কথা। সম্ৰাট এটেহুৱালপাই স্পেইন দেশৰ লুণ্ঠনকাৰী ফ্ৰেনছিছকো পিয়াজেৰোক সোণ-ৰূপ দিয়াত কাৰ্পণ্য কৰা নাছিল। প্ৰতিদানত সম্ৰাটক দিয়া হৈছিল মৃত্যুদণ্ড! মাত্ৰ বিশ বছৰৰ ভিতৰত অচিন ৰোগসমূহ (যাৰ বাহক আছিল ইউৰোপীয়সকল) আৰু লুণ্ঠনকাৰীৰ ধ্বংসযজ্ঞই দুটা সুশৃংখল আৰু উন্নত অঞ্চল ধ্বংসৰ গৰাহলৈ ঠেলি দিছিল। একেধৰণৰ ঘটনা ঘটিছিল সমগ্ৰ আমেৰিকাতে। সোণ, ৰূপ আৰু উৰ্বৰা মাটিৰ লোভত ইউৰোপীয়সকলে আমেৰিকান-ইণ্ডিয়ানসকলক বাস্তুহাৰা কৰিছিল আৰু বসন্ত, হাইজা, ফ্লু আদি মহামাৰীয়ে তেওঁলোকৰ সংখ্যা দ্ৰুতভাৱে কমাই আনিছিল। আধুনিক তথ্য-ভিত্তিক গৱেষণাই দেখুৱাইছে যে সমুখ আৰু ন্যায়যুদ্ধত আমেৰিকাৰ এজটেক ইনকা আৰু কিছুমান সভ্যতাক ইউৰোপীয়সকলে পৰাভূত

১৫৯৭ চনত অংকিত পৃথিৱীৰ মানচিত্ৰ। তেতিয়াও পৃথিৱীৰ মানচিত্ৰত বহুতো ভুল আছিল। (ব্ৰহ্মপুত্ৰ-গংগাৰ অৱস্থানলৈ মন কৰিলেহ কথাটো ধৰা পৰে।)






কৰিব নোৱাৰিলেহেঁতেন। কিন্তু 'ভাইৰাছ' নামৰ গোপণাস্ত্ৰৰ বিৰুদ্ধে ইণ্ডিয়ানসকলৰ কোনো প্ৰতিৰোধ নাছিল। প্ৰায় ১৫২০ চনৰ পৰাই আমেৰিকান-ইণ্ডিয়ানসকলক মহামাৰীবোৰে বনজুইৰ দৰে বিয়পি জুৰুলা কৰিছিল; ইউৰোপীয়সকলো (কমকৈ) আক্ৰান্ত হৈছিল; কিন্তু সৰুতে এনে ৰোগৰ প্ৰতিৰোধক্ষমতা আহৰণ কৰা বাবে এওঁলোকৰ মৃত্যুৰ পৰিমাণ আছিল কম। ভাইৰাছৰ যুদ্ধত হাৰি নোযোৱা হ'লে আমেৰিকাৰ ইতিহাস তথা পৃথিৱীৰ ইতিহাসৰ গতিপথ হয়তো (কলম্বাছ-উত্তৰ যুগত) সম্পূৰ্ণ বেলেগ হ'লহেঁতেন।

আমেৰিকা মহাদেশৰ উদ্ভিদ আৰু কৃষিজাত সামগ্ৰী পুৰণি পৃথিৱীৰ উদ্ভিদ আৰু কৃষিজাত সামগ্ৰীতকৈ যথেষ্ট বেলেগ আছিল। আলু আৰু বিলাহী আমাৰ প্ৰিয় খাদ্য; কিন্তু ১৫০০ চনলৈকে পুৰণি পৃথিৱীৰ মানুহে এনে শস্যৰ কথা নাজানিছিল। মাকৈজোৱা, মিঠা আলু, কাকৱ' ছানফ্লাৱাৰ আদি শস্যৰ বীজ আহিছিল আমেৰিকাৰ পৰা। আটলাণ্টিক পাৰ হৈ ঘেঁহু আৰু কুঁহিয়াৰে আমেৰিকাত সাম্ৰাজ্য বিস্তাৰ কৰিছিল। আলু হৈ পৰিছিল আয়াৰলেণ্ডৰ প্ৰধান খাদ্যশস্য।

কলম্বাছৰ তথাকথিত আবিষ্কাৰৰ যাত্ৰাই এনেদৰে এটা ডাঙৰ কাৰ্য সমাধা কৰে। পৃথিৱীৰ জীৱজগত আৰু মানুহবো এক ধৰণৰ একীকৰণ কাৰ্য এই অভিযানৰ পাছত আৰম্ভ হয়। কৃষিৰ ক্ষেত্ৰত নতুন-নতুন শস্যৰ আদান-প্ৰদানে দুই অঞ্চলৰ কৃষিকাৰ্য শক্তিশালী কৰি তোলে। কলম্বাছক অনুসৰণ কৰি অন্যান্য অভিযাত্ৰী যেনে—ভাস্কো-দা-গামা, মেগেলান আদিয়ে নতুন-নতুন সমুদ্ৰপথ আৰু অঞ্চল আবিষ্কাৰ কৰে। তদুপৰি সম্পূৰ্ণভাৱে অভিনৱ অথচ সফল সমাজ-ব্যৱস্থা, ৰাষ্ট্ৰ-ব্যৱস্থা আদিৰ লগত মুখামুখি হৈ ইউৰোপৰ বুদ্ধিজীৱীসকলে নিজস্ব সমাজ, ৰাষ্ট্ৰ আৰু ধৰ্ম-ব্যৱস্থাৰ কথাবোৰ চালি-জাৰি চাবলৈ বাধ্য হয়।

খাদ্যশস্যৰ কথাই ধৰা হওক। বহুত দিনজোৰা কটা-মৰা, যুদ্ধ, প্লেগ আদিৰ অলপ উপশম ঘটাত ইউৰোপৰ জনসংখ্যা ওঠৰ শতিকাত বাঢ়িবলৈ আৰম্ভ কৰে। কিন্তু উত্তৰ ইউৰোপত আলু আৰু ভূমধ্য সাগৰীয় অঞ্চলত মাকৈৰ খেতি (আমেৰিকাৰ পৰা অহা) বেছিকৈ নকৰা হ'লে এই বৰ্ধিত লোকসকলে অনাহাৰত ভুগিলেহেঁতেন। আমেৰিকা আৰু আমেৰিকান শস্যৰ পৰা পোৱা বৰ্ধিত ফচল ইউৰোপৰ ঔদ্যোগিক বিপ্লৱৰ মুখ্য সহায়ক। আকৌ, বিগত দুশ বছৰত আমেৰিকাই বিশ্ব ইতিহাসত গভীৰ প্ৰভাৱ পেলাইছে। এই প্ৰভাৱ অকল ইউৰোপীয় সভ্যতাৰ প্ৰভাৱৰ বিস্তাৰ বুলি ভাবিলে ভুল হ'ব। এক বহুজাতিক ৰাষ্ট্ৰ গঢ়াৰ পৰীক্ষাত আব্ৰাহাম লিংকনৰ দিনৰ পৰাই যথেষ্ট ত্যাগ আৰু কষ্ট স্বীকাৰ কৰা হৈছে। আমেৰিকাৰ সংবিধান মানৱ ইতিহাসৰ এক মূল্যবান দলিল। গতিকে কলম্বাছৰ দুষ্কৰ্মৰ কথা নাপাহৰাকৈও ক'ব পাৰি যে ১৪৯২ চনৰ ১২ অক্টোবৰ তাৰিখে কলম্বাছে ৱেষ্ট-ইণ্ডিজত ভৰি দিয়াৰ লগে-লগে অপৰিবৰ্তনীয়ভাৱে বিশ্ব-ইতিহাসৰ এক নতুন যুগৰ সূচনা হৈছিল। বিভিন্ন সময়ত বিভিন্নজনে কলম্বাছৰ জীৱনৰ আৰু কৰ্মৰ ভিন্নসুৰী ব্যাখ্যা আগবঢ়াব; কেতিয়াবা কলম্বাছ হ'ব মহাপুৰুষ, কেতিয়াবা মহাদস্যু। কলম্বাছে মৃত্যুশয্যাত কৰা চিন্তাৰ আনুমানিক বিৱৰণী ৱাল্ট হুইটমেনে এনেদৰে দিছে:

What do I know of life ? What of myself ?
I know not even my work past or present ;
Dim evershifting guesses of it spread
before me, of newer worlds, ... ...
Mocking, perplexing me.

কলম্বাছৰ সন্দেহ, বীৰতা, কাপুৰুষতা, লোলুপতাৰ উৰ্ধত থাকিব তেওঁৰ অসীম সাহসিক প্ৰচেষ্টা আৰু নতুন পৃথিৱীক পুৰণি পৃথিৱীৰ আগত মোকলাই ধৰাৰ কৃতিত্ব।

### কলম্বাছ

জন্ম—জেনোৱা, ইটালি, ১৪৫১ চনত

১৪৭৬—জীৱিকাৰ সন্ধানত পৰ্টুগালত উপস্থিত; নাবিক হিচাপে ইংলেণ্ড, আয়াৰলেণ্ড, আফ্ৰিকা ভ্ৰমণ।

১৪৭৮—ফিলিপা মনিজৰ লগত বিবাহ।

১৪৮৪—অভিযানৰ বাবে পৰ্টুগাল আৰু ইংলেণ্ডৰ ৰজাৰ সাহায্য পোৱাত বিফল হৈ স্পেইনলৈ যাত্ৰা।

৩ আগষ্ট, ১৪৯২—স্পেইনৰ ৰাণী ইজাবেলাৰ কৃপাধন্য হৈ নিনা, পিণ্টা আৰু ছাণ্টা মেৰিয়া নামৰ জাহাজ লৈ এছিয়াৰ উপকূল বিচাৰি আটলাণ্টিকত পশ্চিমমুৰা যাত্ৰা।

১২ অক্টোবৰ, ১৪৯২—ছান-ছালভেডৰৰ (ৱেষ্ট ইণ্ডিজ) উপকূলত পদাৰ্পণ। প্ৰথম যাত্ৰাৰ সফলতাৰ পাছত কলম্বাছে আদিবাসীসকলৰ লগত ভালদৰে ব্যৱহাৰ কৰিছিল। বাহামা, কিউবা আবিষ্কাৰ।

২৫ ছেপ্টেম্বৰ, ১৪৯৩—দ্বিতীয় অভিযান। উপনিবেশ প্ৰতিষ্ঠাৰ লগত জড়িত হিংসা, ধ্বংস আৰু মৃত্যুৰ বীভৎসতা আৰম্ভ। ১৪৯৪ চনত কলম্বাছ দাস-ব্যৱসায়ত লিপ্ত। (ইজাবেলাই দাসৰ ওপৰত চলা অমানুষিক অত্যাচাৰৰ কথা মুঠেই ভালপোৱা নাছিল।) ১৪৯৬ চনত প্ৰত্যাবৰ্তন।

১৫০০—স্পেইন সাম্ৰাজ্যৰ অত্যাচাৰী শাসক কলম্বাছক বন্দী কৰি স্পেইনলৈ অনা হয়।

১৫০৬—সাধাৰণ অৱস্থাত, ভগ্ন স্বাস্থ্য কলম্বাছৰ মৃত্যু।

কলম্বাছ এজনা স্বপ্নদ্ৰষ্টা নাবিক, কিন্তু মানুহ হিচাপে লোভী, উচ্চাকাংক্ষী আৰু নিষ্ঠুৰ। তেওঁ আৰম্ভ কৰা আদিবাসী নিষ্পেষণ, হত্যা আৰু দাস ব্যৱসায় পাছলৈকো চলি থাকে।

## প্ৰান্তিকৰ লেখক-লেখিকাসকললৈ এটি অনুৰোধ

প্ৰান্তিকলৈ পঠোৱা লেখাসমূহ পৰিষ্কাৰ আখৰেৰে কাগজৰ এপিঠিত লিখি পঠোৱা উচিত। সম্পাদনাৰ সুবিধাৰ অৰ্থে দুটা শাৰীৰ মাজত সৰহকৈ ঠাই ৰখাটো প্ৰয়োজনীয়। কাগজৰ দুয়োপিঠিত, বুজিব নোৱৰা আৰু ঘন আখৰেৰে লিখি পঠোৱা নিবন্ধ আদি সম্পাদনা কৰোঁতে আমাৰ যথেষ্ট অসুবিধা হয়। এনে ক্ষেত্ৰত ছপাৰ ভুল ৰৈ যোৱাৰো সম্ভাৱনা থাকে।

লেখাসমূহ যথাসম্ভৱ চুটি হোৱাটো বাঞ্ছনীয়। অতিপাত দীঘল হোৱা বাবেই আমি বিষয়বস্তুৰ দিশৰ পৰা প্ৰকাশযোগ্য ভালেমান প্ৰবন্ধ ছপা কৰিব পৰা নাই।

একাধিক লেখক-লেখিকাই প্ৰান্তিকত প্ৰকাশৰ বাবে পঠোৱা একোটা নিবন্ধ একে সময়তে আন-আন কাকতলৈও পঠায় বুলি জানিব পৰা গৈছে। এনে কাৰ্যই আন-আন কাকতসমূহৰ লগতে আমাকো যথেষ্ট অসুবিধাত পেলায়। লেখক-লেখিকাসকলে আমাৰ এই অসুবিধাটোৰ প্ৰতি মনোযোগ দিব বুলি আমি আশা কৰিছোঁ, আৰু আমালৈ পঠোৱা লেখা ইতিমধ্যে যদি তেখেতসকলে আন কাকতলৈও পঠাইছে, তেন্তে কথাটো আমাক জনাবলৈ অনুৰোধ কৰিছোঁ।

একোসময়ত ভালেমান প্ৰকাশযোগ্য প্ৰবন্ধ আমাৰ হাতত থাকে কাৰণে নিৰ্দিষ্ট সময় বা ঘটনাৰ লগত সম্বন্ধ নথকা কিছুমান প্ৰবন্ধ প্ৰকাশ কৰাত পলম হয়। এই কথা যেন লেখক-লেখিকাসকলে সহৃদয়তাৰে গ্ৰহণ কৰে।

লেখক-লেখিকাসকলে প্ৰতিলিপি নিজৰ হাতত ৰাখিহে আমালৈ লেখা পঠোৱা উচিত। অমনোনীত লেখা ওভোতাই পাবলৈ হ'লে লেখাৰ লগত উপযুক্ত পৰিমাণৰ ডাক-টিকট লগোৱা আৰু নিজৰ সম্পূৰ্ণ নাম-ঠিকনা লিখা লেফাফা থকা উচিত। প্ৰকাশ কৰিব নোৱৰা বাবে যিবোৰ নিবন্ধ ওভোতাই পঠোৱা হয়, সেইবোৰ কিয় ওভোতাই পঠোৱা হ'ল সেই কথা লিখি জনোৱাটো আমাৰ পক্ষে সম্ভৱ নহয়।

অনূদিত গল্প, কবিতা, নিবন্ধ আদি পঠালে মূল লেখকৰ অনুমতি-পত্ৰৰ প্ৰতিলিপি লগত গাঁথি দিব লাগিব। তেতিয়াহে এনে লেখা প্ৰকাশৰ বাবে বিবেচনা কৰা হ'ব।

প্ৰবন্ধ-পাতি তলত দিয়া ঠিকনালৈ পঠাব:

সম্পাদক, প্ৰান্তিক
নবগিৰি পথ, চানমাৰি,
গুৱাহাটী—৭৮১০০৩


কলম্বাছৰ আগমনক গৌৰৱপূৰ্ণ আৱিষ্কাৰৰ শুভাৰম্ভ বুলি নকৈ দুটা সভ্যতাৰ মাজত হোৱা সংঘাতপূৰ্ণ দুৰ্যোগৰ সূচনা বুলিহে কয়।

সি যি নহওক, কলম্বাছৰ পৰৱৰ্তী কালত ইউৰোপৰ বিভিন্ন দেশৰ মানুহ আমেৰিকা পায়গৈ। আমেৰিকা মহাদেশত আদিবাসী মানুহৰ সংখ্যা আছিল কম। কিন্তু বিভিন্ন অঞ্চলত তেওঁলোকে উন্নত ধৰণৰ সংস্কৃতি সৃষ্টি কৰিছিল। দুৰ্ভাগ্যক্ৰমে, ইউৰোপৰ পৰা অহা পমুৱা বগা চামৰাৰ লোকসকলে (বিশেষকৈ তেওঁলোকৰ মাজৰ ক্ষুদ্ৰ লোভী অংশ এটাই) এই সংস্কৃতি বুজিবলৈ যত্ন নকৰিলে; বৰং ধৰ্মান্তৰ, নতুন পাম অধিগ্ৰহণ আৰু প্ৰসাৰণৰ দ্বাৰা এই সকল জনগোষ্ঠীবোৰক বিপদাপন্ন কৰি তুলিলে।

কেনেকুৱা আছিল প্ৰাগ-ইউৰোপীয় কালৰ আমেৰিকাৰ সভ্যতা? এই শতিকাত এই বিষয়ে যথেষ্ট গৱেষণা কৰা হৈছে। বহুতো গৱেষকৰ মতে পুৰণি পৃথিৱীৰ ১৫০০—১০০০ খৃষ্টপূৰ্বৰ (অৰ্থাৎ তিনি হাজাৰ বছৰ পূৰ্বৰ) সভ্যতাসমূহৰ অৱস্থাতে প্ৰায়বোৰ আদি-আমেৰিকান সভ্যতা থমকি ৰৈছিল। এফালৰ পৰা চালে আমাৰ মহাভাৰত বা বেবিলনৰ হামুৰাবিৰ যুগলৈ আগ বাঢ়ি গৈ এই সভ্যতাবোৰ থমকি ৰৈছিল। তেওঁলোকৰ লৌহাস্ত্ৰ, চকাযুক্ত গাড়ী, ঘোঁৰা আদি নাছিল যদিও মেক্সিকোৰ এজটেক আৰু পেৰুৰ ইনকাসকলে নিজৰ-নিজৰ অঞ্চলত আৰ্থ-সামাজিকভাৱে সফল আৰু সাম্ৰাজ্যভিত্তিক সভ্যতা গঢ়ি তুলিছিল। খৃষ্ট ধৰ্মত দীক্ষিত ইউৰোপীয়সকলৰ দৰে এক ঈশ্বৰ আৰু বাইবেলত বিশ্বাসী নাছিল যদিও, তেওঁলোকেও এক জটিল ধৰ্মীয় বিশ্বাস গঢ়ি তুলিছিল আৰু ধৰ্ম-মন্দিৰ সাজিছিল। তেওঁলোকৰ জ্যোতিৰ্বিজ্ঞানভিত্তিক গণনা, স্থাপত্য আৰু নিৰ্মাণ-ধৰ্মৰ মান আছিল উন্নত। মায়া সভ্যতাৰ অধিকাৰীসকলো উন্নত সংস্কৃতিৰ বাহক আছিল; কিন্তু এজটেক আৰু ইনকাসকলৰ দৰে এওঁলোক যুদ্ধপ্ৰিয় নাছিল।

কলম্বাছৰ 'আৱিষ্কাৰ'ৰ পাছতে আহক স্পেইন দেশৰ 'কংকুইজটেডৰ'সকল। চিকাৰী কুকুৰৰ দৰে এওঁলোকে আক্ৰমণ চলালে এজটেক আৰু ইনকাসকলৰ ওপৰত। ক'ৰটেজ নামৰ 'বীৰ' জনাৰ কাহিনী স্পেইনত বীৰগাথাত পৰিণত হৈছিল। মাত্ৰ এমুঠি সৈন্য, ঘোঁৰা আৰু বন্দুকেৰে তেওঁ হেনো এজটেক সাম্ৰাজ্য বিজয় কৰিছিল! কিন্তু আচলতে হৈছিল কি? সম্ৰাট ম'নটেজামেই ক'ৰটেজক আদৰিবলৈ ৰাজধানী টেন'খটিটলেন নগৰৰ বাহিৰলৈ ওলাই আহিছিল। ক'ৰটেজে তেওঁক বন্দী কৰি আদৰণিৰ প্ৰত্যুত্তৰ দিছিল (১৫১৯ চন)। এজটেক সাম্ৰাজ্যত থকা অন্তৰ্দ্বন্দৰ সুবিধা পুৰামাত্ৰাই গ্ৰহণ কৰি আৰু সম্ৰাটে তেওঁক দেৱতা জ্ঞান কৰাৰ সুবিধা লৈ, সোণ, ৰূপ আৰু ঐশ্বৰ্য্যৰ প্ৰতি লালায়িত স্পেইনৰ বীৰ যোদ্ধাসকলে (!) লুণ্ঠনত হাত দিছিল। অৱশেষত আমেৰিকাত নথকা মহামাৰীবোৰে (বিশেষকৈ বসন্ত ৰোগে) এজটেকসকলৰ প্ৰতিৰোধ ধূলিস্যাৎ কৰি দিছিল। একেধৰণৰ দুৰ্ঘটনা ঘটিছিল দক্ষিণ আমেৰিকাৰ বিখ্যাত ইনকাসকলৰ ভাগ্যতো। সেয়া ১৫৩২ চনৰ কথা। সম্ৰাট এটেহুৱালপাই স্পেইন দেশৰ লুণ্ঠনকাৰী ফ্ৰেনছিছকো পিয়াজেৰোক সোণ-ৰূপ দিয়াত কাৰ্পণ্য কৰা নাছিল। প্ৰতিদানত সম্ৰাটক দিয়া হৈছিল মৃত্যুদণ্ড! মাত্ৰ বিশ বছৰৰ ভিতৰত অচিন ৰোগসমূহ (যাৰ বাহক আছিল ইউৰোপীয়সকল) আৰু লুণ্ঠনকাৰীৰ ধ্বংসযজ্ঞই দুটা সুশৃংখল আৰু উন্নত অঞ্চল ধ্বংসৰ গৰাহলৈ ঠেলি দিছিল। একেধৰণৰ ঘটনা ঘটিছিল সমগ্ৰ আমেৰিকাতে। সোণ, ৰূপ আৰু উৰ্বৰা মাটিৰ লোভত ইউৰোপীয়সকলে আমেৰিকান-ইণ্ডিয়ানসকলক বাস্তুহাৰা কৰিছিল আৰু বসন্ত, হাইজা, ফ্লু আদি মহামাৰীয়ে তেওঁলোকৰ সংখ্যা দ্ৰুতভাৱে কমাই আনিছিল। আধুনিক তথ্য-ভিত্তিক গৱেষণাই দেখুৱাইছে যে সমুখ আৰু ন্যায়যুদ্ধত আমেৰিকাৰ এজটেক ইনকা আৰু কিছুমান সভ্যতাক ইউৰোপীয়সকলে পৰাভূত কৰিব নোৱাৰিলেহেঁতেন। কিন্তু 'ভাইৰাছ' নামৰ গোপনাস্ত্ৰৰ বিৰুদ্ধে ইণ্ডিয়ানসকলৰ কোনো প্ৰতিৰোধ নাছিল। প্ৰায় ১৫২০ চনৰ পৰাই আমেৰিকান-ইণ্ডিয়ানসকলক মহামাৰীবোৰে বনজুইৰ দৰে বিয়পি জুৰুলা কৰিছিল; ইউৰোপীয়সকলো (কমকৈ) আক্ৰান্ত হৈছিল; কিন্তু সকলতে এনে ৰোগৰ প্ৰতিৰোধক্ষমতা আহৰণ কৰা বাবে এওঁলোকৰ মৃত্যুৰ পৰিমাণ আছিল কম। ভাইৰাছৰ যুদ্ধত হাৰি নোযোৱা হ'লে আমেৰিকাৰ ইতিহাস তথা পৃথিৱীৰ ইতিহাসৰ গতিপথ হয়তো (কলম্বাছ-উত্তৰ যুগত) সম্পূৰ্ণ বেলেগ হ'লহেঁতেন।

১৫৯৭ চনত অংকিত পৃথিৱীৰ মানচিত্ৰ। তেতিয়াও পৃথিৱীৰ মানচিত্ৰত বহুতো ভুল আছিল। (ব্ৰহ্মপুত্ৰ-গংগাৰ অৱস্থানলৈ মন কৰিলেহে কথাটো ধৰা পৰে।)




আমেৰিকা মহাদেশৰ উদ্ভিদ আৰু কৃষিজাত সামগ্ৰী পুৰণি পৃথিৱীৰ উদ্ভিদ আৰু কৃষিজাত সামগ্ৰীতকৈ যথেষ্ট বেলেগ আছিল। আলু আৰু বিলাহী আমাৰ প্ৰিয় খাদ্য; কিন্তু ১৫০০ চনলৈকে পুৰণি পৃথিৱীৰ মানুহে এনে শস্যৰ কথা নাজানিছিল। মাকৈজোৱা, মিঠা আলু, কাকৰ' ছানফ্লাৱাৰ আদি শস্যৰ বীজ আহিছিল আমেৰিকাৰ পৰা। আটলাণ্টিক পাৰ হৈ ঘেঁহু আৰু কুহিয়াৰে আমেৰিকাত সাম্ৰাজ্য বিস্তাৰ কৰিছিল! আলু হৈ পৰিছিল আয়াৰলেণ্ডৰ প্ৰধান খাদ্যশস্য!

কলম্বাছৰ তথাকথিত আৱিষ্কাৰৰ যাত্ৰাই এনেদৰে এটা ডাঙৰ কাৰ্য সমাধা কৰে। পৃথিৱীৰ জীৱজগত আৰু মানুহৰো এক ধৰণৰ একীকৰণ কাৰ্য এই অভিযানৰ পাছত আৰম্ভ হয়। কৃষিৰ ক্ষেত্ৰত নতুন-নতুন শস্যৰ আদান-প্ৰদানে দুই অঞ্চলৰ কৃষিকাৰ্য শক্তিশালী কৰি তোলে। কলম্বাছক অনুসৰণ কৰি অন্যান্য অভিযাত্ৰী যেনে—ভাস্কো-দা-গামা, মেগেলান আদিয়ে নতুন-নতুন সমুদ্ৰপথ আৰু অঞ্চল আৱিষ্কাৰ কৰে। তদুপৰি সম্পূৰ্ণভাৱে অচিনৰ অথচ সফল সমাজ-ব্যৱস্থা, ৰাষ্ট্ৰ-ব্যৱস্থা আদিৰ লগত মুখামুখি হৈ ইউৰোপৰ বুদ্ধিজীৱীসকলে নিজস্ব সমাজ, ৰাষ্ট্ৰ আৰু ধৰ্ম-ব্যৱস্থাৰ কথাবোৰ চালি-জাৰি চাবলৈ বাধ্য হয়।

খাদ্যশস্যৰ কথাই ধৰা হওক। বহুত দিনজোৱা কটা-মৰা, যুদ্ধ, প্লেগ আদিৰ অলপ উপশম ঘটাত ইউৰোপৰ জনসংখ্যা ওঠৰ শতিকাত বাঢ়িবলৈ আৰম্ভ কৰে। কিন্তু উত্তৰ ইউৰোপত আলু আৰু ভূমধ্য সাগৰীয় অঞ্চলত মাকৈৰ খেতি (আমেৰিকাৰ পৰা অহা) বেছিকৈ নকৰা হ'লে এই বৰ্ধিত লোকসকলে অনাহাৰত ভুগিলেহেঁতেন। আমেৰিকা আৰু আমেৰিকান শস্যৰ পৰা পোৱা বৰ্ধিত ফচল ইউৰোপৰ ঔদ্যোগিক বিপ্লৱৰ মুখ্য সহায়ক। আকৌ, বিগত দুশ বছৰত আমেৰিকাই বিশ্ব ইতিহাসত গভীৰ প্ৰভাৱ পেলাইছে। এই প্ৰভাৱ অকল ইউৰোপীয় সভ্যতাৰ প্ৰভাৱৰ বিস্তাৰ বুলি ভাবিলে ভুল হ'ব। এক বহুজাতিক ৰাষ্ট্ৰ গঢ়াৰ পৰীক্ষাত আব্ৰাহাম লিংকনৰ দিনৰ পৰাই যথেষ্ট ত্যাগ আৰু কষ্ট স্বীকাৰ কৰা হৈছে। আমেৰিকাৰ সংবিধান মানৱ ইতিহাসৰ এক মূল্যবান দলিল। গতিকে কলম্বাছৰ দুষ্কৰ্মৰ কথা নাপাহৰাকৈও ক'ব পাৰি যে ১৪৯২ চনৰ ১২ অক্টোবৰ তাৰিখে কলম্বাছে ৱেষ্ট-ইণ্ডিজত ভৰি দিয়াৰ লগে-লগে অপৰিবৰ্তনীয়ভাৱে বিশ্ব-ইতিহাসৰ এক নতুন যুগৰ সূচনা হৈছিল। বিভিন্ন সময়ত বিভিন্নজনে কলম্বাছৰ জীৱনৰ আৰু কৰ্মৰ ভিন্নমুখী ব্যাখ্যা আগবঢ়াব; কেতিয়াবা কলম্বাছ হ'ব মহাপুৰুষ, কেতিয়াবা মহাদস্যু। কলম্বাছে মৃত্যুশয্যাত কৰা চিন্তাৰ আনুমানিক বিৱৰণী ৱাল্ট হুইটমেনে এনেদৰে দিছে ঃ

What do I know of life ? What of myself ?
I know not even my work past or present ;
Dim evershifting guesses of it spread
before me, of newer worlds, ... ...
Mocking, perplexing me.

কলম্বাছৰ সন্দেহ, বীৰতা, কাপুৰুষতা, লোলুপতাৰ ঊৰ্ধ্বত থাকিব তেওঁৰ অসীম সাহসিক প্ৰচেষ্টা আৰু নতুন পৃথিৱীক পুৰণি পৃথিৱীৰ আগত মোকলাই ধৰাৰ কৃতিত্ব।

### কলম্বাছ

জন্ম—জেনোৱা, ইটালি, ১৪৫১ চনত

১৪৭৬—জীৱিকাৰ সন্ধানত পৰ্টুগালত উপস্থিত; নাবিক হিচাপে ইংলেণ্ড, আয়াৰলেণ্ড, আফ্ৰিকা ভ্ৰমণ।

১৪৭৮—ফিলিপা মনিজৰ লগত বিবাহ।

১৪৮৪—অভিযানৰ বাবে পৰ্টুগাল আৰু ইংলেণ্ডৰ ৰজাৰ সাহায্য পোৱাত বিফল হৈ স্পেইনলৈ যাত্ৰা।

৩ আগষ্ট, ১৪৯২—স্পেইনৰ ৰাণী ইজাবেলাৰ কৃপাধন্য হৈ নিনা, পিণ্টা আৰু ছাণ্টা মেৰিয়া নামৰ জাহাজ লৈ এছিয়াৰ উপকূল বিচাৰি আটলাণ্টিকত পশ্চিমমুৱা যাত্ৰা।

১২ অক্টোবৰ, ১৪৯২—ছান-ছালভেডৰৰ (ৱেষ্ট ইণ্ডিজ) উপকূলত পদাৰ্পণ। প্ৰথম যাত্ৰাৰ সফলতাৰ পাছত কলম্বাছে আদিবাসীসকলৰ লগত ভালদৰে ব্যৱহাৰ কৰিছিল। বাহামা, কিউবা আৱিষ্কাৰ।

২৫ ছেপ্টেম্বৰ, ১৪৯৩—দ্বিতীয় অভিযান। উপনিবেশ প্ৰতিষ্ঠাৰ লগত জড়িত হিংসা, ধ্বংস আৰু মৃত্যুৰ বীভৎসতা আৰম্ভ। ১৪৯৪ চনত কলম্বাছ দাস-ব্যৱসায়ত লিপ্ত। (ইজাবেলাই দাসৰ ওপৰত চলা অমানুষিক অত্যাচাৰৰ কথা মুঠেই ভালপোৱা নাছিল।) ১৪৯৬ চনত প্ৰত্যাৱৰ্তন।

১৫০০—স্পেইন সাম্ৰাজ্যৰ অত্যাচাৰী শাসক কলম্বাছক বন্দী কৰি স্পেইনলৈ অনা হয়।

১৫০৬—সাধাৰণ অৱস্থাত, ভগ্ন স্বাস্থ্য কলম্বাছৰ মৃত্যু।

কলম্বাছ এজনা স্বপ্নদ্ৰষ্টা নাবিক, কিন্তু মানুহ হিচাপে লোভী, উচ্চাকাংক্ষী আৰু নিষ্ঠুৰ। তেওঁ আৰম্ভ কৰা আদিবাসী নিষ্পেষণ, হত্যা আৰু দাস ব্যৱসায় পাছলৈকো চলি থাকে।

## প্ৰান্তিকৰ লেখক-লেখিকাসকললৈ এটি অনুৰোধ

প্ৰান্তিকলৈ পঠোৱা লেখাসমূহ পৰিষ্কাৰ আখৰেৰে কাগজৰ এপিঠিত লিখি পঠোৱা উচিত। সম্পাদনাৰ সুবিধাৰ অৰ্থে দুটা শাৰীৰ মাজত সৰহকৈ ঠাই ৰখাটো প্ৰয়োজনীয়। কাগজৰ দুয়োপিঠিত, বুজিব নোৱৰা আৰু ঘন আখৰেৰে লিখি পঠোৱা নিবন্ধ আদি সম্পাদনা কৰোঁতে আমাৰ যথেষ্ট অসুবিধা হয়। এনে ক্ষেত্ৰত ছপাৰ ভুল ৰৈ যোৱাৰো সম্ভাৱনা থাকে।

লেখাসমূহ যথাসম্ভৱ চুটি হোৱাটো বাঞ্ছনীয়। অতিপাত দীঘল হোৱা বাবেই আমি বিষয়বস্তুৰ দিশৰ পৰা প্ৰকাশযোগ্য ভালেমান প্ৰবন্ধ ছপা কৰিব পৰা নাই।

একাধিক লেখক-লেখিকাই প্ৰান্তিকত প্ৰকাশৰ বাবে পঠোৱা একোটা নিবন্ধ একে সময়তে আন-আন কাকতলৈও পঠায় বুলি জানিব পৰা গৈছে। এনে কাৰ্যই আন-আন কাকতসমূহৰ লগতে আমাকো যথেষ্ট অসুবিধাত পেলায়। লেখক-লেখিকাসকলে আমাৰ এই অসুবিধাটোৰ প্ৰতি মনোযোগ দিব বুলি আমি আশা কৰিছোঁ; আৰু আমালৈ পঠোৱা লেখা ইতিমধ্যে যদি তেখেতসকলে আন কাকতলৈও পঠাইছে, তেন্তে কথাটো আমাক জনাবলৈ অনুৰোধ কৰিছোঁ।

একোসময়ত ভালেমান প্ৰকাশযোগ্য প্ৰবন্ধ আমাৰ হাতত থাকে কাৰণে নিৰ্দিষ্ট সময় বা ঘটনাৰ লগত সম্বন্ধ নথকা কিছুমান প্ৰবন্ধ প্ৰকাশ কৰাত পলম হয়। এই কথা যেন লেখক-লেখিকাসকলে সহৃদয়তাৰে গ্ৰহণ কৰে।


লেখক-লেখিকাসকলে প্ৰতিলিপি নিজৰ হাতত ৰাখিহে আমালৈ লেখা পঠোৱা উচিত। অমনোনীত লেখা ওভোতাই পাবলৈ হ'লে লেখাৰ লগত উপযুক্ত পৰিমাণৰ ডাক-টিকট লগোৱা আৰু নিজৰ সম্পূৰ্ণ নাম-ঠিকনা লিখা লেফাফা থকা উচিত। প্ৰকাশ কৰিব নোৱৰা বাবে যিবোৰ নিবন্ধ ওভোতাই পঠোৱা হয়, সেইবোৰৰ কিয় ওভোতাই পঠোৱা হ'ল সেই কথা লিখি জনোৱাটো আমাৰ পক্ষে সম্ভৱ নহয়।

অনুদিত গল্প, কবিতা, নিবন্ধ আদি পঠালে মূল লেখকৰ অনুমতি-পত্ৰৰ প্ৰতিলিপি লগত গাঁথি দিব লাগিব। তেতিয়াহে এনে লেখা প্ৰকাশৰ বাবে বিবেচনা কৰা হ'ব।

প্ৰবন্ধ-পাতি তলত দিয়া ঠিকনালৈ পঠাব ঃ

সম্পাদক, প্ৰান্তিক
নবগিৰি পথ, চানমাৰি,
গুৱাহাটী—৭৮১০০৩

CKDISCD



# অভিশপ্ত কলম্বাছ


ড দিলীপ কুমাৰ দত্ত

আমেৰিকাবাসীৰ কাৰণে খ্ৰিষ্টফাৰ কলম্বাছ (১৪৫১-১৫০৬) এক চিৰস্মৰণীয় নাম। এই দুঃসাহসিক নাবিক গৰাকীয়ে ১৪৯২ খৃষ্টাব্দৰ ১২ অক্টোবৰৰ দিনাখন এই নতুন পৃথিৱী আমেৰিকালৈ পথ উলিয়াই দিয়া কাৰণে তেওঁক সকলো আমেৰিকাবাসীয়ে সোঁৱৰে। প্ৰতি বছৰে তেওঁলোকে ১২ অক্টোবৰৰ দিনটো কলম্বাছ দিন বুলি এক জাতীয় উৎসৱ ৰূপে পালন কৰে। সেইদিনা সকলো চৰকাৰী কাৰ্যালয়, স্কুল-কলেজ আদি বন্ধ থাকে। আজি ১২ অক্টোবৰ; এই বছৰৰ এই কলম্বাছ দিনৰ বন্ধতে এই প্ৰবন্ধটো লিখিবলৈ বহিছোঁ। কলম্বাছে আমেৰিকা আৱিষ্কাৰ কৰাৰ আজি ৫০০ বছৰ হ'ল। সেয়েহে এই বছৰৰ উৎসৱটো বেছি তাৎপৰ্যপূৰ্ণ। আজিৰ দিনটো পালনৰ কাৰণে আমেৰিকাৰ ভিন-ভিন চহৰত আজি বহুত দিনৰে পৰা আয়োজন চলি আহিছে। ৫০০ বছৰীয়া হোৱাৰ উপৰিও এই বছৰৰ কলম্বাছ দিনৰ উৎসৱটো আন কেইবাটাও কাৰণে বিশেষ তাৎপৰ্যপূৰ্ণ।

## হায় কলম্বাছ!

দুয়োখন আমেৰিকাত বাস কৰা আদিম অধিবাসীসকলৰ কাৰণে কলম্বাছৰ আৱিষ্কাৰ এক বিৰাট অভিশাপ; ইয়েই তেওঁলোকৰ সৰ্বনাশ কৰিলে। এই আৱিষ্কাৰৰ পাছত তেওঁলোকৰ ৰাজ্যবিলাকলৈ হোৱা ইউৰোপীয় প্ৰব্ৰজনকাৰীসকলৰ হাতত এই আদিম অধিবাসীসকলে নিজৰ ৰাজ্য, ঐশ্বৰ্য-বিভূতি, কলা-কৃষ্টি, মান মৰ্যাদা সকলো হেৰুৱাই পৰাধীন হ'ব লগীয়া হোৱাৰ উপৰিও তেওঁলোকৰ বহু জাতি সম্পূৰ্ণ নিশ্চিহ্ন হ'ব লগীয়া হ'ল। ৰাজ্যলোভী, ক্ষমতা-লোভী, সম্ভোগ-লোভী ইউৰোপীয় লোকসকলে তেওঁলোকৰ ওপৰত ভোকাতুৰ হিংস্ৰ জন্তুৰ দৰে জঁপিয়াই পৰি তেওঁলোকৰ নিধন যজ্ঞ আৰম্ভ কৰাৰ উপৰিও তেওঁলোকৰ দেশলৈ আনিলে তেওঁলোকৰ দেহ-মনে নজনা-নুশুনা নানা ধৰণৰ বেমাৰ-আজাৰ, মহামাৰী আদি। এই লোকসকল অহাৰ আগলৈকে প্ৰাচীন আমেৰিকাত বসন্ত, টাইফয়ড, কলেৰা আদি নাছিল। সেয়েহে, আমেৰিকাৰ প্ৰাচীন আদিম অধিবাসীসকলৰ শতকৰা ৬০ ভাগেই অতি কম দিনৰ ভিতৰতে নিঃশেষ হ'ল। পাছৰ শাসকসকলৰ কিঞ্চিৎ দয়া-মৰমত যি অৱশিষ্ট অধিবাসী আজিৰ সংৰক্ষিত অঞ্চলত আছে, আজি তেওঁলোকৰ অৱস্থাও শোচনীয়। যোৱা সপ্তাহৰ ৬ অক্টোবৰত এমনেষ্টি ইন্টাৰনেশ্যনেলে প্ৰকাশ কৰা এক ৰিপ'ৰ্ট মতে যুক্তৰাষ্ট্ৰ, মেক্সিকো, বলিভিয়া, গোৱাটেমালা আদি ৰাজ্যত থকা প্ৰায় ৩ কোটি আদিম অধিবাসী আজিও চৰকাৰে আওপকীয়াভাৱে সমৰ্থন কৰা বা চৰকাৰী পৃষ্ঠপোষকতাত কৰা পাশৱিক অত্যাচাৰত ভুগি আছে। আজিও তেওঁলোকৰ ওপৰত প্ৰণালীবদ্ধ নিৰ্মম শাস্তি, বলাৎকাৰ, হত্যা আদি চলি আছে। এইটো উল্লেখযোগ্য যে এইবাৰ শান্তিৰ নোবেল বঁটা বিজয়ী ৰিগোবেৰ্টা মেন্সু হৈছে গোৱাটেমালাৰ কিচ ইণ্ডিয়ান জাতিৰ মহিলা। তেওঁ আজি বহু বছৰ ধৰি গোৱাটেমালাত চৰকাৰে তাৰ আদিম অধিবাসীসকলৰ ওপৰত চলাই অহা বৰ্বৰতাৰ বিপক্ষে বিশ্ববাসীক অৱগত কৰাৰ উপৰিও তাৰ বিৰুদ্ধে শান্তিপূৰ্ণ সংগ্ৰাম চলাই আহিছে। ৰিগোবেৰ্টাৰ মতে গোৱাটেমালাৰ চৰকাৰে যোৱা কেইবছৰতে তেওঁৰ মাক-দেউতাক আৰু ভায়েককে ধৰি তেওঁলোকৰ জনগোষ্ঠীৰ ১০০,০০০তকৈও অধিক লোকক হত্যা কৰিছে।

সেয়েহে, উত্তৰ আৰু দক্ষিণ আমেৰিকাৰ আদিম অধিবাসীসকলে কলম্বাছ-দিনৰ উলহ-মালহত আনন্দেৰে যোগদান দিয়া দূৰৈতে থাওক, সেইবিলাকৰ ঘোৰ বিৰোধিতাহে কৰিছে। উদাহৰণ স্বৰূপে, কেলিফৰ্নিয়াৰ বাৰ্কলি চহৰত এই দিনটোক 'থলুৱা অধিবাসীৰ দিন' বুলিহে পালন কৰা হ'ব। বষ্টন মহানগৰীত এই দিনটোক ৰে'ড ইণ্ডিয়ানসকলৰ এক পওৱাও (Powwow) অৰ্থাৎ ভোজ আৰু নাচৰ মেলা ৰূপেহে পালন কৰা হ'ব। সেইদৰে, কাইলৈ ১৩ অক্টোবৰত কলম্বাছৰ দিন সুঁৱৰি মেক্সিকোৰ ৰাষ্ট্ৰপতি কাৰ্লছ ছেলিনাছে ভেৰাক্ৰুজ ৰাজ্যত অলপতে আৱিষ্কৃত হোৱা ট'লটেক (Toltec) ভগ্নাৱশেষ উদ্বোধনী উৎসৱ বৰ সুখৰ নহ'ব যেন লাগিছে। এই উদ্বোধনী উৎসৱত আনৰ লগতে স্পেইনৰ ৰজা আৰু ৰাণী উপস্থিত থকাৰ কথা যদিও সেই উৎসৱৰ প্ৰতিবাদ কৰিবলৈ মহাদেশ




দুখনৰ বহু ঠাইৰ পৰা হাজাৰ-হাজাৰ আদিম অধিবাসীও তাত উপস্থিত হ'বহি। ভেৰাক্ৰুজ ৰাজ্যৰ কেন্দ্ৰস্থল যাকালোত আদিম অধিবাসীসকলৰ ভালেমান নেতাই ইতিমধ্যে নানা দাবীত অনশন আৰম্ভ কৰিছে। এওঁলোকৰ আন-আন দাবীৰ ভিতৰত এটা দাবী হৈছে যাকালোত থকা কলম্বাছৰ প্ৰতিমূৰ্তিটো আঁতৰোৱা।

আন-আন দেশতো কলম্বাছৰ দিন পালনৰ একেই অৱস্থা। উদাহৰণ স্বৰূপে, কলম্বাছে প্ৰথম স্থায়ী বসতি স্থাপন কৰা ডমিনিকান গণৰাজ্যৰ চৰকাৰে এই দিনটো বৰ জাকজমককৈ পাতিবলৈ যো-জা কৰিছিল আৰু কলম্বাছৰ স্মৃতি চিৰযুগমীয়া কৰিবলৈ ১৮৫২ চনৰে পৰা সাজিবলৈ আঁচনি লোৱা প্ৰদীপ দ'লটোও প্ৰায় ২১০ কোটি টকা খৰচ কৰি সাজি শেষ কৰিলে। কিন্তু সেই প্ৰদীপ দ'লটোৰ উদ্বোধনী উৎসৱৰ প্ৰায় সকলো আঁচনি ৰাইজৰ বিৰোধিতাৰ কাৰণে বাদ দিব লগীয়া হ'ল। ডমিনিকান ৰাজ্যৰ ৰাষ্ট্ৰপতি জোৱাকিন বালাগোৱাৰে কলম্বাছৰ প্ৰতিমূৰ্তিত কেইপাহমান মৰহা ফুল দিয়েই সন্তুষ্ট হ'ব লগীয়া হ'ল। এই অঞ্চলৰ ৰাইজৰ বিশ্বাস যে কলম্বাছক সেই সময়ত এই অঞ্চলত বাস কৰা আৰাৱাক ইণ্ডিয়ানসকলে (যিসকল আজি সম্পূৰ্ণ নিশ্চিহ্ন) এটা 'ফুচু' অৰ্থাৎ অভিশাপ দিছিল আৰু সেই অভিশাপৰ কাৰণেই হেনো আজি কলম্বাছৰ এনে অৱস্থা; —তেওঁৰ স্মৃতি যুগমীয়া কৰিবলৈ কৰা সকলো প্ৰচেষ্টাত কিবা নহয় কিবা বিজুতি ঘটিছে। আনকি এই অভিশাপৰ কাৰণেই হেনো যোৱা সপ্তাহত প্ৰদীপ দ'লটো পৰীক্ষা কৰি অহাৰ পাছত ৰাষ্ট্ৰপতি বালাগোৱাৰৰ ভনীয়েক এমাই হৃদযন্ত্ৰ বন্ধ হোৱাৰ ফলত প্ৰাণ হেৰুৱায়। সেইদৰে কলম্বাছে প্ৰথমে আহি পদাৰ্পণ কৰা ঠাই বুলি খ্যাত বাহামাতো এইবাৰৰ আয়োজন পাতলীয়া ধৰণৰ। কলম্বাছে আৱিষ্কাৰ কৰা বুলি খ্যাত হাইটি, কিউবা, প'ৰ্টৰিকো আৰু জামাইকাতো এইবাৰ এই দিনটো পালনৰ বাবে অকণো উৎসাহ দেখা নাযায়।

এনে হোৱাৰ প্ৰধান কাৰণ এয়েই যে এই দেশসমূহৰ ৰাইজে (আদিম অধিবাসীয়েই হওক বা ইউৰোপীয় লোকৰ সতি-সন্ততিয়েই হওক) সকলোৱেই আজিৰ ইউৰোপীয়সকলৰ মইবৰ ভাবক প্ৰত্যাখ্যান কৰিবলৈ লৈছে। তেওঁলোকে সেই সময়ত সভ্য সমাজ-ব্যৱস্থাৰ লোকেৰে ঘন বসতি থকা এই অঞ্চলবিলাকক কলম্বাছে 'আৱিষ্কাৰ' কৰা বুলি থকা ইউৰোপীয়সকলৰ ভাবধাৰাক ধিক্কাৰ দিবলৈ লৈছে। তেওঁলোকৰ মতে, 'এইবিলাক ঠাই ইয়াত আছিলেই, তাক আৰু কি আৱিষ্কাৰ কৰাৰ কথা!' তেওঁলোকে কয় 'কলম্বাছ আমাৰ বীৰ নহয়'। তদুপৰি এতিয়া এইটোও প্ৰমাণিত হৈছে যে এই মহাদেশত পদাৰ্পণ কৰা কলম্বাছ প্ৰথম ইউৰোপীয় নহয়। তেওঁৰ আগতে নৰ্ছমেন বুলি জনাজাত উত্তৰ ইউৰোপৰ দুৰ্দান্ত লোকসকল আমেৰিকালৈ আহিছিল। তদুপৰি কলম্বাছ অহাৰ আগতেই গ্ৰিনলেণ্ডৰ পৰা লাইফ এৰিকছনৰ নেতৃত্বত অহা ভাইকিংসকলৰ এটা দলে কানাডাত বসতি আৰম্ভ কৰিছিল।

আটাইতকৈ মন কৰিব লগীয়া কথা এইটোৱেই যে কলম্বাছৰ ভুলৰো অন্ত নাই। প্ৰথমৰ পৰা শেষলৈকে তেওঁ ভুলেই কৰিলে; —ভুল গণনা, আমেৰিকাক 'এছিয়া' বুলি ভবাৰ ভুল, চীন আৰু ৱেষ্ট ইণ্ডিজৰ পাৰ্থক্য নুবুজাৰ ভুল, এই অঞ্চলৰ লোকক 'কাৰিব' (অৰ্থাৎ নৰখাদক) বুলি আখ্যা দিয়াৰ ভুল (এই আখ্যাৰ পৰাই আজিৰ কাৰিবিয়ান দ্বীপপুঞ্জ নামটো ওলাইছে)। সেয়েহে, আজিৰ এই

অভিশপ্ত কলম্বাছৰ ভুল কিছু ফঁহিয়াই চোৱা যুগুত হ'ব।


## কলম্বাছৰ ভুল গণনা

যথাৰ্থতে কলম্বাছ এজন জ্ঞানপিপাসু নাবিক, যি নিজৰ অধ্যয়ন, গৱেষণা আৰু অনুশীলনেৰে কিছুমান নতুন সূত্ৰ আবিষ্কাৰ কৰিছিল আৰু সেইবিলাকৰ সত্যাসত্যতা প্ৰমাণ কৰিবলৈ নিজৰ সকলো শক্তি প্ৰয়োগ কৰিবলৈ আৰু সকলো বিপদ বিঘিনিৰ সম্মুখীন হ'বলৈ ভয় নকৰিছিল। কলম্বাছক ভিন-ভিন যুগত ভিন-ভিন ৰূপে চোৱা হৈছে ; —সমুদ্ৰ বিজয়ী দুঃসাহসিক নাবিক ৰূপে, স্বেচ্ছাচাৰী নায়ক ৰূপে, ৰাজদ্ৰোহী ৰূপে, আনকি সময়ে-সময়ে তেওঁক এজন অত্যাচাৰী, ব্যভিচাৰী লোক বুলিও বুজাবলৈ চেষ্টা কৰা হৈছিল। যোৱা শতিকাত আকৌ তেওঁক এজন সাধু-সন্ত (saint) ৰূপেও চোৱা হৈছে। এই বহু প্ৰতিভাশালী আৰু অসাধাৰণ ব্যক্তিজনৰ জীৱন আৰু কাৰ্যাৱলী সেয়েহে দলিয়াই পেলাব লগীয়া ধৰণৰ নহয়।

কলম্বাছক এজন বৈজ্ঞানিক বুলি নধৰিলেও তেওঁক এজন কৰ্মদক্ষ গৱেষক বুলি আমি মানিবলৈ বাধ্য। গৱেষক মানেই হৈছে অধ্যয়ন, গৱেষণা, অনুশীলন আৰু সৃষ্টি, আৰু এই চাৰিও ক্ষেত্ৰত নেৰানেপেৰা চেষ্টা কৰা লোক। কলম্বাছৰ আমেৰিকা আবিষ্কাৰৰ ক্ষেত্ৰত এই সকলোখিনিৰ উপৰিও আন বহুতো গুণ দেখা যায়। কলম্বাছে বহু অধ্যয়ন আৰু পৰীক্ষা-নিৰীক্ষাৰ পাছত তলত দিয়া সিদ্ধান্তকেইটাত উপনীত হৈছিল ঃ (১) পৃথিৱীখন ঘূৰণীয়া ; (২) পৃথিৱীৰ মাজ ভাগৰ পৰিধিত ১ ডিগ্ৰিৰ দূৰত্ব হৈছে ৪৫ নৌ মাইল ; (৩) ইউৰোপৰ পৰা পশ্চিমলৈ গৈ থাকিলে ২১ দিনৰ পাছতে এছিয়া পাবগৈ পাৰি ; (৪) ইউৰোপৰ পুব উপকূলত থকা কেনেৰি দ্বীপপুঞ্জৰ পৰা চিপাংগা (অৰ্থাৎ জাপানলৈ) দূৰত্ব হৈছে ২,৪০০ নৌ মাইল ; (৫) শৰৎ কালত কেনেৰিৰ পৰা পশ্চিমলৈ বতাহ বলে কাৰণে সেই সময়ত সেই পিনেৰে পাল তৰা নাৱেৰে পশ্চিমলৈ যোৱা সহজ ; উভতি আহোঁতে কিন্তু অলপ উত্তৰেদি এজ'ৰ দ্বীপপুঞ্জ হৈ অহা সহজ হ'ব।

আজিৰ জ্ঞানেৰে কলম্বাছৰ এই সিদ্ধান্তৰ প্ৰথম আৰু শেষৰটোৰ বাদে আন কেইটাত মাৰাত্মক ভুল আছে। বিশেষকৈ তেওঁ দিয়া সংখ্যাবিলাক সঠিক নহয়। প্ৰথমে, পৃথিৱীৰ মাজ ভাগৰ পৰিধিত ১ ডিগ্ৰিৰ সঁচা দূৰত্ব হৈছে ৬০ নৌ মাইল। (আচলতে নৌ মাইলৰ সংজ্ঞাটোতে ইয়াৰ দূৰত্বৰ কথাটো সোমাই আছে। এক নৌ মাইল হৈছে বিষুব ৰেখা বা পৃথিৱীৰ কেন্দ্ৰক কেন্দ্ৰ কৰি থকা পৃথিৱীৰ সৈতে একে ব্যাসাৰ্ধৰ যি কোনো বৃত্তৰ ওপৰেদি গ'লে ১ মিনিট কোণৰ দূৰত্ব)। সেইদৰে কেনেৰি দ্বীপপুঞ্জৰ পৰা জাপানলৈ সঁচা দূৰত্ব হৈছে ১০,৬০০ মাইল। কলম্বাছৰ জন্ম হয় ইটালিৰ জেনোৱা চহৰত ১৪৫১ খৃষ্টাব্দত ; উল বচা এক সাধাৰণ পৰিয়ালত। তেওঁ নাবিকৰ জীৱন লৈ প্ৰথমে এবাৰ তেতিয়া জেনোৱাৰ অধীনত থকা তুৰস্কৰ কাষৰীয় কিয়ছ দ্বীপলৈ যায়। তাতেই তেওঁ পুবৰ এছিয়াৰ দেশবিলাকৰ লগত চলা লাভজনক বেহা-বেপাৰ দেখি আহে আৰু আৰবসকল শক্তিশালী হ'লে যে সেই বেহা-বেপাৰ বন্ধ কৰিব পাৰে তাৰ সম্ভাৱনা দেখি আহে। ১৪৭৬ খৃষ্টাব্দত তেওঁ পাল তৰা জাহাজেৰে ভূমধ্যসাগৰ এৰি মহাসাগৰ অভিমুখী হওঁতে সমুদ্ৰ দস্যুৱে তেওঁলোকৰ জাহাজ আক্ৰমণ কৰি সেইখন ডুবাই পেলায়। তেওঁ সাঁতুৰি, শেহত কেইজনমান মাছমৰীয়াৰ সহায়ত কথমপিহে প্ৰাণ ৰক্ষা কৰি পৰ্টুগালৰ লাগছ নামে ঠাইত উঠেগৈ। তাতেই তেওঁ আটলাণ্টিক মহাসাগৰৰ বিষয়ে নানান জ্ঞান আহৰণ কৰে। সম্ভৱ ১৪৭৭ খৃষ্টাব্দত তেওঁ আকৌ সাগৰলৈ যায় আৰু পাল তৰা জাহাজেৰে আইছলেণ্ড পৰ্যন্ত ভ্ৰমে।

তাৰ পাছত তেওঁ লিছবনলৈ আহি তেওঁৰ অধ্যয়ন আৰম্ভ কৰে। তেওঁ লেটিন ভাষা ভালদৰে শিকি সেই সময়ৰ গণিত, ভূগোল, জ্যোতিষ বিদ্যা আৰু দিক-নিৰ্ণয় বিদ্যা (navigation) ভালদৰে আয়ত্ত কৰে। সেই সময়তে তেওঁ লেটিন ভাষাত পোপ দ্বিতীয় পায়েছে লিখা পুথিত এৰাটছথেনিছে দিয়া পৃথিৱীৰ ব্যাসাৰ্ধৰ জোখ, ট'লেমিৰ ভূগোল, আৰু মাৰ্ক পলোৰ চীন আৰু জাপান ভ্ৰমণৰ কাহিনীবিলাক অধ্যয়ন কৰে। ১৪৭৮ খৃষ্টাব্দত কলম্বাছে লিছবনৰ ড'না ফিলিপা মনিজ নামে এগৰাকী পৰ্টুগিজ ছোৱালী বিয়া কৰায়। ফিলিপাৰ দেউতাকো এজন কৌতূহলপূৰ্ণ নৌ-সেনাপতি আছিল আৰু তেওঁ আটলাণ্টিক মহাসাগৰ, এজ'ৰ দ্বীপপুঞ্জ আদিৰ বিষয়ে নানান মেপ, চিত্ৰ, তথ্য-পাতি আদি সংগ্ৰহ কৰিছিল। ফিলিপাক বিয়া কৰাই কলম্বাছে মৃত শহুৰেকৰ কাগজ-পত্ৰবিলাক তন্ন-তন্নকৈ পৰীক্ষা কৰে। সেইবিলাকৰ মাজত টছকেনেলি নামে ভূগোলত বিশেষ ৰাপ থকা ডাক্তৰ এজনে লিখা এখন চিঠি আৰু আয়াৰলেণ্ডৰ পৰা আৰম্ভ কৰি ইউৰোপ আৰু আফ্ৰিকাৰ উপকূলত থকা ঠাই, দ্বীপ আদিৰ মেপ এখন




কলম্বাছৰ তিনিখন জাহাজৰ ভিতৰত ঘাই জাহাজ ছাণ্টা মেৰিয়াৰ কাল্পনিক ছবি। ৰছদ-পাতিৰে সৈতে চল্লিছজন নাবিকৰ দূৰ সমুদ্ৰ যাত্ৰাৰ বাবে এই জাহাজখন উপযোগী আছিল। মধ্য-আটালণ্টিকৰ বাণিজ্য-বায়ুৰ সহায়ত সুচলভাৱে এই জাহাজখনে গতি কৰিব পাৰিছিল। (ৰিডাৰ্চ ডাইজেষ্টৰ সৌজন্যত)



পাই কলম্বাছে তৎক্ষণাত টছকেনেলিৰ লগত যোগাযোগ কৰে। টছকেনেলিয়েও স্পেইনৰ পৰা জাপানৰ দূৰত্ব ৩,০০০ মাইল হ'ব বুলি কলম্বাছক জনায়।

মুঠৰ ওপৰত কলম্বাছে সেই সময়ত প্ৰচলিত পুথি, নথি-পত্ৰ আৰু সেই সময়ৰ বিশ্বস্ত লোকৰ মতামত আদিৰ ওপৰত নিৰ্ভৰ কৰিয়েই তেওঁৰ গণনাবিলাক কৰে। কিন্তু তেওঁ এৰাটছথেনিছৰ এক ডিগ্ৰিৰ দূৰত্ব ৫৯৫ নৌ মাইল আৰু তেওঁ নিজে জুখি পোৱা ৫৬৬৬ মাইল এৰি তাক কিয় ৪৫ মাইল বুলি ললে সেইটো আচৰিত। যিহওক, তেওঁৰ সেই ভুলৰ কাৰণে পৃথিৱীখন বহু সৰু কৰা হ'ল আৰু জাপানক স্পেইনৰ বহু ওচৰ কৰা হ'ল। সম্ভৱ, তেওঁ তেওঁৰ যাত্ৰাৰ কাৰণে আৰ্থিক সহায় আৰু পৃষ্ঠপোষকতা পাবৰ কাৰণেই তেনে কৰিছিল। এনে ভবাৰ এটা কাৰণ এয়েই যে কলম্বাছে তেওঁ আমেৰিকালৈ অহা যাত্ৰাৰ টোকাবহীতো দিনে কিমান দূৰ আহিল তাৰ এটা সঁচা লেখ নিজৰ কাৰণে লিখিছিল আৰু তেওঁৰ লগত যোৱা মানুহবিলাকক দেখুৱাবলৈ মিছাতে সেইবিলাক অলপ বেছিকৈ লিখিছিল ; কিয়নো তেওঁ ভাবিছিল,—বহু দূৰ বাট বাকী আছে বুলি তেওঁলোক হতাশ হ'ব পাৰে। অৰ্থাৎ নিজৰ কাম সিদ্ধি কৰিবলৈ চতুৰ কলম্বাছে হিচাপৰ ইফাল-সিফাল কৰিছিল।

## এছিয়ালৈ বুলি পশ্চিমৰ পথ লবলৈ কলম্বাছে কৰা সিদ্ধান্ত কিয় শুদ্ধ ?

কলম্বাছে সম্ভৱ আন কিছুমান তথ্য-পাতিৰ কাৰণে পশ্চিমলৈ নাৱেৰে গৈ থাকিলে নতুন ঠাইৰ সন্ধান পোৱাৰ সম্ভাৱনাটো দেখিছিল। লাগছত থাকোঁতেই তাৰ লোকে পশ্চিমৰ পছোৱাই অনা কিছুমান নল-খাগৰি আৰু সাগৰত ওপঙি অহা কাঠৰ টুকুৰা তেওঁক দেখুৱাইছিল। সেইবিলাক ইউৰোপৰ বস্তু নাছিল আৰু কাঠৰ টুকুৰাবিলাকত মানুহৰ হাতৰ কাম আছিল। এজ'ৰ দ্বীপপুঞ্জৰ লোকেও তেওঁক এবাৰ জনাইছিল যে আটাইতকৈ পশ্চিমত থকা ফ্লুৰে দ্বীপলৈ এবাৰ দুজন মানুহৰ মৰা শ ওপঙি আহিছিল। সেই মানুহ দুজনৰ মুখমণ্ডল আন কোনো ঠাইত দেখিবলৈ নোপোৱা ধৰণৰ বহল আছিল। আনকি কেনেৰি দ্বীপপুঞ্জতো কলম্বাছে ইউৰোপৰ আন কোনো ঠাইত নথকা গছ-গছনি দেখিবলৈ পাইছিল। এই সকলোবিলাকে তেওঁক বিশ্বাস কৰাইছিল যে কেনেৰি দ্বীপপুঞ্জৰ পশ্চিমত সাগৰৰ সিপাৰে মানুহৰ বসতি থকা ঠাই আছে,—আৰু সেই ঠাই নিশ্চয় বহু দূৰৈত নহয়। কলম্বাছৰ সেই সিদ্ধান্ত সঠিক আছিল। তেওঁৰ কেৱল ভুল হৈছিল—সেই ঠাইখন জাপান বা এছিয়াৰে আন এক অঞ্চল বুলি ভবাটো। এছিয়া, আফ্ৰিকা আৰু ইউৰোপৰ বাহিৰে আন কিবা মহাদেশ থাকিব পাৰে বুলি সেই কালত কোনো বৈজ্ঞানিকে ঠাৱৰ বা কল্পনা কৰা নাছিল। সেয়েহে কলম্বাছে তাৰ সম্ভাৱনা কেতিয়াও কল্পনা কৰা নাছিল। সেয়েহে, কলম্বাছৰ ভুলবিলাকৰ কাৰণেই তেওঁক আমি অৱমাননা কৰিব নোৱাৰোঁ। সেই সময়ৰ আপেক্ষিক জ্ঞান আৰু বিশ্বস্ত লোকৰ বিচাৰত তেওঁ এছিয়ালৈ পথ বিচাৰি পশ্চিমমুৱাকৈ পাল মেলা সিদ্ধান্ত শুদ্ধ আছিল।

তদুপৰি কলম্বাছৰ ধাৰণাত দুটামান অতিশয় গুৰুত্বপূৰ্ণ সত্য আছিল যি আজিও সত্য। সেইকেইটাৰ ভিতৰত প্ৰধান হৈছে পৃথিৱীখন ঘূৰণীয়া আৰু ইউৰোপৰ পৰা পশ্চিমলৈ গৈ থাকিলে এছিয়া পাবগৈ পাৰি। কলম্বাছৰ আগতে যদিও বহু চিন্তাশীল লোকে পৃথিৱীখন ঘূৰণীয়া বুলি বাৰে-বাৰে দোহাৰিছিল, তথাপি সেই কথা বহু ৰজা-মহাৰজা, ধৰ্ম যাজক আদিকে ধৰি সাধাৰণ ৰাইজে বিশ্বাস নকৰিছিল। কলম্বাছৰ দিক-বিজয়ৰ পাছত পৃথিৱীখন যে ঘূৰণীয়া সেই বিশ্বাস মানুহৰ মনত দকৈ সোমাল। আনকি ইউৰোপৰ পৰা আমেৰিকালৈ অহা-যোৱা পথৰ কলম্বাছে দিয়া সমিধান আজিও নাবিকসকলে মানে। এইবিলাক বিষয়ত কলম্বাছে যি নেতৃত্ব দিলে সি মানুহক নতুন প্ৰেৰণা যোগালে। প্ৰকৃততে ষোল শতিকাৰ ড্ৰেক, কুক, মেগালেন আদি আবিষ্কাৰকসকলৰ পথ কলম্বাছেই মুকলি কৰি দিলে। সেয়েহে, কলম্বাছৰ গণনাত ভুল থাকিলেও, তেওঁৰ সেই ঐতিহ্যপুৰ্ণ সমুদ্ৰ-যাত্ৰাৰ ফল সকলোৰে কাৰণে শুভ নহ'লেও, মানৱ ইতিহাসলৈ তেওঁৰ বৰঙণি আমি দলিয়াই পেলাব নোৱাৰোঁ।

কলম্বাছ আমেৰিকালৈ অহা প্ৰথম ইউৰোপীয় নহ'লেও তেওঁৰ সেই যাত্ৰা বহু কাৰণে মহত্ত্বপূৰ্ণ । তেৱেঁই প্ৰথমে এই অঞ্চলটোৰ লগত ইউৰোপৰ যোগাযোগৰ পথ মুকলি কৰি দি পৃথিৱীখনৰ প্ৰতি সকলোৰে দৃষ্টিভংগীৰ বিশেষ পৰিবৰ্তন ঘটালে। তেতিয়াৰে পৰা মানুহৰ ভৌগোলিক জ্ঞান-বিজ্ঞানৰ আমুল পৰিবৰ্তন আহিল। ই দুটা পৰস্পৰ অচিনাকি সভ্যতাৰ সম্পৰ্ক ঘটালে। ই নানা সংঘৰ্ষৰ সৃষ্টি কৰিলেও দুয়োটা সভ্যতাৰ লোক চিৰদিনৰ কাৰণেই উপকৃত হ'ল। এইটো উল্লেখযোগ্য যে আলু, গোমধান আৰু বিলাহী বেঙেনা ইউৰোপীয়সকলে আমেৰিকাৰ আদিম অধিবাসীসকলৰ পৰাই পালে। সেইদৰে, ইয়াৰ আদিম অধিবাসীসকল ইউৰোপীয়সকলৰ জ্ঞান-বিজ্ঞানৰ দ্বাৰা বিশেষভাৱে উপকৃত হ'ল। এই সংযোগৰ ফলত এই অঞ্চলত যি অন্যায়, অধৰ্ম আৰু ধ্বংসৰ যজ্ঞ আৰম্ভ হ'ল, যেনেদৰে ইয়াৰ থলুৱা সভ্যতাক বিনষ্ট কৰা হ'ল, তাৰ বাবে আমি কলম্বাছক জগৰীয়া কৰাটো ভুল ; —সি মানৱ সমাজৰ আৰু দুয়োটা সভ্যতাৰ দুৰ্বলতাৰহে পৰিচয় দিয়ে। তেনে নিষ্ঠুৰ আৰু ঘৃণনীয় ধ্বংসলীলা আন ঠাইতো আৰু আন বহু অঞ্চলতো সংগঠিত হৈছে। আনকি, এই অঞ্চলৰ আদিম অধিবাসীসকলৰ মাজতো সততে যুদ্ধ-বিগ্ৰহ চলি আছিল আৰু তেওঁলোকৰো বহুতে একো-একোটা জাতিক নৃশংসভাৱে ধ্বংস কৰি আহিছিল। সেয়েহে, কলম্বাছক এজন ইউৰোপীয়, ইটালিয়ান বা স্পেনীয় বিষয়া আদি বুলি নাভাবি তেওঁৰ ব্যক্তিত্ব, তেওঁৰ কৃতিত্ব আৰু তেওঁৰ যাত্ৰাৰ মহত্ত্বক আমি মানৱ ইতিহাসৰ দৃষ্টিকোণৰ পৰা চোৱা উচিত।

## কলম্বাছৰ যাত্ৰাৰ পৃষ্ঠপোষকতা

এছিয়ালৈ পশ্চিম পিনেৰে সহজ পথ উলিওৱাটো সম্ভৱ বুলি তথ্য-পাতি গোটোৱাৰ পাছত কলম্বাছে তেনে পথ বিচাৰি যাত্ৰা কৰিবলৈ আকুল হ'ল। কিন্তু, তেনে যাত্ৰাৰ কাৰণে প্ৰয়োজনীয় সমল, অৰ্থ, লোকজন গোটাব পৰা সামৰ্থ্য কলম্বাছৰ নাছিল। সেয়েহে, তেওঁ সেই যাত্ৰাৰ খৰচ-পাতি বহন কৰিবৰ কাৰণে পৃষ্ঠপোষক বিচাৰিব লগীয়া হ'ল। প্ৰথমে তেওঁ পৰ্টুগালৰ ৰজাৰ কাষ চাপিল আৰু চতুৰভাৱে গণনা সহজ কৰি ৰজাৰ পৃষ্ঠপোষকতা প্ৰাৰ্থনা কৰিলে। কলম্বাছৰ চতুৰালিয়ে পৰ্টুগালৰ ৰজাক বলাব নোৱাৰিলে ; কিয়নো—ৰজাই তেওঁৰ গণিতজ্ঞসকলক কলম্বাছে এছিয়ালৈ পথ বিচাৰি যাত্ৰা কৰাৰ প্ৰস্তাৱটোৰ বিষয়ে মতামত বিচৰাত তেওঁলোকে কলম্বাছৰ অনুমান সঠিক নহয় বুলি তেওঁৰ প্ৰতি সমৰ্থন নজনালে। এইটো ঘটনা ঘটে ১৪৮৪ খৃষ্টাব্দত।

তাৰ পাছত কলম্বাছে লিছবন এৰি স্পেইনৰ দাঁতি-কাষৰীয়া পালোছ চহৰলৈ আহে। ইতিমধ্যে কলম্বাছৰ পত্নীৰ মৃত্যু হোৱাত পুতেক ডিয়েগোক লগত লৈ তেওঁ অকলশৰেই অনাই-বনাই ঘূৰি ফুৰিছিল। তেতিয়া তেওঁৰ আৰ্থিক অৱস্থাও অতি শোচনীয়। বুকুত জাপানলৈ পথ উলিওৱাৰ সপোন বান্ধি তেওঁ আৰু কোমল শিশু ডিয়েগো পালোছৰ লা ৰেবিডা নামে এখন খৃষ্টিয়ান সত্ৰত আশ্ৰয় বিচাৰি সোমায়গৈ। সেই সত্ৰতে কলম্বাছৰ ব্ৰাদাৰ মাৰ্চেনা নামে এজন ভকতৰ লগত বন্ধুত্ব হয়। তেওঁ মাৰ্চেনাক নিজৰ সপোনৰ কথা কয় আৰু গোটেই আঁচনিখন বৰ্ণনা কৰে। কলম্বাছৰে সৌভাগ্য যে মাৰ্চেনাৰ জ্যোতিষ বিদ্যা আৰু গ্ৰহ-নক্ষত্ৰ পৰ্যবেক্ষণ কৰাত বিশেষ ৰাপ আছিল। মাৰ্চেনাই কলম্বাছৰ আঁচনিখন দেখি অতিশয় উৎসাহিত হ'ল। আৰু তেওঁ জোৱান পেৰে নামৰ এজন বন্ধুৰ সহায়ত স্পেইনৰ ৰজা ফাৰ্ডিনেণ্ড আৰু ৰাণী ইজাবেলাৰ আগত কলম্বাছৰ আঁচনিখন দাঙি ধৰিলে। তেওঁলোকেও প্ৰথমে সেই আঁচনিৰ পৃষ্ঠপোষকতা কৰিবলৈ সন্মত নহৈছিল যদিও মাৰ্চেনা, পেৰে আৰু কলম্বাছে প্ৰায় সাত বছৰ জুৰি কৰা নেৰানেপেৰা চেষ্টাৰ পাছত কলম্বাছৰ যাত্ৰাক সকলো প্ৰকাৰে সহায় কৰিবলৈ সন্মত হ'ল।

কলম্বাছে পালোছৰ পৰা ১৪৯২ চনৰ ৩ আগষ্ট, শুকুৰবাৰে ৰাতিপুৱা পাঁচ বজাত তেওঁৰ ঐতিহাসিক যাত্ৰা আৰম্ভ কৰে। তেওঁ উঠা জাহাজখনৰ নাম আছিল ছাণ্টা মেৰিয়া। তেওঁৰ লগত তেওঁৰ অধীনত নিনা আৰু পিণ্টা নামে আন দুখন জাহাজো গৈছিল। এই তিনিওখন জাহাজ সেই সময়ৰ স্পেইন আৰু পৰ্টুগালত প্ৰচলিত কেৰাভেল নামৰ পালতৰা জাহাজ আছিল। প্ৰায় ৩৩ দিনৰ পাছত, ১৪৯২ চনৰ ১২ অক্টোবৰৰ দিনা তেওঁলোকে মাটি পায়হি। সেই ঠাইখনক কলম্বাছে ছান ছালভাডোৰ (অৰ্থ—ত্ৰাণকৰ্তা প্ৰভু, holy saviour) নাম দিয়ে। এই ঠাইখন বৰ্তমানৰ বাহামা দ্বীপপুঞ্জত একে নামেৰেই আছে।






# তেজ দান

তৰুণ ডেকা

এটা চিনাকি দৃশ্য : ব্লাড বেংকৰ দায়িত্বত থকা বিষয়াৰ কোঠা। তিনিজন যুবক হুৰমুৰকৈ সোমাই আহিল। তেওঁলোকৰ কপালত দুশ্চিন্তাৰ ৰেখা।

ছাৰ, কথা এটা হ'ল। ডাক্তৰে এইমাত্ৰ ক'লে তেজ দুবটল লাগিব বোলে। কি কৰোঁ এতিয়া ?

দুবটলৰ কথা কৈছে, হ'ব ৰ'বা। চিন্তা নকৰিবা।

ছাৰ, মোৰ হাতত এতিয়া যে টকা নাই! আজি ঘৰৰ পৰা দাদাও নাহে।

টকা, টকানো কিয় লাগে ? তেজ দুবটলহে লাগে! তোমালোক কেইজন আছাই দেখোন!

ছাৰ, আমি তেজ দিম! কিন্তু ছাৰ, কিন্তু ...

কিহৰ কিন্তু ? তোমাৰ দেউতাৰাৰ বাবে যদি তুমিয়েই তেজ নিদিয়া, তেনেহ'লে দিব কোনে ? তেজতো কাৰখানাত বনোৱা বস্তু নহয় যে ...

**তেজদান কি ?** আমাৰ শৰীৰৰ শিৰা-উপশিৰাৰ মাজেৰে অহৰহ প্ৰবাহিত হৈ থাকে তেজ। এই তেজৰ প্ৰবাহৰ ওপৰতেই নিৰ্ভৰ কৰে আমাৰ জীৱন। সাধাৰণতে একোজন সুস্থ মানুহৰ দেহত তেজ থাকে প্ৰায় ৫·২৫ লিটাৰ। কিন্তু কেতিয়াবা দুৰ্ঘটনা, অস্ত্ৰোপচাৰ আদিত অধিক ৰক্তপাত ঘটাৰ ফলত বা কিছুমান বেমাৰৰ ফলত দেহত থকা তেজৰ এই পৰিমাণ অত্যধিক পৰিমাণে হ্ৰাস পায়। ফলত সুস্থ দেহৰ প্ৰক্ৰিয়াসমূহ স্বাভাৱিকভাৱে চলি থকাত ব্যাঘাত জন্মে। এনে অৱস্থাত বাহিৰৰ পৰা কৃত্ৰিমভাৱে তেজ সুমুৱাই দি দেহৰ প্ৰক্ৰিয়াসমূহ স্বাভাৱিক কৰি তুলিব পাৰি।

এজন অসুস্থ ব্যক্তিক আন এজন সুস্থ ব্যক্তিয়ে কৃত্ৰিমভাৱে নিজৰ দেহৰ তেজ যোগান ধৰা,—সৰল অৰ্থত এয়াই তেজদান।

আমাৰ ভাৰতত প্ৰতি বছৰে তেজৰ প্ৰয়োজন হয় প্ৰায় ৮০ লাখ বটল, অথচ তাৰ বিপৰীতে সংগ্ৰহ কৰা হয় মাত্ৰ ১৫ লাখ বটল।

আমাৰ দেশৰ আটাইতকৈ ডাঙৰ আৰু গুৰুত্বপূৰ্ণ ব্লাড বেংকটোৰ প্ৰতি দিনে প্ৰয়োজন হয় ৩০০-৩৫০ বটল, কিন্তু তেজ পোৱা যায় মাত্ৰ ১৫০-১৭৫ বটল। (১ বটল= ২৫০ মি. লি.)

যদি ভাৰতত প্ৰতি এহেজাৰ জনৰ মাজত ৯জন লোকো তেজদান কৰিবলৈ আগবাঢ়িলহেঁতেন, তেনেহ'লে প্ৰায় ৮৭ কোটি ভাৰতীয়ৰ বাবে প্ৰয়োজনীয় ৮০ লাখ বটল তেজৰ বিপৰীতে সংগৃহীত হ'লহেঁতেন প্ৰায় ৯০ লাখ বটল তেজ। অন্ততঃ তেজৰ অভাৱত এজন ভাৰতীয়ৰো মৃত্যু নহ'লহেঁতেন!

ভাৰতত তেজদান কৰা মহিলাৰ সংখ্যা শতকৰা মাত্ৰ ৫ গৰাকী; অথচ সংগ্ৰহ কৰা এই তেজ ব্যৱহাৰ কৰে শতকৰা ৬৫ গৰাকী মহিলাই।

ছুইজাৰলেণ্ডত প্ৰতি ১০০০ জনৰ ভিতৰত স্বইচ্ছাই তেজদান কৰে ১১৫ জনে; জাপানত ৭০ জনে; কানাডাত ৫৫ জনে আৰু আমেৰিকাত ৪০ জনে। ভাৰতত প্ৰতি হাজাৰত তেজদান কৰে মাত্ৰ দুজনে।

তেজদানৰ প্ৰতি আমাৰ এই অনীহা কিয় ? কিয় এই অহেতুক শংকা ? ইয়াৰ বাবে দায়ী, তেজদান সম্পৰ্কে থকা আমাৰ কিছুমান ভুল ধাৰণা আৰু কুসংস্কাৰ।

## ভুল ধাৰণা

**তেজ নিদিওঁ, পাছত যদি কিবা হয়!**

সাধাৰণতে ৫০-৬০ কি. গ্ৰা. ওজনৰ এজন সুস্থ মানুহৰ দেহত তেজ থাকে প্ৰায় ৫·২৫ লিটাৰ। পুৰুষৰ প্ৰতি কি. গ্ৰা. ওজনত

ছবি : প্ৰসেনজিত দুৱৰা



OKDISCD

অতিৰিক্ত তেজ থাকে ২৬ মি. লি. ; আনহাতে মহিলাৰ ক্ষেত্ৰত থাকে ১৬ মি. লি.। অৰ্থাৎ এজন ৫৫ কি. গ্ৰা. ওজনৰ সুস্থ পুৰুষৰ দেহত অতিৰিক্ত তেজ থাকে ১৪৩০ মি. লি. আৰু মহিলাৰ দেহত থাকে ৮৮০ মি. লি.। ইয়াৰে ৩৩০ মি. লি. তেজ এবাৰতে উলিয়াই দিলেও একো হানি নহয়। অথচ তেজদানত তেজ লোৱা হয় মাত্ৰ ২৫০ মি. লি.। গতিকে তেজদান কৰাৰ পাছত 'কিবা' হোৱাৰ কণমান সম্ভাৱনাও নাই।

**ইমান ক্ষীণ-মীন। তেজ নায়েই কিজানি!**

দেখাত ক্ষীণ-মীন বা দুৰ্বল হ'ব পাৰে, কিন্তু এজন সুস্থ মানুহৰ দেহত তেজদান কৰিব পৰাকৈ অতিৰিক্ত তেজ সদায় থাকেই। তেজদানৰ সাধাৰণ নিয়মমতে দেখাত ক্ষীণ-মীন বা শকত-আবত যেনেকুৱাই নহওক কিয়, মানুহগৰাকীৰ যদি বয়স ১৮-৬০ বছৰৰ ভিতৰত হয় আৰু ওজন নিম্নতম ৪৫ কি. গ্ৰা. হয়, তেন্তে তেওঁ তেজদান কৰিব পাৰে।

**পুৰণা তেজৰ জোৰেই বেলেগ। এই তেজ দিম কিয়?**


দেহৰ স্বাভাৱিক প্ৰক্ৰিয়া অনুসৰি প্ৰতিদিনে আমাৰ দেহত প্ৰায় ২০ মি. লি. তেজ ধ্বংস হয়। কাৰণ তেজৰ লোহিত ৰক্ত কণিকাৰ আয়ুস মাত্ৰ ১২০ দিন, আৰু শ্বেত ৰক্ত কণিকাৰ আয়ুস মাত্ৰ ২১৫ দিন। সেয়ে পুৰণা তেজ বুলি কোনো কথা নাই।

**তেজ দিলে ভাল ভাল খাদ্য খাব লাগিব ; নহ'লে দান দিয়া তেজখিনি পূৰ হ'ব কেনেকৈ?**

চিকিৎসকসকলৰ মতে তেজদানৰ পাছত মাছ-মঙহ, গাখীৰ, কণী, আপেল, আঙুৰ আদি খোৱাৰ কোনো প্ৰয়োজন নাই ; সাধাৰণতে খোৱা দাইল-ভাতেই যথেষ্ট। কাৰণ দেহৰ স্বাভাৱিক প্ৰক্ৰিয়া অনুসৰিয়েই তেজৰ জুলীয়া অংশ (যাক প্লাজমা বোলা হয়) দুদিনৰ ভিতৰতেই তৈয়াৰ হয়। আনহাতে লোহিত ৰক্ত কণিকা আৰু শ্বেত ৰক্ত কণিকা তৈয়াৰ হয় ১৪ৰ পৰা ২১ দিনৰ ভিতৰত।



ছবি : প্ৰসেনজিত দুৱৰা



তেজ সংৰক্ষণ কৰা কুলিং চেম্বাৰ

**নাই, নাই তেজ দিব নোৱাৰোঁ, মূৰ ঘূৰাব ...**


তেজদানৰ পাছত মূৰ ঘূৰোৱা, গা বেয়া লগা, বুকু ধপ-ধপ কৰা আদিৰ কোনো বৈজ্ঞানিক ভিত্তি নাই। অৱশ্যে অত্যধিক ভয়ত তেজদান কৰিলে মানসিক কাৰণতে এনেবোৰ উপসৰ্গই দেখা দিব পাৰে।

**'প্ৰফেশ্যনেল ডনৰ' বা তেজ বেচা লোক—অতি বিপদজনক**

তেজ লাগে বুলি ক'লেই প্ৰায় সকলোৰে দৌৰা-দৌৰি লাগে তেজ বেচা মানুহ বিচৰাৰ বাবে। অথচ কোনেও এবাৰো নাভাবে, এই তেজ বেচি জীৱিকা নিৰ্বাহ কৰা সকলৰ তেজ কিমান বিপদজনক। তেজ বেচা এই লোকসকল সাধাৰণতে অতি দুখীয়া শ্ৰেণীটোৰ পৰা অহা। এওঁলোকে জীৱন যাপন কৰে অতি অস্বাস্থ্যকৰ পৰিবেশত। এওঁলোকৰ জীৱন-যাপনৰ সূচীও অস্বাভাৱিক। ভাং-মদ আদি ভক্ষণত তেওঁলোক অভ্যস্ত। সেয়ে প্ৰায়ক্ষেত্ৰতেই এওঁলোকৰ তেজত থাকে বিভিন্ন ৰোগৰ বীজাণু, বিশেষকৈ মেলেৰিয়া, হেপাটাইটিছ-বি, বিভিন্ন যৌনৰোগ, আৰু বৰ্তমানে বিভীষিকাৰ ৰূপ লোৱা এইডছৰ। গতিকে তেজ বেচাসকলৰ পৰা তেজ লোৱা মানেই এই বীজাণুৰ দ্বাৰা আক্ৰান্ত হোৱাৰ সম্ভাৱনা প্ৰবল। যেন সুস্থ হ'বলৈ বুলি তেজ লোৱা নহয়, মৰিবলৈ বুলি বীজাণুহে লোৱা।

**কিছু চিকিৎসকৰ প্ৰতি**

তেজদান সম্পৰ্কেই আলোচনা কৰি আছিলো, এনেতে ভঙাগড় মেডিকেল কলেজৰ লগত জড়িত এজনে (নাম প্ৰকাশত অনিচ্ছুক) ক'লে, "এইবোৰ লিখা-মেলা কৰি কি হ'ব? আমাৰ এই মেডিকেলতেই কেইজনমান ডাক্তৰে ৰোগীৰ বাবে তেজৰ প্ৰয়োজন হ'লে প্ৰেছক্ৰিপশ্যনত লিখে—Please collect from P.D., অৰ্থাৎ প্ৰফেশ্যনেল ডনৰৰ পৰা তেজ সংগ্ৰহ কৰক। গতিকে ... " কথাখিনিৰ সত্যতাত আমাৰো সন্দেহ আছে ; কিন্তু যদি সঁচা হয় তেনেহ'লে সেইটো অতি দুৰ্ভাগ্যজনক। কাৰণ তেজ বেচাসকলৰ সপক্ষে এই কিছুসংখ্যকৰ এটা শব্দয়ো তেজবেচাসকলৰ চক্ৰটোক বহু পৰিমাণে উৎসাহিত কৰিব পাৰে।




'তেজদান মহাদান', 'আপোনাৰ এটোপাল তেজে ৰক্ষা কৰিব পাৰে এটা অমূল্য জীৱন', 'ৰক্তদান জীৱনদান', 'মানৱীয়তাৰ খাতিৰতেই তেজদান কৰক' —আদি শ্ল'গানেৰে মুখৰিত হৈ থকা তেজদান শিবিৰ এটালৈ অলপতে যাবলগীয়া হৈছিল। শিবিৰটোত থাকি এক উৎসাহজনক দিশ লক্ষ্য কৰিছিলো। সেয়া হ'ল,—সম্প্ৰতি তেজদানৰ প্ৰতি আগ্ৰহী লোকৰ সংখ্যা যথেষ্ট পৰিমাণে বাঢ়িছে ; —বিশেষকৈ যুবচামৰ মাজত। অসমৰ ৰাইজৰ বাবে এয়া অতি উৎসাহজনক কথা হ'ব যদি তেজদানৰ প্ৰতি এই আগ্ৰহ বিয়পাই দিব পাৰি ৰাজ্যখনৰ বিভিন্ন অঞ্চললৈ। ইয়াৰ বাবে কেৱল চৰকাৰেই নহয়, আগবাঢ়ি আহিব লাগে বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকা স্বেচ্ছামূলক সমাজসেৱী সংঘ, সংস্থা, অনুষ্ঠান-প্ৰতিষ্ঠানবোৰ।

**কটন মহাবিদ্যালয়ৰ তেজদান গোট**

অসমৰ জনজীৱনলৈ, উত্তৰ-পূৰ্বাঞ্চলৰ জনজীৱনলৈ কটন মহাবিদ্যালয়ৰ অৱদান বহুতো। মহাবিদ্যালয়খনৰ এচাম ছাত্ৰ-ছাত্ৰী সদায় ব্যস্ত—নতুন কিবা কৰাৰ চেষ্টাত, সমাজখনক কিবা এটা দিয়াৰ চেষ্টাত। এওঁলোকৰ মানসিকতাৰ আৰু এক বাস্তৱ প্ৰকাশ—কটন মহাবিদ্যালয় তেজদান গোট।

যোৱা বছৰৰ ডিচেম্বৰ মাহত তেজৰ গ্ৰুপ নিৰ্ণয়ৰ এসপ্তাহ জোৰা কাৰ্যসূচীৰেই এই অনুষ্ঠানটোৱে তেওঁলোকৰ কাম-কাজ আৰম্ভ কৰে। বৰ্তমানে এই অনুষ্ঠানটোৰ সদস্য পাঁচশ জন। ইতিমধ্যে ইয়াৰে আঠ্ৰৈশ জনে বিভিন্নজনৰ প্ৰয়োজনত তেজদান কৰিছেই।

পৰীক্ষাৰ মাজতেই তেজদান কৰা এই গোটৰ সদস্য ৰাকেশে কয়, "মই বুজি নাপাওঁ মানুহে তেজ দিবলৈ ইমান সংকোচ কৰে কিয়! তেজদান একেবাৰে সহজ কথা ; ইয়াৰ বাবে মাথোঁ অলপ সাহস থাকিলেই হ'ল।"

স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ প্ৰদীপৰ বক্তব্য : "তেজদান কৰি কেৱল এজনক জীৱন দান দিয়াই নহয়, এই কামেৰে মই মোৰ কলেজখনকো গৌৰৱান্বিত কৰিছোঁ।"

আন এজন ছাত্ৰই কয়, "আমি আনক নহ'লেও অন্ততঃ আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰীখিনিকে তেজদানৰ আৱশ্যকতাৰ বিষয়ে কিছু হ'লেও পতিয়ন নিয়াব পাৰিছোঁ বোধহয়। কাৰণ আমি দেখিছোঁ যে ১৮ বছৰ নোহোৱা প্ৰাক-বিশ্ববিদ্যালয়ৰ কিছু ছাত্ৰও তেজদানৰ বাবে সমানে আগ্ৰহী।"

সাধাৰণতে এই ছাত্ৰ অনুষ্ঠানটোৱে সেইসকলকহে তেজ দিয়ে—যিসকলৰ বাবে তেজদান কৰিবলৈ উপযুক্ত কোনো আত্মীয়-স্বজন বা বন্ধু-বান্ধৱ নাথাকে। কিন্তু প্ৰায় ক্ষেত্ৰতেই দেখা যায় যে ৰোগীজনক তেজদান কৰিব পৰা লোক থকা সত্ত্বেও প্ৰায়বোৰেই তেজ বিচাৰি দৌৰি আহে এই অনুষ্ঠানটোলৈ। আৰু আচৰিতভাৱে কিছুমানে এনে ধৰণে তেজ দিবলৈ দাবী কৰে যেন এয়া তেওঁলোকৰ অধিকাৰহে!

উল্লেখযোগ্য যে, এই অনুষ্ঠানটোৰ ছাত্ৰ সদস্যসকলে তেজ দিয়াৰ বিনিময়ত একো গ্ৰহণ নকৰে। আনকি কিছুমান ক্ষেত্ৰত খাবলৈ দিয়া গাখীৰ গিলাছো।

আমি জানিবলৈ পাইছোঁ এই কটন মহাবিদ্যালয় তেজদান গোটে মহানগৰীৰ কেইবাখনো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বিশ্ববিদ্যালয় দুখনৰ ছাত্ৰ-ছাত্ৰী আৰু ভালেমান সংঘ-সংস্থাৰ লগত জড়িত ব্যক্তিৰ বাবে তেজদান কৰিছে। কিন্তু আমি বুজি নাপাওঁ সকলো সময়তে এই অনুষ্ঠানটোলৈকে তেজ বিচাৰি আহিব লাগে কিয়? সংশ্লিষ্ট মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বা সংস্থাৰ কোনো সদস্যয়োতো তেজ দিব পাৰিলেহেঁতেন!

কথা প্ৰসংগত এই অনুষ্ঠানটোৰ লগত জড়িতসকলেই কথাটো উনুকিয়াইছিল : প্ৰতিখন মহাবিদ্যালয়েই স্বেচ্ছামূলকভাৱে তেজদান কৰিব পৰা একোটা গোট স্থাপন কৰিব নোৱাৰেনে? আমি আহ্বান জনাইছোঁ,—প্ৰতিখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মীবৃন্দলৈ ; —আপোনাৰ মহাবিদ্যালয়খনতো এটা তেজদান গোট গঢ়ি তোলক। এবাৰ হ'লেও তেজদান কৰক, নিঃসংকোচে। অন্তত আপুনি ক'ব পাৰিব, "মই এজনক হ'লেও জীৱন দান কৰিছোঁ।"

কটন মহাবিদ্যালয়ৰ তেজদান গোট আন আন শিক্ষানুষ্ঠানৰ বাবে আদৰ্শস্বৰূপ হওক।

(ছায়েন্স নিউজ নে'টৱৰ্ক)

# চুলিৰ বাবেই সমস্যা ?

চুলি সৰা ? অকালপক্কতা ? বা উফি ?

ডাঃ সৰকাৰে কয়—

**চুলিৰ কোনো বেমাৰেই নহয়, বেমাৰৰ উপসৰ্গহে মাত্ৰ। সেয়ে অকল মূৰত ঔষধ লগালেই নহব, লগতে ঔষধো খাব লাগিব।**

উফি বিহীন, ঘন, ক'লা, মিহি চুলি যদি বিচাৰে আৰ্ণিকাপ্লাছ লাগওক আৰু ট্ৰায়োফাৰ খাওক। এই দুয়োটাই চুলি সৰা বন্ধ কৰে, চুলিত পুষ্টি যোগান ধৰে, অকালপক্কতা ৰোধ কৰে, মূৰৰ উফি নোহোৱা কৰে। মূৰ ঠাণ্ডা ৰাখে, পেটৰ গোলমাল নোহোৱা কৰে, চুলিৰ উপাদান বঢ়ায়, সেয়ে নতুন চুলি গজে। ৰূপ হয় অপৰূপ হোমিওপেথিকৰ স্পৰ্শত, আৰু সুফলৰ বাহিৰে কুফল নহয়।






## বিশ্বত সৰ্বপ্ৰথম

কেশ সমস্যা সমাধানত

ডাঃ সৰকাৰৰ এটি ফলপ্ৰসু আৱিষ্কাৰ (চি, চি, আই-পুৰষ্কৃত) ট্ৰায়োফাৰ খোৱাৰ লগতে আৰ্ণিকাপ্লাছ লগোৱা ঔষধ।

**ব্যৱহাৰৰ নিয়ম ঃ**

আৰ্ণিকাপ্লাছ-হেয়াৰ ভাইটেলাইজাৰ গা ধোবাৰ পিছতে আৰু ৰাতি শোৱাৰ আগতে চুলিৰ গুৰিত লগাওক, লগতে ট্ৰায়োফাৰ-হেয়াৰ টনিকটোও- খাওক ৰাতিপুৱা আৰু ৰাতি, যিমান দিনলৈ চুলিৰ সমস্যা সমাধান নহয়।

# আৰ্ণিকাপ্লাছ-ট্ৰায়োফাৰ

ট্ৰিপল এক্সন হেয়াৰ ভাইটেলাইজাৰ
কেশ সমস্যা সমাধানত পৰীক্ষিত আৰু প্ৰমাণিত হোমিও ঔষধ।

**বিপণন সংস্থা ঃ ফোন-৫৯-৪০৫১**
এলেন্স ইণ্ডিয়া মাৰ্কেটিং প্ৰাঃ লিঃ
আৰ্ণিকাপ্লাছ এপাৰ্টমেন্ট, শিয়ালদহ
৩৫, এ, পি, চি, ৰোড, কলিকতা-৯

প্ৰস্তুতকাৰক ঃ ফোন ৩৫-২৯৬১
এলেন লেবৰেটৰিজ প্ৰাঃ লিঃ
এলেন হাউচ ঃ ২২৪/এইচ, মানিকতলা মেন ৰোড, কলি-৫৪

Allopathic, Ayurvedic & Homoeopathic Medicine Manufacturers.

Bringing Science To Life

যি সকলৰ যত্নতেই আপোনাৰ আৰোগ্য আৰু আস্থা।

Dr. SARKAR Group

Allen's Ad. India


# কোঠাৰ ভিতৰত মুগা খেতি

**পংকজ নেওগ**

আজিৰ পৰা প্ৰায় ৩২-৩৩ বছৰ আগৰ কথা। অসমৰ ৰেচম বিভাগৰ এজন বিশেষজ্ঞই ৰেচম পলুৰ বিষয়ে কিছুমান গুৰুত্বপূৰ্ণ গৱেষণা চলাই আছিল। তেওঁৰ আগ্ৰহ আৰু কষ্টক কিন্তু বাৰে-বাৰে প্ৰকৃতিয়ে বিফল কৰি তুলিছিল। আনহাতে, একমাত্ৰ অসমত পোৱা মুগা পলু, অসমৰ গৌৰৱ, অসমৰ সংস্কৃতিৰ আপুৰুগীয়া অংগ মুগা কাপোৰৰ ঐতিহ্যই তেওঁক হাত বাউল দি মাতিছিল ভৱিষ্যতৰ বাবে কিবা এটা কৰিবলৈ। তেওঁ যেন সেই আহ্বান স্বীকাৰ কৰি ললে। মুগাৰ উন্নয়নেই তেওঁৰ জীৱনৰ এক মাত্ৰ লক্ষ্য হ'ল। কিন্তু প্ৰকৃতিৰ কি পৰিহাস! তেওঁৰ প্ৰতিটো গৱেষণাই শেষ পৰ্যায়ত ধ্বংস হৈ যায়। এবাৰ, দুবাৰ, তিনিবাৰ ...। তথাপি তেওঁ ধৈৰ্য নেহেৰুৱালে ; —গৱেষণা চলাই গ'ল।

এই গৰাকী সেই বিজ্ঞানী, বিশেষজ্ঞ, নিষ্ঠাবান চৰকাৰী চাকৰিয়াল আৰু দূৰদৰ্শী সংস্কৃতিৰ কৰ্মী হ'ল ড. যোগেন্দ্ৰ নাথ তালুকদাৰ। এওঁৰ ৩৩ বছৰীয়া একনিষ্ঠ গৱেষণাৰ ফলতেই আজি সমগ্ৰ অসমৰ সামাজিক অৰ্থনৈতিক দিশত এক বিপ্লৱৰ সম্ভাৱনাই দেখা দিছে।

"মুগাৰ গুৰুত্বৰ কথা নকওঁ। কিন্তু আজি এই গুৰুত্বপূৰ্ণ বস্তুটো কিয় ধ্বংস হ'ব লগা হৈছে, কিয় আৰু কেনেকৈ ইয়াক আমি ৰক্ষা কৰিব লাগে, কেনেকৈ ইয়াৰ উন্নয়ন কৰিব লাগে,—এইবোৰ প্ৰশ্নৰ উত্তৰ হিচাপেই মোৰ এই আবিষ্কাৰৰ কথা সমাজৰ আগত দাঙি ধৰিছোঁ।" একেষাৰতে ক'বলৈ গ'লে, ড. তালুকদাৰে বাৰীত আৰু হাবিত পোহা মুগা পলু আনি ঘৰৰ ভিতৰত সুমুৱালে। অতি সহজ, সুবিধাজনক আৰু লাভজনক প্ৰযুক্তি যদিও, অসমৰ সামাজিক-অৰ্থনৈতিক ক্ষেত্ৰত ই ভৱিষ্যতে এক কল্পনাতীত সুফলৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে।

জাল কাপোৰৰ সহায়ত এখন ডলাৰ পৰা আনখন ডলালৈ পলু স্থানান্তৰিত কৰাৰ পাছৰ পৰ্যায়



## আবিষ্কাৰটো কি ?

ৰেচম খেতিৰ কথা সকলোৱে জানেই। আনবোৰ ৰেচম খেতি, যেনে এৰী আৰু পাট ঘৰৰ ভিতৰতে কৰিব পাৰি। কিন্তু মুগা খেতি, যি কেৱল অসমতে হয়,—সেয়া পৰম্পৰাগতভাৱে বাহিৰত কৰা হয়। ইয়াৰ ফলতেই আজি অসমত লাহে-লাহে মুগাৰ উৎপাদন কমি আহিছে।

আহিবই। বাহিৰৰ গছত মুগা পোহা, নানা ধৰণৰ কীট, চৰাই, বেমাৰ আদিৰ প্ৰতি দিনে-নিশাই চকু দিয়াৰ দৰে কষ্টকৰ কাম কৰিবলৈ আজি অসমৰ ৰাইজৰ জানো শক্তি আছে ? তাৰ মাজতে যিসকলে এতিয়াও এই সংস্কৃতি ৰক্ষা কৰি আছে, তেওঁলোকেও কষ্ট অনুপাতে ফল নাপায়। এই খেতিৰ শত্ৰু হ'ল প্ৰকৃতিৰ ধ্বংসলীলা। বতাহ, বৰষুণ, ধুমুহাৰ ওপৰত খেতিয়কৰ নিয়ন্ত্ৰণ নাই। তথাপি, পৰম্পৰা ৰক্ষা কৰিয়েই হওক, অনুকূল প্ৰযুক্তি সম্পৰ্কে জ্ঞান নথকাৰ বাবেই হওক বা অন্ধবিশ্বাস জড়িত কিবা ধাৰণাৰ বাবেই হওক মুগা খেতিয়কসকলে হাবিতেই এই খেতি কৰি আহিছে। কেতিয়াবা বেমাৰ হৈ সম্পূৰ্ণ খেতি ধ্বংস হৈছে ; কেতিয়াবা ধুমুহা, কেতিয়াবা চৰাই, কীট-পতংগই সম্পূৰ্ণ খেতি উজাৰ কৰি নিছে। এইবোৰৰ ফলতেই বহু খেতিয়কে মুগা খেতি কৰাৰ সাহস হেৰুৱাই পেলাইছে। যিসকল এই খেতিত এতিয়াও জড়িত হৈ আছে, তেওঁলোকেও কষ্ট অনুপাতে ফল পোৱা নাই।


"৩৩ বছৰৰ আগতে যি গৱেষণা কৰিছিলো,—সেয়া আছিল পৰম্পৰাগতভাৱে কৰা মুগা পলুৰ বেমাৰ আৰু নিয়ন্ত্ৰণ সম্পৰ্কীয়। কিন্তু প্ৰতিটো গৱেষণাকে শেষ মুহূৰ্তত ধ্বংস কৰিছিল শিলা বৃষ্টি, ধুমুহা আৰু বৰষুণ-বতাহে। শেষত চোম গছৰ পৰা ডালেৰে সৈতে পাত খাই থকা পলু আনি গৱেষণাগাৰত ভৰালোহি।" —সেয়াই আৰম্ভণি। তাৰ পাছত ডক্টৰেট ডিগ্ৰি লওঁতেও তেওঁ গৱেষণাগাৰৰ কনিকেল ফ্লাস্কৰ ভিতৰত মুগা পুহিয়েই গৱেষণা কৰিলে। তেতিয়াই তেওঁৰ ইচ্ছা আছিল,—গাঁৱৰ ঘৰৰ সাধাৰণ

পৰিবেশত ঘৰৰ ভিতৰত মুগা পুহিবলৈ। "কিন্তু নোৱাৰিলো। বাধ্যত পৰি অসম কৃষি বিশ্ববিদ্যালয়ত যোগ দিব লগা হ'ল। তাত প্ৰশাসনিক পদত থাকি গৱেষণা কৰাটো কোনোমতেই সম্ভৱ নাছিল। পিছে মনৰ মাজত সেই গৱেষণা কৰাৰ বাবে থকা ইচ্ছাই বাৰে-বাৰে গা কৰি উঠিছিল।"

ড. তালুকদাৰে বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ লৈয়েই অবৈতনিক অধ্যাপক হিচাপে যোগ দিলে অসমৰ একমাত্ৰ বিজ্ঞানৰ উচ্চ গৱেষণাৰ প্ৰতিষ্ঠান ইনষ্টিটিউট অৱ এডভান্স ষ্টাডিজ ইন ছায়েন্স এণ্ড টেকনলজিত। তেওঁৰ পুৰণি আগ্ৰহে প্ৰাণ পাই উঠিল। "মোক উৎসাহ দিলে ইনষ্টিটিউটৰ প্ৰশাসনিক বিষয়া ড. মহন্ত কুমাৰ কলিতা আৰু অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিবেশ পৰিষদৰ তেতিয়াৰ বিজ্ঞান প্ৰযুক্তি বিভাগৰ মুৰব্বী ড. কুলেন্দু পাঠকে। পৰিষদৰ পৰা মোলৈ গৱেষণাৰ বাবে আৰ্থিক সহযোগো আগ বঢ়োৱা হ'ল।" অৱশেষত গৱেষণা সফল হ'ল। খানাপাৰাত থকা ইনষ্টিটিউটৰ সাধাৰণ কোঠাত সাধাৰণ কাঠৰ ট্ৰে' আৰু ডলাত মুগা খেতি কৰি তেওঁ তেওঁৰ ধাৰণা কাৰ্যক্ষেত্ৰত সফল কৰি দেখুৱালে।

এই আৱিষ্কাৰৰ পৰা লাভ কি হ'ব?

"প্ৰথম লাভ,—গছত এই খেতি কৰিলে চৌবিছ ঘণ্টা পহৰা দিব লাগে; কিন্তু ঘৰত দুজন মানুহে যদি গড় হিচাপে ৪-৫ ঘণ্টাকৈ ৩০-৩৫ দিনৰ বাবে এই খেতিৰ কামত মন দিয়ে, সেয়াই এটা খেতিৰ বাবে যথেষ্ট। দ্বিতীয়তে, চৰাই-চিৰিকতি, কীট-পতংগ আৰু প্ৰাকৃতিক ধ্বংস কাৰ্যৰ পৰা এই ঘৰত কৰা খেতি সম্পূৰ্ণ নিৰাপদ। বিশেষ এবিধ বংশানুক্ৰমিক ৰোগৰ বাহিৰে ঘৰত কৰা এই



গৱেষণা-কোঠাত ড. তালুকদাৰে (সোঁফালৰ জন) প্ৰশিক্ষাৰ্থীক পলু সম্পৰ্কে পৰ্যবেক্ষণ কৰিবলৈ শিকাইছে।

খেতিক বেমাৰ আদিৰ পৰা মুক্ত কৰি ৰাখিব পৰা যায়। গছত খেতি কৰি পোৱা লাভৰ তুলনাত এনেদৰে ঘৰত খেতি কৰি, কম কষ্টতে বহু বেছি পৰিমাণে লাভ পোৱা যায়।"

তদুপৰি ডাঙৰ কথা হ'ল, পেব্ৰিন নামৰ বংশানুক্ৰমিক বেমাৰটো। গঞা ৰাইজে ইয়াক 'ফুটুকীয়া ৰোগ' বোলে। ড. তালুকদাৰৰ মতে এই বেমাৰ হ'লে সেই খেতিটো সম্পূৰ্ণৰূপে নষ্ট হয়। যিহেতু পলুবোৰ গছত মেলি দিয়াৰ পাছত এই বেমাৰ দেখা যায়, গতিকে সেইবাৰৰ খেতি সম্পূৰ্ণ অথলে যায়। দ্বিতীয়বাৰ পলু মেলিবলৈ সুযোগো নাথাকে। পৰ্যবেক্ষণৰ অভাৱে শ্ৰমো অথলে নিয়ায়। কিন্তু ঘৰত এই খেতি কৰিলে এই বেমাৰ দেখা

গৱেষণা-কোঠাত ট্ৰে', ডলা, আৰু সুবিধাজনক বাবে সাজিলোৱা বাকছত মুগা পলু পোহা হৈছে।



দিয়া মাত্ৰকেই সম্পূৰ্ণ খেতিটো আঁতৰাই তৎকালীনভাৱে নতুনকৈ খেতি আৰম্ভ কৰিব পৰা যায়। ইয়াৰ ফলত পলুৰ খাদ্যও বাচে, সময়ো নষ্ট নহয় আৰু পুনৰ এটা খেতিও কৰিব পৰা গ'ল।

ড. তালুকদাৰৰ এই আৱিষ্কাৰে আমাৰ মুগা সংস্কৃতিৰ এক নতুন যুগৰ সূচনা কৰিলে। ইয়াৰ ফলত অৰ্থনৈতিক দিশত এক অভাৱনীয় পৰিবৰ্তন আহিব গ্ৰাম্য কুটিৰ শিল্পলৈ। সাধাৰণভাৱে,—দুজন ব্যক্তিয়ে যদি আগতে উল্লেখ কৰাৰ দৰে সময় এই মুগা খেতিৰ বাবে দিব পাৰে, তেন্তে প্ৰায় ত্ৰিছ হাজাৰতকৈও অধিক পলু পুহিব পৰা যায়। কেৱল লাগে উপযুক্ত পৰ্যবেক্ষণ আৰু খাদ্য সামগ্ৰীৰ (চোম গছৰ পাত) যোগান। আৰ্থিক দিশত সিমান স্বচ্ছল নোহোৱা লোকেও আগ্ৰহ থাকিলেই এই কাৰ্য সহজে কৰিব পাৰে। এই খেতিৰ বাবে প্ৰয়োজনীয় আন সামগ্ৰী যেনে, ডাঙৰ-ডাঙৰ ডলা, ডলা থবলৈ ৰেক আদি সহজে তৈয়াৰ কৰি লব পৰা যায়। আৰু এই খেতিৰ পৰা যি লাভ পোৱা যাব,—সেয়া শুনি বিচুৰ্তি হ'ব লগা কথা। ত্ৰিছ হাজাৰ পলু পুহিলে আপুনি ঠিক ত্ৰিছ হাজাৰ লেটা নাপাবও পাৰে। নতুন প্ৰযুক্তি আৰু নতুন ব্যৱস্থা বুলি বাৰু কম লেটা পোৱা যাব বুলিয়েই ধৰক। কিন্তু কিমান কমাই ধৰিব? পোদ্ধৰ হাজাৰ। ধৰিলেও, উপযুক্ত স্থানত যদি সেই লেটা বিক্ৰি কৰিব পাৰে তেন্তে প্ৰতিটো লেটাৰ বাবদ এটকাৰ পৰা দুটকালৈকে পাব। আজিৰ পৰিস্থিতিত কোনো সময়ত প্ৰতিটো লেটাৰ দাম প্ৰায় তিনি টকালৈকে হোৱাৰ দৃষ্টান্তও আছে। উপযুক্ত পৰিমাণৰ খাদ্য-পাতৰ যোগান ধৰিব পাৰিলে বছৰে ছটা খেতি কৰিব পৰা যায়। গতিকে এনে খেতিৰ ফলত গ্ৰাম্য অৰ্থনৈতিক অৱস্থাৰ কি এক পৰিবৰ্তন আহিব পাৰে সেয়া সহজে অনুমেয়।

ড. তালুকদাৰ নিজৰ এই আৱিষ্কাৰত উৎফুল্ল। পিছে, তেখেতে চৰকাৰৰ পৰা যিমান সঁহাৰি পাব লাগিছিল সিমান পোৱা নাই।



ড. তালুকদাৰে পিছে চৰকাৰী আৰু তথাকথিত ডাঙৰ-ডাঙৰ বিজ্ঞানীৰ স্বীকৃতিৰ বাবে অপেক্ষা কৰিব লগা হোৱা নাই। তেওঁৰ আৱিষ্কাৰ ৰাইজৰ মাজলৈ লৈ যাবলৈ আগবাঢ়ি আহিছে—পৃথিৱীৰ ভিতৰতে এক বৃহৎ আৰু অভিনৱ জনবিজ্ঞান কাৰ্যসূচী 'ভাৰত জন বিজ্ঞান যাত্ৰা'ৰ অসমৰ ৰাজ্যিক সাংগঠনিক পৰিষদখনে। উক্ত পৰিষদে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰে জনসাধাৰণৰ জীৱনৰ মান উন্নত কৰাৰ বাবে যি আহিলা লৈছে, তাৰ ভিতৰত ড. তালুকদাৰৰ দ্বাৰা আৱিষ্কৃত প্ৰযুক্তি অন্যতম। তেওঁলোকে লিখিত ৰূপত ড. তালুকদাৰৰ প্ৰযুক্তিৰ কথা প্ৰচাৰ কৰাৰ লগতে মুগা খেতিৰ বাবে উপযুক্ত কেইবাটাও অঞ্চলত ব্যৱহাৰিকভাৱে জনসাধাৰণক প্ৰশিক্ষণ আদি দিয়াৰ সিদ্ধান্ত লৈছে। ড. তালুকদাৰৰ এই প্ৰযুক্তিৰ প্ৰতি গঞা আগ্ৰহীসকলে প্ৰয়োজনীয় প্ৰশিক্ষণ আৰু তথ্যৰ বাবে তলৰ ঠিকনাত যোগাযোগ কৰিব পাৰে। এই প্ৰযুক্তি ব্যৱহাৰ কৰি বিজ্ঞানী গৰাকীক উৎসাহিত কৰাৰ লগতে অসমৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশটো অধিক টনকিয়াল কৰিবলৈ হ'লে ৰাইজৰ সহযোগিতা অতি গুৰুত্বপূৰ্ণ।

**ঠিকনা :**

**ৰাজ্যিক সাংগঠনিক পৰিষদ, অসম**
ভাৰত জন বিজ্ঞান যাত্ৰা —৯২
পঞ্চৱটী, গুৱাহাটী—৩
আৰু
ড. যোগেন্দ্ৰ নাথ তালুকদাৰ
অবৈতনিক অধ্যাপক, ইনষ্টিটিউট অৱ এডভান্স ষ্টাডিজ ইন ছায়েন্স এণ্ড টেকনলজি।
খানাপাৰা, গুৱাহাটী—২২

## ড. তালুকদাৰৰ প্ৰযুক্তিটো

**মুগাখেতিৰ বাবে প্ৰয়োজনীয় সামগ্ৰী : প্ৰতি ২০০ পলুৰ বাবে একোখনকৈ দুফুট ব্যাসৰ ডলা।** যিমান পলু পুহিব খোজা হয়, সেই অনুপাতে ডলা সাজু কৰি থোৱা ভাল। **প্ৰতিখন ডলাৰ বাবে ডলাৰ জোখৰ পলিথিন আৰু আঁঠুৱাৰ দৰে জাল থকা কাপোৰৰ টুকুৰা।** ডলাৰ সংখ্যা অনুসৰি ডলাবোৰ থব পৰাকৈ ৰেক। এই ৰেকৰ সলনি গাঁৱত বাঁহৰে কেইবাতৰপীয়াকৈ চাং সাজিও লব পৰা যায়। **২% ফৰমেলিন নামৰ বস্তু।** এই বস্তুটো বৈজ্ঞানিক সামগ্ৰী বিক্ৰি কৰা দোকান, পশু চিকিৎসালয় আদিত পোৱা যায়।

## পৰ্যায়সমূহ

১. প্ৰথমে ৰোগমুক্ত মথ বা মুগা চকৰীৰ পৰা প্ৰয়োজন অনুসৰি কণী সংগ্ৰহ কৰিব লাগে। ৰোগমুক্ত বুলি কওঁতে বিশেষকৈ পেব্ৰিন বা ফুটুকীয়া ৰোগৰ কথাই কোৱা হৈছে। এই ৰোগ কেৱল কণী পৰা চকৰীৰ দেহ অনুবীক্ষণ যন্ত্ৰৰ তলত পৰীক্ষা কৰিলেহে ধৰিব পৰা যায়। যদিহে এই পৰীক্ষাৰ সুবিধা নাথাকে, তেতিয়া পলু জগাৰ পাছত ৰোগে দেখা দিয়া মাত্ৰকে সেই কণীৰ পৰা জগা সকলো পলু নষ্ট কৰি পেলোৱাটো প্ৰয়োজনীয়। আনহাতে, পৰীক্ষা কৰাৰ সুবিধা থাকিলে আৰু পেব্ৰিনৰ উপস্থিতিৰ প্ৰমাণ পালে তেনে কণীবোৰকে নষ্ট কৰি পেলাব লাগে। প্ৰতি মথে প্ৰায় ২০০ কৈ কণী পাৰে। গতিকে এই হিচাপত প্ৰয়োজন অনুসৰি কণী সংগ্ৰহ কৰিব পাৰি। এনেদৰে সংগ্ৰহ কৰা কণীবোৰ ২% ফৰমেলিনত ৫ মিনিট তিয়াই লব লাগে। এনে কৰাৰ ফলত কণীৰ বাহ্যিক ভাগত থাকিব পৰা সকলো বীজাণু ধ্বংস হয়। ফৰমেলিনৰ পৰা কণীখিনি উলিয়াই আনি, ৫-৬ বাৰ বিশুদ্ধ পানীত তিয়াই ফৰমেলিন-মুক্ত কৰি পেলাব লাগে।

২ এই কণীখিনি পলিথিন পৰা ডলাত এতৰপীয়াকৈ মেলি আগতে চাফ-চিকুণ কৰি থোৱা, পোক পৰুৱাই ঢুকি নোপোৱাকৈ কোঠাৰ ভিতৰত, ছাঁতে শুকাবলৈ দিব লাগে। কণীবোৰ শুকালে কীট-পতংগৰ পৰা নিৰাপদ কৰিবলৈ আঁঠুৱাৰ দৰে জাল থকা কাপোৰেৰে ঢাকি থব লাগে। দিনটোত ২-৩ বাৰ এই কাপোৰ অলপ সময়ৰ বাবে খুলি দিব লাগে।

৩. পলু জগাৰ লগে-লগে সিহঁতক চোম গছৰ পাত ছিঙি ডলাত খাবলৈ দিব লাগে। পলু জগাৰ পাছত প্ৰতিখন ডলাত ৫০০ তকৈ যাতে অধিক পলু নাথাকে সেই দৰে ভাগ কৰিব লাগে। প্ৰতিভাগ পলুক পলিথিন পাৰি দিয়া ডলাত থব লাগে। পাতৰ যোগানত যাতে কোনো ব্যাঘাত নহয় তাৰ প্ৰতি বিশেষ মনোযোগ দিয়া প্ৰয়োজন। দিনটোত ৩-৪ বাৰকৈ পাত দিব পাৰিলে ভাল। পাতবোৰ সতেজ হৈ থাকে। জাৰকালি পাতবোৰ শুকাই যোৱাটো ৰোধ কৰিবলৈ পানীত তিওৱা কাপোৰ বা কপাহ ডলাত থব পাৰে। অৱশ্যে পলুৱে মোট সলাবৰ সময়ত এনে কাপোৰ বা কপাহ ৰাখিব নালাগে।

৪. প্ৰতিদিনে জগা পলুবোৰ পৃথক পৃথককৈ ৰাখিব লাগে। আনহাতে, ডলাৰ সংখ্যা বেছি থাকিলে প্ৰতিবাৰ মোট সলাবৰ বাবে ৰৈ যোৱা পলুবোৰে যাতে অসুবিধা নাপায় তাৰ প্ৰতি লক্ষ্য ৰাখি মোট নসলোৱা পলুখিনিক পৃথক কৰি আনিব পাৰিলে ভাল।

৫. সমগ্ৰ খেতিটোত তলৰ পলিথিন আৰু ওপৰত জালখন থাকিবই লাগে। কেৱল মাজে-মাজে ওপৰৰ জালখন আঁতৰাই অম্লজান, তাপ আৰু আৰ্দ্ৰতা পোৱাৰ ব্যৱস্থা কৰিব লাগে। সদায় ডলাত জমা হোৱা আবৰ্জনা চাফা কৰিব পাৰিলে ভাল। পোক-পৰুৱা নলগাটোৰ প্ৰতিও দৃষ্টি দিয়া দৰকাৰ।

৬. চতুৰ্থবাৰ পলুৱে মোট সলোৱাৰ পাছত প্ৰতি ডলাত ২০০ আৰু পঞ্চম তথা শেষৰবাৰ মোট সলোৱাৰ পাছত প্ৰতি ডলাত যাতে ১০০মানকৈ পলু থাকিব পাৰে তেনে ব্যৱস্থা থাকিলে ভাল। পঞ্চমবাৰৰ পাছত পলুৱে পাত খাবলৈ এৰিলে বা পলুটো পকিলে তাক ডলাৰ পৰা তুলি আনি শুকান পাতত লেটা বান্ধিবলৈ দিব লাগে।

পঞ্চমবাৰ মোট সলোৱাৰ পাছত মুগা পলুৱে লেটা বান্ধিবলৈ ৰৈ যায় আৰু খাবলৈ এৰে। এনে অৱস্থাত পলুটোক পকা পলু বোলা হয়। এই পলুক লেটা বান্ধিবৰ বাবে শুকান পাত (যেনে আম গছৰ পাত) আদিত এৰি দিয়া হয়। এনে অৱস্থাত পলুটোৱে তাৰ লালটি-গ্ৰন্থিৰ পৰা এক ৰস নিঃসৰণ কৰে। বতাহৰ সংস্পৰ্শলৈ আহিলে এই ৰস গোট মাৰে। এইবোৰেই ৰেচম-তন্তু। এই ৰেচম-তন্তুবোৰে পলুটোৰ চাৰিওফালে আৱৰি এটা খোলাৰ সৃষ্টি কৰে। ইয়াকেই লেটাগুটি বা লেটা (cocoon) বোলা হয়। এই লেটা ভিতৰৰ পৰা পলুটো উলিয়াই খোলাটোৰ পৰা মুগা সূতা তৈয়াৰ কৰা হয়। ইয়াৰে কিছুমান লেটা সঁচলৈ থব পাৰি। সঁচলৈ থলে পলুটো খোলাৰ ভিতৰতে পৰিবৰ্তিত হৈ মথ বা চকৰীলৈ ৰূপান্তৰিত হয় আৰু খোলা ভেদ কৰি ওলাই আহে। এই মথে পূৰ্ণাংগ অৱস্থাত মতা মথৰ লগত যোৰ পাতি কণী পাৰে।

## লব লগা সাৱধানতা

(ক) কোনো প্ৰকাৰে যাতে খাদ্য পাতৰ অভাৱ নহয়, তালৈ চকু ৰাখিব লাগে। প্ৰতিবাৰ মোট সলোৱাৰ পাছত পলুৰ প্ৰয়োজনীয় খাদ্যৰ পৰিমাণ বাঢ়ি যায়; গতিকে খাদ্য-যোগানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পৰ্যবেক্ষণৰ প্ৰয়োজন।

(খ) পোক-পৰুৱা, নিগনি আদি কোনো প্ৰাণীয়ে যাতে পলুবোৰ ঢুকি নাপায়। আনকি মাখিয়েও যাতে পলুৰ গাত কণী পাৰিব নোৱাৰে তালৈ লক্ষ্য কৰা দৰকাৰ।

(গ) প্ৰতিবাৰ মোট সলাবলৈ হ'লে পলুটোৱে পাত খাবলৈ এৰি এঠাইতে ৰৈ যায়। মোট সলোৱা কাৰ্য সম্পূৰ্ণ নোহোৱা পৰ্যন্ত পলুটো লৰচৰ হ'বলৈ দিব নালাগে। আন মোট নসলোৱা পলুবোৰ আন ডলালৈ লৈ যাব লাগে। মোট সলাবলৈ ৰৈ যোৱা পলুটোৰ গাত পাত আদি যাতে নপৰে তাৰ প্ৰতি, আৰু পলুটোৱে যাতে অকণো আমনি নাপায় তাৰ প্ৰতি গুৰুত্ব দিয়াটো প্ৰয়োজনীয়।

## পলু স্থানান্তৰৰ ব্যৱস্থা

ডলা চাফা কৰিবলৈ, মোট নসলোৱা পলুবোৰ আন ডলালৈ আনিবলৈ বা প্ৰয়োজন অনুসৰি ডলাৰ পৰা পলুৰ সংখ্যা কমাবলৈ যিকোনো স্তৰত পাত খাই থকা পলু স্থানান্তৰিত কৰাৰ প্ৰয়োজনীয়তা আছে। এনে ক্ষেত্ৰত পলু হাতেৰে অনাৰ সলনি ড. তালুকদাৰে দিয়া উপায় গ্ৰহণ কৰিব পাৰি : যি ডলাৰ পৰা পলু স্থানান্তৰিত কৰা দৰকাৰ, তাত খাদ্যৰ পৰিমাণ কমাই দি সেই ডলাত লাগোঁ-নালাগোঁকৈ আন এখন জাল কাপোৰত (ডাঙৰ-ডাঙৰ ফুটা থকা) পলুৰ খাদ্য ওলোমাই দিব লাগে। তেতিয়া পলুবোৰে খাদ্য বিচাৰি ওপৰলৈ উঠিব। এনেদৰেই সহজে পলুক আমনি নকৰাকৈ স্থানান্তৰিত কৰিব পাৰি। এই পলুবোৰক পাছত আন পৰিষ্কাৰ ডলাত মেলি দিব লাগে।

(ছায়েন্স নিউজ নেটৱৰ্ক)

# জীৱনটোৰ সৈতে যুবক এজন

ৰাজীৱ ৰাজকোঁৱৰ

অংকন ঃ ৰবীন বৰুৱা

তেনেকুৱাই হয়। কিছুমান চিনাকি মানুহ দেখিলে চলন্ত ৰেল-বাছৰ পৰা জ'পিয়ায়ো লগ কৰিবৰ মন যায়। যেন কেনেবাকৈ লগ নকৰাকৈ গ'লে জীৱনত পূৰাব নোৱৰা ক্ষতি একোটাহে হৈ যাব! মানুহজনৰ ব্যক্তিত্বৰ এক বুজাব নোৱৰা আকৰ্ষণে চাগৈ সেই সময়ত কাম কৰে। মানুহজনক লগ পাবলৈ মন যায়।

মই অৱশ্যে মৃগেনক লগ পাবলৈ তেনে ধৰণৰ কোনো ৰিস্ক লব লগা হোৱা নাছিল। তাক এনে এক সুন্দৰ আৰু বিশেষ ক্ষণত লগ পালো যে তেনে এক ক্ষণত মৃগেনৰ দৰে পুৰণি ফূৰ্তিবাজ বন্ধু এজন কাষত থাকিলে বহুতো সমস্যাৰ নিজে-নিজে সমাধান হৈ যোৱা যেন লাগে।

কিন্তু ইমান বছৰৰ মূৰত লগ পাই প্ৰথমে যিটো উচ্ছ্বাসেৰে পৰস্পৰে পৰস্পৰৰ লগত কুশলবাৰ্তা বিনিময় কৰিলো, সেই উচ্ছ্বাস বেছি সময় স্থায়ী নহ'ল। মোৰ এনে ভাব হ'ল যেন মোক কৰা প্ৰশ্নবোৰ সি যিটো উচ্ছ্বাসেৰে কৰিছে, সেই একেটা উচ্ছ্বাসেৰে মোৰ প্ৰশ্নবোৰৰ উত্তৰ কিন্তু সি দিয়া নাই। তাৰ কথাবোৰত যেন কিবা এক আড়ষ্টতা। যাক মই মোৰ সমস্যাৰ সমাধান বুলি ভাবিছিলো, তাক লাহে-লাহে মোৰ বাবে কিবা এক সাঁথৰ যেন লগা হ'ল আৰু তাক তাৰ নিজৰ বাবেই এক সমস্যা যেনহে লগা হ'ল।

বেছি সময় কথা পতাৰ সুবিধা প্ৰথম অৱস্থাত নাপালো। বহুজনবেষ্টিত হৈ থকাৰ বাবেই হয়তো কৃত্ৰিম কথা-বতৰাবোৰৰ সোনকালেই পৰিসমাপ্তি ঘটিল। যি বিশেষ কামৰ বাবে গৈছিলো, মানুহঘৰৰ সুদৃশ্য বৈঠকখানাত বহি তাৰ বিষয়ে আলোচনা আৰম্ভ হ'ল।



উদ্দেশ্য আন নহয়, মোৰখন ঘৰৰ আকৌ সেইখন ঘৰৰ বৰগৰাকী জীক বোৱাৰী কৰি অনাৰ মন। ছোৱালী চাবলৈ যোৱা মানুহ,— স্বাভাৱিকতেই খাতিৰ বেছি। আলহীৰ মনত যাতে কোনো ধৰণৰ খুঁত থাকি যাব নোৱাৰে তাৰ নিশ্চিদ্ৰ ব্যৱস্থা। ইতিমধ্যে মোৰ ঘৰৰ মানুহে ছোৱালী পছন্দ কৰিছে। গতিকে মোৰ আৰু ক'ব লগীয়া কিটো থাকিব? দেখাই-শুনাই ছোৱালী ভাল, প্ৰথম চিনাকি হৈ কথা-বতৰা হওঁতে মাত-কথাত কিছু পৰিমাণে সলজ্জ উত্থান-পতন আছিল যদিও মিতু (তেওঁৰ ঘৰত মতা নাম) যে যথেষ্ট স্মাৰ্ট ছোৱালীয়েই হ'ব সেই কথা বুজাত মোৰ বেছি অসুবিধা নহ'ল। মৃগেনেও আমাক সহজ হোৱাত বহুখিনি সহায় কৰিলে। তাৰ দূৰ সম্পৰ্কীয়া মাহীয়েকৰ ছোৱালী বুলিয়েই হওক বা মৃগেনৰ সংগ লাভ কৰাৰ বাবেই হওক, কথাত মৃগেনৰ দৰে ৰসিকতা মিহলাই সুশ্ৰাব্য কৰিব পৰা গুণ এটা থকা যেন লাগিল। মই ক'লো,—"হোষ্টেলত থকাৰ সময়ত আমি সকলোৱে মৃগেনৰ সংগ বিচাৰিছিলো। প্ৰতিটো কথাই ৰস লগাই ক'ব পৰাৰ ইয়াৰ এটা অদ্ভুত ক্ষমতা আছে।" মৃগেনে বাধা দি ক'লে,—"ৰহ ৰহ, মোৰ মুখৰ আগতে মোৰ বিষয়ে সঁচাই-মিছাই গাই দিয়াত তোৰ অলপ অসুবিধা হৈছে; তদুপৰি তহঁত দুটাৰ মাজত ননকগুঞ্জৰ এটা বহি থকাটো দেখাতেই অলপ বেয়া হৈছে। গতিকে মই ভিতৰৰ পৰা আহোঁ। এইবাৰ মোৰ বিষয়ে যিমানবোৰ মিছা কথা আছে আৰু তহঁতৰ ইটোৰ সিটোৰ বিষয়ে যিমান সঁচা কথা আছে কৈ দিব পাৰ।" —এইবুলি সি আমাক আৰু একো ক'বলৈ সুবিধা নিদিয়াকৈয়ে ভিতৰ কোঠা পালেগৈ।

"মোৰ নিজৰ দাদা নাই নহয়; গতিকে মৃগেনদাকে মোৰ দাদা বুলি লৈছোঁ। মোৰ সকলো অভিযোগ-আব্দাৰৰ হেঁচা সহ্য কৰাত সি একেবাৰে সিদ্ধহস্ত। আটাইতকৈ ডাঙৰ কথা,—আপোনাৰ বিষয়ে ছাৰ্টিফিকেটখন সিয়েই দিছে। সেইকাৰণে ... " মিতুৱে লাজ কৰা যেন কৰি তলমূৰ কৰিলে।

"চাবা আকৌ, তাৰ বন্ধু বুলিয়েই সি দুই নম্বৰী ছাৰ্টিফিকেতো দি দিব পাৰে!"

—"ওঁহো",—তেওঁ দৃঢ়তাৰে ক'লে,— "মৃগেনদাৰ ওপৰত মোৰ সম্পূৰ্ণ বিশ্বাস আছে।"

খন্তেক ৰৈ সৰু হুমুনিয়াহ এটা কাঢ়ি তেওঁ ক'লে,—"বেচেৰাটোৰ আজিলৈকে চাকৰি এটাহে নহ'ল। ঘৰৰ অৱস্থা এতিয়া একেবাৰে বেয়া। তাৰ কিবা এটা ব্যৱস্থা হোৱা হ'লে ভাল আছিল।"

এই প্ৰথম গম পালো—মৃগেনৰ আজি পৰ্যন্ত চাকৰি হোৱা নাই। একেলগে পাছ কৰিছোঁ, কমেও ছবছৰ হ'ল। তাৰ মানে ছবছৰে সংস্থানহীনতাত ভোগা কেইটামান দুৰ্ভগীয়াৰে মৃগেনো এটা। মই বেছি সময় সেইটো কথা চৰ্চা কৰিবলৈ অসুবিধা পালো। গতিকে তাৰ পাছতে একান্ত ব্যক্তিগত কথা। মিতু আৰু মোৰ মাজৰ।

"হেৰৌ টেষ্ট কৰিবলৈ হ'লে যে এটুকুৰা আলু আৰু তিনি টুকুৰা মাংসহে খাব পাৰি, তাৰ কিবা ধৰা-বন্ধা নিয়ম আছে নেকি অ'? চাচোন বাৰু, মাহীদেউক ক'লো বোলোঁ— টেষ্ট কৰিবলৈ দিছে দিয়ক, কেইটুকুৰামান বেছিকৈ দিয়ক। নাই, চাৰি ডোখৰতকৈ বেছি জমা হ'লে যেন ১৪৪ ধাৰাহে ভংগ হয়! আচলতে জোঁৱায়েকলৈ কম হোৱাৰ ভয়। বাৰু তহঁতৰ আলাপ শেষ হ'লনে নাই? মই কিন্তু প্ৰবেশ কৰিলোৱেই দেই।"

মৃগেনৰ কথাবোৰ এনেকুৱাই। হোষ্টেল জীৱনত সি আছিল এক অফুৰন্ত ৰঙৰ সঁফুৰা। হোষ্টেলত প্ৰথম যিদিনা তাক লগ পালো, সেইদিনাই সি এক ডাঙৰ কাণ্ড কৰিলে। কাৰোবাৰ মাত-কথা আৰু ভাব-ভংগী বৰ সুন্দৰকৈ নকল কৰাত মৃগেন ওস্তাদ। প্ৰথম দিনা আমাক আমাতকৈ জ্যেষ্ঠ ছাত্ৰ দুজনমানে এটা কোঠালৈ মাতিলে। উদ্দেশ্য ৰেগিং কৰা। মৃগেনে কোঠাৰ মুখত ৰৈয়েই যিটো মাত উলিয়ালে, প্ৰিন্সিপাল দুৱাৰমুখত হাজিৰ হ'লেই বুলি ভাবি ন-পুৰণি ছাত্ৰৰ খিৰিকিৰে জ'পিয়াই ফৰিং ছিটিকা দিবলৈ তত হেৰাল। পাছত যেতিয়া কথাটো সদৰি হ'ল, তেতিয়া আৰু মৃগেনক কোনে ৰেগিং কৰে? তথাপি এজনে ধমকিৰ সুৰত ক'লে,—"অ'ই, অসমীয়া পদ্য এটা মাত।"

মৃগেনেও একেটা ধমকিৰে ক'লে— "নোৱাৰোঁ।"

দাদা জাঙুৰ খাই উঠিল—"কি ক'লি? নোৱাৰ?"

লগে লগে মৃগেনৰ মুখৰ পৰা ওলাই আহিল,—"নোৱাৰোঁ কথাটি বোপা বেয়া কথা বৰ, কদাপি নহয় সিটি কথা পুৰুষৰ।" কোঠাটোত হাঁহিৰ ৰোল উঠিল।

এবাৰ আকৌ আমাৰ লগৰে মিচিলে কথা প্ৰসংগতে ক'লে বোলে ফাষ্ট ইয়েৰত যে পঢ়ে, মৃণালিনী, তাইক হেনো তাৰ বৰ ভাল লাগে। বচ, মৃগেনে পাছদিনা গৈ মৃণালিনীক চিধাচিধি কৈ দিলে,—তোক মিচিলে বৰ ভাল পায় অ'। তই কি কৰ?" —তাইনো বেচেৰী কি ক'ব? কথাটো গম পাই মিচিলে তাক খাওঁ-খাওঁ মূৰ্তি ধৰি খেদি আহিল। মৃগেনে ক'লে,—"চা মিচিল, এইবোৰতনো কিহৰ লুকঢাকডাল? কোৱা কথা কৈ দিব লাগে। মই এইবোৰ লুকঢাক একেবাৰে ভাল নাপাওঁ।"

সি যে একেবাৰে লুকঢাক ভাল নাপায়, তাৰ প্ৰমাণ তাৰ হোষ্টেল জীৱনত সি বহুবাৰ দিছে। বাথৰুমত গা ধুই থকা অৱস্থাত যদি হঠাতে কেনেবাকৈ পানী বন্ধ হ'ল, বা তাক চাবোন ডোখৰ লগা হ'ল, তেন্তে জন্মতে পিন্ধি অহা সাজটোৰেই সকলোৰে আগেদি আহি কাৰোবাৰ পৰা চাবোনডোখৰ লৈ যাবলৈ সি অকণো দ্বিধাবোধ নকৰে। লাজতে যেতিয়া বাকীবোৰে ইচ-আচ কৰিব, তেতিয়া সি আৰামত বাথৰুমত সোমাই চাবোন ঘঁহিব। তাৰ মতে—"এইবোৰত আকৌ কিহৰ লুকঢাক?"

"অ'ই আমাৰ সেই এম স্কোৱাৰৰ কি হ'লগৈ অ'?"

"কোন এম স্কোৱাৰ?" —মই প্ৰশ্ন কৰিব লগা হ'ল।

"ধ্যেৎ; মিচিল-মৃণালিনীৰ কথা কৈছোঁ!"

"সিহঁতৰ বিয়া হৈ গ'ল বোলে। বিয়া তেনেকৈ পতা নাই, ক'ৰ্ট মেৰেজ কৰি থলে। এতিয়া দুয়োটাই চাকৰি কৰে। সুখৰ সংসাৰ।"

মাজতে মিতুৱে মাত লগালে,— "মৃগেনদাই আনৰ ব্যৱস্থা কৰি দিলে হয়, নিজৰ বাবেহে এগৰাকী গোটাব নোৱাৰিলে। আপুনিনো কি সন্যাস ধৰ্ম পালন কৰিলে?"

মই মন কৰিলো হঠাতে মৃগেন গহীন হৈ গ'ল। তাৰ মুখখনত যেন ক'লা ছাই এসোপাহে কোনোবাই সানি দিলে। পাছ মুহূৰ্ততে নিজকে চম্ভালি মুখলৈ হাঁহি এটা আনি সি ক'লে,—"কি কৰিবি মিতু! মোৰ হৈ কওঁতা এজন নোলাল। গতিকে খেলখন কিবা ৱান ছাইডে'ড হৈ ৰ'ল। চাপৰি বজাবলৈতো দুখন হাত লাগিব! মই এখন হাত চলাইছোঁহে চলাইছোঁ, ইখন হাতে আকৌ কিবা কথক-চথক দিয়া বুলি ভাবি আৰামত চাই থাকিল। ক'ত চাপৰি বাজে?"

"ইচ ইচ ইচ বেয়াই লাগে ভাই!" —মিতুৱে দুখ প্ৰকাশ কৰিলে।

"অ' তই নিৰেন আৰু ঋষি কাপুৰৰ কথা গম পাৱনে নাপাৱ?" —মই মৃগেনক সুধিলো।

"ঋষিকাপুৰ?" —মিতুৱে নামটো শুনি আচৰিত হ'ল।

"অঁ ঋষিকাপুৰ। চেহেৰাই-পাতিয়ে কথাই-বতৰাই একেবাৰে হিন্দী ছিনেমাৰ হিৰ'। ই মৃগেনেই তাক নামটো দিছিল। পাছলৈ তাৰ আচল নামটো আমি পাহৰাৰ নিচিনাই হ'লগৈ। সেইটো এটা ল'ৰা আছিল। এনে ফিটফাট হৈ থাকে! চাকৰি পালেই প্ৰথম দৰমহাৰ সি তিনিযোৰমান ছুট চিলোৱাৰ প্লেন কৰিছিল। প্ৰথম ছুটী লৈ বম্বেলৈ ফুৰিবলৈ যোৱাৰ কথা আছিল, তাকো ওপৰেদি, এৰোপ্লেনত।"

"কিন্তু কি হ'ল সিহঁতৰ?" —মৃগেনে উৎসুকতাৰে প্ৰশ্ন কৰিলে।

"কিনো কবি, সিহঁত দুয়োটা দুবছৰমান আগতে ওচৰা-উচৰিকৈ ঢুকাল।"

"ঢুকাল? মাই গড! কেনেকৈ?"

"নিৰেনৰ এনকেফেলাইটিছ হোৱা বুলি কয়। দুদিনৰ জ্বৰৰ অন্তত সকলো শেষ। ঋষিকাপুৰৰ মৃত্যু আৰু দুখজনক। সি অ'. এন. জি. ছিৰ পৰা এপইণ্টমেণ্ট লেটাৰখন পাবৰ তিনিদিনৰ দিনা বাছৰ পৰা নামি আনন্দৰ আতিশয্যত ঘৰলৈ বুলি ৰাস্তাটো পাৰ হওঁতেই বিপৰীত ফালৰ পৰা এখন ট্ৰাকে তাক চিৰদিনৰ বাবে নিমাত কৰি থৈ গুচি গ'ল।"

হঠাতে কোঠাটোলৈ এক অস্বস্তিকৰ নিৰৱতা নামি আহিল। মৃগেনে চকু দুটা খন্তেকলৈ মুদি কিবা এটা চিন্তাই কৰিলে নে ভগৱানৰ ওচৰত সিহঁত দুটাৰ আত্মাৰ সদগতিৰ উদ্দেশ্যে প্ৰাৰ্থনাই জনালে ধৰিব নোৱাৰিলো।

"জান মিতু, ঋষিকাপুৰক জোকাই-মেলি আটাইতকৈ বেছি আমনি ময়েই কৰিছিলো। প্ৰতিটো কথাতে তাক হাঁহিয়াতৰ পাত্ৰ কৰিবলৈ বৃথা চেষ্টা কৰিছিলো। অথচ সিয়ে কি আচৰিত ল'ৰা আছিল। পুৱাই শুই উঠি মোৰ কোঠালৈ নহাকৈ সি নোৱাৰিছিল। সেই এপইণ্টমেণ্ট লেটাৰখন, যিখন বেকাৰ যুবক এজনৰ বাবে পৰম আকাংক্ষিত সম্পদ, সেইখন লৈনো সি মৰিব লাগেনে?"

কিছু সময়ৰ নিৰৱতা। পুনৰ সি নিজকে কোৱাৰ নিচিনাকৈ কৈ উঠিল,—"Sad! Sad! Very sad!"

পৰিবেশটো আৰু গধুৰ হৈ পৰাৰ আগতেই ভিতৰৰ পৰা ভাত খোৱাৰ আহ্বান আহিল। ভাত খাওঁতে মই মন কৰিলো আমাক গৃহিণীয়ে জোৰ কৰি মাছে-মাংসই খুৱাবলৈ যত্ন কৰিলে যদিও মৃগেনে হাতেৰে চুলেহে বুলিব পাৰি।

খোৱা-বোৱাৰ অন্তত সি যাবলৈ ওলাল। শেষ বাছখন বৰ সোনকালে এৰে; ধৰিবগৈ লাগে। ময়ো হোষ্টেলৰ আগৰ অভ্যাস (দুয়োটাই অদূৰত থকা দোকানখনত ছিগাৰেট এহোঁপা মাৰোঁ) অনুসৰি তাক আগবঢ়াবলৈ বুলি ওলাই আহিলো।

কিছুদূৰ দুয়োটা নিৰৱ। ময়েই প্ৰথমতে মাত লগালো,—"কচোন এতিয়া তোৰ খবৰ।" আকৌ খবৰ সোধাৰ অৰ্থটো হ'ল একেবাৰে খোলাখুলিকৈ ক'ব লাগে, অথনিৰে পৰা কৰি অহা অভিনয়খিনি বাদ দি।

"বৰ কষ্ট পাইছোঁ দোস্ত! ভীষণ কষ্ট। ছটাকৈ বছৰ, কাম নাই, বন নাই, এনেয়ে বহি আছোঁ।"

"কিন্তু ... "

"নাই নাই, চেষ্টা নকৰাকৈ মই থকা নাই। ইমানবোৰ পঢ়ি-শুনি ঠিকাদাৰৰ তলত চাৰিশ টকীয়া চাকৰি কৰাৰ পৰা শিল-বালি ছাপ্পাই দিয়ালৈকে সকলোতে চেষ্টা কৰি চালো। নোৱাৰিলো টিকিব। দুৰ্নীতিৰ লগত আপোচ নকৰোঁ বুলি বিৰাট-আদৰ্শ একোটাৰ কাৰণে টিকিব নোৱৰা নহয় কিন্তু। মুঠতে মোক ভাগ্যই লগ নিদিলে বুলি কলেই চাগৈ ব্যাখ্যা কৰিবলৈ আটাইতকৈ উজু হ'ব। তই ভালকৈ মোলৈ মন কৰিলেই তই বুজিবি মই কিমান কষ্ট পাইছোঁ।"

"ইন্টাৰভিউ কেইটা দিলি?"

তামোলৰ পিকখিনি ৰাস্তাৰ দাঁতিলৈ পেলাই দি বাঁওহাতৰ তলুৱাৰে মুখখন মচি অদ্ভুত হাঁহি এটা মাৰি সি ক'লে,—"হোঃ! ইন্টাৰভিউৰ কি মই হিচাপ ৰাখিছোঁ? হ'ব বিছ-পঁচিছটা। কিন্তু হাজাৰ-হাজাৰ প্ৰাৰ্থীৰ মাজত এই মৃগেন ফুকনক বাছি নি কোনোবাই—'এইটো চাকৰি ল'—বুলি দি দিব, সেইটো কথাতো আৰু হ'ব নোৱাৰে! না-খাতিৰ, না-বাতিৰ। কৈছিল। এঠাইত এজনে বিছ হাজাৰ টকাৰ বিনিময়ত চাকৰি এটা দিম বুলি কৈছিল। কথাটো শুনি অকৰা-মকৰা হাঁহি এটা মৰাৰ বাহিৰে মোৰ একো উপায় নাছিল। আৰু মোৰ দুৰ্ভাগ্য চা। সম্পৰ্কীয় মামা এজনে বঙাইগাঁৱত ডাঙৰ চাকৰি কৰিছিল। এবাৰ তেওঁৰ পৰা চিঠি এখন পালো। চিঠিখনৰ মতে এসপ্তাহৰ ভিতৰত মই জইন কৰিব লাগে; টেম্পৰেৰি প'ষ্ট; পাৰমেনেণ্ট হোৱাৰ ছেণ্ট পাৰছেণ্ট গেৰাণ্টি। পিছে চিঠিখন ভালকৈ চাই দেখিলো সেইখন বিছদিনমানৰ আগতে লিখা। যেতিয়া বঙাইগাঁও পালোগৈ, তেতিয়ালৈ এজনে প্ৰথম

OLDISC

দৰমহাটো পালেই।" —আকৌ কান্দোন যেন লগা সেই হাঁহিটো।

এইবাৰ সি ছিগাৰেট এটা জ্বলালে, আৰু এটা মোলৈ আগবঢ়াই দিলে। দীঘলীয়াকৈ টান এটা মাৰি ধোঁৱাখিনি নাকেৰে উলিয়াই দি চকুকেইটা অলপ সময়ৰ কাৰণে মুদি দিলে।

"জীৱনটো ইমান কঠিন বুলি ভবা নাছিলো অ'! গোটেই জীৱনটো হাঁহি-হাঁহি কটাম বুলি ভাবিছিলো এসময়ত। আৰু তোক মই সঁচা কথা কৈছোঁ, মই হাঁহি থাকিবলৈ বহুত টকা নালাগে; জাষ্ট চলি যাব পৰাকৈ চাকৰি এটা। ছেঃ! তাকো নহ'ল আজিলৈকে। ছবছৰ হ'ল বুজিছ, পাছ কৰি ওলোৱা। লং ছিক্স ইয়েৰছ।"

কিছু সময়ৰ নিস্তব্ধতা। ইমান ৰঙিয়াল মানুহটোৰ এই ৰূপটো দেখি মই বিমূঢ়। মুখৰ পৰা একো এটা ওলোৱা নাই।

সিয়েই পুনৰ ক'লে,—"এবছৰমান অইল ইণ্ডিয়াত ট্ৰেইনিং ললো। ছশ টকা পাওঁ ষ্টাইপেণ্ড। তথাপি ওচৰৰ মানুহখিনিৰ লগত একেলগে কামলৈ ওলাই গৈয়েই ভাল লাগে। এটা সময়ত তাৰো অন্ত পৰিল। ঘৰত ভৰ দুপৰীয়ালৈকে শুই থাকিবলৈও আমনি লগা হ'ল। লাজ লগা হ'ল। এদিন আকৌ পুৱাই উঠি মানুহবোৰৰ লগত ওলাই গ'লো। কিয় জাননে? কাৰণ মই মাত্ৰ দেখুৱাব খুজিছিলো যে মই এনেয়ে বহি থকা নাই; কিবা এটা কৰি আছোঁ। কেনে এক মানসিক যন্ত্ৰণাত মানুহে এনে কাম কৰিব পাৰে ভাবচোন! নাই, আজিকালি আৰু সেইবোৰে মোক লাজ দিব নোৱাৰে। কিন্তু তোক সঁচা কথা কৈছোঁ দোস্ত, মই বৰ কষ্ট পাইছোঁ। বৰ কষ্ট পাইছোঁ।"

কথাকেইটা কৈ সি ছিগাৰেটটোত দীঘলীয়া টান দুটামান মাৰি এমোকোৰা ধোঁৱা ওপৰলৈ এৰি দিলে। কিছু সময় বতাহত মিলি যাবলৈ ধৰা ধোঁৱাখিনিলৈ চাই থাকিয়েই সি পুনৰ আৰম্ভ কৰিলে,—"তইতো জান, মই হোষ্টেলত থাকোঁতে অলপ অচৰপ মদ খাওঁ। কিবা দুখত নাখাওঁ, এনেয়ে খাওঁ। কেতিয়াবা লগ-ভাগ পালে মাত্ৰা বেছিয়েই হয়গৈ। সেই অৱস্থাত যেতিয়া ৰাতি হোষ্টেলৰ গে'ট বন্ধ হয়, তেতিয়া মই বহুদিন ৰাতি মাহীহঁতৰ ঘৰলৈ, অৰ্থাৎ মিতুহঁতৰ ঘৰলৈ গুচি আহিছোঁ। মিতুৱে মনে-মনে দুৱাৰ খুলি দিছে, গৰম পানী কৰি দিছে। মাহীদেৱে ভোৰভোৰাই মোক বকিছে, তাকো মহাদেৱে গম নোপোৱাকৈ। সেই বকনিবোৰ কিন্তু মই বৰ উপভোগ কৰিছিলো। মাহীদেউৰ আগত মদ নাখাওঁ বুলি প্ৰতিজ্ঞা কৰিছিলো। নাই আকৌ খাই আছোঁ।

"এদিন কিন্তু সাংঘাতিক কাণ্ড হ'ল। একেবাৰে থৰ নাইকিয়া হৈ যেতিয়া মই ঘৰ সোমালো, মিতুৱে দুৱাৰ খুলি দিবলৈ অমান্তি হ'ল। 'আৰু মদ নাখাওঁ' বুলি বাহিৰতে প্ৰতিজ্ঞা কৰিবলৈ দাবী কৰিলে; ময়ো সেইদিনা সঁচাকৈয়ে মিতুক কৈ দিলো,—'আজিৰ পৰা মদ নাখাওঁ।' সেই যে মদ নাখাওঁ বুলি ক'লো,—যোৱা পাঁচ-ছ বছৰে সেই বিশ্বাস ভংগ কৰা নাই। আৰু চাচোন বাৰু, যিজনী ছোৱালীয়ে, নিজৰ ককায়েক বুলি লৈ মোৰ বাবে ইমানখিনি কৰিলে তাইৰ বিয়া পাতি দিয়াটো দূৰৰ কথা, বিয়ালৈ বুলি আহিবলৈ আনৰ পৰা টকা বিছটা ধাৰ কৰি বাছৰ ভাৰা উলিয়াইছোঁ। এয়াই মোৰ দশা।" —এইবুলি সি এটা দীঘলীয়া হুমুনিয়াহ কাঢ়িলে। মই সান্ত্বনাৰ একো ভাষা বিচাৰি নাপাই মাত্ৰ অৰ্থহীন দৃষ্টিৰে দূৰলৈ চাই থাকিলো।

হঠাত কিবা এটা মনত পৰাৰ দৰে সি ক'লে,—"অঃ মোৰ বাছৰ সময় হ'ল। তোৰ লগত আছে যদি দে টকা বিছটামান। এই মুহূৰ্তত বাছত যাব পৰাকৈও মোৰ হাতত পইচা নাই।"

মই যন্ত্ৰবৎ মনিবেগটো উলিয়াই তাৰ হাতত টকা এশ গুজি দিলো। সি মোৰ হাত দুখন দুহাতেৰে খামুচি ধৰি ক'লে,— "মই বৰ কষ্ট পাইছোঁ অ'; বৰ কষ্ট পাইছোঁ। আত্মহত্যা কৰাৰ সাহস মোৰ নাই। তই পাৰ যদি আশীৰ্বাদ কৰিবি, মই যাতে ঋষিকাপুৰৰ দৰে বাছৰ পৰা নামোতেই, আন এখন গাড়ীয়ে বিপৰীত দিশৰ পৰা আহি মোক মুক্তি দিয়ে। আশীৰ্বাদ কৰ বন্ধু, আশীৰ্বাদ কৰ।"
—এইবুলি কৈয়ে সি মোৰ ফালে নোচোৱাকৈয়ে বাছষ্টেণ্ডৰ ফালে খোজ চলাই দিলে।

মোৰ হাতৰ মুঠিত তেতিয়া তাৰ দুচকুৰ দুটোপাল চকুপানীৰ উত্তাপে আমনি কৰিছিল।








# সময়, তোমাক এতিয়াও প্ৰাৰ্থনা কৰোঁ

**অঞ্জন ভূঞা**

সাগৰৰ পাৰত মই নগ্ন হৈ ৰৈ আছিলো
উপকূলৰ বালিত জিলিকি আছিল ৰঙীন শামুকৰ খোলা
আৰু, নিঃসংগতাক কান্ধ পাতি নিয়া লুণীয়া বতাহ
যেন অলপ আগেয়েহে শেষ হ'ল যাত্ৰাগান

সময়, তোমাক এতিয়াও প্ৰাৰ্থনা কৰোঁ
তুমি তুলি লোৱা কাকত-কলমৰ এই অভিজাত পৃথিৱী
জন্মৰ অতীতলৈ লৈ যোৱা যন্ত্ৰণা

উপকূলৰ বালিয়েদি মই খোজ কাঢ়িছিলো
হাতত ব্যস্ত দিনৰ সকলোবোৰ মলিন হুমুনিয়াহ
আৰু,
ছিটিবাছত ওলমি অহা মৃত্যুৰ জৰুৰী খবৰ
যেন প্ৰতিজোপা গছত ওলোমাই থোৱা হ'ল ফুলৰ সলনি মৃত্যু


সময়, তোমাক এতিয়াও প্ৰাৰ্থনা কৰোঁ
তুমি উজ্জ্বলতৰ কৰি তোলা মৃত-বসন্তৰ কাতৰ মুখ
জীৱনৰ বাটে-বাটে আঁৰি থোৱা সকলো কবিৰ মৃত্যু-পৰোৱানা

মই খোজ কাঢ়িছিলো, বাটে-বাটে গাঁথা হৈছিল বালিৰ পাহাৰ
মই খোজ কাঢ়িছিলো, এক পৰ্যটক পথিক আকাশ সীমাত থিয় হৈছিল
আৰু,
প্ৰেয়সীৰ চকুত বিচাৰিছিল পানী, মৰুদ্যানৰ ঠিকনা
যেন প্ৰতিযোৰ চকুৱে জন্ম দিব একোখন নদী, পাৰত সুবিশাল উপত্যকা

সময়, তোমাক এতিয়াও প্ৰাৰ্থনা কৰোঁ
তুমি খোজৰ দাগে-দাগে মছি যোৱা তেজৰ চেঁকুৰা
অপৰাধী কৰা সকলো ইতিহাস, ইতিহাসৰ সকলোবোৰ সাধুকথা

মই যেতিয়া ঘৰ পামগৈ, তেতিয়া সন্ধিয়া হ'ব
সেই সন্ধিয়াই ভাৰ বৈ আনিব সোঁৱৰণিৰ কিতাপ
আৰু,
তেনে এখন কিতাপৰ মাজতে মই টোপনি যাম

সময়, তোমাক এতিয়াও প্ৰাৰ্থনা কৰোঁ
তুমি নিৰৱতাক নজগাবা, নাগাবা উৎসৱৰ গান



# মাটিৰ মুখ স্পৰ্শ কৰা শিপাবোৰ

**ধ্ৰুৱকুমাৰ তালুকদাৰ**

(১)

দুখৰ শিপাবোৰে স্পৰ্শ কৰিছে
মাটিৰ মুখ

মাটিৰ ৰসেৰে পূৰ্ণ হৈ পৰিছে
দুখৰ চকুলোবোৰ

তোমাৰ ৰ'দৰ চোতাললে'
মোৰ দুখৰ শিপাবোৰে
কঢ়িয়াই আনিব কেতিয়া

মাটিৰ মৌ।

(২)

ক্ৰমশঃ
তেজৰ ভিতৰলৈ গছৰ শিপাবোৰ

পোহৰৰ ঢৌবোৰ

সেউজীয়া মেঘবোৰৰ
বুকুত
তোমাৰ ওঁঠৰ অমৃত স্পৰ্শ।

# ছাইপ্ৰাছ গছজোপা

(ভেনগগৰ এখন ছবিৰ)

**প্ৰেমনাৰায়ণ নাথ**

ছাইপ্ৰাছ গছজোপাই এতিয়াই যেন
স্পৰ্শ কৰিব আকাশ

ভেনগগ-বুলীয়া সন্ধ্যাৰ আঁচল
নক্ষত্ৰৰ ৰূপালী জ্বুইডৰা

মাজ আকাশত
মৃত্যুৰ বৰণ নীল তৰাৰ বিক্ষোভ

পটভূমিত বৈ আছিল
আৰোহী-অৱৰোহী আবহ-সংগীত
আৰু
তাল ভাগি পৰা টলমল আকাশ পাতাল

গছজোপাত গুণগুণাই থকা শোক আৰু সোঁৱৰণি
ভিতৰে ভিতৰে শিপায়।।

হীৰেন চৌধুৰী

# চেং

## তেৰ



অংকন ঃ ৰবীন বৰুৱা

চেঙৰ কুকুৰৰ দলটোৱে ওৰে নিশাটো ক'তো এখন্তেকো নবৈ ৰাজখোৱা ডাঙৰীয়াৰ ঘোঁৰাৰ গোন্ধে-গোন্ধে লাহে-লাহে আগ বাঢ়িবলৈ ধৰিলে। আজিকালি সিহঁতে বিনা আদেশে অনাহকত ভুকি চিঞৰ-বাখৰ নকৰে, কিন্তু আদেশ পোৱাৰ লগে-লগে একেলগে ভুকি বৌজাল-বৌজাল কৰাত অতি পাৰ্গত। চেঙে ফুংপাইক নগোৰ কথামতে পাছদিনা দুপৰীয়াহে পাবগৈ বুলি জানি জংঘলৰ অন্ধকাৰত কৰবাত ঘোঁৰাই উজুটি খাই দুখ পাই বুলি কুকুৰৰ নিস্তব্ধ সমদলটোক বেগ দিবলৈ দিয়া নাছিল। কিন্তু পুবে ফেঁহুজালি দিয়াৰ লগে-লগে কুকুৰজাকক সি বেগ দিবলৈ আদেশ দিলে। কুকুৰজাকে যথেষ্ট বেগ বঢ়াই দি লৰিবলৈ আৰম্ভ কৰিলে। বেলি ওলোৱাৰ প্ৰায় লগে-লগে চেঙৰ অস্পষ্ট আদেশত সিহঁত সকলোৱে ঠাইতে বৈ দীঘল-দীঘল ঘাঁহনিৰ মাজত বহি লুকাই পৰিল। চেঙৰ শেন চকুৱে দুৰৈৰ পৰাই হাবিৰ মাজত আধাৰো কম অংশ ওলাই থকা অৱস্থাত চৰি থকা ফুংপাইৰ পখৰা ঘোঁৰাটো দেখিয়েই বৈ গৈছিল আৰু কুকুৰজাককো ৰখাইছিল। সি ঘোঁৰাৰ পৰা সাৱধানে নামি কিলাকুটিত ভৰ দি বগুৱা বাই আগবাঢ়ি গৈ-গৈ ঘোঁৰাটোৰ কাষ পাই শুই থকা অৱস্থাৰ পৰা অলপ সময় টলকা মাৰি থাকোঁতেই তাৰ তীক্ষ্ণ অনুভূতিসম্পন্ন নাকত ফটিকাৰ গোন্ধ লাগিলহি। সি লাহেকৈ থিয় হৈ ঘোঁৰাটোৰ কাষলৈ গৈ মস্ত ফটিকাৰ চুঙাটোৰ ভিতৰলৈ চাই দেখে যে প্ৰায় আধাতকৈও কম ফটিকা তলিত পৰি আছে। তাৰ মানে নিচা লাগি ফুংপাই নিশ্চয় কৰবাত শুই আছে। সেই ঘন হাবি-বননিৰ মাজত নিশ্চয় সি শোৱা নাই বুলি নিঃসন্দেহ হৈ গছবিলাকৰ মাজলৈ চাওঁতেই হঠাতে দুৰ্ঘোৰ টোপনিত মগ্ন হৈ থকা ফুংপাইৰ গছৰ ডালৰ লগত বান্ধি লোৱা দেহাটো দেখা পালে। তাৰ অৱস্থাটো দেখি চেঙৰ পেটে-পেটে হাঁহি উঠি গ'ল। ইমান আচৰিত চোৰ যে চুৰ কৰি ক'ত পলাই যাব,— তাকে নকৰি ফটিকা খাই গছৰ ডালত শুই আছে! চেঙে কেৰ্কেটুৱাৰ দৰে গছডাল বগাই উঠি দেখে ফুংপাইৰ দোঁ খাই থকা ডিঙিত ৰছী এডাল ওলমি আছে। সি ফুংপাইৰ বুকু আৰু পেটৰ মাজছোৱা চুই চোমদেৱ তাতে আছে বুলি অনুভৱ কৰিলে। লাহেকৈ ডোলডাল ফুংপাইৰ মূৰৰ পৰা সোলোকাই সি মোনাটো খুলি চাই দেখে,— চোমদেৱ ঠিকেই আছে। চোমদেৱক আগতে বহুবাৰ দেখাৰ বাবে চিনি পোৱাতো তাৰ ভুল নহ'ল। তাৰ তেতিয়া চিন্তা হ'ল,— ফুংপাইক লৈ কি কৰা যায়। তাক মাৰি পেলাবলৈকো নিচাদেৱেকে বাধা কৰিছে। তদুপৰি এই চিকাটো মাৰি হাত গোন্ধোৱাৰ কোনো অৰ্থ নাই। ফুংপাইৰ যাবলৈকো কোনো ঠাই নাই। গতিকে এই জীৱন্তে মৃত মানুহটোক টোপনিত এৰি থৈ চেঙে গছৰ পৰা নামি আহি কুকুৰজাকক লৈ বিদ্যুৎ গতিত ঘৰলৈ ৰাওনা হ'ল।

চেংহঁত গুচি যোৱাৰ পাছত নগো ঘৰলৈ নগৈ মন্দিৰতে বহি থাকিল। ৰাতিপুৱা বেলি ওলাই মানে বাহিৰৰ চৰিয়াকেইটায়ো সাৰ পাই উঠি সিহঁতৰ ৰাতিৰ পৰ সমাপ্ত কৰি ঘৰাঘৰি গ'ল। তাৰ পাছতহে ৰবং আৰু দেওধাইৰ গালৈ তত আহিল। চকু মেলিয়েই নগোক দেখি ৰবঙৰ জীৱ উৰি গ'ল। সি কিবা ক'বলৈ পোৱাৰ আগতেই নগোৱে মাত লগালে, "এয়া তোৰ দায়িত্ব জ্ঞান নহয়নে ? যা, এতিয়াই ঘৰলৈ যা।"

সি পলাইহে ৰক্ষা পালে। দেওধায়ে সাৰ পাই নগোক দেখি আচৰিত হোৱাৰ উপৰিও নগোৰ মুখত চোমদেৱ চুৰি হোৱাৰ কথা শুনি তেওঁৰ উশাহ-নিশাহ বন্ধ হোৱাৰ উপক্ৰম হ'ল।

নগোৱে ক'লে, "চেং গৈছে চোমদেৱক লৈ আহিবলৈ। আপুনি নিশ্চিন্ত মনে থাকক। আৰু এটা কথা। এই চুৰি হোৱাৰ কথা কাকো নজনাব ; আনকি স্বয়ং ৰজাদেৱকো।"

বেলি মূৰৰ ওপৰ পাবলৈ ভালেমান পৰ থাকোঁতেই চেঙে আহি বুঢ়া দেওধাইৰ হাতত চোমদেৱক গতাই দিলেহি। বুঢ়াদেওধায়ে চোমদেৱক বুকুত সাবটি কান্দিবলৈ ধৰিলে।

সেইদিনা আবেলিয়েই ৰাজকাৰেঙত হুৱাদুৱা লাগিল। ৰজাদেউ হঠাতে ধাঁচকৈ পৰি মুচকচ যোৱাৰ ফলত দেৱৰ বাঁওফালটো অসাৰ হৈ গ'ল। বেজ ডাঙৰীয়াই সন্ন্যাস ৰোগৰ ঔষধ দিছে যদিও ৰজাদেৱৰ উপশম হোৱাৰ কোনো লক্ষণ দেখা যোৱা নাই। ৰাজমাৱে গধূলি নগোক মাতি পঠোৱাত নগোৱে ৰাজমাওক লগ ধৰিলেগৈ।

ৰাজমাও হ'ল ৰজাদেৱৰ প্ৰথমা মহিষী। এখেতৰ জীয়ৰী নাং-নাম-আপৰ গৰ্ভতেই চুকাফাৰ জন্ম হৈছিল। মাক মৰাৰ পাছৰে পৰা আনায়েক ৰাজমাৱে চুকাফাক নিজৰ হিয়াৰ টুকুৰা জ্ঞান কৰি তুলি-তালি ডাঙৰ-দীঘল কৰিছে।

নগোৱে কাৰেঙৰ নিজা ঘৰত ৰাজমাওক বৰ আমন-জিমনকৈ বহি থকা দেখি লাহেকৈ মাত লগালে, "আইদেউতা, আপুনি ৰজাদেৱৰ কথা ভাবি বৰ বিমৰিষ হৈ পৰিছে।"

ৰাজমাৱে নগোক বাধা দি ক'লে, "নগো, মই দেৱৰ বাবে চিন্তা কৰি বিমৰিষ হৈ পৰা নাই। দেউৰ বয়স হৈছে, তাতে কালৰোগে পালে। গতিকে সৃষ্টিৰ নিয়ম অনুযায়ী দেৱে এই পৃথিৱী এৰি যাবই লাগিব। গতিকে সেইটো কথাত বিমৰিষ হৈ পৰাৰ কাৰণ নাই। মোৰ বিমৰিষ বা চিন্তা হোৱাৰ কাৰণটো হ'ল চুকাফাক লৈ। ৰজাদেউ মৰাৰ লগে-লগে চুক্ৰানফা নৰা ৰাজ্যৰ ৰজা হ'বই। চুকাফাৰ এই ৰাজ্যৰ ৰজা হোৱাৰ কোনো সম্ভাৱনাই নাই। মই চুকাফাক আজিয়েই কৈছিলো— 'চুক্ৰানফাক ৰজা নাপাতি তোক পাতিবনে ? তদুপৰি তই ইয়াত থাকিলে তোক কোনে বা মাৰে কাটে।' —পাছে মোৰ দৰেই তুমি আৰু চেঙে চিউকক আপোন বুলি ভাবা। এতেকে তুমি কি বোলা ?"

নগোৱে উত্তৰ দিলে, "চাওক আইদেউতা ; বহুদিনৰ আগৰ পৰাই মই চিউকক ভৱিষ্যতে এই ৰাজ্য এৰি বিদেশলৈ গৈ নিজ বাহুবলেৰে এখন ৰাজ্য নিজৰকৈ স্থাপন কৰাৰ কথা বুজাই অহাৰ উপৰিও কৌৱৰৰ কাৰণে পাটকাইৰ সিপাৰে খেমাং গাঁৱতে তিনিশমান ডেকা ল'ৰাৰে গঠিত এটা সেনাবাহিনী গঢ়ি তুলিছোঁ। আপুনি তিনিশ বুলি শুনি হতাশ নহ'ব। এই ডেকা ল'ৰাবোৰক এনে ধৰণে শিক্ষা দিয়া হৈছে যে তিনি চাৰি হাজাৰ সেনায়ো ইহঁতক ঘটুৱাব নোৱাৰে।"

ৰাজমাৱে সন্তোষ মনেৰে ক'লে, "মই তোমাক বিশ্বাস কৰো নগো।"

নগোৱে আকৌ কৈ গ'ল, "এতিয়া কথা হ'ল কৌৱৰ অকলশৰীয়াকৈতো লগত বুদ্ধি পৰামৰ্শ দিবলৈ ডা-ডাঙৰীয়াসকল লাগিল, সেনা লাগিল, বাঢ়ৈ, কমাৰ, কুমাৰ, বেজ, লগুৱা-লিকচৌ সকলোবোৰ লাগিল। তদুপৰি সকলোটিয়ে চুকাফা স্বৰ্গদেৱক মানি চলিব লাগিব ; স্বৰ্গদেউৰ কাৰণে প্ৰয়োজনত দেহা পাত কৰিবলৈ সাজু থাকিব লাগিব। এই সকলোবোৰ কথা এতিয়াই বিবেচনা কৰা উচিত।"

ৰাজমাৱে নগোক বিদায় দি চুকাফাৰ দেউতাকৰ দিনৰ বৰগোহাঁই তাখুনলাকক মতাই অনাই নগোৱে কোৱা সকলোবোৰ কথা ক'লে।

বৰগোহাঁয়ে ক'লে, "নগোৱে অতি উপযুক্ত কথাকে কৈছে। ময়ো ইতিমধ্যে দহ-বাৰ জনমান ডাঙৰীয়া, হাতীমূৰীয়া বৰুৱা, ৰাজখোৱা আদিক কাণ চোৱাই থৈছোঁ। তেওঁলোকে ৰজাৰ আদেশ পালেই যাব। সেনা বুলিবলৈ সাধাৰণ মানুহ যাব। যাৰ নিজৰ মাটিবাৰী নাই, অথচ সাহসী আৰু নতুন ঠাই চাবলৈ আগ্ৰহী, তেনেবোৰকে লৈ গৈ শিকাই-বুজাই সময়ত এটা ভাল সেনাবাহিনী গঠন কৰি লব পৰা যাব। তদুপৰি নগোৱে উনুকিউৱাসকলৰ উপৰিও দেওধাই, মোহন, বাইলুং আৰু চাংমাই আদি সকলকো লগত লৈ যাব লাগিব।"

ৰাজমাৱে বৰগোহাঁইৰ কথা শুনি ভাবিলে, বৰগোহাঁইৰ দৰে মানুহে আবৰি ৰাখিলে, আৰু চোমদেৱে কৰিলে চিউকৰ একো বিপদ-আপদ হ'ব নালাগেতো। তেখেতে ক'লে, "তেন্তে বৰগোহাঁই ডাঙৰীয়া, শুনিবলৈ বেয়া লাগিলেও ক'বই লাগিব যে এতিয়া আমি ৰজাদেৱে আমাৰ এৰি যোৱাৰে পৰা চুক্ৰানফা পাটত বহালৈকে মাজৰ এই সময়ছোৱাত যিখিনি সম্ভৱ সকলোখিনিৰ যা-যোগাৰ গোপনে কৰি পেলোৱাটোৱেই উচিত হ'ব। খৰচৰ বাবে হাত নধৰিব। মই আছোঁ। তদুপৰি এটা কথা ; চুক্ৰানফা পাটত বহাৰ বছৰেকটোৰ ভিতৰতে মই চুকাফাই নিৰাপদে এই ৰাজ্যখন এৰি যোৱাটো বিচাৰোঁ।"

বুঢ়াদেওধায়ে তেওঁৰ দোষতেই ফুংপায়ে চোমদেৱক চুৰ কৰি নিয়াৰ কাৰণেই, চোমদেৱৰ ক্ৰোধতেই ৰজাদেৱক কালব্যাধিয়ে পালে বুলি মনে-মনে অতি অনুতপ্ত হৈ মনৰ খেদ গুচাবলৈ ৰাজমাৱৰ আগতে গোটেই ঘটনাটো ভাঙি ক'লে। ৰাজমাৱে শুনি দেওধাইক প্ৰবোধ দিলে আৰু তেওঁক নিজৰ মনৰ গোপন বাসনাৰ কথাটো কৈ পেলালে। বাসনাটো হ'ল,—যদি চুকাফাই নৰাৰাজ্য চিৰদিনৰ কাৰণে এৰি থৈ অনিশ্চিত বিপদ মূৰত লৈ যাব লাগে, তেন্তে চুকাফাক ৰক্ষা কৰিবলৈ চোমদেৱ চুকাফাৰ লগে-লগে যাব লাগিব। কথাখিনি শুনি বুঢ়াদেওধাইজন সৰগ পৰা মানুহৰ দৰে হলত ৰাজমাৱে তেওঁক ভাৰসা দি ক'লে, "আপুনি ভয় নকৰিব। চোমদেৱক চুকাফাৰ হাতত গতাই দিয়াৰ দায়িত্ব মোৰ। কেৱল আপোনাৰ কিবা আপত্তি আছে নেকি তাকে কওক।"

বুঢ়াদেওধাইজন দোমোজাত পৰিল। তেওঁ জানে যে চুক্ৰানফাৰ চোমদেৱৰ প্ৰতি চুকাফাৰ দৰে ভক্তি নাই। যি হেতুকে ভক্তৰ বাবেই ভগবান, গতিকে চুকাফাৰেই চোমদেৱৰ ওপৰত অধিকাৰ বেছি।

বুঢ়াদেওধায়ে নিৰৱে মূৰ জোকাৰি সম্মতি জনালে।

চেঙে নংখাও ৰাজ্যৰ পৰা এশ সোতৰটা ল'ৰাক পাটকাই পাৰ কৰি খেমাং গাঁৱলৈকে লৈ আহিল। তাতে সি আটাইবোৰকে ভাগ-ভাগ কৰি লৈ কিলাকুটিৰ ওপৰত ভৰ দি পাহাৰ বগোৱা, অতি খৰকৈ কাঁড় মৰা, কাটাৰি চলোৱা আদি শিকাবলৈ ধৰিলে। কুকুৰজাককো আনি লৈ কাপোৰেৰে মানুহ সজাই জাককুকুৰে এটা মানুহকে আক্ৰমণ নকৰি গায়ে-গায়ে এটা মানুহক আক্ৰমণ কৰিবলৈ শিকাবলৈ ধৰিলে। এইদৰে নংখাওৰ পৰা ল'ৰাবোৰ আনি শিকোৱালৈকে সোতৰ দিন হোৱাৰ দিনা নৰা ৰজা ঢুকাল।

নৰা ৰজা ঢুকাল যদিও কথাটো সদৰি নহ'ল। শ্যানদেশৰ ৰজাঘৰীয়া নিয়মমতে ডাঙৰীয়াসকলে নকৈ এজন ৰজা নাপাতে মানে ৰজাৰ মৃত্যু-বাৰ্তা ঘৰে-ঘৰে কোনেও নাজানে আৰু সেই কথা বাহিৰৰ মানুহক কবও নাপায়। গতিকে ৰাজমাৱৰ মুখে কথাটো নগো, বৰগোহাঁই আৰু চুকাফাই জানিছিল যদিও সকলো তাপ মাৰি থাকিল।

নগোৱে খেমাং গাঁৱলৈ গৈ সৈন্যৰ লেখ লৈ দেখে যে মুঠ তিনিশ-তিনি কুৰি এজন হৈছে। নগোৱে এইবোৰৰ কাৰণে এশ একুৰি সৰু-সৰু তিনিজনীয়া ভাত সিজোৱা তামৰ টেকেলিৰ পৰিবৰ্তে একুৰিজনৰ ভাত সিজাব পৰা একুৰি ডাঙৰ-ডাঙৰ তামৰ টেকেলি সাজিবলৈ কমাৰসকলক আদেশ দিলে। সেনাদলকো এজন দলপতিৰ তলত একুৰিকৈ ওঠৰটা দলত ভাগ কৰি ওঠৰটা ল'ৰাক বাছি দলবোৰক চলাবলৈ দিলে। দুফালে দুটাকৈ ডাঙৰ-ডাঙৰ তামৰ টেকেলি বান্ধি নিয়াৰ উপৰিও চাউল আদি আন আন ৰচদ-পাতি কঢ়িয়াবলৈ একুৰিমান ঘোঁৰা যোগাৰ কৰি সিহঁতক পিঠিত ভাৰ দি পাহাৰ বগাবলৈ অভ্যাস কৰাবলৈ ধৰিলে।

পোন্ধৰ দিনৰ মূৰত নৰাৰাজ্যলৈ ঘূৰি আহি নগোৱে শুনিলে যে দুদিনৰ আগতে চুক্ৰানফা ৰাজপাটত বহি চলাজনা ৰজা ঢুকুৱাৰ খবৰটো ৰাইজৰ মাজত সদৰি কৰিলে। চলাজনা ৰজাদেৱ নৰিয়াত পৰা

দিনটোত নগো আৰু বৰগোহাঁয়ে ৰাজমাওক লগ ধৰাৰ পাছদিনৰ পৰাই চুকাফা, ৰাজমাও আৰু বুঢ়াগোহাঁই আদিয়ে মিলি নিতৌ গোপনে মেল কৰিবলৈ ললে আৰু ৰাজ্যৰ পৰা ওলাই যোৱাৰ যা-যোগাৰো কৰিবলৈ ধৰিলে। বৰগোহাঁই আৰু ৰাজমাৱে দেখিলে,—বয়সত অতি কুমলীয়া হ'লেও এইকেইদিনতে চুকাফাই বয়োজ্যেষ্ঠ জনৰ দৰে ব্যৱহাৰ কৰাৰ উপৰিও দিহা-পৰামৰ্শও দিছে।

ৰজা নৰিয়াত পৰাৰ দিনৰ পৰাই চুকাফাই মন কৰিছিল যে চুক্ৰানফাকে আদি কৰি নৰাৰাজ্যৰ ডা-ডাঙৰীয়া বৰা-বুঢ়াক সকলোৱে মিলি চুকাফাক দেখদেখকৈ অৱহেলা কৰিবলৈ আৰম্ভ কৰিছে। চুকাফাই মনত অতি গভীৰ বেদনা পাই নগোক লগ ধৰি কথাটো জনোৱাত নগোৱে ক'লে, "চোৱা চিউক, নৰা ৰজাৰ শেষ সময় উপস্থিত। সকলোৰে মনত ত্ৰাস উপজিছে—ৰাজমাৱে কিবা বুধি কৰি চুক্ৰানফাক নেওচি তোমাক ৰাজপাটত বহুৱাই বুলি। যদিও সেইটো সিহঁতৰ ভুল ধাৰণা, সেই ধাৰণাটো চুক্ৰানফা পাটত নবহালৈকে সিহঁতৰ মনৰ পৰা নাযায়। এটা কথা মনত ৰাখিবা চিউক ; তুমি বৰ্তমান তোমাৰ জীৱনৰ সন্ধিক্ষণত উপস্থিত হৈছাহি। এই মুহূৰ্তৰ পৰা তুমি সম্পূৰ্ণ অকলশৰীয়া। তোমাৰ একমাত্ৰ লগৰীয়া হ'ল তোমাৰ ভাগ্য। তুমি এই ৰাজ্যৰ পৰা ওলাই গৈ নিজৰ এখন ৰাজ্য পাতি লব লাগিব। সেই ৰাজ্যখন ক'ত আছে, কিমান দূৰত আছে, সেই ৰাজ্য পাবলৈ কিমান-দিন লাগিব, তোমাৰ এই জীৱনত সেই সপোনৰ ৰাজ্যখন পাবানে নোপোৱা—এইবোৰ একমাত্ৰ তথাগতই জানে। আজিৰ পৰা তুমি নিজেই তোমাৰ একমাত্ৰ উপদেশদাতা, পৰামৰ্শদাতা ; বিপদত পৰিলে তুমি নিজেই সেই বিপদৰ পৰা উদ্ধাৰকৰ্তা। কেৱল সম্পদৰ সময়ত চৌপাশে অসংখ্য লোকজন পাবা, কিন্তু স্বৰূপতে তুমি একেবাৰেই অকলশৰীয়া।"

চুকাফাই নগোৰ কথা শুনি সুধি পেলালে, "অকলশৰীয়া মানে ? কিয় আপুনি ?"

নগোৱে মিচিকিয়া হাঁহি এটা মাৰি উত্তৰ দিলে, "মোৰ তথাগত ইয়াত থাকিল ; এই দেশতেই জীৱনৰ সৰহকাল কটোৱাৰ পাছত মই কলৈকো নাযাওঁ।"

চুকাফাই শেষ আশা লৈ সুধিলে, "কাদাং ?"

নগোৱে অলপ বৈ বিষাদ মনেৰে উত্তৰ দিলে, "চেঙে তাৰ বাপেকৰ মৃত্যুৰ প্ৰতিশোধ লবলৈ বাকী থাকি গ'ল যে। তদুপৰি তোমাৰ বিপদৰ সময়ত তোমাৰ কাদাং নিশ্চয় তোমাৰ কাষত থাকিব। আৰু এটা কথা। তুমি নৰাৰাজ্য এৰি প্ৰথমে কলৈ গৈ প্ৰথম খোপনি পুতি লবা, ভাবিছানে ?"

চুকাফাই ইতস্ততঃ কৰি ক'লে, "মোৰ বোপাইৰ ৰাজ্য মুংজা-মুংজিলৈকে যাম বুলি পেটে-পেটে ভাবি আছোঁ। তাতে বৈ মানুহ-দুনুহ গোটাই সেনাবাহিনী এটা গঢ়ি লৈ সময় লৈ আগবাঢ়ি যাম।"

নগোৱে মূৰ জোকাৰি শলাগি ক'লে, "মুংজা-মুংজিলৈ যোৱাৰ কথা আনক নালাগে ৰাজমাওকো নকবা। পাটকাই পাৰ হৈ যি নদীয়েই পোৱা সেই নদীৰে সিপাৰ হৈ য'তে তথাগতে কৰে তাতে খোপনি পুতি লম বুলি কবা।"

চুক্ৰানফা পাটত বহাৰ তিনিদিনমান পাছতেই চুকাফাই নৰাৰাজ্যৰ বুঢ়াগোহাঁইক তেখেতক বাহৰতে লগ ধৰিলেগৈ। বুঢ়াগোহাঁয়ে চুকাফাক দেখি প্ৰথমে ভয়েই খাইছিল যদিও চুকাফাই তেখেতক ৰাজ্যৰ বৰা-বুঢ়াকক গোটাই চুকাফাই নিজে নৰা ৰাজ্য এৰি গুচি যোৱাৰ বিষয়ে আলোচনা কৰিবলৈ বিচাৰিছে বুলি কোৱাত বুঢ়াগোহাঁই আশ্বস্ত হ'ল। তেওঁ মেলৰ যোগাৰ কৰিব বুলি কথা দিয়াৰ উপৰিও মনে-মনে গৈ চুক্ৰানফাক কথাটো জনোৱাত তেওঁ বৰ আনন্দিত হ'ল। লগে-লগে পেটে-পেটে সকাহ পাই তেওঁ বুঢ়াগোহাঁইক অনতি বিলম্বে মেলৰ যোগাৰ কৰাৰ উপৰিও চুকাফাক লগা সকলো বস্তু মুক্তহস্তে দিবলৈ আদেশ কৰিলে।

ৰাজমাৱে নগোক আকৌ মতাই পঠাই তেখেতক যে গোপনে চোমদেৱক চুকাফাৰ লগত দি পঠাবলৈ পাঙিছে তাকে জনোৱাৰ উপৰিও চোমদেৱৰ আকৃতিৰ চুঙাসজীয়া শিল এটা চোমদেৱৰ সলনি থৈ যাবৰ বাবে গোপনে সজাই দিবলৈ ক'লে। নগোৱে ৰবঙক লৈ খেমাং গাঁৱলৈ গৈ ল'ৰাহঁতৰ কুচ কাৱাজ চোৱাৰ উপৰিও বাঢৈৰ হতুৱাই অতি সংগোপনে সাইলাখ চোমদেৱৰ আকৃতিৰ চুঙাসজীয়া শিলটো কটাই পেলালে। ইতিমধ্যে পাঁচোটা পাকৈত সেনাৰ লগত ৰবঙকো মুংজা-মুংজিলৈকে বাটৰ আভাস লবলৈ আৰু মুংজা-মুংজিৰ আও-ভাও জানি আহিবলৈ ঘোঁৰাত ৰচদ-পাতি আৰু ধন-পইচাৰ সৈতে পঠাই দিলে। তাৰ পাছত তেওঁ নৰা ৰাজ্যলৈ আহি শিলটো ৰাজমাওক গতাই দিলেহি।

নৰাৰাজ্যৰ ডা-ডাঙৰীয়া, বৰা-বুঢ়াকৰ মেলত চুকাফাৰ হৈ চাওঁখানলাকে ৰাজমাওৰ কথাকে দোহাৰি ক'লে,— "এখন হাবিত দুটা মতা বাঘ থাকিব নোৱাৰাৰ দৰে এখন ৰাজ্যতো দুজন ৰজা থাকিব নোৱাৰে। গতিকে চুকাফা ৰজায়ো এই ৰাজ্য এৰি নিজৰকৈ এখন ৰাজ্য পাতি লবলৈ বুলি যাবলৈ ওলাইছে। এই কথাত আপোনালোকে কি বোলে ?"

সকলোটিয়ে চুকাফাৰ সিদ্ধান্তক সাধুবাদ দিলে। বৰগোহাঁই চাওঁখানলাকে আকৌ ক'বলৈ ধৰিলে, "চুকাফা ৰজাদেৱৰ লগত যাবলৈ ডা-ডাঙৰীয়া বৰা-বুঢ়াককে ধৰি সেনা, লগুৱা-লিকচৌ আদিৰ নামো মই লিখি আনিছোঁ। গতিকে আপোনালোকে বিবেচনা কৰি কাক-কাক এৰিব পাৰে বা লেখ দিয়াখিনিৰ উপৰিও কাক-কাক লগত পঠাব পাৰে তাৰে এটা সিদ্ধান্ত কৰি ৰজাদেৱৰ পৰা আদেশ লৈ জনালে বৰ ভাল হয়।" এইবুলি নাম লিখা কাকতখন তেওঁ বুঢ়াগোহাঁইক দিলে। বুঢ়াগোহাঁয়ে কাকতখন লৈ সুধিলে, "চুকাফা ৰজাই এই ৰাজ্য এৰি প্ৰথমে ক'ত গৈ থিতাপি লওঁ বুলি ভাবিছে ?"

এইবাৰ চুকাফাই নিজেই মাত মাতিলে, "মই পাটকাই পৰ্বত পাৰ হৈ প্ৰথম যিখন ডাঙৰ নদী পাওঁ, সেইখনৰ সিপাৰে থকা দেশখনতে প্ৰথম থিতাপি লমগৈ।"

বুঢ়াগোহাঁয়ে ক'লে, "একেবাৰে অচিন ঠাইত উঠাটো সজ হ'বনে চাগৈ ?"

চুকাফাই উত্তৰ দিলে, "মই মোৰ জন্মৰ ঠাইখন এৰি থৈ যাবলৈকে ওলাইছোঁ যেতিয়া এই ৰাজ্যৰ সীমাৰ বাহিৰত ভৰি এখোজ পেলোৱা মানেই অচিন ঠাইত ভৰি পেলোৱা।"

চুকাফাৰ উত্তৰ শুনি সকলোৱে তেওঁৰ বুদ্ধিমত্তা আৰু যুক্তিত মুগ্ধ হৈ সজ-সজ বুলিবলৈ ধৰিলে। বুঢ়াগোহাঁয়ে মেল ভগাৰ আগতে শেষ প্ৰশ্নটো কৰিলে, "ৰজাদেৱে কেতিয়া মানে যাবলৈ পাঙিছে ?"

চুকাফাই উত্তৰ দিলে, "মই অহা লাকনিৰ দিন চিন্ মাহৰ শেষত (আঘোণৰ শেষত) সেইখিনি পোৱাকৈ যাম, যাতে দিন কাম মাহত (পুহ) পথাৰৰ পকা ধানৰ ওপৰত দখল লব পাৰোঁ।

এই কুমলীয়া বয়সতে চুকাফাৰ ইমান দূৰদৰ্শিতা দেখি সকলোটি একেবাৰে বিমোহিত হ'ল। বুঢ়াগোহাঁয়ে ভাবিলে,—চুকাফা বয়সত কুমলীয়া হ'লেও চুক্ৰানফাতকৈ শতগুণে বেছি উপযুক্ত।

চুক্ৰানফাই বুঢ়াগোহাঁইৰ পৰা সকলো কথা শুনি ক'লে, "ইমান কুমলীয়া বয়সতে ল'ৰাটোৰ ইমান বুদ্ধি! ইয়াক গুচি যাবলৈ নিদি এই ৰাজ্যতে বৰকোঁৱৰৰ পাতি থোৱাই ভাল হ'ব, কি বোলে বুঢ়াগোহাঁই ডাঙৰীয়া ?"

বুঢ়াগোহাঁয়ে পেটে-পেটে ভাবিলে,— চুকাফাৰ দৰে বিচক্ষণ ল'ৰা এই ৰাজ্যত থাকিবলৈ হ'লে তোমাৰ ৰাজপাট খোৱাৰ মুদা মৰিব। কাললৈ চুকাফাই পাটত বহিবগৈ। কিন্তু তেওঁ মুখ ফুটাই ক'লে, "বৰগোহাঁই চাওঁখানলাকে ঠিকেই কৈছে ৰজাদেউতা। এখন হাবিত দুটা মতা বাঘ থাকিব নোৱাৰে। গতিকে চুকাফা কোঁৱৰক যাবলৈ দিয়াই ভাল বুজোঁ।"

এই কথা শুনি ৰজাদেৱে সম্মতি জনালে।

(আগলৈ)


নোবেল বঁটা বিজয়ী
হেন্‌ৰিক শ্যেন্‌কিয়েভিচৰ
বিশ্ববিখ্যাত উপন্যাস
'ক্যো ভেদিচ'ৰ ?
সম্পূৰ্ণ অনুবাদ প্ৰকাশ হৈ ওলাল

অনুবাদিকা ঃ ৰেণুমালা দুৱৰা

কিতাপ পোৱাৰ ঠিকনা ঃ

(১) লয়াৰ্চ বুক ষ্টল
পাণবজাৰ, গুৱাহাটী ১

(২) বিমলানন্দ দুৱৰা (প্ৰকাশক)
মহেন্দ্ৰলাল বৰুৱা পথ
শিলপুখুৰী, গুৱাহাটী ৩



# চাব, তাৰ জীৱনৰ সপোনবিলাক যেন হেৰাই নাযায়।

# সপোনক বাস্তৱৰ ৰূপ দিয়ক, শিশু উপহাৰ বৃদ্ধি নিধিৰ সুযোগ লওক।

আপোনাৰ শিশুটিক দিয়ক এনে এটি উপহাৰ, যি তাৰ বয়স বঢ়াৰ লগে লগেই বাঢ়ি গৈ থাকিব। সেয়ে ইউনিট ট্ৰাষ্টৰ শিশু উপহাৰ বৃদ্ধি নিধিত বিনিয়োগ কৰক। যেতিয়া সি 21 বছৰীয়া হব, তেতিয়া আপোনাৰ সেই ধন সুদে-মূলে বৰ্দ্ধিত হৈ গৈ এনে এক সংখ্যাত পৰিণত হব, যাৰ সাহায্যত সি জীৱনত কৰিব বিচৰা কাম কৰিব পাৰিব।

উপহাৰ স্বৰূপে আপুনি তাক একে বাৰতে এটা মুঠ টকা দিব পাৰে। অথবা প্ৰতি বছৰে কিছু টকা জমা কৰি যাব পাৰে। এই দুটি বিকল্পৰ যিটোকেই আপুনি বাচি নলওক কিয়, আপুনি নিশ্চিত থাকক যে 21 বছৰ বয়সত আপোনাৰ শিশুটি লাখপতি হবই। (যদি প্ৰয়োজন হয়, তাৰ 18 বছৰ বয়স হলেই সি টকা উলিয়াব পাৰিব।)


ইউনিট ট্ৰাষ্টৰ শিশু উপহাৰ বৃদ্ধি নিধি। সামান্য পৰিকল্পনাই আনি দিব পাৰে এক উজ্জ্বল ভবিষ্যত।

আবেদন প্ৰপত্ৰসমূহ ইউনিট ট্ৰাষ্টৰ শাখাসমূহত, সকলো বেংকত আৰু সংগ্ৰহ-কেন্দ্ৰ সমূহত গ্ৰহণ কৰা হব।

আমাৰ আবেদন প্ৰপত্ৰ-তথা-পুস্তিকাৰ বাবে ইউনিট ট্ৰাষ্টৰ যি কোনো শাখা, মুখ্য প্ৰতিনিধি বা এজেণ্টৰ সৈতে যোগাযোগ কৰক।

শিশু উপহাৰ বৃদ্ধি নিধি
~~13%~~ 14% ডিভিডেণ্ড

বোনাচ প্ৰতি
~~5~~ 3 বছৰে



ইউনিট ট্ৰাষ্ট অব ইণ্ডিয়া

22 নিযুততকৈও অধিক ইউনিট হোল্ডাৰৰ সেৱাত

সকলো চিকিওৰিটি বিনিয়োগতেই বজাৰ দামৰ উঠা-নমাৰ প্ৰতিকূল প্ৰভাৱৰ আশংকা থাকে। বিনিয়োগৰ পূৰ্বে আপোনাৰ বিনিয়োগ উপদেষ্টা বা এজেণ্টৰ সৈতে পৰামৰ্শ কৰক।

Sista's-UTI-194/92 ASM

# খামতিৰ উৎসৱ বৰ্ষাবাস আৰু কঠিন চীৱৰ দান

**প্ৰবীণ শইকীয়া**

খামতিসকলৰ উৎসৱ-পাৰ্বণসমূহ ধৰ্মৰ লগত জড়িত। বৰ্ষাবাস আৰু কঠিন চীৱৰ দান উৎসৱো ধৰ্মীয় পৰম্পৰাৰে ৰঞ্জিত বিশেষ বছৰেকীয়া অনুষ্ঠান। বাপুচাং অৰ্থাৎ বৌদ্ধ বিহাৰত এই উৎসৱসমূহ উদযাপিত হয়।

আহাৰ মাহৰ পূৰ্ণিমাৰ পৰা আহিন মাহৰ পূৰ্ণিমালৈকে এই তিনি মাহত উদযাপন কৰা চৈধ্যটা তিথিৰ সমষ্টিয়েই হ'ল বৰ্ষাবাস। উক্ত সময়ছোৱাৰ ভিতৰত পৰা শুক্লা আৰু কৃষ্ণা অষ্টমী তিথিসমূহ, পূৰ্ণিমা আৰু অমাবস্যা তিথিসমূহেই বৰ্ষাবাসৰ অন্তৰ্ভুক্ত। বৰষুণ আৰু বানপানী আদিৰ বাবে বাৰিষা যাতায়াত অসুচল হোৱা হেতুকে আৰু কৃষিজীৱী জনসাধাৰণে কৃষিকাৰ্যত ব্যস্ত থাকিব লগা হোৱা হেতুকে তথাগত বুদ্ধই ভিক্ষু আৰু শ্ৰমণসকলক এই তিনিমাহকাল কোনো কলৈকো নোযোৱাকৈ বিহাৰতে থাকি ব্ৰত-শীল পালন কৰিবলৈ দি যোৱা নিৰ্দেশৰ ভিত্তিত এই ত্ৰৈমাসিক বৰ্ষাব্ৰত বা বৰ্ষাবাস উৎসৱ উদযাপন কৰা হয়। ভিক্ষু-শ্ৰমণৰ উপৰিও উপাসকসকলেও ব্ৰত-শীল পালন কৰে।

উল্লিখিত চৈধ্যটা তিথিৰ ভিতৰত আহাৰী পূৰ্ণিমা, ভাদৰ পূৰ্ণিমা বা মধুপূৰ্ণিমা আৰু আহিনৰ পূৰ্ণিমা বা প্ৰবাৰণা এই তিনিটা তিথিয়েই প্ৰধান। বাকী এঘাৰটা তিথি অতি অনুষ্টুপীয়াকৈ উদযাপিত হয়।

আহাৰী পূৰ্ণিমাৰ লগত চাৰিটা বিশেষ উপলক্ষ্য জড়িত হৈ আছে। ভগবান বুদ্ধই এই তিথিতে (১) মাতৃগৰ্ভত স্থিতি লৈছিল, (২) গৃহবাস কৰিছিল, (৩) সাৰনাথত পঞ্চবৰ্গীয় ভিক্ষুক ধৰ্মচক্ৰ প্ৰদান কৰিছিল আৰু (৪) মাতৃসহ দেৱীগণৰ আগত অভিধৰ্ম ব্যাখ্যা কৰিছিল। এই পবিত্ৰ স্মৃতিচাৰণ কৰি খামতিসকলে সভক্তিৰে আহাৰী পূৰ্ণিমা পালন কৰে।

শৰৎ কালৰ আৰম্ভণিতে প্ৰকৃতিৰ অনুপম শোভাৰাশিৰ মাজত ভগবান বুদ্ধই ধ্যান কৰি থাকোঁতে হাতী আদি বনৰ জীৱ-জন্তুবোৰেও বুদ্ধক পূজা (আহাৰ) দিছিল। তাকে দেখি এটা বান্দৰেও গছৰ পৰা মৌচাক আনি বুদ্ধক দান কৰিছিল। বুদ্ধই অতি প্ৰসন্ন হৈ মধু-ৰস গ্ৰহণ কৰা দেখি বনৰ সকলো জীৱ-জন্তুৱে হিংসা-দ্বেষ ত্যাগ কৰি বুদ্ধত শৰণ ললে। সেই দিনটো আছিল ভাদমাহৰ পূৰ্ণিমা তিথি। মৌ বা মধুৰ লগত সম্পৰ্ক থকা বাবে এই পূৰ্ণিমা তিথি মধুপূৰ্ণিমা ৰূপে পালন কৰা হয়। এই তিথিত উপাসকসকলে অন্যান্য ফলমূলৰ লগতে অকণমান হ'লেও মৌ-জোল সংঘত দান কৰে।

আহিন মাহৰ পূৰ্ণিমাত পালন কৰা বৰ্ষাবাসৰ সামৰণি তিথিটোৱেই হৈছে প্ৰবাৰণা। এই তিথিত ইখন গাঁৱৰ লোকে সিখন গাঁৱৰ বৌদ্ধ বিহাৰলৈ গৈ শীল-শৰণ গ্ৰহণ কৰি মংগল-প্ৰাৰ্থনা কৰে। প্ৰবাৰণা তিথিৰ বিশেষ তাৎপৰ্য এয়ে যে,—ত্ৰৈমাসিক ব্ৰতৰ কালছোৱাত যদি ভিক্ষু, শ্ৰমণ বা উপাসক-উপাসিকাসকলে জ্ঞাতে বা অজ্ঞাতে কিবা অকৰ্তব্য বা অপৰাধ কৰে তেন্তে এই তিথিতে সংঘত সমবেতসকলৰ আগত সকলো কথা ৰাজহুৱাকৈ ব্যক্ত কৰিব লাগে। তেনে কৰিলে নিশ্চিত পাপৰ পৰা নিষ্কৃতি পাব পাৰি বুলি তেওঁলোকে বিশ্বাস কৰে।

অমাবস্যা তিথিকেইটাৰ ভিতৰত ভাদমাহৰ অমাবস্যা তিথিটোৰ প্ৰাধান্য মন কৰিব লগীয়া। খামতিসকলে এই তিথিক 'মে-পি' বোলে। এই তিথিত ঘৰৰ সকলো লোকে পুৱতি নিশাতে উঠি পূতস্নান কৰে। স্নান কৰাৰ আগতে প্ৰত্যেকে নিজৰ শৰীৰটোত বগৰীৰ জেঙৰ ঠাল এটাৰে কোবাই (আঘাত নোপোৱাকৈ) লয়। পুৱাতেই ভঁৰাল, গোহালি, ৰান্ধনিশাল আৰু থকা ঘৰৰ কোণত বগৰী জেং বান্ধি দিয়ে। লাগনি গছবোৰকো বগৰী জেঙেৰে কোবাই, একোটা ঠাল প্ৰতিজোপাতে বান্ধি দিয়াৰ নিয়ম। পাছত বাকীবোৰ তিথিৰ দৰে সকলোৱে বিহাৰলৈ গৈ শীল-শৰণ গ্ৰহণ কৰি প্ৰাৰ্থনা গায়।

পূৰ্বোক্ত প্ৰধান পূৰ্ণিমা তিথিকেইটাত গাঁৱৰ সকলোৱে বিহাৰলৈ গৈ পঞ্চশীল গ্ৰহণ কৰে। বয়োবৃদ্ধসকলে অষ্টশীল আৰু পৰাসকলে দশশীলো গ্ৰহণ কৰে। এইসকল লোকে তিথিৰ সময়খিনিত বৌদ্ধবিহাৰতে শীল-ব্ৰত পালন কৰি থাকে। পাছদিনাহে তেওঁলোকে শীল-ব্ৰত ত্যাগ কৰি নিজ-নিজ গৃহলৈ যাব পাৰে। বাকী সৰু-সুৰা তিথিবোৰত কেৱল বৃদ্ধ-বৃদ্ধাসকলেহে অংশ গ্ৰহণ কৰে।

এই তিথিসমূহত আন্তৰিকতাৰে দান কৰিলে মহাপুণ্যৰ ফল লাভ হয় বুলি বৌদ্ধসকলে বিশ্বাস কৰে। সেয়েহে সকলোৱে সংঘত আহাৰাদি যথাসাধ্যে দান কৰে। বাপুচাঙত থকা ভিক্ষু বা শ্ৰমণসকলে ত্ৰৈমাসিক ব্ৰতৰ কালছোৱাত ভিক্ষাকাৰ্যৰ পৰা বিৰত থাকে। গঞাঁলোকে পাল পাতি যোগান ধৰা দানৰ ওপৰতে সেই কেইমাহ নিৰ্ভৰ কৰিব লগা হয়।

'কঠিন চীৱৰ দান' খামতি তথা বৌদ্ধসকলৰ বাবে বৰ মহত্বপূৰ্ণ অনুষ্ঠান। প্ৰবাৰণাৰ পাছৰ কৃষ্ণা প্ৰতিপদ তিথিৰ পৰা কাতিমাহৰ পূৰ্ণিমা তিথি পৰ্যন্ত এই সময়ছোৱাই কঠিন চীৱৰ দানৰ সময়। আজিকালি অৱশ্যে কাতি মাহৰ পূৰ্ণিমা তিথিতহে এই দান উৎসৱ নিয়মীয়াকৈ পালন কৰিবলৈ লোৱা হৈছে।

চীৱৰ দান এক অন্যতম ধৰ্ম-কাৰ্য বুলি বৌদ্ধশাস্ত্ৰত বৰ্ণিত হৈছে। কাতিমাহ অৰ্থাৎ আৰ্থিক কঠিনতাৰ দিনত ভিক্ষু-শ্ৰমণসকলক চীৱৰ দান কৰিবলৈ এই উৎসৱ পালিত হয়। চীৱৰ হৈছে ভিক্ষু বা শ্ৰমণসকলে পৰিধান কৰা এবিধ বিশেষ পোছাক। খামতি ভাষাত ইয়াক 'চাং-কান্-খাম্' বা 'চাং-কান্' বোলা হয়। দান কৰিবলৈ লোৱা চাং-কান্-খাম্ বা চীৱৰ আগতীয়াকৈ চিলাই কৰি দিয়াও হ'ব পাৰে নাইবা বজাৰৰ পৰা কিনি অনা নিসিয়া কাপোৰো হ'ব পাৰে। কিন্তু একে দিনাই সূতা কাটি, বৈ-মেলি, চিলাই ৰং কৰি দান কৰিব পাৰিলে অধিক পুণ্যৰ ফল লাভ কৰা যায় বুলি খামতিসকলে বিশ্বাস কৰে। বিহাৰৰ কাষতে থকা 'চৌ-মৌ' নামৰ ৰাজহুৱা ঘৰটোত গাঁৱৰ জীয়াৰী-বোৱাৰী, ডেকা-বুঢ়া সকলোৱে মিলি কপাহ ধুনাৰ পৰা সূতা কাটি, তাঁত বৈ, কাপোৰ চিলাই কৰালৈকে সকলো কাম সমূহীয়াকৈ কৰে। ডেকাসকলে তাঁত ববৰ বাবে শাল পাতি দিয়াৰ উপৰিও কঠাল কাঠৰ শাহ অথবা আঁচুকাঠ পানীত সিজাই এক বিশেষ ৰং প্ৰস্তুত কৰে। সেই ৰঙত বোলাই চীৱৰ প্ৰস্তুত কৰা হয়।

পাঁচজন ভিক্ষুৰ সমুখত চীৱৰসমূহ আগবঢ়াই দি "ইয়ং কঠিন চীৱৰং ভিক্ষুসংঘম্ দেয় কঠিনং অখৰিতুং" বুলি মন্ত্ৰ উচ্চাৰণ কৰি দান কৰা হয়। দান গ্ৰহণ কৰাৰ পাছত ভিক্ষুসংঘই যি সুত্ত আবৃতি কৰে তাৰ তাৎপৰ্য হ'ল ঃ

জ্ঞান সংযুক্ত ৰাখি, কোনো কৃপণতাক প্ৰশ্ৰয় নিদিয়াকৈ যথাসময়ত আৰ্যসংঘৰ হাতত একাগ্ৰতাৰে আৰু আনন্দ মনে কঠিন চীৱৰ দান কৰিলে বিপুল পুণ্যৰ ফল লাভ হয়। যদি কোনোৱে এই কাৰ্যত পবিত্ৰ অন্তৰেৰে সহযোগিতাও কৰে তেওঁলোকো পুণ্যৰ ভাগী হয়। সেই পুণ্যৰ গুণ বৰ্ণনাতীত। লোভ, মোহ, হিংসা, দ্বেষ ত্যাগ কৰি শুদ্ধ চিত্তে কঠিন চীৱৰ দান কৰিলে মহাফল লাভ হয় আৰু এই পুণ্যই পৰকালৰ সাৰথি ৰূপে অপায়-অমংগলৰ পৰা পৰিত্ৰাণ কৰে।" ইয়াৰ পাছতেই চীৱৰ দান অনুষ্ঠানৰ সামৰণি পৰে।

সকলো সম্প্ৰদায়ৰ বৌদ্ধ ধৰ্মীয় লোক-সকলে বৰ্ষাবাস আৰু চীৱৰ দান উৎসৱ আনুষ্ঠানিকভাৱে পালন কৰে যদিও তুলনামূলক অধ্যয়নৰ জৰিয়তে খামতিসকলে পালন কৰা এই উৎসৱ দুটিত নিশ্চয় স্বকীয় বৈশিষ্ট্য কিছুমান বিচাৰি পোৱা যাব। লক্ষীমপুৰ জিলাত বসবাস কৰা খামতিসকলে পালন কৰা অনুষ্ঠানৰ ভেটিতেই এই বৰ্ণনাত্মক লেখাটো প্ৰস্তুত কৰা হৈছে। বিশ্লেষণাত্মক আৰু তুলনামূলক অধ্যয়নে বিষয়টোৰ গুৰুত্ব বৃদ্ধি কৰিব বুলি আমাৰ বিশ্বাস।





## ডেভিছ কাপ ঃ অঘটন নঘটিলে যুক্তৰাষ্ট্ৰ চেম্পিয়ন হ'ব

এই বছৰৰ ডেভিছ কাপ ফাইনেলত প্ৰতিদ্বন্দ্বিতা কৰিব আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছুইজাৰলেণ্ডে। ডিছেম্বৰৰ প্ৰথম সপ্তাহত অনুষ্ঠিত হ'ব এই ফাইনেল খেলখন। উইম্বলডন, ফৰাছী অ'পেন, অষ্ট্ৰেলিয়া অ'পেন নাইবা ইউ. এছ. অ'পেনৰ লগত ডেভিছকাপৰ এটা পাৰ্থক্য আছে। উল্লিখিত প্ৰতিযোগিতাকেইখনত বিশ্বৰ নামী আৰু অনামী খেলুৱৈসকলে ভাগ লয় মূলতঃ অৰ্থৰ বাবে আৰু ব্যক্তিগত দক্ষতা প্ৰকাশৰ বাবে। যি বিপুল পৰিমাণৰ অৰ্থ বিভিন্ন টুৰ্নামেণ্টৰ লগত জড়িত আছে, তাৰ তুলনাত ডেভিছকাপৰ লগত জড়িত অৰ্থৰ পৰিমাণ নগণ্য। কিন্তু ইয়াৰ মূল্য কেৱল অৰ্থৰে জুখিব নোৱাৰি। দেশৰ সন্মানৰ প্ৰশ্নই ডেভিছকাপক এটা বিশেষ মৰ্যাদা দান কৰিছে। সেই কাৰণে দেখা যায় যে, যিমানেই অৰ্থবান বা খ্যাতিসম্পন্ন খেলুৱৈ নহওক লাগে তেওঁ ডেভিছকাপত নিজৰ দেশৰ প্ৰতিনিধিত্ব কৰাটো এটা বিশেষ সন্মান বুলি বিবেচনা কৰে।

এনে এটা সময় আছিল যেতিয়া ডেভিছকাপত অষ্ট্ৰেলিয়াৰ আধিপত্য আছিল প্ৰশ্নাতীত। তেওঁলোকে ২৬ বাৰ ডেভিছ কাপ লাভ কৰিছে। বিশ্ববৰেণ্য খেলুৱৈ ৰড লেভাৰ বা নিল ফ্ৰেজাৰৰ দীপ্তিৰে অষ্ট্ৰেলিয়া দলে বিশ্বটেনিছক যেনেকৈ আলোকিত কৰিছিল, পৰৱৰ্তীকালত পেট কেশ্বইতে সেই দীপ্তি অম্লান কৰি ৰখাত ব্যৰ্থ হৈছে। আৰু এখন দেশ ছুইডেনে ১৯৮৩ চনৰ পৰা একেৰাহে সাত বাৰ ফাইনেল খেলিছিল আৰু তিনিবাৰ চেম্পিয়ন হৈছিল। কিন্তু বিয়ন্নবৰ্গৰ অকালতে অৱসৰ গ্ৰহণ বা ষ্টেফান এডবাৰ্গৰ যোগ্য সতীৰ্থৰ অভাৱত এতিয়া সেই দেশৰো গৌৰৱ অস্তমিত। ফ্ৰান্সে যোৱা বাৰ আমেৰিকাক পৰাজিত কৰি বিশ্বক স্তম্ভিত কৰিছিল। অঁৰি লেকৰ্ত, জি ফৰ্জে হঁতে অসাধ্য সাধন কৰি ফ্ৰান্সক ৫০ বছৰৰ মূৰত ডেভিছ কাপত চেম্পিয়ন কৰিছিল।

ছুইজাৰলেণ্ড দলক যিদৰে টেনিছ পণ্ডিতসকলে মুঠেই গুৰুত্ব দিয়া নাই, যোৱাবাৰ একেধৰণেৰে উপেক্ষা কৰা হৈছিল ফ্ৰান্সক। ফ্ৰান্সে যোৱাবাৰ যেনেকৈ সকলো ভৱিষ্যতবাণী ভুল বুলি প্ৰমাণ কৰিছিল, এইবাৰ ছুইজাৰলেণ্ডেও তেনে অঘটন ঘটাব পাৰিবনে ? জিম কুৰিয়াৰ, আন্দ্ৰে আগাছি, পিট ছাম্প্ৰাছ বা অভিজ্ঞ জন মেকেনৰোৰ দ্বাৰা সমৃদ্ধ, পৰম শক্তিশালী আমেৰিকা যুক্তৰাষ্ট্ৰক অলপ হ'লেও চিন্তাত পেলাব মাৰ্ক ৰছেটৰ বাহিনীয়ে ; কাৰণ বিশ্বৰ ছুপাৰ ষ্টাৰসকলে যোৱা অলিম্পিকত স্তম্ভিত হৈ প্ৰত্যক্ষ কৰিছিল মাৰ্ক ৰছেটৰ স্বৰ্ণপদক লাভ কৰাৰ দৃশ্য। যুক্তৰাষ্ট্ৰ দল এইবাৰ ডেভিছকাপত চেম্পিয়ন হ'লে এইটো হ'ব তেওঁলোকৰ ৩০ তম সাফল্য। এইবাৰ প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰা ছুইজাৰলেণ্ড দলে ছেমিফাইনেলত ব্ৰাজিলক পৰাজিত কৰিছিল।

## দৰ্শকবিহীন ডাৰবান টেষ্ট ঃ অন্তৰালৰ কথা

ভাৰত বনাম দক্ষিণ আফ্ৰিকাৰ প্ৰথমখন টেষ্টমেচ ডাৰবানত অনুষ্ঠিত হৈ গ'ল। ভাৰতে এইবাৰেই পোন প্ৰথমবাৰৰ বাবে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টেষ্ট খেলিলে। আৰু দুই দশকৰো অধিক কাল আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা আঁতৰি থকা দক্ষিণ আফ্ৰিকাই স্বদেশত টেষ্ট খেলাৰ সুযোগ লাভ কৰিলে। এই টেষ্টখনৰ উল্লেখযোগ্য ঘটনাটো হৈছে—ভাৰতৰ প্ৰবীণ আমৰেৰ আবিৰ্ভাৱ-টেষ্টতে ছেঞ্চুৰি অৰ্জন। এনে কৃতিত্ব অৰ্জন কৰা তেওঁ হৈছে ভাৰতৰ নৱম খেলুৱৈ। ইয়াৰ পূৰ্বে লালা অমৰনাথ, দীপক সোধন, আব্বাছ আলীবেগ, কৃপাল সিং, হনুমন্ত সিং, সুৰিন্দৰ অমৰনাথ, গুন্দাপ্পা বিশ্বনাথ আৰু আজাহাৰউদ্দিনে এনে কৃতিত্ব লাভ কৰিছিল। উল্লেখযোগ্য যে, বিশ্বনাথ আৰু আজাহাৰউদ্দিনৰ বাহিৰে উল্লিখিত খেলুৱৈসকলে টেষ্টত আৰু দ্বিতীয়টো ছেঞ্চুৰি কৰিব পৰা নাই।

ভ্ৰমণৰ আৰম্ভণিতে যেনে উৎসাহ লক্ষ্য কৰা গৈছিল তাৰ প্ৰতিফলন কিন্তু প্ৰথম টেষ্টমেচত দেখা নগ'ল। কিয়নো, পাঁচ দিনত মাত্ৰ ৩২ হাজাৰ দৰ্শকেহে এই মেচ উপভোগ কৰিবলৈ আহিছিল। সংগঠকসকলৰ ক্ষতিৰ পৰিমাণ প্ৰায় ৩৬ লাখ টকা। খেলৰ প্ৰথম দিনা ৭,১২০ আৰু শেষৰ দিনা দুহাজাৰ দৰ্শক উপস্থিত আছিল খেলপথাৰত। দেওবাৰৰ দিনা আছিল চৈধ্য হাজাৰ দৰ্শক। টিকেটৰ অত্যাধিক মূল্য নাইবা বিদ্যালয় আৰু কলেজসমূহত পৰীক্ষা চলি থকা ইত্যাদি কাৰণ আছে ; কিন্তু আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো তাত স্থায়ীভাৱে বাস কৰা ভাৰতীয়সকলৰ বক্তব্যত প্ৰকাশ পাইছে। তেওঁলোকৰ মতে,—যিখন দেশত এতিয়াও বৰ্ণ-বৈষম্য আছে, য'ত অশান্তি আৰু সংঘৰ্ষ এতিয়াও চলি আছে, তেনে পৰিস্থিতিত দক্ষিণ আফ্ৰিকাৰ সৰহভাগ শ্বেতাংগ খেলুৱৈৰে গঠিত দলৰ লগত ভাৰতে ক্ৰিকেট খেলাটো উচিত হোৱা নাই। নেলছন মেণ্ডেলাই উৎসাহ দেখুউৱাৰ বাবে এই ভ্ৰমণ সম্ভৱপৰ হৈছে সঁচা, কিন্তু কৃষ্ণাংগসকলে যেন মনে-প্ৰাণে ইয়াক গ্ৰহণ কৰিব পৰা নাই। সেইকাৰণে, যি ডাৰবানত অমিতাভ বচ্চন বা লতা মংগেছকাৰে অনুষ্ঠান আগ বঢ়ালে শ্ৰোতা-দৰ্শকে জনসমুদ্ৰৰ সৃষ্টি কৰে, তাত কিন্তু আজাহাৰহঁতৰ খেল চাবলৈ ভাৰতীয় তথা কৃষ্ণাংগসকলে কোনো উৎসাহ প্ৰদৰ্শন কৰা নাছিল। আকৌ শ্বেতাংগসকলৰো খুব কম সংখ্যক লোক খেল পথাৰলৈ আহিছিল,— কাৰণ এই ভ্ৰমণত মেণ্ডেলাৰ প্ৰচেষ্টা নিহিত আছিল। কিংছমিড খেল পথাৰত আজি কিছুদিনৰ আগলৈকে কৃষ্ণাংগসকলৰ প্ৰৱেশ নিষেধ আছিল। এতিয়া অৱশ্যে সেই নিষেধ নাই ; কিন্তু বৰ্ণ বৈষম্য এতিয়াও আছে। য'ত কৃষ্ণাংগসকলৰ ভোট দিয়াৰ অধিকাৰ নাই, সেইদেশত ভাৰতীয় ক্ৰিকেটৰ ভ্ৰমণে অৱস্থাৰ কিবা উন্নতি কৰিব বুলি তাত বাস কৰা ভাৰতীয়সকলে নাভাবে।

## ৰাষ্ট্ৰীয় স্কুল ফুটবলত অসম ভাৰত শ্ৰেষ্ঠ

সুব্ৰত কাপত আৰ্যবিদ্যাপীঠ স্কুলৰ দলৰ চমকপ্ৰদ সাফল্যৰ পাছত অসম স্কুল দল ৰাষ্ট্ৰীয় স্কুল ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হোৱাটো এই বছৰত আমাৰ ৰাজ্যৰ

ছবি ঃ সমন্বয় শৰ্মা



খেলাধুলাৰ আৰু এটা উল্লেখযোগ্য ঘটনা। অসম দল গ্ৰুপৰ খেলত যি উত্তৰ প্ৰদেশৰ হাতত তিনি গ'লত পৰাজিত হৈছিল, ছেমিফাইনেলত সেই দলকে অসমে পৰাজিত কৰাটো নিশ্চয় কৃতিত্বৰ কথা। দলৰ ভুল-ত্ৰুটিসমূহ শুধৰাই খুব কম সময়ৰ ভিতৰতে তাক সুসংবদ্ধ কৰি তোলাটো বৰ টান কাম। কিন্তু আব্দুল লতিফৰ ছাত্ৰসকলে সেই কামটো যি নৈপুণ্যৰে কৰিলে, সি সঁচাকৈয়ে প্ৰশংসা দাবী কৰিব পাৰে। ফাইনেলত মণিপুৰক টাইব্ৰেকাৰত ৪-৩ গ'লত পৰাজিত কৰি অসম স্কুল দলে ৰাজ্যৰ সুনাম বৃদ্ধি কৰিছে। অসম দলৰ পৰিশ্ৰমী হাফবেক মুকুল লাহনৰ সুন্দৰ খেলে দৰ্শকক যথেষ্ট আনন্দ দিছিল। অসম দলে গ্ৰুপৰ খেলত দিল্লীক ২-০, কেন্দ্ৰীয় বিদ্যালয়ক ২-০ আৰু গুজৰাটক ৩-০ গ'লত পৰাজিত কৰিছিল।

## গুগলি সম্বন্ধে কিতাপ

ভাৰতৰ প্ৰাক্তন স্পিন ব'লাৰ ভগৱৎ চন্দ্ৰশেখৰৰ স্কুটাৰ দুৰ্ঘটনা হৈছিল আজি প্ৰায় এবছৰৰ আগতে। ভীষণভাৱে আঘাত প্ৰাপ্ত চন্দ্ৰশেখৰ এতিয়াও সম্পূৰ্ণ সুস্থ হৈ উঠা নাই। তেওঁৰ ব'লিঙৰ প্ৰধান অস্ত্ৰ আছিল 'গুগলি'। এই 'গুগলি'ৰ দ্বাৰা তেওঁ বিশ্বৰ নামী বেটছমেনসকলক বিপদত পেলাইছিল,—বিশেষকৈ ইংলেণ্ডৰ বেটছমেনসকলে এতিয়াও তেওঁৰ ব'লিঙৰ বিষয়ে সাধুকথা শুনায় বংশধৰসকলক। ইডেনত তেওঁৰ বলিঙৰ যাদুত লয়েড আৰু কালীচৰণৰ কি অৱস্থা হৈছিল তাৰ সাক্ষী এই প্ৰতিবেদক। সম্প্ৰতি ৰবাৰ্ট ইষ্টৰেই গুগলি সম্বন্ধে এখন কিতাপ লিখিছে; কিতাপখনৰ নাম; —"হোৱাট ইজ এ গুগলি?" মূল্য ৬.৯৯ পাউণ্ড। সম্প্ৰতি বৃটিছ প্ৰধানমন্ত্ৰী জন মেজৰে জৰ্জ বুশ্বক এই কিতাপখন উপহাৰ দিছে।


## কোনো খেদ নাই

নিউজিলেণ্ডৰ বিশ্ববৰেণ্য ক্ৰিকেট খেলুৱৈ ৰিচাৰ্ড হেডলি অলপতে ভাৰতলৈ আহিছিল ব্যক্তিগত কামত। খেলৰ পৰা অৱসৰ লৈছে যদিও; টেষ্টত চাৰিশতকৈ বেছি উইকেট অৰ্জনকাৰী এই খেলুৱৈজন এতিয়াও অতি জনপ্ৰিয়; তেওঁৰ গুণমুগ্ধ লোকৰ অভাৱ নাই। এওঁলোক সকলোৰে পিছে এটাই প্ৰশ্ন: ৪৫০ টা উইকেট সংগ্ৰহ কৰাৰ পুৰ্বেই তেওঁ বাৰু কিয় টেষ্ট খেলৰ পৰা অৱসৰ গ্ৰহণ কৰিলে? ধীৰ-স্থিৰ যথাৰ্থ স্পৰ্টছমেন হেডলিয়ে কয়, "এইটোনো কি কথা? প্ৰথমজন খেলুৱৈ হিচাপে চাৰিশ উইকেট লাভ কৰিছোঁ, এইটোৱেই যথেষ্ট। এইটো মোৰ বাবে—'প্ৰথমজন মানুহে মাউণ্ট এভাৰেষ্ট জয় কৰা'ৰ দৰে ঘটনা। ৰেকৰ্ড কেতিয়াও চিৰস্থায়ী নহয়। মোৰ ৰেকৰ্ড যিজন খেলুৱৈয়ে ভংগ কৰিব সকলোৰে আগত মই তেওঁক অভিনন্দন জনাম। কাৰণ মই জানো—ৰেকৰ্ড ভংগ কৰিবলৈ হ'লে কেনে কষ্ট আৰু পৰিশ্ৰম কৰিব লাগে। ব্যক্তি বা খেলুৱৈ হিচাপে মই সুখী। কোনো ধৰণৰ খেদ মোৰ নাই।"

**পুলক লাহিড়ী**

## চাৰি বছৰীয়া আইৰিণৰ অসাধ্য সাধন

আইৰিণৰ মাক নয়নমণি বৰুৱা আছিল এসময়ৰ বিহুতলীৰ বিহুৰাণী। মোমায়েকসকল শিল্পী, লেখক। দেউতাক প্ৰদীপ বৰুৱা এটা



কোম্পানীৰ মেনেজাৰ। মুঠতে আইৰিনৰ পৰিয়ালৰ সদস্যসকল ক্ৰীড়াজগতৰ সৈতে পোনপটীয়াভাৱে জড়িত নহয়। তথাপি নয়নমণি বৰুৱা আৰু প্ৰদীপ বৰুৱাৰ ক্ৰীড়াজগতৰ প্ৰতি থকা আগ্ৰহ আৰু সচেতনতাই আইৰিন বৰুৱাক আজি গোটেই অসম তথা ভাৰতবৰ্ষতে পৰিচয় কৰাই দিলে।

আইৰিনৰ প্ৰায় তিনি বছৰ বয়সতে মাকে গুৱাহাটীৰ দীঘলী পুখুৰীত সাঁতোৰৰ প্ৰশিক্ষণ দেখুৱাবলৈ লৈ গৈছিল। থুনুক-থানাক মাতেৰে আইৰিনে মাকক সাঁতোৰৰ প্ৰতি থকা তাইৰ হাবিয়াসৰ কথা কৈছিল। তেতিয়াৰে পৰা অসম সাঁতোৰ সংঘৰ সদস্যা ৰূপে আইৰিনে নিতৌ দীঘলীপুখুৰীত সাঁতোৰ আৰম্ভ কৰে। মাক-দেউতাক আৰু পৰিয়ালৰ অন্য সদস্যসকলক আইৰিনে প্ৰতিশ্ৰুতি দিয়ে দীঘলীপুখুৰী অতিক্ৰম কৰি। তাৰ পাছত, এই বছৰৰ মাজভাগতে শিৱসাগৰৰ ইতিহাস-প্ৰসিদ্ধ জয়সাগৰ পুখুৰী অতি কম সময়ৰ ভিতৰতে অতিক্ৰম কৰি চাৰি বছৰীয়া আইৰিনে এটা অভিলেখ স্থাপন কৰে।

চৈধ্য নৱেম্বৰ। শিশু দিৱস। সেইদিনা আইৰিনে বিশাল ব্ৰহ্মপুত্ৰ মাত্ৰ ৩৭ মিনিটত পাৰ হৈ সাঁতোৰ-জগতত এটা নতুন অভিলেখ স্থাপন কৰে। বিভিন্ন বাতৰি-কাকত আৰু প্ৰচাৰ মাধ্যম আইৰিনৰ সাফল্যত সোচ্চাৰ হৈ পৰে।

"মা, ব্ৰহ্মপুত্ৰখন দেখোন তেনেই সৰু!" ব্ৰহ্মপুত্ৰ অতিক্ৰম কৰাৰ পাছত আইৰিনে মাকক কৈছিল। এতিয়া প্ৰশ্ন হ'ল,—আইৰিনৰ এই সাফল্য জানো প্ৰশংসা আৰু বাতৰি-কাকত তথা প্ৰচাৰ মাধ্যমৰ সীমাতে আবদ্ধ হৈ থাকিবলৈ দিব পাৰি? আইৰিনৰ সাঁতোৰ-জীৱনৰ ভৱিষ্যত আৰম্ভ হৈছেহে এথোন। আমাৰ দেশ, চৰকাৰ আৰু আমাৰ ক্ৰীড়া জগতৰ বাতাৱৰণে আইৰিনক উৎসাহিত কৰিব পাৰিবনে? সাম্প্ৰতিক প্ৰতিযোগিতামূলক বিশ্বৰ ক্ৰীড়া জগতখনৰ লগত খোজ মিলাই আগ বাঢ়িবলৈ অকণমানি আইৰিনৰ প্ৰয়োজন হ'ব কঠোৰ-সাধনা, অনুশীলন আৰু বিজ্ঞানসন্মত পূৰ্ণাংগ প্ৰশিক্ষণ। বিজ্ঞানসন্মত প্ৰশিক্ষণ অবিহনে কঠোৰ সাধনা আৰু অনুশীলন সত্বেও কিন্তু আইৰিন ব্যৰ্থ হ'বলৈ বাধ্য। আমাৰ ৰাজ্য তথা ক্ৰীড়া জগতখনে তেনে এটা বাতাৱৰণ উঠি অহা বছজনী আইৰিনক দিব পাৰিবনে? যদি নোৱাৰে, তেনেহ'লে এদিন আইৰিন বৰুৱাইতে আমাৰ কাকো ক্ষমা নকৰিব।

**উত্তম কুমাৰ বৰুৱা**

## পুৰণি আলোকচিত্ৰৰ সংগ্ৰহ

### এটি গোহাৰি

অসমৰ পুৰণি আলোকচিত্ৰসমূহৰ পুনৰ উদ্ধাৰ, সংৰক্ষণ, প্ৰকাশ আৰু স্থায়ীভাৱে প্ৰদৰ্শনৰ এটি দীৰ্ঘম্যাদী পৰিকল্পনা হাতত লোৱা হৈছে। আলোকচিত্ৰসমূহ বিষয় নিৰপেক্ষ আৰু ঐতিহাসিক মূল্যৰ ভিত্তিত নিৰ্বাচন কৰা হ'ব। সেয়ে, অসমৰ চুকে-কোণে সোমাই থকা পুৰণি আলোকচিত্ৰৰ (ব্যক্তিগত/সামূহিক) সংগ্ৰহসমূহ আৰু বিষয়ৰ সম্পৰ্কে আমাক অৱগত কৰাবলৈ সবিনয়ে অনুৰোধ জনালো। আপোনাৰ সহযোগিতা আৰু পৰামৰ্শই আমাৰ মূলধন।

যোগাযোগৰ ঠিকনা:

প্ৰশান্ত ভট্টাচাৰ্য্য
ভূগোল বিজ্ঞান বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়
গুপীনাথ বৰদলৈ নগৰ
গুৱাহাটী—৭৮১০১৪





# সমাজৰ পুৰস্কাৰ

মানুহৰ প্ৰয়োজনীয় আৰু মৰমৰ কিছুমান বস্তু কেইবাটাও কাৰণত লাহে-লাহে অপ্ৰিয় হৈ পৰে ; যেনে—গাড়ীৰ ওপৰত লগোৱা ৰঙা লাইটটো, গামোচা ইত্যাদি। আমোদজনক কথা,—এই বস্তুবোৰ অপ্ৰিয় হৈও আহিছে, অথচ এইবোৰৰ প্ৰচলন বাঢ়িও আহিছে। এইবোৰ বস্তুৰ শাৰীলৈ লাহে-লাহে আৰু এটা বস্তু নামিছে ; —সেইটো হ'ল বঁটা, পুৰস্কাৰ আদি। মানুহৰ সদগুণ, ভাল কাম আদিৰ স্বীকৃতি হিচাপে তেওঁলৈ বঁটা, পুৰস্কাৰ আদি আগ বঢ়োৱা হয়, বা তেওঁক সন্মান জনোৱা হয় ; কিন্তু এই বঁটা-পুৰস্কাৰ আদি আৰু মানুহজন,—এই সকলো মিলি এটা অপ্ৰিয় বস্তুৰহে সৃষ্টি হ'ল,—এইটো এটা দুশ্চিন্তাৰ বিষয়। উল্লেখযোগ্য,—দোকানত বেচিবলৈ থোৱা বা ঘৰৰ বাকছত জাপি থোৱা গামোচা এখন অপ্ৰিয় হোৱাৰ প্ৰশ্নই নুঠে ; সেইখন অপ্ৰিয় হ'ব পাৰে সি কেতিয়া, কাৰ ডিঙিত উঠিল,—তাৰ ওপৰত ভিত্তি কৰি। ই যদি সঘনে, বহু সংখ্যক ডিঙিত জধে-মধে উঠিবলৈ লয়, তেতিয়াহে হয়তো ই জাপি থোৱা অৱস্থাতো অপ্ৰিয় হয়।

বঁটা-পুৰস্কাৰ আৰু সেইবোৰ পোৱা লোকসকল অপ্ৰিয় হোৱাৰ প্ৰসংগটো আলোচনা কৰাৰ আৰম্ভণিতে মানুহৰ হিংসা-দ্বেষ, পৰশ্ৰীকাতৰতা, শত্ৰুতা আদি প্ৰবৃত্তিসমূহৰ কথা বাদ দি লব লাগিব। 'তেওঁ পালে, মই কিয় নাপালো' ভাব, অইনৰ ভাল সহ্য কৰিব নোৱৰা, সকলোতে কেৱল বেয়াটো দেখা,—এইবোৰ দোষ মানুহৰ আছেই, থাকিবই ; —সেইবোৰক আওকাণ কৰিবই লাগিব। কোনোবাই কিবা এটা পালে তেওঁৰ বিষয়ে বা তেওঁ পোৱা বস্তুটোৰ বিষয়ে বেয়াকৈ কোৱাজন কেনে মানুহ সেইটোও আপুনি জানিব লাগিব, আৰু আপুনি যদি বুদ্ধিমান মানুহ হয়, তেন্তে বুজিব পাৰিব—তেওঁ কথাবোৰ শুদ্ধ বিশ্লেষণৰ ওপৰত ভিত্তি কৰি কৈছে, নে হিংসা-দ্বেষ আদি বদগুণৰ প্ৰভাৱত কৈছে। সেইটো কথা সিমানতে পৰিত্যাজ্য।

বঁটা-পুৰস্কাৰ যিমান বিধৰ আছে, সেইবোৰৰ আলোচনা-সমালোচনাও সিমান বিধৰ হ'ব পাৰে। এজন দৌৰবীৰে এশ মিটাৰ দৌৰ যি ধৰণে জিকে, তেওঁ জিকা ঘটনাটো যি ধৰণে ৰেকৰ্ড কৰা হয়, সেই সম্পৰ্কে সাধাৰণতে ক'বলৈ কাৰো একো নাথাকে। তেওঁ লাভ কৰা পুৰস্কাৰ গৌৰৱময়, তেওঁৰ কৃতিত্ব অভিনন্দনযোগ্য। (ধৰি ললো,—ড্ৰাগছৰ পৰীক্ষা তেওঁ পাছ কৰিছে।) এইজন মানুহে এশ মিটাৰ দৌৰৰ বাবে সমগ্ৰ পৃথিৱীত যিমানে বেছি পুৰস্কাৰ পায়, তেওঁ সিমানে মহান হৈ গৈ থাকে। হাইস্কুলৰ শেষ পৰীক্ষাত প্ৰথম হোৱাজনে যি সন্মান বা পুৰস্কাৰ পায় তাক উক্ত দৌৰবীৰৰ পুৰস্কাৰৰ ধৰণটোৰ লগত তুলনা কৰিব নোৱাৰি। এওঁ পোন্ধৰজন পৰীক্ষকৰ ব্যক্তিগত বিচাৰ, মেজাজ, চৰিত্ৰ আদিৰ মাজেৰে পাৰ হৈ আহিছে। তেওঁলোকৰ বিচাৰ অইন কোনেও বিচাৰ কৰাৰ সুবিধা পোৱা নাই। কিন্তু আমি তেওঁক সন্মান জনাবই লাগিব,—কাৰণ সেই পৰীক্ষাটোত দ্বিতীয়, তৃতীয়, চতুৰ্থ স্থান পোৱা, পাছ কৰা, ফে'ল কৰা,—এই সকলো পৰীক্ষাৰ্থী সেই ধৰণৰ পৰীক্ষকৰ বিচাৰৰ মাজেদিয়েই পাৰ হৈ আহিছে ; —গতিকে পৰীক্ষকসকলৰ দোষ-গুণৰ গড় হিচাপত আমি যি ফলাফল পাইছো, সেই ফলাফল মতে তেৱেঁই প্ৰথম ; গতিকে তেৱেঁই সন্মানীয়। ইয়াত অন্ততঃ তেওঁ পৰীক্ষাৰ বহীত লিখা কথাবোৰে মুখ্য ভূমিকা গ্ৰহণ কৰে। পৰীক্ষাটো যদি কেৱল মৌখিক হ'লহেঁতেন, তেনেহ'লে সন্মানৰ মূল্যটোৰ ক্ষেত্ৰত অলপ গণ্ডগোল হ'লহেঁতেন।

ইয়াৰ লগত ভাৰতৰ সাহিত্য একাডেমিৰ বঁটাৰ কথাটো তুলনা কৰি চাব পাৰি। এই বঁটাৰ বাবে যিটো বস্তু বিচাৰ কৰা হয়, সেইটো হ'ল প্ৰকাশিত কিতাপ। ই ৰাজহুৱা বস্তু ; পৰীক্ষাৰ্থীৰ উত্তৰৰ বহীৰ নিচিনা গোপনীয় বস্তু নহয়। সাহিত্যৰ বিচাৰ সঠিকভাৱে কৰিব জনা লোকে "এইখন কিতাপ পুৰস্কৃত হোৱা উচিত" বুলি আগতীয়াকৈও ক'ব পাৰে ; আনহাতে,—একোখন কিতাপে বঁটাটো পালে, সেইখন কিতাপ সেইটো বঁটাৰ যোগ্য নাছিল বুলিও ক'ব পাৰে। এনেকুৱা প্ৰায়েই হয়ো। পঞ্জাবী লেখক হৰিন্দৰ সিং মেহবুবে তেওঁৰ 'ঝনন দি ৰাত' নামৰ কিতাপখনত ইন্দিৰা গান্ধীক লঘু কৰিছে আৰু তেওঁৰ হত্যাকাণ্ডটোক মহত্ব প্ৰদান কৰিছে কাৰণে সেইখনক দিয়া একাডেমি বঁটা ওভোতাই লব লাগে বুলি দাবী তোলা হৈছিল। সেইটো দাবীৰ চৰিত্ৰ একেবাৰে বেলেগ। এনে ধৰণৰ দাবীয়ে মানুহজনকো লঘু নকৰে, কিতাপখনকো লঘু নকৰে। এইটো ইন্দিৰা গান্ধী সম্বন্ধে কাৰ কি দৃষ্টিভংগী, তাৰ ওপৰত নিৰ্ভৰ কৰা কথা। আনহাতে 'কয়দী' নামৰ ডোগ্ৰি ভাষাৰ উপন্যাসখনে একাডেমি বঁটা পাওঁতে লেখক দেশবন্ধু ডোগ্ৰা নুতনে বঁটা-বিতৰণী সভাত উপস্থিত হৈ বঁটাটো প্ৰত্যাখ্যান কৰিলে ; কাৰণ—তেওঁৰ মতে তেওঁ সেই বঁটা আগতেই পাব লাগিছিল আৰু তেওঁৰ কিতাপখনৰ আগতে এনেকুৱা কেইখনমান কিতাপে একাডেমি বঁটা পালে,—যি কেইখন সেই বঁটাৰ যোগ্য নাছিল। এইটো দাবীৰ চৰিত্ৰ গুণগত দিশৰ পৰা উল্লেখযোগ্য। দেশবন্ধুৰ দাবীটোৰ যুক্তিযুক্ততা আছেনে ? যদি আছে তেনেহ'লে কেনেকৈ অযোগ্য বা কম যোগ্য কিতাপে একাডেমি বঁটা পালে ? কিয় এনেকৈ পুৰস্কৃত লোকসকল বা বঁটাটো মানুহৰ চকুত হেয় হ'ল ? এইবোৰ সংশ্লিষ্ট মানুহ কিছুমানৰ দোষতে হ'বলৈ পায়। সাহিত্য একাডেমিৰ বঁটাৰ উদ্দেশ্য যে সৎ সেই বিষয়ে সন্দেহ নাই ; কিন্তু ইয়াক যদি লঘু কৰিছে তেনেহ'লে সাহিত্যৰ মানুহেই কৰিছে। এজন লেখক যদি এই বঁটা পোৱাৰ কাৰণে লঘু হৈছে, তেনেহ'লে মূলতঃ সাহিত্যৰ বিচাৰকসকলেই নিজৰ অক্ষমতা, দুৰ্বলতা, অসততা আদিৰ কাৰণে তেওঁক লঘু কৰিছে। নিজৰ কিতাপৰ কাৰণে 'প্ৰপাগাণ্ডা' কৰি সম্ভাব্য বিচাৰকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব খোজা লেখক-লেখিকাৰ কথা আজিকালি সঘনে শুনা যায়। প্ৰকৃততে বঁটাৰ উপযোগী সাহিত্য-কৰ্ম কৰা লোকে এনে কাম নকৰে। এনে কাম কৰা লোকৰ কাৰণে কালক্ৰমত বঁটাটোও এক কলংকত পৰিণত হ'ব পাৰে।

চলচ্চিত্ৰৰ ক্ষেত্ৰত এটা বৈশিষ্ট্যৰ কথা বিবেচনাযোগ্য। কিতাপৰ দৰে ইয়াৰ কপি বহুতৰ হাতত, ইচ্ছা কৰিলেই চাব পৰা অৱস্থাত নাথাকে। গতিকে বাৰে-বাৰে ইয়াৰ সূক্ষ্ম বিচাৰ কৰি থকাটো আগ্ৰহী লোকৰ পক্ষেও সম্ভৱ নহয়। বিচাৰকসকলেও চকুৰ আগেদি এবাৰ বা দুবাৰ পাৰ হৈ যোৱাৰ পাছতে চলচ্চিত্ৰখনৰ গুণাগুণৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰে। গতিকে বিচাৰকসকলৰ নিজৰ গুণৰ ওপৰতে যাইকৈ এই ক্ষেত্ৰৰ বঁটাৰ মূল্য নিৰ্ভৰ কৰে। অমুক চৰকাৰে দিলে নে তমুক প্ৰতিষ্ঠানে দিলে, তাতকৈ কোন বিচাৰকমণ্ডলীয়ে দিলে সেই কথাৰ গুৰুত্ব বঁটাটোৰ মৰ্যাদাৰ লগত অধিক নিবিড়ভাৱে জড়িত হৈ পৰে।

এই যে উদাহৰণকেইটা দিয়া হ'ল, এই কেইটাত অন্ততঃ বঁটা পাওঁতাই সৃষ্টি কৰা একোটা নিৰ্দিষ্ট বস্তু থাকে। কিন্তু পদ্মশ্ৰী, পদ্মভূষণ আদিৰ অৱস্থাটো কেনেকুৱা ? উদ্দেশ্য, বিচাৰ-পদ্ধতি ইত্যাদিলৈ নগৈ এটা মৌলিক কথাত ধৰা যাওক ; —দেশৰ বা ৰাজ্যৰ শাসনাধিষ্ঠ ৰাজনৈতিক দল সলনি হোৱাৰ লগে-লগে এই সন্মান কেনে মানুহে পোৱা উচিত সেই দৃষ্টিভংগীও সলনি হৈ যোৱা কথাটো সঁচানে ? যদি সঁচা,—তেনেহ'লে এই সন্মান সন্মানজনক হৈ থাকিব নে ? এই পদ্ম-শ্ৰেণীৰ সন্মানৰ লগত ৰাজনৈতিক দৃষ্টিভংগীৰ সংমিশ্ৰণ ঘটিছে কাৰণেই এইবোৰক অৰ্জুন বা চক্ৰ-শ্ৰেণীৰ বঁটাৰ দৰে সন্মানজনক বুলি ভাবিবলৈ মানুহে দ্বিধাবোধ কৰিব।

এইদৰে দেখা যায়, সৎ উদ্দেশ্যৰে প্ৰবৰ্তন কৰা বঁটাৰ মান-সন্মান অটুট ৰখাত সদায় একোটা মানৱ-উপাদানে কাম কৰেই। কিন্তু সদ্যহতে বঁটাও বেয়া, বঁটা দিয়া মানুহো বেয়া,— টকা দিলেই বঁটা পোৱা যায় ইত্যাদি খবৰ ওলাইছে। আগতে এনে কিছুমান বঁটা দিয়া প্ৰতিষ্ঠান বা সংগঠনৰ কথা শুনা গৈছিল,—যিবোৰৰ বঁটা পাওঁতাৰ চৰিত্ৰ দেখিয়েই বঁটা আৰু প্ৰতিষ্ঠান দুয়োকে আওকাণ কৰিব পৰা গৈছিল। সেইবোৰ আছিল একোটা গোষ্ঠীসুলভ কাৰবাৰ। কিন্তু টকা দিলেই বঁটাৰ ব্যৱস্থা কৰিব পৰাৰ কথাবোৰ নতুন ; —ইয়াৰ লগত অতি তলখাপৰ দুৰ্নীতিৰহে ভাল সম্পৰ্ক ঘটিব পাৰে।

এইবোৰ দেখি-শুনি সাধাৰণ মানুহৰ মনত বঁটা-পুৰস্কাৰ-সন্মান আদি পোৱা মানুহক লঘু কৰা, হেয়জ্ঞান কৰা, ঠাট্টা-মস্কৰা আদি কৰাৰ মনোবৃত্তি এটাৰ সৃষ্টি হৈছে। ফলত চিন্তাশীল, সৎ, স্পৰ্শকাতৰ কিছুমান গুণী লোকে একোটা বঁটা পোৱাৰ সময়ত চিন্তা কৰিবলগীয়া হৈছে,—বঁটাটো লব নে নলব। কিন্তু নলব কিয় ? বঁটাৰ উদ্দেশ্য যদি ভাল, বঁটাটো যদি তেওঁৰ প্ৰাপ্য বুলি তেওঁ নিজে আন্তৰিকতাৰে বিশ্বাস কৰে, তেনেহ'লে তেওঁ নলব কিয় ? ললে তেওঁৰ কিবা ক্ষতি হ'বনে কি ? বঁটাটো দি তেওঁক কোনোবাই কিনিলে নে কি ? যদি নাই কিনা, যদি তেওঁৰ ক্ষতি নহয়, তেনেহ'লে তেওঁ নলব কিয় ?

আচল বিচাৰক হ'ল সমাজৰ ভিতৰত সোমাই থকা এটা শক্তি। এই শক্তিয়ে আজিৰ ঠাট্টা-মস্কৰা বা আজিৰ জয়ধ্বনি সকলোৰে যথা সময়ত যথাযোগ্য ব্যৱস্থা কৰিবই। সেইকাৰণে কোনো বঁটা নোপোৱা মানুহো আমাৰ কাৰণে স্মৰণীয় আৰু সন্মানীয় হৈ থাকিব। (যেনে সংগীত-শিল্পী বীৰেন ফুকন)। সেই কাৰণেই কোনোবা পদ্মশ্ৰী এতিয়াই বিস্মৃত। সেই কাৰণেই কিছুমান বঁটা পোৱা মানুহে এদিন নিজেই অনুতাপ কৰিব—কিয়নো পাইছিলো, কিয় যে লৈছিলো।

২৭।১১।৯২



